# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

## ৪৮ সংখ্যক প্ৰকাশ


## ২০১৬ চন




জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
শ্বহীদ বেদী
শ্বহীদ প্ৰণামো তোমাক

# মঙলদৈ মহাবিদ্যালয়

# আলোচনী




৪৮ সংখ্যক প্ৰকাশ

২০১৬ চন

তত্ত্বাৱধায়ক ঃ ড° আঙ্গিৰস

সম্পাদক ঃ শ্ৰীলক্ষ্যজ্যোতি দাস

**Mangaldai Mahavidyalaya Alochani** : The annual house journal of Mangaldai College, Published by Dr. Khagendra Kr. Nath, Principal, Mangaldai College on behalf of Mangaldai College Students' Union.

---

সম্পাদনা সমিতি ঃ

মঙলদৈ মহাবিদ্যালয় আলোচনী (২০১৫-১৬ চন)

সভাপতি ঃ ড° খগেন্দ্র কুমাৰ নাথ

উপদেষ্টা ঃ ড° বিজয় কুমাৰ শৰ্মা
শ্ৰীপৰেশ কুমাৰ শৰ্মা
ড° ৰুণজুন দেৱী

তত্ত্বাৱধায়ক ঃ ড° আঙ্গিৰস

সম্পাদক ঃ শ্ৰীলক্ষ্যজ্যোতি দাস

বিশেষ সদস্য ঃ ড° বৰ্ণালী কলিতা
ড° বৰ্ণালী ডেকা
চৈয়দ আব্দুল মতলিব

সদস্য ঃ শ্ৰীহিমন্ত বিশ্ব হাজৰিকা
শ্ৰীহৃদয়ানন্দ ডেকা
শ্ৰীমুকুট বৰ্মন
শ্ৰীজিটুমণি কাশ্যপ

মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাইভেট লিমিটেড
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১ ০০৭, অসম



# শ্ৰদ্ধাঞ্জলি

যিসকল লোকে মানৱতাৰ হকে আৰু দেশৰ স্বতন্ত্ৰতাৰ বাবে আত্মবলিদান দিছিল;
যিসকল সৈনিক দেশৰ নিৰাপত্তাৰ বাবে শ্বহীদ হ'ল; অসমৰ অস্তিত্ব ৰক্ষাৰ
সংগ্ৰাম অসম আন্দোলনৰ শ্বহীদসকল; যিসকল লোকৰ নিৰলস প্ৰচেষ্টা
আৰু ত্যাগৰ ফলত মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল
তথা নিৰন্তৰ শ্ৰীবৃদ্ধি প্ৰাপ্ত হৈছে; যিসকলৰ আত্মবলিদানে
আমাৰ বৰ্তমান সুৰক্ষিত কৰিলে আৰু তেওঁলোকৰ কৃতকৰ্মই আমাক
প্ৰেৰণা যোগাই আহিছে

লগতে

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন ড০ এ পি জে আব্দুল কালাম
প্ৰথিতযশা সাহিত্যিক মহিম বৰা, সাহিত্যিক নলিনীধৰ ভট্টাচাৰ্য্য

আদি

দেশৰ ৰাজনীতি, প্ৰতিৰক্ষা, শিক্ষা, বিজ্ঞান, শিল্প-কলা, সংস্কৃতি আৰু ক্ৰীড়া জগতলৈ অমূল্য
বৰঙণি আগবঢ়াই পৰলোকপ্ৰাপ্তি হোৱা আমাৰ জ্ঞাত-অজ্ঞাত প্ৰতিগৰাকী মহান ব্যক্তিৰ
পূণ্যাত্মাৰ সদ্‌গতি কামনা কৰি
শ্ৰদ্ধাঞ্জলি নিবেদিছো।


—সম্পাদনা সমিতি

# অধ্যক্ষৰ একলম

পোনতে মঙলদৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ সমূহ সদস্যলৈ মোৰ প্ৰীতি সম্ভাষণ যাচিলোঁ। দেশৰ স্বাধীনতা প্ৰাপ্তিৰ মাত্ৰ কেইটামান বছৰ পিছতেই ১৯৫১ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। ৰাজনৈতিক চেতনাত তেজাল আৰু সংস্কৃতিত মেটমৰা সম্ভাৰেৰে সমৃদ্ধ এই জিলাখন তেতিয়া অৰ্থনৈতিক তথা শৈক্ষিক দিশত অনগ্ৰসৰ আছিল। এই শিক্ষাৰ অনগ্ৰসৰতা দূৰ কৰাৰ সপোন লৈ আৰম্ভ কৰা এই মহাবিদ্যালয়ে এতিয়া ৬৫ বছৰ বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্তমান অৱস্থাত উপনীত হৈছে। আজি জিলাখনৰ বিভিন্ন প্ৰান্তত কেইবাখনো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি উঠিছে। জিলাখনৰ আটাইতকৈ পুৰণি মহাবিদ্যালয় হিচাপে আৰু ইয়াৰ প্ৰৌঢ়ত্বৰ গৰিমা ৰক্ষা কৰি জিলাখনৰ বৌদ্ধিক, বিদ্যায়তনিক তথা সাংস্কৃতিক দিশত মহাবিদ্যালয়খনে দক্ষতাৰে নেতৃত্ব বহন কৰি আহিছে। এই মহাবিদ্যালয়খনৰ বিশাল পৰিমাণৰ ভূমি; বহু সংখ্যক ডক্টৰেট ডিগ্ৰীধাৰী গৱেষক, স্নাতকোত্তৰ পৰীক্ষাত 'গ'ল্ড মেডেলিষ্ট', স্নাতক-স্নাতকোত্তৰ আদি বিভিন্ন পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা [illegible] ভাৱনাৰে প্ৰেৰিত অধ্যাপক-অধ্যাপিকাৰ এটি শক্তিশালী দল; বিজ্ঞান আৰু কলা শাখাৰ মুঠ ১৬ টা বিষয়ত থকা মেজৰ পাঠ্যক্ৰম; শীত-তাপ নিয়ন্ত্ৰিত এটা 'চাইন্স গেলেৰী'; বায়'টেক হাব, কম্পিউটাৰ পাঠ্যক্ৰম আদি সুবিধাৰে সম্প্ৰতি মঙলদৈ মহাবিদ্যালয় উচ্চ শিক্ষাৰ এক আকৰ্ষণীয় প্ৰতিষ্ঠান হৈ পৰিছে। বৰ্তমান 'লেৱৰেটৰী টেক্‌নিচিয়ান' আৰু 'ফুড প্ৰচেচিং' বিষয়ত বৃত্তিমূলক বি. ভক. (B. Voc) পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু IDOL ৰ অধ্যয়ন কেন্দ্ৰ খোলা হৈছে। ক্ৰীড়াৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ এখন সুন্দৰ খেল পথাৰ আছে। বিভিন্ন সা-সঁজুলিৰে সতে 'জিম্‌নেচিয়াম' এটা আছে, বাস্কেট বল ক'ৰ্টৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। নিৰ্মাণৰত চুইমিংপুল আৰু ইনড'ৰ ষ্টেডিয়ামৰ কাম সম্পূৰ্ণ হৈ উঠিলে মহাবিদ্যালয়খনৰ ক্ৰীড়া পৰিবেশত এক নতুন মাত্ৰা সংযোজিত হ'ব। ইতিমধ্যে কেইবাটাও 'ডিজিটেল স্মাৰ্ট' শ্ৰেণীকোঠা প্ৰস্তুত কৰি তোলা হৈছে। এই মহাবিদ্যালয়খনক অধিক আধুনিকীকৰণ কৰিবলৈ নিৰন্তৰ চেষ্টা অব্যাহত ৰখা হৈছে।

মহাবিদ্যালয়খনৰ সমস্যাবোৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে, এজন প্ৰাক্তন অধ্যাপক হিচাপে আৰু বৰ্তমান অধ্যক্ষ হিচাপে মই অতি আন্তৰিকভাৱে অনুভৱ কৰিব পাৰো। সেইবোৰ দূৰ কৰি মহাবিদ্যালয়খনক এক সৰ্বাংগ সুন্দৰ যুগোপযোগী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলিবলৈ সপোন দেখাৰ আৰু তাৰ বাবে প্ৰচেষ্টাত মই কাৰ্পণ্য কৰা নাই। ইতিমধ্যে প্ৰশাসনীয় ক্ষেত্ৰত আৰ্থিক শৃংখলা, প্ৰশাসনীয় ব্যয় সংকোচন আৰু বিভিন্ন শিতানত আহৃত ধনৰাশিৰ সৎ ব্যৱহাৰৰ জৰিয়তে অধ্যক্ষ হিচাপে যোৱা পাঁচ বছৰৰ ভিতৰতে কেইবাটাও দুমহলীয়া ভৱন নিৰ্মাণ কৰা হৈছে। সমগ্ৰ চৌহদটো দৃষ্টিনন্দন কৰিবলৈ এটা এটাকৈ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। এটা অত্যাধুনিক ছাত্ৰাৱাস আৰু বিজ্ঞানৰ বিভিন্ন বিভাগৰ লেৱৰেটৰীসমূহৰ উন্নয়ন আমাৰ তৎকালীন পৰিকল্পতি আঁচনিৰ ভিতৰত আছে। অসমীয়া বিভাগত ইতিমধ্যে থকা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ দৰে অন্য কেইটামান বিভাগতো কম দিনৰ ভিতৰতে স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰবৰ্তন কৰাৰ পৰিকল্পনা কৰা হৈছে। অহা বছৰৰ ভিতৰত এখন অত্যাধুনিক কেণ্টিন আৰু ছাত্ৰ জিৰণি কোঠা মহাবিদ্যালয় পৰিয়ালে লাভ কৰিব পাৰিব। উন্নয়নৰ এই প্ৰক্ৰিয়া নিৰন্তৰ অব্যাহত থাকিব। কিন্তু আমি আটাইয়ে এটা কথাত সচেষ্ট থকা ভাল যে আমি ইতিমধ্যে যিবোৰ সা-সুবিধা লাভ কৰিছো সেইবোৰ যাতে পৰ্যাপ্ত পৰিমাণে ব্যৱহাৰ হয়, সৎ ব্যৱহাৰ হয় আৰু অপচয় অত্যাচাৰৰপৰা যেন ৰক্ষা পৰে। চৰকাৰৰ সু-দৃষ্টি, ৰাইজৰ সহযোগিতা আৰু মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে আন্তৰিক সেৱাৰে মঙলদৈ মহাবিদ্যালয়ে অদূৰ ভৱিষ্যতে ৰাজ্যখনৰ ভিতৰতে এক খ্যাতিমান মহিমামণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হৈ উঠিব সেয়া নিশ্চিত। এই ক্ষেত্ৰত মই আশাবাদী। ধন্যবাদ।

ড° খগেন্দ্ৰ কুমাৰ নাথ
অধ্যক্ষ
মঙলদৈ মহাবিদ্যালয়




ড° খগেন্দ্ৰ কুমাৰ নাথ
অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়

# আলোচনী সম্পাদনা সমিতি



ড০ খগেন্দ্ৰ কুমাৰ নাথ
সভাপতি



ড০ বিজয় কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীপৰেশ কুমাৰ শৰ্মা
উপদেষ্টা



ড০ ৰুণজুন দেৱী
উপদেষ্টা



ড০ আঙ্গিৰস
তত্ত্বাৱধায়ক



ড০ বৰ্ণালী কলিতা
বিশেষ সদস্য



ড০ বৰ্ণালী ডেকা
বিশেষ সদস্য



চৈয়দ আব্দুল মতলিব
বিশেষ সদস্য



শ্ৰীলক্ষ্যজ্যোতি দাস
সম্পাদক



শ্ৰীহিমন্ত বিশ্ব হাজৰিকা
সদস্য



শ্ৰীহৃদয়ানন্দ ডেকা
সদস্য



শ্ৰীমুকুট বৰ্মন
সদস্য



শ্ৰীজিতুমণি কাশ্যপ
সদস্য

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

ৰচনা

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী

সুৰ আৰু স্বৰলিপি

কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল

দাদ্ৰা ( [illegible] স্বৰলিপি কৰা হৈছে)

[illegible] মহাসাধনাৰ

[illegible] লি তুমি

জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ

মহান পুণ্যভূমি।।১।।

অজ্ঞানতাৰ তমসা ৰাতিত

জনতা আছিল ডুবি

জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা

সুধা সঞ্জীৱনী।

বিকশিত আজি শত শত দল

তোমাৰ চৰণ চুমি।।২।।

বিয়পি পৰিছে চৌদিশে আজি

তোমাৰ জ্যোতিৰ বান,

শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে

তুমি যে দীপ্তিমান।

তোমাৰ আভাত হওঁক প্ৰতিভাত

নৱ প্ৰতিভাৰ খনি।। ৩।।

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স্থায়ী | | | | | | | | | | | |
| | X | | | 0 | | | X | | | 0 | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | -প | গৰ | গৰ | স |
| ম | হা | জী | ৰS | নS | ৰ | ম | হা | Sসা | ধS | নS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | — | — | — |
| আ | শাS | ক | গ | জাS | লি | তু | মি | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মপ | প | নৰ | স — | | — | — | — |
| ম | হা | ন | পুS | SS | ণ্য | ভুS | মি | S | S | S | S |
| ১ম অন্তৰা | | | | | | | | | | | |
| | X | | | 0 | | | X | | | 0 | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | — | নধ | পধ | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | — | — | — | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধন |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | — | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ব | নী | ব্দ | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | — | — | — | — |
| সু | ধা | সন্ | SS | জী | SS | ব | নী | ব্দ | S | S | S |
| প | প | প | [illegible] | [illegible] | [illegible] | ম | ম | Sম | মপ | গমপ | ৰ |
| বি | কা | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | পম | প | নৰ | স | — | — | — | — |
| তো | মা | ৰ | [illegible] | [illegible] | [illegible] | চS | মি | S | S | S | S |
| ২য় অন্তৰা | | | | | | | | | | | |
| | X | | | 0 | | | X | | | 0 | |
| ম | ৰ | গপ | [illegible] | ৰ | গৰস | স | ক | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | — | — | — | — | — | — |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | নS |
| ন | ন | ন | ধন | পধ | গধ | প | — | — | — | — | — |
| তো | মা | ৰ | জ্যোS | তিS | Sৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | — | — | — | — | — |
| তু | মি | যে | দ্বীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | — | — | — | — |
| তু | মি | যে | দ্বীS | Sৰ | তিS | মা | S | S | S | S | ন |



মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একা সভা (২০১৫-১৬ বৰ্ষ) ৰ বিষয়ববীয়াসকল ঃ

বাওঁফালৰ পৰা ক্ৰমে ঃ প্ৰাণজিৎ ডেকা, সুজিত ডেকা, যতীন চন্দ্ৰ ডেকা, হৃদয়ানন্দ ডেকা,ৰূপাঞ্জলী ডেকা, দীপাঞ্জলী কোঁৱৰ, হিমন্ত বিশ্ব হাজৰিকা, অৰিন্দম ভৰদ্বাজ, লক্ষ্যজ্যোতি দাস, পৰাণজ্যোতি ডেকা, (ফটোত অনুপস্থিত অলকেশ শৰ্মা)

# সূচীপত্ৰ—


| | | |
|---|---|---|
| তত্ত্বাৱধায়কৰ চিন্তা | ড° আঙ্গিৰস | ৪ |
| সম্পাদকীয় | | ৭ |


## প্ৰবন্ধ


| | | |
|---|---|---|
| পৰিবৰ্তন | ড° লোকেশ্বৰ নাথ | ৯ |
| শিশুৰ নৈতিক বিকাশৰ গতিধাৰা | কুঞ্জলতা বৰুৱা | ১৩ |
| পাশ্চাত্য দেশসমূহত সংস্কৃত চৰ্চা | গগেন কাকতি | ১৬ |
| ৰবীন্দ্ৰ নাথ ঠাকুৰৰ শিক্ষাদৰ্শন | মৌচুমী কংস বণিক | ১৮ |
| বিশ্ব দৰিদ্ৰতা ঃ এক প্ৰত্যাহ্বান | ড° বৰ্ণালী ডেকা | ২১ |
| আৰ্যভটৰ সংখ্যা | ড° আঙ্গিৰস | ২৩ |
| কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় মঙ্গলদৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ এক চমু ইতিবৃত্ত | জ্যোতিপ্ৰসাদ শইকীয়া | ২৭ |
| Tragedy of the historic peasants uprising at Pothorughat : Still awaiting for the national recognition since last 122 years | Bhargab Kumar Das | ৩২ |
| Dr. Sarvepalli Radha Krishnan and His Ideology | Birdao Boro (Sagar) | ৩৫ |
| A Shadowed Chapter in the History of Indian Freedom Struggle | Fajrin Zinnat Fayjie | ৩৭ |
| দুখন ভিন্ন স্বাদৰ জনপ্ৰিয় বাস্তৱ গ্ৰন্থ আৰু মোৰ অনুভৱ | নীহাৰিকা ডেকা | ৩৯ |
| য়ত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ নাৰ্য্যাস্তু ঃ | হিমাশ্ৰী শৰ্মা | ৪২ |
| অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি | লিচামণি কলিতা | ৪৪ |
| The Internet and Globalisation | Manisha Devi | ৪৬ |
| মাছৰ পৰিভ্ৰমণ ঃ এক মনোৰম পৰিঘটনা | ধনজিতা দাস | ৪৭ |
| দৰঙৰ 'নাঙেলী গীত' | বিতোপন কলিতা | ৪৯ |
| স্বাস্থ্য ৰক্ষাত সংগীতৰ স্বৰ- এটি অৱলোকন | বন্দিতা দত্ত | ৫১ |
| পৰিচয় | হিমন্ত বিশ্ব হাজৰিকা | ৫২ |
| গঁড় সুৰক্ষা ঃ এক চিন্তন | চন্দন দাস | ৫৪ |
| যোগ্য ভোগ্য বসুন্ধৰা | নিৰ্মলা দাস | ৫৬ |
| Did You Know what is EL NINO? | Dipshikha Bora | ৫৭ |
| A tribute to Pani Ram Das -'The General in Khadi' | | ৫৮ |
| Google, Facebook আৰু Whats App বিষয়ে কেইটামান কথা ঃ | লক্ষ্যজ্যোতি দাস | ৬১ |
| অনুশাসনহীনতা এক ভয়াবহ সমস্যা | দীপজ্যোতি ডেকা | ৬৩ |
| শিক্ষাৰ লগত খেল-ধেমালিৰ প্ৰয়োজনীয়তা | দীপশিখা বড়া | ৬৫ |
| The Unsolved Mystery of the Bermuda Triangle | Gayatri Deka | ৬৭ |

## সূচীপত্ৰ—

### গল্প


| | | |
|---|---|---|
| ফুলশয্যা | আছিৰ উদ্দিন | ৬৮ |
| ভূত | ড° বিজয় কুমাৰ শৰ্মা | ৭৩ |
| জীৱন বৰ অনুপম | মুকুট বৰ্মন | ৭৬ |
| ডাইনী | নীলাক্ষি শৰ্মা | ৮১ |
| শেৱালি - অভিলাষ | পূনম নিশি শিবম | ৮২ |
| বিষাদ গ্ৰস্ত সময় | নীলাক্ষি শৰ্মা | ৮৪ |
| নষ্ট ছোৱালী | জিতু মনি কাশ্যপ | ৮৬ |
| ভয়ানক সেই আবেলিটি | অপৰ্ণা বৰুৱা | ৮৮ |
| ঘৃণিত ঈশ্বৰ | কুসুম শৰ্মা | ৮৯ |
| শ্বিলঙৰ চিনাকী সুবাস | কৰবী শৰ্মা | ৯২ |
| দিপাংকৰ আৰু তাৰ জলহস্তী | বাব্লী সাহা | ৯৬ |
| মোহ ভংগ | পপী ডেকা | ৯৮ |
| আকাংক্ষা | নাজৰিন ইয়াচমিন | ১০০ |
| কোনো জুইত জাহ নাযায় মোৰ বন্ধুত্ব | অপৰূপা বৰুৱা | ১০১ |
| অস্তিত্বৰ সংকট | হিমাশ্ৰী শৰ্মা | ১০৩ |
| নতুনৰ যাত্ৰা | অংকিতা তামুলী | ১০৪ |
| শুধৰণী | ছৈয়দা নুৰি নাৰ্গিছ | ১০৮ |
| সময়ৰ নিষ্ঠুৰতা | অসীমজোতি শৰ্মা | ১১০ |
| ৰূপান্তৰ | পৰিস্মিতা ভৰদ্বাজ | ১১৩ |
| জীৱনৰ ক্ষনিক নষ্টালজিয়া | লোপমুদ্ৰা দেৱী | ১১৫ |
| নীলা খামৰ চিঠি | মুকুট বৰ্মন | ১১৬ |
| নীলা খামৰ চিঠি | পূণম নিশি শিৱম | ১১৭ |

## সূচীপত্ৰ—

### কবিতা


| | | | |
|---|---|---|---|
| ❒ | নিৰৱতাৰ গভীৰতাত | পবিত্ৰ কুমাৰ নাথ | ১১৮ |
| ❒ | শব্দৰ স্তুতি, এজাক বৰষুণ আৰু এখন নেদেখা সাগৰ | ড° আঙ্গিৰস | ১১৯ |
| ❒ | তুমি নাৰী | নীলাক্ষি শৰ্মা | ১২০ |
| ❒ | হৃদয়ৰ ভাষা | বন্দিতা কাকতি | ১২১ |
| ❒ | মোৰ 'মা' তুমি | পূনম নিশি শিৰম | ১২১ |
| ❒ | নাৰী | বাৰবী চহৰীয়া | ১২২ |
| ❒ | Her Pain | Ninasmita Bania | ১২২ |
| ❒ | বুভুক্ষাৰ প্ৰচ্ছায়া | বিজয়লক্ষ্মী চহৰীয়া | ১২৩ |
| ❒ | মইতো নহওঁ কবি | ৰীতু মনি ডেকা | ১২৩ |
| ❒ | The Mystery Continues for ever.... | Hriday Sagar Sarma | ১২৪ |
| ❒ | অতুলনীয় | নীলাক্ষি শৰ্মা | ১২৪ |
| ❒ | সময়ৰ ঠিকনা | কবিতা কলিতা | ১২৫ |
| ❒ | বতৰা পৰিস্থিতিৰ | যতীন চন্দ্ৰ ডেকা | ১২৫ |
| ❒ | My Heart's Showcase | Nabanil Chakravorty | ১২৬ |
| ❒ | অগ্ৰগামী | গায়ত্ৰী নাথ | ১২৬ |
| ❒ | স্নিগ্ধা - বসুন্ধৰা | ধনজিতা দাস | ১২৭ |
| ❒ | সোণগুটি | নীলাক্ষি ডেকা | ১২৭ |
| ❒ | আকৌ আহিম | ৰাকেশ বেজবৰুৱা | ১২৮ |
| ❒ | ক্ষোভ | বিজু ফুকন ডেকা | ১২৮ |
| ❒ | আতুৰ কণ্ঠৰ কবিতা | ডেইজী প্ৰিয়া মহন্ত | ১২৯ |
| ❒ | কবিতা | প্ৰিয়ংকা চহৰীয়া | ১২৯ |
| ❒ | নিসংগতাৰ ঠিকনা | বনশ্ৰী ভট্টাচাৰ্য্য | ১৩০ |
| ❒ | আমি নতুনৰ জয়গান গাম | দিব্য নয়ন ভট্ট | ১৩০ |
| ❒ | বেপৰুৱা আলিবাট | কুমাৰী লাভ্‌লিনা চহৰীয়া | ১৩১ |
| ❒ | এটি মুদ্ৰা | জয়শ্ৰী দেৱী | ১৩১ |
| ❒ | তোমাৰেই অপেক্ষাত | হিমানী হাজৰিকা | ১৩২ |
| ❒ | শান্তিৰ শুভক্ষণ | কাকলি পৰাশৰ | ১৩৩ |
| ❒ | ৰং | চয়নিকা ডেকা | ১৩৩ |
| ❒ | মঙলদৈ মহাবিদ্যালয়ৰ অনুৰাধা মই | নাজৰিন ইয়াচমিন | ১৩৪ |
| ◆ | বিভাগীয় প্ৰতিবেদন | | ১৩৫ |
| ◆ | List of Principals of Mangaldai College | | ১৫০ |
| ◆ | ২০১৫-১৬ আৰু ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল | | ১৫১ |
| ◆ | মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল | | ১৫১ |

# তত্ত্বাৱধায়কৰ চিন্তা

মানৱ সভ্যতাৰ ইতিহাসত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ ভিন্ ভিন্ সময়ত সমাজ, অৰ্থনীতি আৰু ৰাজনীতিয়ে আদিমতা, জনজাতীয়, সামন্তীয়, ৰাজতান্ত্ৰিক, সাম্ৰাজ্যবাদ, জাতীয় ৰাজতন্ত্ৰ, উপনিবেশবাদ আদি বিভিন্ন স্তৰ অতিক্ৰম কৰি আহিছিল। উল্লিখিত বিভিন্ন পৰিস্থিতিসমূহে মানুহৰ সমকালীন জ্ঞানান্বেষণ আৰু সুকুমাৰ কলা সাধনাক প্ৰভাৱিত কৰিছিল। বৰ্তমান যুগটো হ'ল তথ্য প্ৰযুক্তি আৰু বিশ্বায়ণৰ যুগ। সকলো ধৰণৰ শৃংখলা আৰু সীমা অতিক্ৰম কৰাৰ মানসিকতাৰে উদ্বুদ্ধ যেন উত্তৰ আধুনিক মানুহৰ মন। জ্ঞানান্বেষণ আৰু কলাসাধনাই সমান্তৰালভাৱে প্ৰগতি তথা উৎকৰ্ষৰ এনে কিছুমান নজিৰ সৃষ্টি কৰিছে যিবোৰ দেখি মানুহ নিজেই যেন স্তম্ভিত হ'বলগীয়া হৈছে। এছাম অনন্য প্ৰতিভাধৰ লোকৰ আশ্চৰ্যচকিতকাৰী সৃষ্টি-কৰ্ম সমূহ প্ৰযুক্তি বিদ্যাৰ কৃপাত মানুহৰ বাবে সহজলভ্য তথা পয়োভৰপূৰ্ণ হৈ পৰিছে। ঘাইকৈ দূৰদৰ্শন তথা ইন্টাৰনেট ব্যৱস্থাই এই সহজলভ্যতা আৰু পয়োভৰপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিছে। অনুভৱ হয়, জ্ঞান সাধনা আৰু কলা সাধনাৰ ক্ষেত্ৰত অনন্য প্ৰতিভাধৰ লোকসকলৰ সাধনাৰ বিপৰীতে সাধাৰণ মানুহৰ অৱস্থা যেন গুলীয়াথ আৰু ডেভিদৰ পৰ্যায় পাইছে। এই সৃষ্টিকৰ্ম সমূহৰ আঁৰত থকা বৈজ্ঞানিক তত্ত্ব, প্ৰয়োগ কৰা কলা-কৌশল, মানসিক তথা শাৰীৰিক সামৰ্থ, প্ৰণালীবদ্ধ সাধনা আদি যেন সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য, দুৰ্লভ হৈ পৰিছে। আশ্চৰ্যচকিতকাৰী জ্ঞান তথা কলা সাধনাৰ সৃষ্টি কৰ্মৰ সহজলভ্যতা আৰু পয়োভৰে আৰু এটা অন্য মন কৰিবলগীয়া পৰিস্থিতিৰ জন্ম দিছে। এই পৰিস্থিতিয়ে যেন মানুহৰ স্বাভাৱিক জ্ঞান স্পৃহাক দুৰ্বল কৰিবলৈ লৈছে। এটা সময় আছিল কিবা এটা কথা সুধিবৰ বাবে অন্য এজন মানুহৰ ওচৰলৈ বাট কুৰি বাই যাব লাগিছিল, এখন কিতাপৰ বাবে দেশ-বিদেশৰ পুথিভঁড়াললৈ যাব লগীয়া হৈছিল। আজি কিন্তু সেই একেটা জানিবলগীয়া কথা নিজৰ হাতত থকা স্মাৰ্ট ফোনটোৰ জৰিয়তে মুহূৰ্ত্ততে জানিব পৰা হ'ল। পদাৰ্থ বিজ্ঞান, ভূগোল, বুৰঞ্জী, ৰসায়ণ বিজ্ঞান, গণিত, প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান, জ্যোতি বিজ্ঞান, চিকিৎসা শাস্ত্ৰ, ধৰ্ম, দৰ্শন, সংস্কৃতি আদি ইত্যাদি প্ৰতিটো বিষয়ৰে শেহতীয়া আবিষ্কাৰ সমূহৰ পৰা আৰম্ভ কৰি প্ৰাচীন যুগৰ জ্ঞান তথা তথ্য যেন চকুৰ আগত ডাঙি ধৰি দিয়া হৈছে। অধিক মাছত বগলী কণা হোৱা অথবা অত্যধিক পোহৰত মানুহে চকু মুদি দিবলগীয়া হোৱাৰ দৰে পৰিস্থিতিৰ যেন উদ্ভৱ হৈছে। এফালে বিজ্ঞান প্ৰযুক্তিয়ে উদ্ভাৱন কৰি দিয়া উপকৰণসমূহ আহৰণ কৰিবলৈ প্ৰয়োজনীয় ধনৰ বাবে আহৰি বিহীন পৰিশ্ৰম, চিন্তা, দুঃচিন্তা; সেই উপকৰণসমূহৰ সতে উমলি থাকিবলৈ, ব্যৱহাৰ কৰিবলৈ, চোৱা-চিতা কৰিবলৈ সময়ৰ নাটনি, আনহাতে জ্ঞান তথা কলাকৃতিৰ অপৰ্যাপ্ত সম্ভাৰ। কোনো এটা বিষয়ত অভিজ্ঞতা তথা পাৰদৰ্শিতা লাভ কৰিবলৈ দিনৰ পিচত দিন, বছৰৰ পিচত বছৰ, সময়, ধন আৰু শ্ৰম নিয়োজন কৰাৰ সলনি মানুহে যেন ভাবিবলৈ লৈছে প্ৰয়োজনীয় তথ্যখিনি প্ৰয়োজনৰ সময়ত দেখোন বিচাৰি ল'লেই হ'ল। এক বৃহৎ সংখ্যক মানুহৰ মাজত জ্ঞান সাধনা তথা জ্ঞানৰ প্ৰতি এইদৰে এক অনীহা আৰু চাহিদাহীন পৰিস্থিতিৰ উদ্ভৱ হৈছে।

এটা সময় আছিল এজন ব্যক্তি, এখন সমাজ অথবা এটা

জাতিৰ উৎকৰ্ষ, প্ৰগতি আৰু সন্মানৰ মাপ কাঠি আছিল ব্যক্তি গৰাকী, সমাজখনে তথা জাতিটোৱে আহৰণ কৰা জ্ঞান তথা কলাৰ সাধনালব্ধ সৃষ্টিকৰ্ম সমূহ। অধিকাংশ মানুহে সেই সন্মান সেই ঐশ্বৰ্যৰ গৰাকী হ'বলৈ, অংশীদাৰ হ'বলৈ হাবিয়াস কৰিছিল; তেনে এক প্ৰেৰণাৰে সমগ্ৰ জীৱন প্ৰেৰিত হৈছিল।

আজিৰ পৰা মাত্ৰ ১৭০ বছৰ আগতে অৰুণোদয় বাৰ্তালোচনীখনে বিশ্বৰ বিভিন্ন প্ৰান্তৰ খবৰ অসমীয়া সমাজখনকে যোগান ধৰি জ্ঞান তথা সাহিত্য সাধনাৰ ক্ষেত্ৰত এক আন্দোলনৰ জন্ম দিছিল। আজি কালি গাঁৱে ভূএও Offset Press। এইবোৰৰ পৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰি কাকত, গ্ৰন্থৰ (শ্ৰাদ্ধাদিত প্ৰকাশিত সোঁৱৰণিমূলক পুথিকে ধৰি) লেখ জোখ নোহোৱা সংখ্যা। বহু সময়ত এইবোৰত পুৰণি একেসোপা কথাৰে চৰ্বিত চৰ্বন আৱৰ্জনা। খেতি পথাৰত যেন ধান আৰু পতান সমানে সৃষ্টি হৈছে।

জ্ঞান আৰু কলা সাধনাৰ প্ৰতি এক বৃহৎ সংখ্যকৰ মাজত সৃষ্টি হোৱা অনাকৰ্ষণ, অনীহা আৰু বিৰক্তিৰ বাবেই হয়তো আজি কালি বৃহৎ সংখ্যক লোকৰ মাজত নিৰলস অধ্যয়নৰ প্ৰতি শ্ৰদ্ধাবান লোকৰ সংখ্যা কমি গৈছে। এটা কবিতা ৰচনা কৰাৰ বাবে, ছবি এখন আঁকিবলৈ, তৰ্ক-কুইজ আদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে, নাটকত অভিনয় কৰিবলৈ, খেলা-ধূলাত অংশগ্ৰহণ কৰিবলৈ, প্ৰবন্ধ এটা লিখিবলৈ আগ্ৰহৰ অভাৱ সৃষ্টি হৈছে। এই চাহিদাহীনতা, প্ৰেৰণাহীনতা অৰ্থনীতিত সৃষ্টি হোৱা Deflation ৰ অনুৰূপ নেকি? আমি এক বৃহৎ সংখ্যক লোক প্ৰাচুৰ্যৰ দিনত সম্পদৰ মাজত থাকিও এক ধৰণৰ পুষ্টিহীনতাত ভুগিছো নেকি? কিহৰ ধামখুমীয়াই আমাক অসহায় আৰু ক্লান্ত কৰি তুলিছে? পঞ্চম শতিকাৰ উজ্জয়িনীত বাস কৰা পণ্ডিত ভৰ্তৃহৰিয়ে লিখিছিল— সাহিত্য-সংগীত কলাৰ প্ৰতি ৰুচিহীন লোক সাক্ষাৎ পশুৰ দৰে। আজি তথ্য প্ৰযুক্তিৰ দিনত আমি এছাম বৃহৎ সংখ্যক লোক মুক-বধিৰতাৰ দিশে আগবাঢ়িছো নেকি? কিহে আমাৰ মন মস্তিস্ক আৰু জীৱনৰ পৰা ৰূপ ৰং ৰস শুহি নিঃশেষ কৰিব ওলাইছে?

জ্ঞান চৰ্চাৰ ক্ষেত্ৰত, কলা-সংস্কৃতি সাধনাৰ ক্ষেত্ৰত, অন্যায়ৰ বিৰুদ্ধে সাহসিকতাপূৰ্ণ প্ৰতিবাদ তথা সংগ্ৰামৰ ক্ষেত্ৰত দৰং জিলাখনৰ এক ঐতিহ্যমণ্ডিত ইতিহাস আছে। জিলাখনৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে একবিংশ শতিকাৰ মানৱ সভ্যতাই যি চৰম যুগত উপনীত হৈছে সেই যুগৰ অংশীদাৰ হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশতে উৎকৰ্ষৰ প্ৰতিফলন ঘটাৰ সপোন আমি আটায়ে দেখা উচিত। ডেভিদ আৰু গুলীয়াথৰ কাহিনীটোৰ পৰা আমি প্ৰেৰণা ল'ব পাৰো। বিশালকায় অস্ত্ৰ শস্ত্ৰ বৰ্ম আদিৰে সুসজ্জিত গুলীয়াথক সৰু ল'ৰা ডেভিদে এটা বাটলু গুটীৰে ধাৰাশায়ী কৰিছিল। আজি বিজ্ঞানৰ চৰম উৎকৰ্ষৰ দিনত মানুহে মঙল গ্ৰহ, বৃহস্পতি গ্ৰহলৈ যান প্ৰেৰণ কৰিছে। তীব্ৰবেগী ৰকেট, উৰাজাহাজ সাজিছে। সেইবুলি আমি ভৰি দুখনেৰে খোজ কাঢ়িবলৈ এৰি দিমনে? আনে সৃষ্টি কৰি দিয়া মানৱ সভ্যতাৰ আশ্চৰ্যকৰ উপকৰণ সমূহৰ আমি মাত্ৰ নিঃকিন নিৰ্বোধ উপভোক্তা মাথোন হৈ থাকিম নে? উন্নত প্ৰযুক্তিৰ বুদ্ধিমান প্ৰয়োগকাৰী আৰু গৰাকী হ'বলৈ ইচ্ছা জাগৃত কৰাটো মঙ্গলকাৰক কথা। দক্ষ, বুদ্ধিমান, প্ৰযত্নশীল, সচকিত ব্যক্তি, সমাজ, জাতি আৰু ৰাষ্ট্ৰহে সম্পদ আৰু প্ৰতিপত্তিৰ গৰাকী হয়।

মঙলদৈ মহাবিদ্যালয়ৰ ৪৮ সংখ্যক এই বাৰ্ষিক আলোচনীখন ২০১৪-১৫ আৰু ২০১৫-১৬ এই দুটা বৰ্ষত সংগৃহীত লিখনিৰে যুগুতোৱা হৈছে। ৪৭ সংখ্যক আলোচনীখন ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষত সংগৃহীত লিখনিৰে যুগুতোৱা হৈছিল। ২০১৪-১৫ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদক আছিল শ্ৰীমান হীৰকজ্যোতি চহৰীয়া। মানসম্পন্ন পৰ্যাপ্ত লিখনিৰ অভাৱ আৰু

কেতবোৰ অন্যান্য অসুবিধাৰ বাবে যোৱা বছৰ আলোচনীখন প্ৰকাশ কৰিব পৰা নহ'লগৈ। এইবেলিও লিখনিৰ বাবে আনুষ্ঠানিক জাননীৰ উপৰিও ব্যক্তিগতভাৱেও বহুতক অনুৰোধ জনোৱা হৈছিল। সকলো সমস্যা অতিক্ৰম কৰি আলোচনীখনৰ গৰিমা তথা সৌষ্ঠৱ অটুট ৰাখিবলৈ যত্ন কৰা হৈছিল। এইবাৰৰ সম্পাদক শ্ৰীমান লক্ষ্যজ্যোতি দাসে আলোচনীখন যথা সময়ত প্ৰকাশ হোৱাৰ বাবে যথেষ্ট কষ্ট কৰা দেখিছো। এই আপাহতে আমাৰ অনুৰোধ ৰক্ষা কৰি লিখনি দিয়া লিখক সকলক ধন্যবাদ জ্ঞাপন কৰিলো। সম্পাদনা সমিতিৰ বিষয়ববীয়া, সদস্যসকলক তেওঁলোকৰ সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। ডি.টি.পি. অপাৰেটৰ শ্ৰীমান মহানন্দ হাজৰিকা (অৰুণা কম্পিউটাৰ) আৰু শ্ৰীমান পঙ্কজ শৰ্মা (পদুম পাহি) লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন সময়ত প্ৰেৰণাদায়ক দিহা-পৰামৰ্শ তথা ক্ষীপ্ৰ পদক্ষেপৰ বাবে অধ্যক্ষ মহোদয়কো শ্ৰদ্ধাৰে স্মৰণ কৰিলো। আলোচনীখন নিয়মিতভাৱে যথা সময়ত প্ৰকাশ হোৱাৰ ক্ষেত্ৰত যিবোৰ দোমোজা আৰু অসুবিধা দেখা যায় সেইবোৰ আঁতৰাই আলোচনীখন পৰৱৰ্তী সময়ত নিয়মিতভাৱে প্ৰকাশ হোৱাটো কামনা কৰিলো।

(ড° আঙ্গিৰস)

# সম্পাদকীয়



এগৰাকী ছাত্র বা ছাত্রীয়ে মহাবিদ্যালয় এখনত স্নাতক পৰ্যায়ত তিনিটা বছৰ কাল অধ্যয়ন কৰে। এই সময়ছোৱাত ছাত্র-ছাত্রীসকলে পাঠ্যক্রমৰ বিষয়বস্তু হিচাপেই কেইবাগৰাকী অধ্যাপক অধ্যাপিকাৰ পৰা বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰে। স্নাতক পৰ্যায় পৰ্যন্ত ছাত্র-ছাত্রীসকলে ইতিমধ্যে জীৱনৰ ১২ টা বছৰ জুৰি বিভিন্ন ধৰণৰ শিক্ষা গ্ৰহণ কৰি আছে। সমাজৰ এজন সদস্য হিচাপে, ৰাষ্ট্ৰৰ এজন নাগৰিক হিচাপে অভিজ্ঞতা লাভ কৰা চৌপাশৰ সামাজিক, আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক, বৌদ্ধিক, ক্ৰীড়া কলা বিষয়ক বিভিন্ন পৰিস্থিতিবোৰৰ প্ৰতিও একোগৰাকী জাগ্ৰত, জীৱন্ত চেতনাৰ লোক হিচাপেও ছাত্ৰ-ছাত্ৰী সকলৰ মনোজগতত নিশ্চয় ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একোগৰাকী শিক্ষাৰ্থী হিচাপে ছাত্র-ছাত্রীসকলৰ জীৱন পাঠ্যপুথি, বাতৰিকাকত, আলোচনী, গৱেষণা পত্ৰিকা, বিশ্বকোষ, দূৰদৰ্শনৰ বাতৰি, জ্ঞান-বিজ্ঞান, সংস্কৃতি বিষয়ক অনুষ্ঠান, 'ইণ্টাৰনেট'ত উপলব্ধ জ্ঞানৰাজিৰ লগত জড়িত হৈ থকাটো বাঞ্ছনীয়। এই সময়ছোৱাত এক পৰিপূৰ্ণ যৌৱন কাল লাভ কৰা হিচাপে জীৱনত বিভিন্ন ধৰণৰ সামৰ্থ তথা পৰিপক্কতা আহৰণ কৰাটো বাঞ্ছনীয়। সমাজ, দেশ, বিদেশৰ সমস্যাৰাজিৰ বিষয়ে তথ্যসমৃদ্ধ হৈ থকাটো, পৰিপক্ক মন্তব্য প্ৰদান কৰাৰ সামৰ্থ অৰ্জন কৰাটোও বাঞ্ছনীয়। যৌৱনৰ এই সময়ছোৱাত মানুহৰ মনৰ সুকুমাৰ প্ৰবৃত্তিবোৰো পৈণত হৈ উঠা প্ৰয়োজন। সঁচা কথা ক'বলৈ সাহস, বলিষ্ঠ যুক্তি দাঙি ধৰিবলৈ তথ্য সমৃদ্ধতা আৰু বুদ্ধিৰ ক্ষিপ্ৰতা, গীত-মাত, নাট, ক্ৰীড়া আদিত পাৰদৰ্শিতা অৰ্জন কৰা, কষ্ট কৰিবলৈ প্ৰচুৰ কৰ্মশক্তি এই সময়ছোৱাত আহৰণ কৰাটো প্ৰয়োজন। প্ৰকৃতিৰ জীৱ-জন্তবোৰে যৌৱন কালত শাৰীৰিক সৌষ্ঠৱ আহৰণ কৰে। শুৱলাকৈ মাত মাতিব পাৰে, নাচিব পাৰে। খাদ্য সংগ্ৰহৰ বাবে সামৰ্থ আহৰণ কৰে। গছত সুগন্ধিযুক্ত ৰঙীণ ফুল ফুলে। মানুহ হিচাপে জীৱনৰ যৌৱন কালছোৱাত জীৱনৰ প্ৰস্তুতি পৰ্বৰ প্ৰায় সামৰণি ঘটাৰ প্ৰাক্ মুহূৰ্ত্তত যদি আমি অনুভৱ কৰো যে আমাৰ জীৱনত এনে গুণৰ বিকাশ হোৱা নাই, বিকাশৰ এনে বাঞ্চিত স্তৰ উপলব্ধ হোৱা নাই; তেন্তে আমি ভাবিব লাগিব আমাৰ জীৱনৰ কোনোৱাখিনিত অথবা আমাৰ প্ৰস্তুতিৰ কোনোবা খিনিত কিবা কেৰোণ লাগিছে। সেইটো এখন সমাজৰ বাবে, এটা জাতিৰ বাবে, এখন দেশৰ বাবে চিন্তনীয় কথা।

মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখন ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী; প্ৰাক্তন ছাত্র-ছাত্রী সমন্বিতে সমগ্ৰ পৰিয়ালটোৰ জ্ঞান, চিন্তা, অনুভূতি প্ৰকাশৰ এক মাধ্যম। এই মাধ্যমটোৰ মাজতে আমি আহৰণ কৰা বৌদ্ধিক মান, চিন্তাৰ পৰিপক্কতা আৰু কলাত্মক প্ৰতিভাৰ স্তৰ আদি দিশৰ প্ৰতিফলন ঘটে। ছাত্র-ছাত্রী, শিক্ষক, কৰ্মচাৰী হিচাপে আমি যিটো পৰিয়ালৰ সদস্য সেই পৰিয়ালটোৰ, সেই অনুষ্ঠানটোৰ গৰিমা আৰু সৌন্দৰ্য অটুট ৰাখিবলৈ, শ্ৰীবৃদ্ধি ঘটাবলৈ আমি আটায়ে সচেষ্ট থকা ভাল।

বিগত কেইটামান বৰ্ষত মহাবিদ্যালয়ৰ (১) আলোচনীখন

**উচ্চমানৰ লিখনিৰ অভাৱৰ বাবে প্ৰকাশ নোহোৱাটো আমাৰ আটাইৰে বাবে এক চিন্তনীয় বিষয়।** এই বছৰৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে আহৰণ কৰা অভিজ্ঞতাৰ ভিত্তিত এই প্ৰসংগত অন্য কেইটামান সমস্যাৰ কথা উল্লেখ কৰিব বিচাৰিছো- (২) আলোচনীখনৰ সম্পাদনা সমিতিখন গঠন কৰাৰ ক্ষেত্ৰত স্পষ্ট নীতি নিৰ্দেশনা নথকাৰ বাবে সম্পাদনা সমিতিখন গঠন কৰাত অযথা বিলম্ব হয়, (৩) বছৰৰ বাৰ মাহে সকলোৱে অনবৰতে দেখা পোৱা স্থানত চলিত অথবা আগন্তুক বৰ্ষৰ আলোচনীত প্ৰকাশৰ বাবে লিখনি জমা দিয়া বাকচ এটাৰ অভাৱ। (৪) লিখনি সমূহৰ আৰ্হিপাঠ (Proof reading) তথা সম্পাদনা সম্পৰ্কীয় স্পষ্ট নীতিৰ অভাৱ। (৫) ছপাশালৰ লগত আৰ্থিক লেন-দেন, নিবিদা আহৰণ, পৃষ্ঠা সংখ্যা, কাগজ আদিৰ গুণগত মান আদিৰ বিষয়ত স্পষ্ট নীতিৰ অভাৱ। এই অস্পষ্টতা কেইটা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে কাৰ্যভাৰ লোৱাৰ লগে লগে লিখিত নিৰ্দেশনাৰ ৰূপত লাভ কৰিলে আলোচনীখন নিয়মীয়াভাৱে প্ৰকাশ হোৱাৰ ক্ষেত্ৰত কিছু অসুবিধা দূৰ হ'ব বুলি মই অনুভৱ কৰো।

এইবেলি যাতে আলোচনীখন যথা সময়ত প্ৰকাশ হয় তাৰ বাবে বিষয়টো প্ৰথমৰ পৰা এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি কামত অগ্ৰসৰ হ'বলগীয়া হৈছিল। এই ক্ষেত্ৰত সম্পাদনা সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলে আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধ্যক্ষ মহোদয়ে এই ক্ষেত্ৰত বিশেষ সক্ৰিয়তাৰে সকলো ক্ষেত্ৰতে সদৰ্থক ভূমিকা গ্ৰহণ কৰি উৎসাহিত কৰিছিল। তত্বাৱধায়ক ড° আঙ্গিৰস মহাশয়ে লিখনি সমূহৰ বাছনি, সম্পাদনা তথা আৰ্হি পাঠ, ডি.টি.পি., ছপাশালৰ সতে যোগাযোগ আদি গুৰুত্বপূৰ্ণ দায়িত্ব বহন কৰিছিল। আৰ্হি পাঠৰ ক্ষেত্ৰত অধ্যাপিকা ড° ৰুণজুন দেৱী, ড° বৰ্ণালী কলিতা, কুঞ্জলতা বৰুৱা আৰু অধ্যাপক ড° বিজয় শৰ্মা ছাৰে বিশেষ সহায় কৰিছিল। এওঁলোকৰ লগতে বিভিন্ন প্ৰবন্ধ কবিতা আদিৰ লিখক-লেখিকা সকলৈ সম্পাদনা সমিতিৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**লক্ষ্যজ্যোতি দাস**
**সম্পাদক**
**সাহিত্য, আলোচনী আৰু চাৰুকলা বিভাগ**
**ছাত্ৰ একতা সভা ২০১৫-১৬ বৰ্ষ**
**মঙলদৈ মহাবিদ্যালয়**

প্ৰবন্ধ

# পৰিবৰ্তন

ড° লোকেশ্বৰ নাথ
অৱসৰপ্ৰাপ্ত অধ্যক্ষ

পৰিবৰ্তন এটা আপেক্ষিক (Relative) শব্দ। পূৰ্বৰ অৱস্থা সলনি হৈ এটা নতুন অৱস্থা লাভ কৰাকে পৰিবৰ্তন বোলে। পৰিবৰ্তন পূৰ্বতকৈ ভালো হ'ব পাৰে বেয়াও হ'ব পাৰে।

পৰিবৰ্তন ভূ-প্ৰাকৃতিক আৰু সাংস্কৃতিক বা মানৱসৃষ্ট হ'ব পাৰে। ভূ-প্ৰাকৃতিক পৰিবৰ্তনত পৃথিৱীৰ উপৰিভাগৰ জল আৰু স্থলৰ পৰিবৰ্তনৰ উপৰিও উদ্ভিদ আৰু মানৱসৃষ্ট অৱয়বৰ পৰিবৰ্তন হয়।

**প্ৰাকৃতিক পৰিবৰ্তন ঃ** পৃথিৱীৰ উৎপত্তিৰ সময়ৰ পৰাই পৃথিৱী আকাশ আৰু মহাকাশৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ বাবে পৃথিৱীৰ উপৰি ভাগত পৰিবৰ্তন হৈ হৈ পৃথিৱীয়ে বৰ্তমানৰ ৰূপ লৈছে। পৰিবৰ্তনবোৰ কালজয়ী, ব্যাপক, ক্ষণস্থায়ী নাইবা পুনৰ্গঠিত হ'ব পাৰে। এনেবোৰ পৰিবৰ্তনৰ প্ৰধান কাৰণ আৰু উপাদানো প্ৰাকৃতিক যিবোৰ পৃথিৱীৰ উৎপত্তিৰ সময়ৰপৰা চিৰকালৰ বাবে অবিৰাম গতিত চলি আছে। পৃথিৱীৰ আবৰ্তন আৰু পৰিভ্ৰমণ বহুবোৰ কাৰক সৃষ্টিৰ বাবে দায়ী। দিন-ৰাতিৰ উপৰিও ঋতু পৰিবৰ্তন হৈ পৃথিৱীৰ বুকুত দৈনন্দিন ঘটি থকা তাপ, চাপ, আৰ্দ্ৰতাৰ পৰিবৰ্তন এটা সদায় দেখি অহা পৰিৱৰ্তন। পৃথিৱীৰ ওপৰত গ্ৰহ, উপগ্ৰহ আৰু নক্ষত্ৰৰ প্ৰভাৱ আৰু তাৰ দ্বাৰা সংঘটিত পৰিবৰ্তনৰ ভিতৰত আমি সদায় সাগৰত দেখি থকা জোৱাৰ ভাটা অন্যতম। জোৱাৰ ভাটাৰ ফলত সাগৰৰ তীৰত পৰিবৰ্তন পৰিলক্ষিত হয়। সাগৰৰ পানীৰ গৰম আৰু শীতল সোঁতেও প্ৰভূত পৰিবৰ্তন সাধন কৰে। উষ্ণ সাগৰীয় সোঁতৰ বাবে এল নিনোৰ উৎপত্তি আৰু তাৰ গৰম বতাহৰ প্ৰভাৱত বনজুইৰ সৃষ্টি আৰু ধ্বংস লীলা দেখা যায়। প্ৰচলিত স্থায়ী বতাহৰ ওপৰত আবৰ্তনে অনা ক্ৰিয়াৰ ফলত মৌচুমী বতাহৰ সৃষ্টি কৰি ধৰাতলৰ অনেক ঠাইৰ ওপৰত উদ্ভিদ, কৃষি আৰু মানুহৰ জীৱন যাত্ৰাত পৰিবৰ্তন আনে।

পৃথিৱীৰ অভ্যন্তৰ ভাগৰ প্ৰচণ্ড তাপ, চাপ আৰু পৃথিৱীৰ আবৰ্তনৰ ফলত ফলি বা স্তৰ বিবৰ্তন (Plate tectonic) ৰ বেলেগ বেলেগ দিশত কৰা গতিৰ বাবে আৰু অন্যান্য কাৰণতো হোৱা ভূমিকম্পই পৃথিৱীত নানান পৰিবৰ্তন সাধন কৰে। জল আৰু স্থলৰ ওপৰত হোৱা উষ্ণতাৰ ফলত কিছুমান সাগৰত সৃষ্টি হোৱা ঘূৰ্ণিবতাহে সাগৰৰ উপকূল ভাগত মানুহ আৰু জীৱ-জন্তুৰ প্ৰাণ নাশ কৰাৰ উপৰিও উদ্ভিদ আৰু ঘৰ-দুৱাৰবোৰ ভাঙি চুৰমাৰ কৰে। অলপ সময়ৰ ভিতৰতে প্ৰভূত ক্ষতি কৰি সেই সেই অঞ্চলত ভূমিদৃশ্যৰ সাংঘাতিক পৰিবৰ্তন ঘটায়। ভাৰতৰ উৰিষ্যা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূল অঞ্চল, যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডা, লুইছিয়ানা, আৰকানছাছ আদি অঞ্চলত ঘূৰ্ণিবতাহে পৰিবৰ্তন আনে। প্ৰবল বৃষ্টিপাত আৰু বৰফৰ দ্বাৰা সংঘটিত ভূমিস্খলন আৰু হিমপ্ৰপাতেও হঠাৎ ভূমিদৃশ্যৰ পৰিবৰ্তন সাধন কৰে। ২০১৩ চনত উত্তৰাখণ্ডৰ কেদাৰনাথ মন্দিৰৰ কিছু ওপৰৰ পৰ্বতত সৃষ্টি হোৱা 'ক্লাউদ বাৰ্ষ্টে' (Cloud burst) মুষলধাৰে বৃষ্টিপাত অনাত পৰ্বত খহি আহি মন্দিৰৰ ওচৰৰ অট্টালিকাবোৰ শঙ্কৰাচাৰ্যৰ স্মৃতি সৌধসহ ভাঙি উটুৱাই নিয়ে। মন্দাকিনী নৈয়ে উটুৱাই অনা শিল আদি আবৰ্জনাই সোণ প্ৰয়াগৰ পৰা কেদাৰনাথলৈ ১৯ কিঃ মিঃ পৰ্বতীয়া পথৰ চিনচাব নোহোৱাকৈ ক্ষতি সাধন কৰে আৰু ৬০ হাজাৰ (স্থানীয় লোকৰ মতে)

লোক, তীৰ্থ যাত্ৰীসহ নিখোজ হয়। চৰকাৰী হিচাপমতে এহেজাৰ ঘোঁৰাও এই দুৰ্যোগত উটি যায়। ইয়াৰ দ্বাৰা অঞ্চলটোত এটা পৰিৱৰ্তনে দেখা দিয়ে।

জাপানত যোৱা বছৰ সংঘটিত হোৱা এক ভূমিকম্পই সাগৰত প্ৰকাণ্ড চুনামীৰ (Tsunami) সৃষ্টি কৰে। চুনামীটোৱে সাগৰ উপকূলৰ ঘৰ-বাৰী আৰু মানুহ উটুৱাই নিয়াৰ উপৰিও ৰেলগাড়ী এখন যাত্ৰীসহ সাগৰৰ গৰ্ভলৈ টানি নিয়ে।

সিন্ধু উপত্যকাত ৫০০০ বছৰ পূৰ্বে গঢ়ি উঠা ১০০ খন, শিলেৰে নিৰ্মিত নগৰ সিন্ধু নদীৰ জলপ্লাৱনে উটুৱাই অনা আবৰ্জনাৰ তলত পোত যায়। সেই নগৰবোৰত বাস কৰি থকা সু-সভ্য শৈৱধৰ্মী লোকসকল পূব আৰু দক্ষিণ দিশেৰে জীৱিকাৰ সন্ধানত গুছি যায়। বহুকাল পাছত সিন্ধু উপত্যকাৰ উক্ত ঠাইবোৰ মধ্য এছিয়াৰ ফালৰ পৰা প্ৰব্ৰজন হৈ অহা এচাম লোকে অধিকাৰ কৰি বসতি পাতি থাকে। হৰপ্পা আৰু মহেঞ্জোদাৰোকে ধৰি কিছু অঞ্চলত খনন কাৰ্য চলোৱাত ১০ ফুট তলত সেই ৫০০০ বছৰ পূৰ্বৰ নগৰৰ ভগ্নাৱশেষ উদ্ধাৰ কৰে।

এটা সময়ত পৃথিৱীৰ দক্ষিণ মেৰু (৯০° দঃ) আফ্ৰিকা মহাদেশৰ ১০° দঃ অক্ষৰেখা অঞ্চলত থিতাপি লৈ আছিল। সেই সময়ত চাহাৰা মৰুভূমি ৬০° দঃ অক্ষৰেখাত পৰাত দক্ষিণ সমমণ্ডলে ঠাইখন বিৰাজ কৰি আছিল আৰু সেই ঠাইত নদ-নদীৰে সৈতে সুন্দৰ পৰিৱেশ সৃষ্টি কৰি আছিল। কালক্ৰমত দক্ষিণ মেৰু বৰ্তমানে অৱস্থান কৰি থকা ঠাইলৈ আঁতৰি যোৱাত চাহাৰা উষ্ণ ক্ৰান্তীয় মণ্ডলত পৰি উষ্ণ মৰুভূমিত পৰিণত হয়। পৃথিৱীৰ বুকুত এই ধৰণৰ পৰিৱৰ্তন কল্পনাতীত কালৰপৰা চলি আছে। অতি ধীৰ গতিত লাখ লাখ বছৰ ধৰি চলা ক্ৰিয়াৰ ফলত হোৱা পৰিৱৰ্তন আৰু হঠাৎ তাপ, চাপ, বতাহ, বৰষুণ, ভূঁইকপ আদিৰ ক্ৰিয়াৰ ফলত হোৱা পৰিৱৰ্তনৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। এটা কালজয়ী ব্যাপক আৰু আনটো ক্ষণস্থায়ী পুনৰ্গঠিত।

টাৰচিয়াৰী (Tertiary) মহাকল্পত ভূ আন্দোলনৰ ফলত সৃষ্টি হোৱা হিমালয় পৰ্বতমালা, বৃহৎ 'আইচ এজ' (Ice Age) ৰ সময়ত উত্তৰ মেৰু অঞ্চলৰ পৰা নামি অহা বৃহৎ বৰফ খণ্ডই উত্তৰ আমেৰিকাত সৃষ্টি কৰা বৃহৎ হ্ৰদ অঞ্চল আৰু চাহাৰা মৰুভূমি ব্যাপক আৰু কালজয়ী পৰিৱৰ্তন; আনহাতে আমেৰিকাৰ 'কাৰ্টিনা' ঘূৰ্ণিবতাহ আৰু উত্তৰ পশ্চিম ভাৰতত চলা গৰম বতাহ 'লু' (Loo) ই সৃষ্টি কৰা পৰিৱৰ্তন পুনৰ্গঠিত।

পৃথিৱীৰ উৎপত্তিৰ কেবা নিযুত পাছত সৃষ্টি হোৱা জীৱৰ পৰা ক্ৰমবিকাশ হৈ হৈ এফালে বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, পোক-পতঙ্গ, সৰীসৃপ, পক্ষী আৰু মাছ-কাছ আদি আৰু আনফালে বিভিন্ন জীৱ-জন্তু আৰু সৰ্বশেষত মানুহৰ উৎপত্তি হয়। এইদৰে পৰিৱৰ্তনৰ মাজেৰে পৃথিৱীৰ বুকুত জীৱ আৰু প্ৰাণীৰ সৃষ্টি হৈছে।

**মানৱ সৃষ্ট পৰিৱৰ্তন ঃ** মানুহে নিজৰ সা-সুবিধা আৰু উন্নতিৰ হকে পৃথিৱীৰ বুকুত নানা ধৰণে কাম কৰি ভূমি দৃশ্যৰ পৰিৱৰ্তন ঘটোৱা দেখা যায়। মানৱ সৃষ্ট পৰিৱৰ্তনৰ ফলত মানুহৰ অৰ্থনৈতিক, সামাজিক আৰু বৌদ্ধিক দিশৰ পৰিৱৰ্তন সাধন হয়। এনে পৰিৱৰ্তনত সময় বচোৱা আৰু দ্ৰুতগতিত কাম-কাজ কৰিব পৰা হয়। মানুহৰ মাজৰপৰা অসামাজিক কাম আঁতৰ হয়, সমাজত শিক্ষা আৰু জ্ঞানৰ উৎকৰ্ষ হয়, স্বাস্থ্যৰ উন্নতি আৰু আৰ্থিক স্বচ্ছলতা বৃদ্ধি হয় আৰু মানুহৰ জীয়াই থকা (Span of life) কাল বাঢ়ে।

পৰিৱৰ্তনবোৰ দুই প্ৰকাৰে সংঘটিত হোৱা দেখা যায়। পৃথিৱীৰ উপৰিভাগত কৰা কাম-কাজৰ দ্বাৰা গাঁও আৰু চহৰ সকলোতে ভূমি দৃশ্যৰ (Landscape) পৰিৱৰ্তন হয়। উদাহৰণেৰে ব্যাখ্যা কৰাটো এনে লেখনিত কিছু কঠিন। তথাপি, পিছৰফালে দুই এটা উদাহৰণ দাঙি ধৰা হৈছে।

ৰাস্তা-ঘাট, ৰেল লাইন, নদীৰ দলং, শিল্প উদ্যোগ, প্ৰকাণ্ড প্ৰকাণ্ড

অট্টালিকা, স্কুল-কলেজ, বিভিন্ন প্ৰকাৰ অফিচ এইবোৰ সংস্থাপিত হৈ ভূমিদৃশ্যৰ পৰিবৰ্তন সাধন কৰে। কৃষি ক্ষেত্ৰ আৰু বেপাৰ বাণিজ্যৰ প্ৰসাৰেও চকুত পৰাকৈ পৰিবৰ্তন অনা দেখা গৈছে। যান্ত্ৰিক পদ্ধতিৰে কৃষি কৰা আৰু তাত উন্নত সঁচ, কৃষি সঁজুলি, কীট নাশক দৰৱ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ আৰু লগতে পানী যোগানৰ ব্যৱস্থা কৰি শস্য পথাৰত পৰিবৰ্তন অনা হৈছে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছতে পণ্ডিত জৱাহৰলাল নেহৰুৰ দ্বাৰা গ্ৰহণ কৰা শতদ্ৰু নদীৰ ভাক্ৰা-নাঙল জলবিদ্যুৎ আৰু জলসিঞ্চন প্ৰকল্প আৰু গংগা নদীৰ ফাৰাক্কা বেৰেজে যাতায়ত, পৰিবহন, জলসিঞ্চন আৰু জাহাজ চলাচলৰ সুগম অৱস্থাৰ সৃষ্টি কৰি ভাৰতীয় আৰ্থ সামাজিক উন্নয়ন আৰু ভূমি দৃশ্যৰ সাংঘাটিক ধৰণে পৰিবৰ্তন আনে। পঞ্জাৱ হিমালয়ৰ শতদ্ৰু নদীত ভাক্ৰা নামৰ ঠাইত ৭৪০ ফুট উচ্চৰ এটা এছিয়াৰ ভিতৰতে সৰ্বোচ্চ বান্ধ দি জলবিদ্যুৎ উৎপাদন কৰে। ইয়াৰ পৰা কেবাখনো ৰাজ্যলৈ বিদ্যুৎ সৰবৰাহ কৰা হয়। ভাক্ৰাৰ পৰা ১৬ কিঃ মিঃ নামনিৰ নাঙলত সেই একেটা নদীতে স্লুইচ গেট দি তাৰ পৰা ভাখ্ৰা নামৰ এটা প্ৰকাণ্ড পকা খালেৰে পঞ্জাৱ, হাৰিয়ানা আৰু ৰাজস্থানৰ শস্য পথাৰত জলসিঞ্চন কৰে। একেদৰে গংগা খালেৰে পানী বোৱাই নি উত্তৰ পশ্চিম অঞ্চলতো জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। ভাক্ৰাৰ বান্ধে গোবিন্দ সাগৰত পানী আৱদ্ধ কৰি ৰাখি জলবিদ্যুৎ আৰু জলসিঞ্চনৰ পথ প্ৰশস্ত কৰিছে। নাঙলৰ শতদ্ৰু নদীৰ দলং আৰু স্লুইচ গেটত নদীৰ তলেৰে এমাইল দৈৰ্ঘ্যৰ এটা প্ৰকাণ্ড সুৰঙ্গ আছে। এইটো ভাৰতৰ একমাত্ৰ বৃহৎ নদী সুৰঙ্গ। ভাক্ৰা আৰু নাঙলৰ বান্ধে কৃত্ৰিম জলাধাৰ গোবিন্দ সাগৰকে ধৰি ৪ খন ৰাজ্যৰ ভূমি দৃশ্যৰ পৰিবৰ্তন সাধন কৰি লাখ লাখ লোকক উপকৃত কৰিছে।

গঙ্গা নদীত নিৰ্মাণ কৰা ফাৰাক্কা বেৰেজে অনা পৰিবৰ্তন অনন্য আৰু বৃহৎ সাফল্য। ফাৰাক্কা স্লুইচ গেটৰ পৰা কলকাতা সংযোগী এটা প্ৰকাণ্ড খালেৰে গঙ্গাৰ পানী বোৱাই নি, কলকাতা মহানগৰীলৈ, সাগৰৰ পৰা জাহাজ চলাচল কৰাত সুগম কৰি তুলিছে।

ভাৰতক ক্ষীপ্ৰতাৰে উন্নতি কৰাৰ পোষকতা কৰি প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত নেহৰুৱে বৃহৎ উদ্যোগ স্থাপনৰ ক্ষেত্ৰত প্ৰাধান্য দি কেবাখনো দেশৰ সহযোগত ভিলাই, ৰুৰকেল্লা, দুৰ্গাপুৰ আৰু পাছত বোকাৰোত তীখা কাৰখানা পাতে। কিন্তু তাৰ আগেয়ে ব্যক্তিগত খণ্ডত জামছেদজী টাটাই জামছেদপুৰত এটা বৃহৎ তীখা উদ্যোগ স্থাপন কৰে। তীখা কাৰখানা বহুওৱাৰ আগেয়ে জামছেদপুৰ আৰু চাক্চি মহানগৰ জংঘলেৰে পৰিপূৰ্ণ আছিল। টাটাই ১৯০৭ চনত সেই অটব্য জংঘলখন পৰিষ্কাৰ কৰি তীখা কাৰখানা প্ৰতিষ্ঠা কৰে। ১৯১২ চনত তীখা উৎপাদন হয়। এই কাৰখানাই তীখা প্ৰস্তুত কৰাৰ উপৰিও মটৰ গাড়ীকে ধৰি অজস্ৰ সামগ্ৰী নিৰ্মাণ কৰি আছে। বৰ্তমানে জামছেদপুৰ আৰু চাক্চি মহানগৰক লক্ষ্য কৰিলে এসময়ত সেইখন ঠাই যে ঘন জংঘলেৰে পৰিপূৰ্ণ আছিল তাক কল্পনাও কৰিব নোৱাৰি। যাহওক, এই তীখা কাৰখানাই বৃহৎ অঞ্চলটোৰ ভূমি আৰু সাংস্কৃতিক দিশত ভাবিব নোৱাৰা ধৰণে পৰিবৰ্তন সাধন কৰিছে। এনে ধৰণৰ ভূমি দৃশ্য আৰু সাংস্কৃতিক পৰিবৰ্তনৰ উদাহৰণ গোটেই দেশতে দেখিবলৈ পোৱা যায়। কিন্তু দেশৰ মানৱ সম্পদকে ধৰি বিভিন্ন সম্পদ আৰু সম্পদ আহৰণৰ ক্ষেত্ৰত থকা কাৰ্যকৰী ক্ষমতা আৰু দূৰদৰ্শিতা আদি ভাল গুণৰ লোকসকলো অঞ্চলতে সমানে নোপোৱাৰ বাবে পৰিবৰ্তন সকলো ঠাইতে সমান নহয়।

কোনো চৰকাৰ, সংস্থা নাইবা অনুষ্ঠানৰ মুৰব্বী নাইবা পৰিচালক সকল যদি দুৰ্নীতিগ্ৰস্ত ভ্ৰষ্টাচাৰী নাইবা দুৰ্ব্বল হয় তেতিয়া সেইসকলৰ কু-কৰ্মৰ বাবে সংশ্লিষ্ট সকলো লোক ক্ষতিগ্ৰস্ত হয়। ৰাইজৰ উন্নয়নত স্থবিৰতাই দেখা দিয়ে নাইবা অধোন্নতি হয়। উন্নয়নৰ বাবে ধাৰ্য কৰা ধনবোৰৰ সৎ ব্যৱহাৰ নহয় কিম্বা আত্মসাৎ

কৰে। ধাৰলৈ অনা ধন পৰিশোধ নকৰে। এনে অৱস্থাত চৰকাৰ, সংস্থা নাইবা অনুষ্ঠানৰ গুৰি ধৰোতাসকলৰ পৰিবৰ্তন হ'লেও সেইসকলে সতকাই সকলোবোৰ চম্ভালিলৈ, ৰাইজৰ পৰিবৰ্তন অনাত বিলম্ব হয়।

অসমৰ ক্ষেত্ৰত উন্নয়নৰ পৰিবৰ্তন আপেক্ষিকভাৱে নিম্নস্তৰত আছে। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত তিনিখন দলঙে আৰ্থ-সামাজিক দিশত উন্নতি হোৱাত কিছু বৰঙণি যোগাইছে যদিও সুদীৰ্ঘ ৮০০ কিঃ মিঃ দৈৰ্ঘ্যৰ নদীটোত কমেও ৯ খন দলঙৰ আৱশ্যক আছে। কৃষি, মীন, ফলমূলৰ উদ্যান আৰু কিছু উদ্যোগ গঢ়ি তুলি পৰিবৰ্তন অনাৰ সুযোগ আছে। একেদৰে ৰাস্তা আৰু ৰেললাইনৰ প্ৰসাৰণ ঘটাই আৰ্থ-সামাজিক পৰিবৰ্তন আনিব পৰা যায়। উন্নয়নৰ দ্বাৰা পৰিবৰ্তন আশা কৰিবলৈ হ'লে বিভিন্ন আঁচনি প্ৰস্তুত কৰি ওপৰৰ পৰা তললৈ সু-সংগঠিত চেনেল তৈয়াৰ কৰিব লাগে। বিষয়া আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিনিধি সকলে যাতে দুৰ্নীতি নকৰে তালৈ চকু দিব লাগে। দুৰ্নীতিক প্ৰশ্ৰয় দিয়াসকলক শাস্তি দিয়াৰ ব্যৱস্থা থাকিব লাগে। অকৰ্মন্য আৰু দুৰ্নীতিগ্ৰস্ত মন্ত্ৰী আৰু বিষয়াৰ বিপক্ষে অভিযোগ উত্থাপিত হ'লেই তেনে ব্যক্তিক আঁতৰাব লাগে।

অসমত ইতিমধ্যে গঢ়ি উঠা কেবাটাও উদ্যোগ বন্ধ হৈ থকাৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰি সেই উদ্যোগবোৰ পুনৰ্জীৱিত কৰিব লাগে। অসমৰ চৰ আৰু বিশেষ কিছুমান অঞ্চলৰ পৰিবেশ যিবোৰ কাৰণত বিনষ্ট হৈ অসমৰ ভৱিষ্যতটোক বিনাশ কৰিবলৈ বিচৰা হৈছে তাৰ বাবে যথাবিহিত উপায় উদ্ভাৱন কৰিব লাগে যাতে অসমৰ পৰিবৰ্তন সদায় সৌহাৰ্দ্যপূৰ্ণতাৰে উন্নতিৰ পথত আগুৱাই গৈ থাকে।

সিবোৰ যি কি নহওক কিয়, যোৱা সাধাৰণ নিৰ্বাচনত অসমৰ প্ৰেক্ষাপটত চলি থকা ৰাজনীতিক আৰু কিছুমান বিষয়াক দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদি দেখি শুনি অসমৰ ৰাইজে উন্নয়নৰ কামনা কৰি এটা বিশেষ ৰাজনৈতিক দলক ভোট দি জয়যুক্ত কৰে। কিন্তু যিসকলে পৰিবৰ্তন বিচাৰিছে তেওঁলোকৰ বেছি সংখ্যকৰে মানসিক পৰিবৰ্তন অনাটোৱে প্ৰথম কাম। ইতিমধ্যে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ পঙ্কিলত ডুব গৈ থকাসকলৰ আৰু ধনলোভত ৰাষ্ট্ৰৰ উন্নয়নত বাধা প্ৰদান কৰি থকা কিছুলোকৰ প্ৰৰোচনাত পৰি সমাজৰ মানসিক ভাৱে দুৰ্বললোকসকল প্ৰকৃত পথৰ পৰা বিপথে পৰিচালিত হৈ উশৃঙ্খল আচৰণ কৰা দেখা যায়। এনে কাৰ্য অব্যাহত থাকিলে অসমউন্নতিৰ পথেৰে আগুৱাই পৰিবৰ্তনৰ প্ৰতিচ্ছবি দেখাৰ সপোন দিঠকত পোৱাটো কঠিন হ'ব।

***

- ➢ পৃথিৱীৰ বয়স প্ৰায় ৪.৫৪ শতকোটি বছৰ। ই বিশ্ব-ব্ৰহ্মাণ্ডৰ বয়সৰ প্ৰায় তিনিভাগৰ এক অংশ।
- ➢ পৃথিৱীত প্ৰায় ৩.৬ শতকোটি বছৰ আগতে এককোষী প্ৰাণীৰ সৃষ্টি হৈছিল।
- ➢ পৃথিৱীত এতিয়া পৰ্যন্ত বিকশিত হোৱা পাঁচশ কোটি প্ৰজাতিৰ বিভিন্ন জীৱৰ ভিতৰত ইতিমধ্যে ৯৯ শতাংশৰ বিলুপ্তি ঘটিছে আৰু বৰ্তমান ১০ নিযুতৰ পৰা ১৪ নিযুত প্ৰজাতি পৃথিৱীত বৰ্তি আছে।
- ➢ পৃথিৱীত অত্যাধুনিক মানুহৰ (Homo-sapience- sapience) বিকাশ হৈছিল মাত্ৰ দহ হাজাৰ বছৰ আগতে।

প্ৰবন্ধ

# শিশুৰ নৈতিক বিকাশৰ গতিধাৰা

কুঞ্জলতা বৰুৱা
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

প্ৰতিখন সমাজৰে কিছুমান গ্ৰহণযোগ্য নীতি-নিয়ম, আস্থা-নিষ্ঠা আৰু বিশ্বাস থাকে। সমাজখনৰ প্ৰতিজনলোকে এইবোৰ পালন কৰি চলা আৰু এইবোৰৰ অনুগামী হৈ নিজ নিজ আচৰণসমূহ নিয়ন্ত্ৰণ কৰাটো প্ৰয়োজন। সাধাৰণ অৰ্থত ইয়াকে নৈতিকতা বুলি কোৱা হয়। নৈতিকতাৰ দুটা দিশ থাকে- বাহ্যিক আৰু আভ্যন্তৰীণ। বাহ্যিক দিশটোৱে সমাজৰ প্ৰচলিত নীতি নিয়মৰ অনুগামী কৰি আচৰণক গঢ় দি তোলাটো বুজায় আৰু আভ্যন্তৰীণ দিশটোৱে ক্ৰিয়া আচৰণৰ উচিত-অনুচিত, শুদ্ধ-অশুদ্ধ আৰু ন্যায় অন্যায়ৰ বিচাৰ কৰিব পৰা ব্যক্তিমনৰ সূক্ষ্ম অনুভূতিটোক বুজায়। গতিকে শিশুৰ নৈতিক বিকাশ বুলি ক'লে তেওঁলোকৰ নৈতিক আচৰণৰ বিকাশ আৰু নৈতিক ধাৰণাৰ বিকাশ এই দুয়োটা দিশেই অন্তৰ্ভুক্ত হয়।

নৱজাত শিশু সাধাৰণতে নৈতিক চেতনাহীন। অন্যান্য জীৱ-জন্তুৰ দৰে তেওঁলোকৰো আচৰণ সহজাত প্ৰবৃত্তিৰ দ্বাৰা পৰিচালিত হয়। নৈতিকতাৰ প্ৰকৃত বিচাৰ-বিবেচনাৰ বাবে কিছু বৌদ্ধিক ক্ষমতাৰ প্ৰয়োজন হয় যি চালুকীয়া শিশুৰ ক্ষেত্ৰত অপৈণত অৱস্থাত থাকে। বয়স বৃদ্ধি হৈ অহাৰ লগে লগে সমাজৰ লোকৰ সংস্পৰ্শ আৰু বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হৈ সুখ-দুখৰ অনুভূতি আৰু অভিজ্ঞতা লাভ কৰে আৰু ইয়াৰ যোগেদিহে নৈতিক চেতনা লাভ কৰি উঠে। কৈশোৰ কালতহে নৈতিক বিকাশে শীৰ্ষবিন্দু লাভ কৰে।

শিশুৰ নৈতিক বিকাশৰ গতিধাৰা সম্পৰ্কে— Piaget, Kohlberg আদি মনোবিজ্ঞানী সকলে গৱেষণামূলক তথ্য প্ৰদান কৰিছে। তথ্য অনুসৰি জন্মৰ পৰা প্ৰায় চাৰি বছৰ বয়সলৈকে শিশুৰ নৈতিক চেতনা দৈহিক সুখাভিমুখী হয়। ইয়াক নৈতিক মানবিহীনতাৰ অৱস্থা বুলি কোৱা হয়। প্ৰাৰম্ভিক কালত শিশু এটিয়ে পৰিৱেশৰ পৰিস্থিতি অনুযায়ী কেৱল মাথোন দৈহিক প্ৰতিক্ৰিয়াহে প্ৰদৰ্শন কৰে। এনে প্ৰতিক্ৰিয়াত দৈহিকভাৱে পোৱা সুখদায়ক আৰু দুখদায়ক পৰিণতিৰ ওপৰত ভিত্তি কৰি শিশুটিয়ে নিজ আচৰণত শুদ্ধ-অশুদ্ধ বা ভাল-বেয়াৰ চেতনা লাভ কৰে। অৱশ্যে তাৰ ক্ৰিয়া-আচৰণে আনৰ দেহ-মনত সুখ-দুখৰ কেনে প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰে তাৰ বিচাৰ বা অনুভৱ কৰিব পৰা ক্ষমতা শিশুৰ নাথাকে। প্ৰায় দুবছৰ বয়সলৈ নিজ ক্ৰিয়াৰ পৰা পোৱা সুখ-দুখৰ অনুভূতিয়েই তাৰ মনত নৈতিক-অনৈতিক চেতনা লাভৰ উৎস হিচাপে পৰিলক্ষিত হয়। ইয়াৰ পিচত ক্ৰমে গৃহপৰিৱেশৰ বিভিন্ন পৰিস্থিতিত পিতৃ-মাতৃৰ সংস্পৰ্শৰ পৰা নৈতিক চেতনা আৰু এই সম্বন্ধীয় ক্ৰিয়া আচৰণৰ অভিজ্ঞতা লাভ কৰি উঠে। এই সময়ছোৱাত শিশুমনত কোনো নৈতিক চেতনাৰ মানদণ্ড নাথাকে। পিতৃ-মাতৃৰ ক্ৰিয়া আচৰণ, তেওঁলোকৰ বিচাৰ-বিবেচনা আৰু গ্ৰহণীয়-অগ্ৰহণীয় বিষয়সমূহকেই শিশুৱে নৈতিকতাৰ মানদণ্ড স্বৰূপে গ্ৰহণ কৰে। পিতৃ-মাতৃয়েই তেওঁলোকৰ বাবে অনুকৰণীয় ব্যক্তি হিচাপে পৰিগণিত হয় আৰু সেয়ে তেওঁলোকে যি ক্ৰিয়াৰ সন্মতি নিদিয়ে বা বিৰোধ কৰে তাক অনৈতিক ক্ৰিয়া হিচাপে শিশুৱে ভাবি লয়।

পাঁচবছৰৰপৰা আঠ বছৰলৈকে কৰ্তৃত্বশীল লোকৰ অধীনত শাস্তি আৰু পুৰস্কাৰৰ ভিত্তিত বাহ্যিকভাৱে নৈতিক আচৰণ গঠন কৰি তোলে।

এই সময়ছোৱাত তেওঁলোকে অন্তস্থঃভাৱে নৈতিক বিচাৰ বিবেচনা কৰিব নোৱাৰে। পিতৃ-মাতৃৰ পুৰস্কাৰ বা প্ৰশংসা পোৱা ক্ৰিয়া-আচৰণ ভাল বা উচিত আৰু তেওঁলোকে শাস্তি দিয়া ক্ৰিয়া আচৰণ অনুচিত বুলি শিশুৱে বিবেচনা কৰে। অৱশ্যে নৈতিকতাৰ এনে ধাৰণা কোনো কোনো সময়ত শুদ্ধ নহ'বও পাৰে। বিশেষকৈ পুৰস্কাৰ আৰু শাস্তি অকাৰণত আৰু অযুক্তিকৰ ভাবে দিলে ই নৈতিকতাৰ দিশত শিশুমনত খেলি মেলিৰ সৃষ্টি কৰে।

ন বছৰৰ পৰা বাৰ বছৰ বয়সলৈকে এই সময়ছোৱাত শিশুৱে সমনীয়াসকলৰ লগত ক্ৰিয়াৰ পাৰস্পৰিকতা আৰু পৰহিত ভাৱৰ যোগেদি নৈতিক আচৰণ গঠন কৰে। শেহতীয়া বাল্যকালৰ এনে অৱস্থাত শিশুৱে সমনীয়াসকলৰ লগত ক্ৰিয়াত অংশ গ্ৰহণ কৰে, ভাবৰ আদান-প্ৰদান কৰে যাৰ ফলস্বৰূপে শিশুটিয়ে আনৰ প্ৰতি ভাল আচৰণ কৰিবলৈ আৰু আনৰ পৰাও উচিত আচৰণ পাবলৈ আশা কৰে। এই সময়ত শিশুমনত দৈহিক সুখানুভূতিৰ পৰিবৰ্তে পৰহিত মনোভাৱ গঠন হয়। তেওঁলোকে দৈহিক শাস্তি বা পুৰস্কাৰতকৈ সামাজিক প্ৰশংসা বা অপবাদৰ প্ৰতি অধিক আকৃষ্ট আৰু সংবেদনশীল হৈ উঠে। সমাজৰ লোকৰ প্ৰশংসা পাবৰ বাবে সামাজিক জীৱনৰ প্ৰচলিত নীতি-নিয়মৰ প্ৰতি তেওঁলোকে আনুগত্যৰ ভাব দেখুৱায়। এই সময়ত শিশুনৈতিকতা সমাজমুখী হৈ উঠে। শিশু মনৰ বিবেকৰো এই সময়তেই সূত্ৰপাত হয় বুলি মনোবৈজ্ঞানিক সকলে উল্লেখ কৰিছে।

তেৰ বছৰৰপৰা ওঠৰ বছৰলৈকে স্বাধীন বিচাৰ শক্তি আৰু পূৰ্বৰ নৈতিক মূল্যবোধৰ পুনৰ নিৰ্ধাৰণ কৰিব পৰা সৰ্বোচ্চ নৈতিক বিকাশ হয়। এই অৱস্থাত নৈতিক ক্ৰিয়া আচৰণৰ শুভ-অশুভ, ন্যায়-অন্যায়, উচিত-অনুচিত আদিৰ বিচাৰ-বিবেচনা নিজ মানসিক শক্তিৰ দ্বাৰা কৰিব পাৰে। প্ৰচলিত সামাজিক নীতি নিয়ম, আস্থা, নিষ্ঠা, বিশ্বাস আদিৰ বৈধতা আৰু ন্যায়সংগতাৰ বিষয়েও চিন্তা কৰিব পাৰে। পূৰ্বে গঢ়লৈ উঠা নৈতিকতাৰ ধাৰণা আৰু নৈতিক মূল্যবোধৰ মানদণ্ড এই পৰ্য্যায়ত বিশ্লেষণ, সংশোধন আৰু পুনৰ নিৰ্ধাৰণ কৰি বাস্তৱ পৰিস্থিতিত প্ৰয়োজনীয় সমাযোজন স্থাপন কৰিব পাৰে।

শিশুৰ নৈতিক বিকাশৰ এই গতিধাৰাত সমাজৰ সংস্কৃতিক-পৰম্পৰা, গৃহপৰিৱেশৰ অনুশাসন ব্যৱস্থা, শাস্তি আৰু পুৰস্কাৰৰ ব্যৱস্থা, শিশুৰ বৌদ্ধিক ক্ষমতা আদি বিভিন্ন কাৰকে ক্ৰিয়া কৰে। বৃহত্তৰ সমাজৰ সংস্কৃতি আৰু পৰম্পৰা হৈছে নৈতিক আচৰণৰ ভেটিস্বৰূপ। প্ৰতিখন সমাজৰ স্বকীয় সাংস্কৃতিক, ধৰ্মীয় আৰু নৈতিক জীৱনৰ প্ৰভাৱৰ ফলতেই শিশুৰ চৰিত্ৰ আৰু ব্যক্তিত্ব বিশিষ্টৰূপত গঢ় লৈ উঠে। ইয়াৰ উপৰি গৃহ পৰিৱেশত শিশুটিয়ে লাভ কৰা অনুশাসন, শাস্তি-পুৰস্কাৰ আদিয়েও নৈতিক চৰিত্ৰ তথা আচৰণৰ বিকাশত বিশেষ প্ৰভাৱ পেলায়। কঠোৰ অনুশাসনকাৰী পিতৃ-মাতৃয়ে শিশুৱে কোনো আপত্তি নকৰাকৈ তেওঁলোকৰ আদেশ পালন কৰাটো বিচাৰে। শিশুৰ বয়স তথা বোধশক্তিৰ বিষয়ে বিবেচনা নকৰাকৈ শিশুৱে বুজিব নোৱাৰা নানাধৰণৰ আদেশ দিয়ে ফলত শিশুৱে তেনে আদেশ মানি চলিব নোৱাৰে, শিশু বিভ্ৰান্ত হয় আৰু ফলত অবাধ্য হয়। সজ আচৰণ শিকাবলৈ কঠোৰ ব্যৱহাৰ কৰাৰ ফলত শিশুৰ মনত নিৰাপত্তাৰ অভাৱ আৰু স্বতন্ত্ৰতাহীনতাই স্থান পায়; শিশুৱে মিছাকথা ক'বলৈ প্ৰয়াস কৰে, খিঙখিঙিয়া হয় আৰু নেতিবাচক স্বভাৱৰ হয়। শিথিল অনুশাসনকাৰী পিতৃ-মাতৃয়ে শিশুৰ সকলো কামতে প্ৰশ্ৰয় দিয়ে যাৰ ফলত শিশু আদৰুৱা হয় আৰু লাই পাই কথা নুশুনা হয়। ভাল-বেয়া, উচিত-অনুচিতৰ উপলব্ধি কৰাত এই শিশু অসমৰ্থ হয়। এই দুই শ্ৰেণীৰ মধ্যৱৰ্তী শ্ৰেণীৰ পিতৃ-মাতৃয়ে কিছুমান কাৰ্য্যত শিশুক বাধা দিয়ে আৰু আন কিছুমান কাৰ্য্যত অনুমতি দিয়ে। এই শ্ৰেণীৰ স্নেহশীল, বন্ধুভাৱাপূৰ্ণ কিন্তু দৃঢ়মনৰ পিতৃ-মাতৃয়ে সহানুভূতিশীল মনোভাৱেৰে শিশুক শুদ্ধপথ দেখুৱায়। এনে পৰিৱেশৰ শিশু কৰ্ত্তব্যপৰায়ণ হয় আৰু পিতৃ-মাতৃকেই আদৰ্শৰূপত গ্ৰহণ কৰি তেওঁলোকৰ

সুস্থ গুণাৱলী, আচাৰ-ব্যৱহাৰ আদি অনুকৰণ কৰি লয়।

শিশুৰ মনত ভাল-বেয়া, উচিত-অনুচিত, শুদ্ধ-অশুদ্ধ আদিৰ চেতনা জাগ্ৰত কৰাৰ বাবে যুক্তিযুক্ত শাস্তি আৰু পুৰস্কাৰ প্ৰদান কৰিব লাগে। সামান্য দোষতেই শিশুক সঘনে শাস্তি দিলে তেওঁলোকৰ সূক্ষ্ম অনুভূতিবিলাক ব্যাহত হয় যাৰ কাৰণে শিশুমনত নিষ্ঠুৰতাই ঠাই লয়, শিশু হৃদয়হীন আৰু নৃশংস হয়। ঠিক তেনেদৰে শিশুৰপৰা সাময়িক কিবা এটা আশা কৰি পুৰস্কাৰ প্ৰদান নকৰি সৎ আচৰণ, শুদ্ধ কাৰ্য্য আদিৰ সুদৃঢ়কৰণৰ বাবেহে ইয়াক প্ৰদান কৰিব লাগে। যুক্তিযুক্তভাৱে প্ৰদান কৰা পুৰস্কাৰে শিশুটিয়ে কৰা কাৰ্য্য বা আচৰণ সামাজিকভাৱে গ্ৰহণযোগ্য হৈছে বুলি আত্ম উপলব্ধি কৰাত আৰু আত্ম বিশ্বাসৰ ভাব গঢ়ি তোলাত সহায় কৰে।

মনোবিজ্ঞানীসকলে শিশুৰ বৌদ্ধিক ক্ষমতাৰ লগত নৈতিক বিকাশৰ সম্বন্ধ থকা কথাটো প্ৰমাণ কৰিছে। বৌদ্ধিকভাৱে নিম্নমান বিশিষ্ট শিশুৱে নৈতিক ধাৰণা গঠন কৰাত জটিলতাৰ সন্মুখীন হয়। নীতিগত দিশত কোনো আদেশ-নিৰ্দেশ প্ৰদান কৰিলে শিশুটিৰ বাবে ই বোধগম্য হয়নে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে কিয়নো শিশুৱে বুজিব নোৱাৰিলে তাক কাৰ্য্যত পৰিণত কৰিব নোৱাৰে।

নৈতিক আচৰণৰ শিক্ষাদান কাৰ্য্য আসোঁৱাহপূৰ্ণ হ'লেও শিশুৰ নৈতিক বিকাশ বাধাপ্ৰাপ্ত হয়। কি কৰা উচিত তাক শিকোৱাৰ পৰিৱৰ্তে কি কৰিব নালাগে তাক বেছিকৈ শিকালে শিশুৱে নৈতিক ধাৰণা গঠন কৰিবলৈ অসমৰ্থ হয়। সামাজিক মূল্যবোধ, আদৰ্শ আদি সঘনে পৰিবৰ্তন হ'লে বা নৈতিক বিধি-বিধানৰ যদি কোনো স্থায়ীত্ব নাথাকে তেতিয়া হ'লেও নৈতিক বিকাশ লেহেমীয়া হয়। সেয়েহে শিশুক দিয়া আদেশ-উপদেশ সঘনে পৰিবৰ্তন কৰিব নালাগে। পিতৃ--মাতৃকে ধৰি অগ্ৰজসকলৰ উপদেশত এটা সামঞ্জস্য থাকিব লাগে। এক ধৰণৰ আদেশ-উপদেশ নহ'লে শিশুটিয়ে উচিত-অনুচিত, কৰণীয়-অকৰণীয়ৰ মাজত পাৰ্থক্য বিচাৰ কৰিব নোৱাৰে ফলত নৈতিক ধাৰণা গঠন কৰাত জটিলতাৰ সৃষ্টি হয়।

শিশুৰ নৈতিক বিকাশ প্ৰভাৱিত কৰা এই কাৰকসমূহৰ প্ৰতি পিতৃ-মাতৃ, অভিভাৱক সকল, শিক্ষক-শিক্ষয়িত্ৰীসকল সচেতন হোৱাটো প্ৰয়োজন। তেতিয়াহে উপযুক্ত পৰিৱেশ প্ৰদানৰ জৰিয়তে শিশুটিৰ নৈতিক বিকাশত সহায় কৰিব পৰা যাব বুলি আশা কৰিব পাৰি।

**সহায়ক গ্ৰন্থসমূহ ঃ**

১। শিশু বিকাশৰ ৰূপৰেখা — যতীন বৰুৱা
২। শিশু মনোবিজ্ঞান — ড০ উৎপলা কোঁৱৰ
৩। শিশুৰ পৰিচৰ্যা — ড০ মথুৰা নাথ ভট্টাচাৰ্য্য
৪। Elements of Child development– Prof. K.C. Panda.

***

প্ৰবন্ধ

# পাশ্চাত্য দেশসমূহত সংস্কৃত চৰ্চা

গগেন কাকতি
সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ

সংস্কৃত ভাষা কেৱল ভাৰতৰে ভাষা হৈ থকা নাই বৰঞ্চ ইয়াৰ বিশ্বজনীনতা অনস্বীকাৰ্য। ইয়াৰ এটা কাৰণ এই যে সংস্কৃত বিজ্ঞানসন্মত ভাষা (Scientific Language)। আমেৰিকাৰ পণ্ডিতে এই ভাষাক Computer যন্ত্ৰৰ উপযোগী ভাষা হিচাপে স্বীকৃতি দিছে। জ্ঞান-বিজ্ঞানৰ সমুদ্ৰ স্বৰূপ বিশ্বৰ প্ৰাচীনতম গ্ৰন্থ বেদ এই সংস্কৃত ভাষাতেই বিৰচিত। সেইদৰে বেদৰ অন্তিম ভাগ উপনিষদ, আদিকাব্য ৰামায়ণ, মহাভাৰত, বিভিন্ন স্মৃতিগ্ৰন্থ, দৰ্শনশাস্ত্ৰ তথা ব্যাকৰণ শাস্ত্ৰ আদি সংস্কৃত ভাষাতেই ৰচিত হৈছে।

প্ৰাচীন কালৰ পৰাই সংস্কৃতৰ প্ৰচাৰ, প্ৰসাৰ, ভাৰতৰ বাহিৰৰ অনেক দেশত হৈ আছে। অনেক দেশত আকৌ সংস্কৃত ভাষা ৰাজকাৰ্যৰ ভাষা আছিল আৰু ৰজাৰ দ্বাৰা এই ভাষাত ৰাজাদেশ আৰু শিলালেখ লিখা হৈছিল। বিশেষকৈ জাভা, সুমাত্ৰা, বালী, কম্বোডিয়া আৰু ব্ৰহ্মদেশত সংস্কৃতৰ ব্যাপক প্ৰচাৰ প্ৰসাৰ হৈছিল। সংস্কৃত সাহিত্যৰ অনুশীলন আৰু সাহিত্য ৰচনাও এই দেশবোৰত হৈছিল। শ্ৰীমদ্ভাগৱদ গীতা আৰু উপনিষদৰো অনুবাদ বিশ্বৰ বহুতো ভাষাত হৈছে। সপ্তদশ শতাব্দীৰ আগ ভাগৰ পৰাই বিদেশত প্ৰচাৰ আৰম্ভ হয়। মোগল সম্ৰাট ছাহজাহানৰ জ্যেষ্ঠপুত্ৰ দাৰাশিকোহয়ে উপনিষদ আৰু শ্ৰীমদ্ভাগৱদ গীতা পাৰচী ভাষালৈ অনুবাদ কৰি বিশ্বত এই মহান গ্ৰন্থৰ প্ৰচাৰত চিৰস্মৰণীয় যোগদান দিছিল। ইয়াৰ দ্বাৰা বিশ্বৰ বৌদ্ধিক জগত ভাৰতীয় চিন্তন পৰম্পৰাৰ দ্বাৰা প্ৰেৰিত আৰু প্ৰভাবিত হৈছিল। ধৰ্মপ্ৰচাৰ কৰাৰ কাৰণে খ্ৰীষ্টান মিছনেৰীসকলে সংস্কৃত ভাষা আৰু তাৰ সাহিত্যবোৰ অধ্যয়ন কৰিছিল। ১৬৫১ খ্ৰীষ্টাব্দত অব্ৰাহাম ৰোজাৰ ভৰ্তৃহৰিৰ 'সুভাষিতোক্তি' পৰ্তুগালী ভাষাত অনুবাদ কৰিছিল। ব্ৰিটিছ শাসকসকলে সংস্কৃতৰ পণ্ডিতৰ সহযোগত ধৰ্মশাস্ত্ৰীয় গ্ৰন্থবোৰ ইংৰাজী ভাষাত অনুবাদ কৰোৱাইছিল আৰু সেইবোৰৰ আধাৰত এক প্ৰামাণিক সংহিতা ৰচনা কৰিছিল। এই ক্ষেত্ৰত ৱাৰেন হাষ্টিংছৰ প্ৰয়াস বিশেষ উল্লেখনীয়। ১৭৮৫ খ্ৰীষ্টাব্দত তেখেতে পণ্ডিতৰ দ্বাৰা ধৰ্মশাস্ত্ৰৰ এক সংকলন তৈয়াৰ কৰি তাৰ ইংৰাজী অনুবাদ কৰিছিল। এই বছৰতেই চাৰ্লছ ৱিলিংকছৰ শ্ৰীমদ্ভাগৱত গীতাৰ অনুবাদ ইংলণ্ডৰ পৰাই প্ৰকাশিত হৈছিল।

সপ্তদশ শতাব্দীৰ উত্তৰাৰ্ধত সংস্কৃত ভাষাই বৰ্তমান বিশ্বক আন্দোলিত কৰা এটা বিশেষ ঘটনা হৈছিল। চাৰ উইলিয়াম্ জোন্‌স, যিজনে গ্ৰীক, লেটিন আদি ভাষা ভালদৰে জানিছিল, তেখেত কলিকতালৈ আহিছিল আৰু তেখেতে তাত এজন সংস্কৃত পণ্ডিতৰপৰা সংস্কৃতৰ অধ্যয়ন কৰিছিল। ১৭৮৪ খ্ৰীষ্টাব্দত তেখেতে 'কোলকাতা'ত এচিয়াটিক চোছাইটি অব্ বেংগলৰ স্থাপন কৰিছিল।

বৰ্তমান পাশ্চাত্য দেশসমূহৰ ভিতৰত সংস্কৃত চৰ্চাত বিশেষভাৱে ভূমিকা লোৱা দেশসমূহৰ ভিতৰত জাৰ্মানী, ইংলেণ্ড, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা আৰু আমেৰিকা উল্লেখনীয়। জাৰ্মানীৰ প্ৰায় বিশখনমান বিশ্ববিদ্যালয়ত, আমেৰিকাৰ প্ৰায় সোতৰখন মান আৰু ইংলেণ্ডত পাঁচখনমান বিশ্ববিদ্যালয়ত সংস্কৃত ভাষাৰ অধ্যয়ন-অধ্যাপনা হৈ আছে। অষ্ট্ৰিয়াৰ ভিয়েনা আৰু নেডাৰলেণ্ডৰ লাইদেন আৰু হাংগেৰীৰ বুডাপেষ্ট আৰু চেদোদ বিশ্ববিদ্যালয়ত,

ইউৰোপৰ স্কটল্যাণ্ডৰ এডিনবাৰ্গ বিশ্ববিদ্যালয়ত, অষ্ট্ৰেলিাৰ মেলব'ৰ্ণ বিশ্ববিদ্যালয়ত আৰু দক্ষিণ আফ্ৰিকাতো সংস্কৃত ভাষাৰ, ভাৰতীয় দৰ্শনৰ অধ্যয়ন অধ্যাপনা চলিছে। সেইদৰে জাপানৰ কিঅ'টো ইউনিভাৰছিটি আৰু থাইলেণ্ডৰ শিল্পকৰ্ণ ইউনিভাৰছিটি সংস্কৃত ভাষাৰ অধ্যয়ন অধ্যাপনাৰ কেন্দ্ৰ। এইদৰে চীন দেশতো সংস্কৃত ভাষাৰ চৰ্চা বিদ্যমান।

জাৰ্মান দেশৰ বাৰ্লিন, বোন, গোৱেটিনজেন, হামবাৰ্গ, হাইডেলবাৰ্গ, বেষ্টোক আদি বিশ্ববিদ্যালয়ত সংস্কৃতৰ অধ্যয়ন, অধ্যাপনা আৰু গৱেষণা চলি আছে। পাশ্চাত্য পণ্ডিতসকলৰ কেইবাজনো পণ্ডিত বৈদিক সাহিত্যৰ ওপৰত নিজৰ গ্ৰন্থ প্ৰকাশ কৰিছে। জাৰ্মান পণ্ডিত ম্যাক্সমূলাৰ মহোদয়ে সৰল ভাষ্যৰ সৈতে ঋগ্বেদ, সংহিতা, থিয়োদৰ আফ্‌ফ্ৰেয়ৰ্ট মহোদয়ে ৰোমান লিপিত সমগ্ৰ ঋগ্বেদ সংহিতা প্ৰকাশ কৰিছে। তেনেকৈ অধ্যাপক ওৱেবাৰ মহোদয়ৰ শুক্ল আৰু কৃষ্ণ যজুৰ্বেদৰ সম্পাদনা, অধ্যাপক গ্ৰিফ্‌ট মহোদয়ৰ শুক্ল যজুৰ্বেদৰ অনুবাদ আৰু এ বি কীথ মহোদয়ৰ 'তৈত্তিৰীয় সংহিতাৰ' ইংৰাজী অনুবাদ এক উল্লেখনীয় অৱদান। সেইদৰে অধ্যাপক Bloomfield মহোদয়ৰ Vedic Concordance আৰু ম্যাকজেনেলৰ অন্যতম কৃতি Vedic Grammar উল্লেখযোগ্য গ্ৰন্থ।

ৰুচ ভাষাত প্ৰচুৰ সংস্কৃত শব্দ আছে। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে এঠাইত কৈছে যে, ৰুচ ভাষাই হৈছে পৃথিৱীত সংস্কৃতৰ অতি নিকটতম ভাষা। ৰুচ ভাষাত পিতা, মাতা, ভ্ৰাতাক কোৱা হয় পিতৰ, মাতৰ, ব্ৰাডৰ বুলি। ধূম (ধোঁৱা) ক বোলে ধূম। অগ্নিক অগ্নি। দিতিচতেহঁবে মানে সংস্কৃতৰ দ্বিত্ৰিচত্বাৰি (২৩৪)। এছিয়া ইউৰোপৰ বিস্তৃত অঞ্চলত পোৱা গৈছে সংস্কৃত লিপি আৰু অগ্নি মন্দিৰ।

ওপৰৰ আলোচনাৰপৰা এইটো কথা ক'ব পৰা যায় যে সংস্কৃত ভাষা কেৱল ভাৰতৰে ভাষা নহয়, বৰং প্ৰায় গোটেই পৃথিৱীতে প্ৰচাৰিত এটা ভাষা। ইয়েই পৃথিৱীৰ বেছিভাগ ভাষাৰে মূল স্ৰোত, সংস্কৃতে পৃথিৱীৰ অন্য ভাষাকো সমৃদ্ধ কৰিছে। কিন্তু দুৰ্ভাগ্যৰ কথা আজি সংস্কৃতক ভাৰতৰ কথা-বতৰাৰ ভাষা স্বৰূপে দেখিবলৈ পোৱাৰ চিন্তা কৰাটো দূৰৈৰ কথা, আমাৰ শিক্ষানুষ্ঠান সমূহত তাক বাধ্যতামূলকভাৱে শিকোৱাত নিষ্ঠা আৰু সাহসকণো হেৰাই গৈছে।

***

- ➢ পাশ্চাত্য বৌদ্ধিক ক্ষেত্ৰত ভাৰততত্ব তথা প্ৰাচ্যতত্বৰ এগৰাকী অন্যতম সূচনাকাৰী ভাষাতত্ববিদ জাৰ্মান পণ্ডিত ফ্ৰেদেৰিক মেক্সমুলাৰে (1823-1900 খ্ৰীঃ) জীৱনৰ অধিকাংশ সময় বৃটেইনত কটাইছিল আৰু তেখেতে কেতিয়াও ভাৰতবৰ্ষ ভ্ৰমণ কৰা নাছিল।
- ➢ চাৰ উইলিয়াম জোন্‌চ (1746-1794 খ্ৰীঃ) বঙ্গদেশৰ ফোৰ্ট উইলিয়ামস্থিত চুপ্ৰিম কোৰ্টত এগৰাকী বিচাৰক আছিল। তেওঁ 1784 চনত এছিয়াটিক চোছাইটি অব্ বেঙ্গল প্ৰতিষ্ঠা কৰিছিল। এই প্ৰাচ্যতত্বৰ গৱেষণা প্ৰতিষ্ঠানে এছিয়াটিক ৰিৰ্চাছেজ (*Asiatick Researches*) নামৰ গৱেষণা পত্ৰিকা এখন প্ৰকাশ কৰিছিল।

প্ৰবন্ধ

# ৰবীন্দ্ৰ নাথ ঠাকুৰৰ শিক্ষাদৰ্শন

মৌচুমী কংস বণিক
সহ অধ্যাপিকা, বাংলা বিভাগ

ৰবীন্দ্ৰ নাথ ঠাকুৰ আধুনিক বাংলা সাহিত্যৰ এক স্বতন্ত্ৰ পৰ্বৰ ৰচক। শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে তেওঁক 'কবি সাৰ্বভৌম' বুলি অভিহিত কৰিছিল। ৰবীন্দ্ৰ নাথ সৃষ্টিৰ বিপুলতা আৰু বিচিত্ৰতা, ভাব-গভীৰতা আৰু শিল্প নিপুণতাত নিঃসন্দেহে এক দীৰ্ঘস্থায়ী যুগৰ প্ৰধান ব্যক্তিৰূপত চিহ্নিত হ'ব পাৰে। ৰবীন্দ্ৰনাথে সমগ্ৰ পৃথিৱীত ভাৰতীয় সংস্কৃতিক এক বিশেষ স্থানত প্ৰতিষ্ঠিত কৰিছে। ৰবীন্দ্ৰ নাথ উপনিষদীয় চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁৰ এই জীৱন দৰ্শনৰ উপৰত ভিত্তি কৰি গঢ়ি উঠিছে তেওঁৰ শিক্ষা দৰ্শন।

**ৰবীন্দ্ৰ নাথৰ শিক্ষাদৰ্শ আৰু শিক্ষাৰ লক্ষ্য ঃ**

ৰবীন্দ্ৰ নাথ মূলত কবি, কিন্তু মানৱ জীৱনৰ এনে কোনো অভিজ্ঞতা নাই, য'ত তেওঁৰ চিন্তাৰ স্পৰ্শ লগা নাই। তেওঁৰ শিক্ষা, চিন্তা তত্ত্বৰ মাজত সীমাবদ্ধ নহয়। তেওঁ নিজে তাক শিক্ষা ক্ষেত্ৰত প্ৰৱৰ্তন কৰিছে। তেওঁৰ শিক্ষা দৰ্শন তেওঁৰ জীৱন দৰ্শনৰ দ্বাৰা প্ৰভাৱিত। তেওঁৰ শিক্ষাতত্ব বাস্তৱবাদী। তেওঁৰ মতে এনে ধৰণৰ শিক্ষা প্ৰকৃত শিক্ষা যি কেৱল তত্ব পৰিৱেশন নকৰে, যি বিশ্বসত্তাৰ লগত সামঞ্জস্য ৰাখি জীৱনক গঢ়ি তোলে।

তেওঁ গতানুগতিক শিক্ষাক বিশেষভাৱে সমালোচনা কৰিছে, তেওঁৰ মতে গতানুগতিক শিক্ষাৰ মাজত আমাৰ দেশৰ সংস্কৃতি, ৰীতি-নীতি, আদৰ্শক স্থান দিয়া হোৱা নাই। তেওঁ মানুহৰ ব্যক্তিত্বৰ পৰিপূৰ্ণ বিকাশৰ ওপৰত গুৰুত্ব দিছে। তেওঁৰ মতে, শিক্ষাৰ প্ৰধান লক্ষ্য হ'ব— (১) সৰ্বাঙ্গীন বিকাশ, (২) দৈহিক বিকাশ, (৩) নৈতিক আৰু আধ্যাত্মিক বিকাশ, (৪) সামাজিক গুণাৱলীৰ বিকাশ, (৫) জন শিক্ষাৰ বিস্তাৰ।

**(১) সৰ্বাঙ্গীন বিকাশ ঃ** শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল- স্বাধীন চিন্তা শক্তিৰ বিকাশ। সেই কাৰণে তেওঁ কৈছে যে- "আমাদেৰ বুদ্ধি-বৃত্তিকে জাগ্ৰত ও সক্ৰিয় কৰে, আমাদেৰ মনকে অবুদ্ধিৰ প্ৰভাব থেকে মুক্ত কৰতে পাৰে, সেই শিক্ষাৰ দ্বাৰাই আমাদেৰও সমস্ত দুঃখ দুৰ্দশাৰ অবসান ঘটতে পাৰে।" শিক্ষাৰ্থীৰ মাজত বৈজ্ঞানিক দৃষ্টিভঙ্গী জাগ্ৰত কৰাই হ'ল তেওঁৰ মতে শিক্ষাৰ অন্যতম লক্ষ্য।

**(২) দৈহিক বিকাশ ঃ** পাঠৰ বোজা শিক্ষাৰ্থীৰ ওচৰত দুঃসহ হৈ উঠে, সেই কাৰণে স্বামী বিবেকানন্দৰ নিচিনাকৈ ৰবীন্দ্ৰ নাথেও শিক্ষাৰ্থীহঁতক দৈহিক সামৰ্থৰ ওপৰত গুৰুত্ব দিব কৈছে। সেই কাৰণে তেওঁৰ শিক্ষা পৰিকল্পনাত মুক্ত প্ৰকৃতিত খেল-ধেমালি, দৌৰা ইত্যাদি ব্যৱস্থাৰ কথা কৈছে।

**(৩) নৈতিক আৰু আধ্যাত্মিক বিকাশ ঃ** ৰবীন্দ্ৰ নাথৰ মতে যি সৰ্বব্যাপী পৰমসত্তা আমাৰ সহগামী তাক উপলব্ধি কৰাই সকলো প্ৰকাৰ শিক্ষাৰ উদ্দেশ্য।

**(৪) সামাজিক গুণাৱলীৰ বিকাশ ঃ** ৰবীন্দ্ৰ নাথে বিচাৰিছিল শৈশৱৰ পৰাই শিক্ষাৰ মাধ্যমত ভ্ৰাতৃত্ববোধ, মানুহক ভালপোৱা, আৰ্তজনক সেৱা কৰা প্ৰভৃতি সামাজিক গুণাৱলীৰ বিকাশ ঘটোৱা উচিত।

**(৫) জন শিক্ষা বিস্তাৰ ঃ** শিক্ষাৰ লক্ষ্য প্ৰসঙ্গত ৰবীন্দ্ৰ নাথে জনশিক্ষা বিস্তাৰৰ ওপৰত গুৰুত্ব দিছে।

**পাঠ্যক্ৰম ঃ** পৰিপূৰ্ণ বিকাশৰ ফালে দৃষ্টি নিবন্ধ ৰাখি ৰবীন্দ্ৰ নাথে

পাঠ্যক্ৰমৰ পৰিকল্পনা কৰিছে। তেওঁ বিদ্যালয়ক মানৱ সংস্কৃতি অনুশীলনৰ ক্ষেত্ৰ হিচাপে বিবেচনা কৰিছে। তেওঁ এনে বিষয়বস্তুক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ কথা কৈছিল, যাৰ মাধ্যমত মানৱ সংস্কৃতি প্ৰতিফলিত হ'ব। তেওঁ পাঠ্যক্ৰমত ভাষা, সাহিত্যক অগ্ৰাধিকাৰ দিছে। ইতিহাস, দৰ্শন আৰু বিজ্ঞান সাধনাক তেওঁ পাঠ্যক্ৰমত গ্ৰহণ কৰিছে। তেওঁ ইংৰাজী শিক্ষাৰ বিশেষ পক্ষপাতী নাছিল। তেওঁ মাতৃভাষাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে। পাঠ্যক্ৰমত তেওঁ বিভিন্ন ধৰণৰ সমাজ সেৱা, সমাজ উন্নয়নমূলক কামৰ ব্যৱস্থা ৰখাৰ পক্ষপাতী আছিল। ইয়াৰ বাহিৰেও তেওঁ খেল-ধেমালি, গান, ফুলনিৰ কাম, হাতৰ কাম প্ৰভৃতিক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিছে।

**শিক্ষণ পদ্ধতি ঃ** ৰবীন্দ্ৰ নাথে নিৰ্দিষ্ট কোনো শিক্ষণ পদ্ধতিৰ উল্লেখ কৰা নাছিল। কিন্তু ইন্দ্ৰিয়ানুশীলন, প্ৰকৃতিৰ পৰ্যবেক্ষণ (যেনে বৃক্ষৰোপণ), সৃজনধৰ্মী কাম প্ৰভৃতিৰ মাধ্যমত ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ কথা কৈছিল। তেওঁ কৈছিল- শিক্ষকে নিজস্ব প্ৰয়োজন অনুযায়ী পদ্ধতি উদ্ভাৱন কৰি পঢ়ুৱাব। কিন্তু তেওঁ প্ৰাচীন তপোবনৰ শিক্ষাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁৰ বিশ্বাস আছিল গুৰু আৰু শিষ্যৰ মাজত সু সম্পৰ্ক থাকিলে তাত শিক্ষাদান বহুখিনি সহজ হৈ যায়। শ্ৰেণী শিক্ষণৰ গতানুগতিক প্ৰথাৰ পৰিবৰ্তে তেওঁ মুকলি আকাশৰ তলত শিক্ষাদানৰ কথা কৈছে। তেওঁ এই শিক্ষাচিন্তা প্ৰয়োগ কৰাৰ কাৰণে ১৯০১ খ্ৰীঃত 'শান্তি নিকেতন' প্ৰতিষ্ঠা কৰে। ৰবীন্দ্ৰ নাথৰ শিক্ষণ পদ্ধতিৰ মূল কথা হ'ল, শিশুক স্বাধীনতা দিব লাগিব। কিন্তু তেওঁ শান্তি নিকেতনত স্বাধীনতাৰ লগে লগে সংযম আৰু ব্ৰহ্মচৰ্য পালনৰ কঠোৰ নিৰ্দেশ দিছিল।

তেওঁ সক্ৰিয়তা ভিত্তিক শিক্ষাক গুৰুত্ব দিছিল। তেওঁ কৈছিল ইতিহাস, ভূগোল, বিজ্ঞান প্ৰভৃতি বিষয় বিলাক সহজ-সৰল কৰি সক্ৰিয়তাৰ মাধ্যমত শিকাব লাগিব। তেওঁৰ মতে মাতৃভাষা শিক্ষাৰ একমাত্ৰ মাধ্যম। "শিক্ষায় মাতৃভাষাই মাতৃদুগ্ধ"- ইংৰাজী ভাষা মাধ্যমৰ ক্ৰটি সম্পৰ্কত তেওঁ কৈছে- ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হোৱাত ছাত্ৰবিলাকৰ জীৱনৰ অধিকাংশ সময় ব্যয় হয় ভাষা শিক্ষাত। উপৰন্তু এই ভাষা শিক্ষা ব্যয় বহুল হোৱাত দেশৰ জনসাধাৰণৰ ওচৰত এই ভাষা জনপ্ৰিয় হৈ নুঠে। মাতৃভাষাত শিক্ষা দান নহয় কাৰণে শিক্ষালয়ত বিষয়বিলাক প্ৰাণৰ সামগ্ৰী হৈ নুঠে। "শিক্ষিত অশিক্ষিতই থেকে যায়।"

**জনশিক্ষা ঃ** ৰবীন্দ্ৰনাথে বুজিছিল ভাৰতৰ অগণিত জনসাধাৰণ শিক্ষাৰ আলোকৰ পৰা বঞ্চিত, তেওঁৰ মতে শিশুৰ শিক্ষা আৰম্ভ হয় পৰিবাৰৰ পৰা, যাত্ৰা, লোকনৃত্য, লোক সঙ্গীত, সাধাৰণ উৎসৱ প্ৰভৃতিৰ মাধ্যমত জনশিক্ষা প্ৰসাৰৰ কথা কৈছে। কাৰণ পৰিবাৰ শিক্ষিত হ'লেহে শিশুও শিক্ষিত হ'ব। তেওঁ গাঁৱৰ পাঠাগাৰ বিলাকক জনশিক্ষা প্ৰসাৰৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ কথা কৈছে।

**নাৰী শিক্ষা ঃ** ৰবীন্দ্ৰনাথে শিক্ষাত সকলোৰে সমান অধিকাৰৰ কথা কৈছে। তেওঁ তেওঁৰ বিভিন্ন গল্প, উপন্যাসত স্ত্ৰী-শিক্ষাৰ গুৰুত্বৰ কথা লিখিছে। শিক্ষা ব্যৱস্থাত কিছুমান ক্ষেত্ৰত প্ৰতিফলিত হোৱা স্ত্ৰী আৰু পুৰুষৰ ভেদৰ বিষয়ে তেওঁ সচেতন আছিল। তেওঁ শান্তি নিকেতনত সহশিক্ষাৰ ব্যৱস্থা প্ৰবৰ্তন কৰিছিল।

ৰবীন্দ্ৰ নাথ কবি, এজন কবি শিক্ষাজগতত ইমান প্ৰাধান্য পাইছিল মানুহৰ প্ৰতি তেওঁৰ মৰমৰ কাৰণে। তেওঁ তেওঁৰ জীৱনৰ শেষভাগ শিক্ষাৰ কাৰণে ব্যয় কৰিছিল। তেওঁ অনুভৱ কৰিছিল কৃত্ৰিম আৰু যান্ত্ৰিক শিক্ষা কেতিয়াও মানুহৰ পৰিপূৰ্ণ বিকাশ ঘটাব নোৱাৰে। তেওঁ পাশ্চাত্য শিক্ষাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। তেওঁ ভাৰতীয় শিক্ষাত পাশ্চাত্য বিজ্ঞানক বিশেষভাৱে গুৰুত্ব দিছিল। তেওঁ ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত স্থান কৰি দিছিল।

শিক্ষা ক্ষেত্ৰত ৰবীন্দ্ৰ নাথৰ অৱদান এই স্বল্প পৰিসৰত আলোচনা সম্ভৱ নহয়। নতুন শিক্ষাতত্ত্ব বা

শিক্ষাক্ষেত্ৰত নতুন দৃষ্টিভঙ্গীৰ উদ্ভাৱন নকৰিলেও ৰবীন্দ্ৰ নাথৰ সৃজনশীল প্ৰতিভা শিক্ষাৰ বিভিন্ন ক্ষেত্ৰৰ ওপৰত ছিঁচৰিত হৈ নতুন আলোকৰ সন্ধান দিছে। ব্যক্তি আৰু সমাজ বিকাশৰ বিভিন্ন দিশত শিক্ষাৰ ভূমিকাৰ কথা উল্লেখ আৰু প্ৰয়োগৰ ব্যৱস্থা কৰি তেওঁ শিক্ষাক ইমান উন্নত স্তৰত লৈ গৈছে যে আজিৰ দিনতো অৰ্থাৎ একবিংশ শতাব্দীতো তেওঁৰ প্ৰাসঙ্গিতা অস্বীকাৰ কৰিব নোৱাৰি।


তথ্য সূত্ৰ ঃ

(১) ৰবীন্দ্ৰ নাথ ও বিবেকানন্দৰ শিক্ষাদৰ্শন— অৰ্ধেন্দু সৰকাৰ।

(২) বাংলা সাহিত্যেৰ সমগ্ৰ ইতিহাস— ক্ষেত্ৰ গুপ্ত।

(৩) বাংলা সাহিত্যে সম্পূৰ্ণ ইতিবৃত্ত— অসীত কুমাৰ বন্দ্যোপাধ্যায়।


***

- ৰবীন্দ্ৰ নাথ ঠাকুৰে (১৮৬১-১৯৪১খ্ৰীঃ) ১৯১৩ চনত সাহিত্যত 'নোবেল বঁটা' লাভ কৰিছিল। তেওঁৰেই প্ৰথম গৰাকী অনা-ইউৰোপীয় নোবেল বঁটা বিজয়ী আছিল।
- ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন অধিনায়ক...' গীতটোৰ উপৰিও বংগ দেশৰ ৰাষ্ট্ৰীয় সংগীত 'আমাৰ সোণাৰ বাংলা' গীতটোৰ ৰচয়িতা আছিল। ইয়াৰ উপৰি শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগীতটিও তেওঁৰ ৰচনাৰ প্ৰেৰণাত ৰচিত হৈছিল বুলি কিছু সংখ্যক পণ্ডিতে ক'ব বিচাৰে।
- ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতটো ১৯১১ চনৰ ১১ ডিচেম্বৰ তাৰিখে ৰচনা কৰা হৈছিল আৰু এইটো প্ৰথমবাৰৰ বাবে গোৱা হৈছিল ভাৰতৰ জাতীয় কংগ্ৰেছৰ কলিকতা অধিবেশনত, সেই বছৰৰে ২৭ ডিচেম্বৰ তাৰিখে। পোনতে এই গীতটো ৰবীন্দ্ৰ নাথ ঠাকুৰৰ দ্বাৰা সম্পাদিত ব্ৰাহ্মসমাজৰ মুখপত্ৰ 'তত্ববোধিনী পত্ৰিকা'ত প্ৰকাশ হৈছিল।

প্ৰবন্ধ

# বিশ্ব দৰিদ্ৰতা ঃ এক প্ৰত্যাহ্বান

**ড° বৰ্ণালী ডেকা**
**সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ**

সাম্প্ৰতিক সময়ত বিশ্ববাসীয়ে সন্মুখীন হোৱা এক বৃহৎ প্ৰত্যাহ্বান হ'ল দৰিদ্ৰতা। বিশ্ব দৰিদ্ৰতাই বৰ্তমান মানুহৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। যাৰ ফলশ্ৰুতিত ব্যক্তিৰ নিৰাপত্তাৰ প্ৰতি দিশটো যথেষ্ট গুৰুত্বপূৰ্ণ হৈ পৰিছে। সাধাৰণতে নিৰাপত্তা শব্দটোৱে যদিও এখন দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা যেনে- বহিঃ শত্ৰুৰ আক্ৰমণৰপৰা মুক্ত বা আভ্যন্তৰীণ শান্তি শৃংখলা বজাই ৰখাক সূচায়, কিন্তু বৰ্তমান সময়ত নিৰাপত্তা শব্দটোৱে এই পৰম্পৰাগত অৰ্থৰ লগতে কিছুমান অপৰম্পৰাগত দিশো সামৰি লয়। এই অপৰম্পৰাগত দিশসমূহ যেনে অৰ্থনৈতিক দুৰৱস্থা, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, পুষ্টিহীনতা, সন্ত্ৰাসবাদ, গণহত্যা, ক্ষুধা আদিয়েও মানৱ জীৱনলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিব পাৰে।

অৰ্থনৈতিক দুৰৱস্থাৰ ফলাফল হ'ল দৰিদ্ৰতা, দৰিদ্ৰতা বুলিলে এজন ব্যক্তিৰ মানুহ হিচাপে জীয়াই থকাৰ মৌলিক উপাদানসমূহৰ অভাৱক বুজায়। মৌলিক উপাদানৰ ভিতৰত পৰিষ্কাৰ পানী, পৰিপুষ্টি সাধন, স্বাস্থ্যৰ যত্ন, শিক্ষা, বস্ত্ৰ আৰু বাসস্থানৰ বিষয়ে উল্লেখ কৰিব পাৰি। ব্যক্তিৰ এনে দৰিদ্ৰতাই এখন ৰাষ্ট্ৰলৈ ভাবুকি কঢ়িয়াই আনে আৰু এনে ভাবুকি বিশ্বৰ অন্য ৰাষ্ট্ৰলৈ বিয়পি পৰে। বৰ্তমান বিশ্বৰ ৬৫০ কোটি জনসংখ্যা আৰু অহা ২৫ বছৰত ই ৮০০ কোটি, শেষত লাহে লাহে এই সংখ্যা ৯০০ কোটিৰ পৰা ১০০০ কোটি লৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। জনসংখ্যা বিস্ফোৰণ হ'বলগীয়া এই ৰাষ্ট্ৰসমূহ হৈছে চীন, ভাৰতবৰ্ষ, পাকিস্তান, বাংলাদেশ, ইন্দোনেচিয়া, নাইজেৰিয়া আদি ৰাষ্ট্ৰ। তৃতীয় বিশ্বৰ দৰিদ্ৰ দেশ সমূহত জনসংখ্যা বৃদ্ধিৰ উপৰি এই দেশসমূহৰ ৰাষ্ট্ৰীয় আয় আৰু জীৱন ধাৰণৰ মানো অনুন্নত। জনসংখ্যা বিস্ফোৰণৰ ফলত দুখীয়া দেশ সমূহৰ সীমিত সম্পদৰ ওপৰত অত্যধিক হেঁচা পৰিছে।

বিশ্ব দৰিদ্ৰতাৰ ক্ষেত্ৰত বিশ্বৰ দেশসমূহৰ মাজত থকা অৰ্থনৈতিক বৈষম্য মন কৰিবলগীয়া। ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ দেশসমূহ যথেষ্ট চহকী হোৱাৰ পৰিৱৰ্তে এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহ অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ। পৃথিৱীৰ দৰিদ্ৰ লোকসকলৰ সৰহভাগেই এই দেশ সমূহত বাস কৰে। ইউৰোপ আৰু আমেৰিকাত বাস কৰা চহকী বিশ শতাংশ লোকে বিশ্বৰ আয়ৰ আশী শতাংশ ভোগ কৰে। আনহাতে বিশ্বৰ আশী শতাংশ দৰিদ্ৰ লোকে বিশ্বৰ আয়ৰ মাত্ৰ বিশ শতাংশ ভোগ কৰিব পাৰে। অৱশ্যে এনে অৰ্থনৈতিক বৈষম্য অকল যে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজতে আছে এনে নহয়, উন্নত ৰাষ্ট্ৰৰ ভিতৰতো বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত চূড়ান্ত অৰ্থনৈতিক বৈষম্য আছে। মুষ্টিমেয় সংখ্যক লোকৰ হাতত দেশৰ অধিকাংশ সম্পদ পঞ্জীভূত হৈ পৰাৰ ফলত চহকীসকল চহকী হৈ গৈ আছে আৰু দৰিদ্ৰসকল ক্ৰমান্বয়ে আৰু দৰিদ্ৰ হৈ গৈ আছে। এনে পৰিস্থিতিত বিশ্বৰ দৰিদ্ৰসকলে অনাহাৰে দুৰ্ভিক্ষ আদিত প্ৰাণ হেৰুৱাইছে, পুষ্টিহীনতাত ভুগিছে, নিৰাপত্তাহীনতাত শংকাৰে জীৱন অতিবাহিত কৰিছে।

বিশ্ব দাৰিদ্ৰতাৰ এই ভয়াবহ সমস্যাৰ লগত মোকাবিলা কৰিবলৈ

আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে যথেষ্ট গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছে। বিশ্ব বেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আৰু বিশ্ব বাণিজ্য সংস্থাই উন্নয়নৰ দিশত গ্ৰহণ কৰা নব্য উদাৰ নীতিয়ে সম্পত্তিৰ অধিকাৰ, বিশেষকৈ ভূমি সম্বন্ধীয় অধিকাৰ আৰু বিত্তীয় সাহায্য প্ৰধানকৈ সঞ্চয়ৰ ক্ষেত্ৰত উল্লেখযোগ্য সেৱা আগবঢ়াইছে। কিন্তু দেখা যায় যে তৃতীয় বিশ্বৰ অনুন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহত প্ৰশাসনীয় অদক্ষতা, দুৰ্নীতি, ৰাজনৈতিক অস্থিৰতা আদিয়ে দৰিদ্ৰতা নিৰ্মূলৰ আঁচনিসমূহৰ ফলপ্ৰসূতাত বাধা আৰোপ কৰিছে। তাৰোপৰি এই ৰাষ্ট্ৰসমূহত হোৱা গৃহযুদ্ধ, গোষ্ঠীগত সংঘৰ্ষ, সন্ত্ৰাসবাদ আদিৰ বাবেও ৰাষ্ট্ৰসমূহে বহুক্ষেত্ৰত ধন ব্যয় কৰিবলগীয়া হোৱাত জনসাধাৰণৰ মৌলিক সুবিধাসমূহ প্ৰদানত অপাৰগ হৈ পৰে। লগতে দ্ৰুত গতিত হোৱা জনসংখ্যা বৃদ্ধিয়ে প্ৰাকৃতিক সম্পদ যেনে পানী, ভূমি, বন আদিৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলাই পাৰিপাৰ্শ্বিক অসমতাৰ সৃষ্টি কৰি জনস্বাস্থ্যৰ প্ৰতি ভাবুকি আনিছে।

যি কি নহওক, দৰিদ্ৰতাৰ সমস্যাটো সমাধানৰ মূল চাবি কাঠি হ'ল মানৱ সম্পদ আৰু ইয়াৰ সদ্ব্যৱহাৰ। বৰ্দ্ধিত জনসংখ্যাক নিয়ন্ত্ৰণ কৰি সেই জনসংখ্যাক সম্পদলৈ পৰিবৰ্তন কৰিব পৰাটোহে আটাইতকৈ প্ৰয়োজনীয় কাম। মানৱ সম্পদ বিকাশ সাধনৰ বাবে স্বাস্থ্য আৰু শিক্ষাই প্ৰাধান্যতা পায়। কিয়নো মানৱ সম্পদৰ বিকাশহে দৰিদ্ৰতা নিৰ্মূলৰ প্ৰধান উপায়।

***

প্ৰবন্ধ

# আৰ্যভটৰ সংখ্যা

ড° আঙ্গিৰস
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ

প্ৰাচীন ভাৰতবৰ্ষত বিভিন্ন স্থানত বিভিন্ন অংক শাস্ত্ৰীয় পৰম্পৰাত সংখ্যাবোৰ বৰ্ণমালাৰ যোগেদি লিখাৰ প্ৰচলন আছিল। অংক চিহ্নবোৰৰ সলনি এনে পদ্ধতিৰ উদ্ভাৱনৰ কাৰণ কি আছিল খাটাংকৈ ক'ব নোৱাৰি যদিও সম্ভৱত (ক) বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ সূত্ৰ সমূহ মুখস্থ কৰি মনত ৰাখিব পৰাকৈ 'ছন্দবদ্ধ ৰূপ"ত শব্দ আকাৰে সজোৱাৰ উদ্দেশ্যে (খ) সাধনালব্ধ জ্ঞানসমূহ নকলকাৰী অথবা অল্পবিদ্যা ভয়ংকৰী পাণ্ডিত্যৰ পৰা ৰক্ষা কৰা উদ্দেশ্যে অথবা (গ) বৃহৎ আকাৰৰ সংখ্যাবোৰ চুটিকৈ লিখাৰ সুবিধাৰ বাবে এই পদ্ধতি গ্ৰহণ কৰা হৈছিল।

অংকশাস্ত্ৰ আৰু জ্যোতির্বিজ্ঞানৰ বিশ্ববিশ্ৰুত ভাৰতীয় পণ্ডিত আৰ্যভটে (476–550 খ্ৰীঃ) তেনে এক পদ্ধতি নিজাকৈ উদ্ভাৱন কৰি লৈছিল। তেওঁৰ আৰ্যভটীয় নামৰ গ্ৰন্থখনৰ গীতিকাপদ নামৰ ১ম অধ্যায়টোৰ এটা মাত্ৰ শ্লোক এই আলোচনাৰে উদাহৰণ হিচাপে উল্লেখ কৰা হ'ল—

মখি ভখি ফখি ধখি নখি ঞখি ঙখি হস্ঝ স্ককি, কিস্গ শঘকি কিঘ্ব। ঘ্লকি কিগ্ৰ হক্য, ধকি, কিচ, স্গ, ঝশ ঙ্ব, ক্ল প্ত ফ ছ কলা-অৰ্ধ-জ্যাস্।।

এতিয়া এই দুৰ্বোধ্য শব্দবোৰেৰে লিখা শ্লোকটো লিখা হৈছে এটা বৃত্তৰ ৩°৪৫′ (৩ মিনিট ৪৫ চেকেণ্ড) কোণৰ ব্যৱধানত ২৪ টা কোণে এডাল অৰ্ধজ্যাত উৎপন্ন কৰা দৈৰ্ঘ্যৰ Sine Table এখন সাংকেতিক ভাষাত প্ৰকাশ কৰিবৰ বাবে। এই সাংকেতিক শব্দবোৰ ভাঙিবলৈ (Decode) উপায় দিয়া হৈছে দ্বিতীয় অধ্যায়ত। এই উপায়টো হ'ল এনে ধৰণৰ—

(১) বৰ্ণ মালাৰ বৰ্গীয় বৰ্ণবোৰ অৰ্থাৎ ক ৰ পৰা ম লৈ বৰ্ণবোৰৰ গাণিতিক মান হ'ল ক্ৰমে- ১, ২ অনুক্ৰমে ২৫ লৈ।

(২) অবৰ্গ বৰ্ণবোৰ যথা— য়, ৰ, ল, ৱ; শ, ষ, য; হ ৰ মান হ'ল ক্ৰমে ৩০, ৪০, ৫০, ৬০, ৭০, ৮০, ৯০, ১০০

(৩) স্বৰবৰ্ণসমূহৰ
অ, ই, উ, ঋ, ঌ (ল),
$10^0$, $10^2$, $10^4$, $10^6$, $10^8$,
এ, ও, ঐ, ঔ
$10^{10}$, $10^{12}$, $10^{14}$, $10^{16}$
বৰ্ণবোৰে ক্ৰমে স্থানাংক সূচিত কৰে- একক, শতক, অযুত, নিযুত, দহ কোটি।

(৪) অৰ্থাৎ কোনো ব্যঞ্জন বৰ্ণ উল্লিখিত স্বৰবৰ্ণ সমূহ যুক্ত হৈ থাকিলে বৰ্গীয় বৰ্ণৰ মান অথবা অবৰ্গীয় মানৰ সতে স্বৰবৰ্ণৰ মান পূৰণ কৰিব লাগিব।

(৫) বৰ্গীয় বৰ্ণবোৰ উল্লিখিত বৰ্গীয় স্থানসমূহতহে লিখিব লাগিব (10, 100, 1000, 10,00000) আদি স্থান।

(৬) অবৰ্গীয় বৰ্ণবোৰ অবৰ্গীয় স্থানত লিখিব লাগিব।

এই নিয়মখিনি মনত ৰাখিলেই আমি আৰ্যভট্টৰ সাংকেতিক ভাষাৰে একোটা সংখ্যা লিখিব পাৰিম আৰু বুজিব পাৰিম।

(৭) সংখ্যাবোৰ লিখোতে একক, দহক, শতক, হাজাৰ আদি স্থানাংকবোৰ ক্ৰমে বাওফালৰ পৰা সোঁফাললৈ লিখি যাব লাগিব (অংকনাম বামাতো গতিঃ সূত্ৰ অনুসাৰে)

এতিয়া আৰ্যভট্টৰ চাইন টেবুলৰ পৰা কেইটামান শব্দ লোৱা যাওঁক—

"মখি"— 'খ' মানে '২'।

'খ' 'ই' যুক্ত হৈ আছে সেইবাবে "খি" মানে '২০০'। 'ম' মানে '২৫'। এতিয়া 'সংখ্যা বামাতো গতিঃ' সূত্ৰৰে যদি সংখ্যাটো পাতো তেন্তে ইয়াৰ মান হ'ব- ২২৫। 'ভখি' মানে হ'ব ২২৪; 'ফখি' মানে হ'ব ২২২। উল্লিখিত শব্দবোৰ ভাঙি যদি টেবুল আকাৰে সজাওঁ তেন্তে এনে ধৰণে আমি সজাব পাৰিম—

| ক্ৰঃ নং | ডিগ্ৰী | আৰ্যভটীয় শব্দ | আধুনিক ৰূপত | আৰ্যভটীয় জ্যাৰ দৈৰ্ঘ্যৰ মান |
|---|---|---|---|---|
| ১। | ৩.৪৫ | মখি | ২২৫ | ২২৫/ |
| ২। | ৭.৩০ | ভখি | ২২৪ | ৪৪৯/ |
| ৩। | ১১.১৫ | ফখি | ২২২ | ৬৭১/ |
| ৪। | ১৫.০০ | ধখি | ২১৯ | ৮৯০/ |
| ৫। | ১৮.৪৫ | ণখি | ২১৫ | ১১০৫/ |
| ৬। | ২২.৩০ | ঞখি | ২১০ | ১৩১৫/ |
| ৭। | ২৬.১৫ | ঙখি | ২০৫ | ১৫২০/ |
| ৮। | ৩০.০০ | হস্ঝ | ১৯৯ | ১৭১৯/ |
| ৯। | ৩৩.৪৫ | স্ককি | ১৯১ | ১৯১০/ |
| ১০। | ৩৭.৩০ | কিষগ | ১৮৩ | ২০৯৩/ |
| ১১। | ৪১.১৫ | শ্ঘকি | ১৭৪ | ২২৬৭/ |
| ১২। | ৪৫.০০ | কিঘ্ব | ১৬৪ | ২৪৩১/ |
| ১৩। | ৪৮.৪৫ | ঘ্লকি | ১৫৪ | ২৫৮৫/ |
| ১৪। | ৫২.৩০ | কিগ্ৰ | ১৪৩ | ২৭২৮/ |
| ১৫। | ৫৬.১৫ | হক্য | ১৩১ | ২৮৫৯/ |
| ১৬। | ৬০.০০ | ধকি | ১১৯ | ২৯৭৮/ |
| ১৭। | ৬৩.৪৫ | কিচ | ১০৬ | ৩০৮৪/ |
| ১৮। | ৬৭.৩০ | স্গ | ৯৩ | ৩১৭৭/ |
| ১৯। | ৭১.১৫ | ঝশ | ৭৯ | ৩২৫৬/ |
| ২০। | ৭৫.০০ | ঙ্ব | ৬৫ | ৩৩২২/ |
| ২১। | ৭৮.৪৫ | ক্ল | ৫১ | ৩৩৭২/ |
| ২২। | ৮২.৩০ | প্ত | ৩৭ | ৩৪০৯/ |
| ২৩। | ৮৬.১৫ | ফ | ২২ | ৩৪৩১/ |
| ২৪। | ৯০.০০ | ছ | ৭ | ৩৪৩৮/ |

জ্যাৰ মান আধুনিক পদ্ধতিত নিৰ্ণয় কৰি আৰ্যভটীয় জ্যাৰ মানৰ লগত যদি তুলনা কৰি চোৱা যায় তেন্তে প্ৰায় সম্পূৰ্ণ একে হোৱা দেখা যায়। আধুনিক মানবোৰ হ'ল ক্ৰমে—

১। ২২৪.৮৫৬০
২। ৪৪৮.৭৪৯০
৩। ৬৭০.৭২০৫৪
৪। ৮৮৯.৮১৯৯
৫। ১১০৫.১০৮৯
৬। ১৩১৫.৬৬৫৬
৭। ১৫২০.৫৮৮৫
৮। ১৭১৯.০০০
৯। ১৯১০.০৫০৫
১০। ২০৯২.৯২১৮
১১। ২২৬৬.৮৩০৯
১২। ২৪৩১.০৩৩১
১৩। ২৫৮৪.৮২৫৩
১৪। ২৭২৭.৫৪৮৮
১৫। ২৮৫৮.৫৯২৫
১৬। ২৯৭৭.৩৯৫৩
১৭। ৩০৮৩.৪৪৮৫
১৮। ৩১৭৬.২৯৭৮
১৯। ৩২৫৫.৫৪৫৮
২০। ৩৩২০.৮৫৩০
২১। ৩৩৭১.৯৩৯৮
২২। ৩৪০৮.৫৮৭৪
২৩। ৩৪৩০.৬৩৯০
২৪। ৩৪৩৮.০০০০

উল্লেখযোগ্য যে আৰ্যভট চাইন টেবুলখন আধুনিক যুগৰ ত্ৰিকোণমিতিৰ দুটা সংখ্যাৰ অনুপাত হিচাপে প্ৰকাশ কৰা আৰ্হিত সজোৱা নহয়। বৰং প্ৰতি ৩°.৪৫′ পৰিমাণৰ কোণৰ ব্যৱধানত এডাল অৰ্ধ জ্যাৰ ওপৰত সৃষ্টি হোৱা দৈৰ্ঘ্যৰ মাপ আৰু সেইবোৰৰ মাজৰ পাৰ্থক্যবোৰকহে প্ৰকাশ কৰিছে।

এনে ধৰণৰ অন্য এক পদ্ধতি দক্ষিণ ভাৰতত প্ৰচলিত আছিল যাক কটপয়াদি পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিৰ আটাইতকৈ পুৰণি সাক্ষ্য ৬৮৩ খ্ৰীঃত হৰিদত্তৰ দ্বাৰা বিৰচিত গ্ৰহচাৰণিবন্ধনান গ্ৰন্থত পোৱা যায়। এই পদ্ধতিটো আৰ্যভটীয় পদ্ধতিতকৈ শিথিল। ইয়াত কিছুমান বৰ্ণৰ কোনো সংখ্যাগত মান নাই, ছন্দ মিলোৱাৰ বাবে আৰু অৰ্থবহ শব্দ সৃষ্টিৰ প্ৰয়োজনত এই শিথিলতা ৰখা হৈছিল। কটপয়াদি পদ্ধতিত লিখা এটা শ্লোক হ'ল—

গোপীভাগ্যম ধ্ৰুব্ৰাত শ্ৰুম্গিশোদধি সন্ধিগ
খলজীৱিত খাতাৱ গলহালাৰ সংঘৰ।

এই শ্লোকটোৰ বাহ্যিক অৰ্থ হ'ল গোপীসকলৰ ভাগ্যস্বৰূপ, সমুদ্ৰ মন্থনকাৰী, দুষ্টক দমনকাৰী, গলত হাল ধাৰণকাৰী, অমৃত ধাৰণকাৰী হে কৃষ্ণ আমাক ৰক্ষা কৰা। এই শ্লোকটোৰ ভাঙনি কিছুমানে অন্য ধৰণেও কৰা দেখা যায়। অৰ্থ যিয়েই নহওঁক শ্লোকটো কটপয়াদি পদ্ধতিৰে সংখ্যালৈ ৰূপান্তৰিত কৰিলে দশমিকৰ পিচত ৩২ টা অংক পৰ্যন্ত 'পাই'ৰ ($\pi$) শুদ্ধ মান পোৱা যায়। কটপয়াদি পদ্ধতিৰ সংকেত ভঙাৰ কৌশলটো (Decoding system) শংকৰ বৰ্মনৰ (১৭৭৪-১৮৩৯ খ্ৰীঃ) সদৰত্নমালা (১৮১৯ খ্ৰীঃ) গ্ৰন্থত উল্লেখ পোৱা যায়। কটপয়াদি পদ্ধতিৰে কৰ্ণাটকী সংগীতৰ ৰাগ সমূহক নামাংকিত কৰা হৈছিল। বহুতে নৱ জাতকৰ নামো এই পদ্ধতিত ৰাখিছিল।

শব্দৰে সংখ্যা লিখা পদ্ধতিটো সমগ্ৰ ভাৰতবৰ্ষতে দেখা যায়। এই সকলোবোৰ পৰম্পৰা এক উমৈহতীয়া মূলৰ পৰা উদ্ভৱ হৈছিল বুলি ভবাৰ অৱকাশ আছে। এই পদ্ধতিবোৰ সঞ্চালনিকৈ ব্যৱহাৰ হৈছিল জ্যোতিৰ্বিদ্যা তথা তৎ নিৰ্ভৰ জ্যোতিষ চৰ্চাত। অসমতো এনে পদ্ধতিৰ প্ৰচলন আছিল। অসমৰ শিলালিপি সমূহৰ বহুতত এনে পদ্ধতি অৱলম্বন কৰা দেখা যায়। এনে পদ্ধতি ব্যৱহাৰ কৰা প্ৰথম খন লিপি হৈছে কানাই বৰশী বোৱা শিলালিপি।

আৰ্যভটৰ সংকেতিক বৰ্ণ নিৰ্ভৰ সংখ্যাৰে লিখা পদ্ধতিটোত অন্য এটা উপযোগিতাও আছিল। বৃহৎ বৃহৎ সংখ্যা একোটাক তেওঁ এটা সৰু শব্দৰে মাথোন প্ৰকাশ কৰিব পাৰিছিল। উদাহৰণস্বৰূপে তেওঁৰ সাংকেতিক 'হৌ' শব্দটোৱে $১০^{১৮}$ অৰ্থাৎ ১০ হাজাৰ কোটি কোটিক বুজাব পাৰিছিল। আৰ্যভটই

সৌৰজগতৰ পৰিভ্ৰমণ, গ্ৰহসমূহৰ পৰিভ্ৰমণ, গ্ৰহবোৰৰ কক্ষপথ, সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণ, সৌৰপথ, পৃথিৱীৰ আকাৰ, দিগন্তত ৰাশিচক্ৰৰ উত্থান (লগ্ন) আদি মহাজাগতিক বিষয়বোৰ অধ্যয়ন কৰিছিল আৰু তেওঁৰ বহু সিদ্ধান্ত আধুনিক পদ্ধতিৰে নিৰ্ণীত সিদ্ধান্তসমূহৰ লগত আশ্চৰ্যকৰ ভাৱে মিল থকা ধৰণৰ। সংশ্লিষ্ট গণনা সমূহত প্ৰয়োজন হোৱা বৃহৎ আকাৰৰ সংখ্যাবোৰক চুটিকৈ লিখিবলৈ আৰু নতুন নাম দিবলগীয়া হোৱাত এই পদ্ধতিটোৱে বিশেষ সহায় কৰিছিল।

পৃথিৱীৰ বিভিন্ন প্ৰান্তত "যথাৰ্থ বিজ্ঞান"ৰ ইতিহাস অধ্যয়নকাৰী পণ্ডিতসকলে প্ৰাচীন ভাৰতীয় সিদ্ধান্ত সমূহ যথেষ্ট গুৰুত্ব সহকাৰে অধ্যয়ন কৰিবলৈ লোৱা দেখা গৈছে।

আৰ্যভটৰ সাংকেতিক ভাষা, কপটয়াদি ভাষা আদিত সাংকেতিক ৰূপত থকা বিজ্ঞানৰ সূত্ৰ সমূহৰ দৰে ভাৰতৰ অন্য প্ৰাচীন জ্ঞানসমূহৰ মাজত অনাগত দিনত আৰু অধিক গৱেষণাই আৰু নতুন নতুন তথ্য পোহৰলৈ আনিব পাৰে। তেতিয়া হয়তো প্ৰাচীন ভাৰতৰ বিজ্ঞান গৱেষণাৰ যি গৌৰৱময় ঐতিহ্য আছে তাত অধিক সমৃদ্ধিৰ সংযোজন হ'ব আৰু ভাৰতীয় হিচাপে সমগ্ৰ বিশ্বৰ আগত আমি অধিক গৌৰৱ কৰাৰ সুযোগ লাভ কৰিম।

***

- ➢ প্ৰাচীন ভাৰতৰ খ্যাতিমান অংকশাস্ত্ৰবিদ তথা জ্যোতিৰ্বিজ্ঞানী আৰ্যভটে (৪৭৬-৫৫০ খ্ৰীঃ) তেওঁৰ বিখ্যাত গ্ৰন্থ 'আৰ্যভটীয়' খন তেওঁ ২৩ বছৰ বয়সতে ৰচনা কৰিছিল। তেওঁৰ অন্য এখন বিখ্যাত গ্ৰন্থ 'আৰ্যসিদ্ধান্ত'।
- ➢ কপাৰনিকাছৰ প্ৰায় এহেজাৰ বছৰ আগতেই আৰ্যভটে সূৰ্য্য কেন্দ্ৰিক সৌৰজগতৰ কথা ঘোষণা কৰিছিল আৰু সূৰ্য্যৰ পোহৰৰ দ্বাৰা চন্দ্ৰ আলোকিত হয় বুলি ঘোষণা কৰিছিল।
- ➢ এই বিজ্ঞানী গৰাকীৰ সন্মানাৰ্থে ১৯৭৫ চনৰ ১৯ এপ্ৰিল তাৰিখে উৎক্ষেপিত ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহটোৰ নাম তেওঁৰ নামেৰে নামকৰণ কৰা হৈছিল।
- ➢ এই উপগ্ৰহটো উৎক্ষেপন কৰিছিল ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান 'ISRO'য়ে।

প্ৰবন্ধ

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় মঙ্গলদৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ এক চমু ইতিবৃত্ত

জ্যোতিপ্ৰসাদ শইকীয়া
মুখ্য সহায়ক কৃঃ কাঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়
মঙলদৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ

অসমৰ প্ৰখ্যাত সন্তান, অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ কেৱল এজন সংস্কৃত পণ্ডিতেই নাছিল, তেখেত আছিল সমগ্ৰ বিশ্বতে বন্দিত প্ৰাচ্য-তত্ববিদ। তেখেত আছিল এনে এগৰাকী ব্যক্তি, যিজনে কোনো ধৰণৰ জনপ্ৰিয়তা, ক্ষমতা বা যশস্যাৰ দৌৰত ব্যস্ত হোৱাৰ বিপৰীতে শিক্ষা আহৰণৰ লগতে শৈক্ষিক প্ৰশাসনৰ জগত খনতে ব্যস্ত হৈ আছিল। সেয়ে এইটো কেৱল যথাযথেই নহয়, অতি উত্তম কথা যে অসম চৰকাৰে পৰম্পৰাগত শিক্ষাই ঢুকি নোপোৱা বা সামৰি ল'ব নোৱাৰা সকলৰ মাজত শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰিব খোজা মুক্ত বিশ্ববিদ্যালয়খনৰ নাম এই মহান শিক্ষাবিদ গৰাকীৰ নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই মৰ্মে অসম বিধান সভাই "কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আইন, ২০০৫" খন প্ৰণয়ন কৰে। এই আইন ২৯-০৯-২০০৫ তাৰিখৰ বিশেষ চৰকাৰী ঘোষণা পত্ৰযোগে প্ৰচাৰ কৰি কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰে। ২০০৬ চনৰ ১১ ডিচেম্বৰৰ দিনা অধ্যাপক শ্ৰীনাথ বৰুৱাদেৱে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য্যৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনাৰে পৰা এই বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক কাম-কাজ আৰম্ভ হয়।

বিশ্ববিদ্যালয়খনক ভাৰত চৰকাৰৰ 'দূৰ শিক্ষা পৰিষদ' (Distance Education Council) আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commision) এ স্বীকৃতি প্ৰদান কৰিছে।

মূল মন্ত্ৰ (Motto) দূৰ শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে উচ্চ মানৰ শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে এই মুক্ত বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছে। বয়স, শিক্ষাগত অৰ্হতা আৰু ভৌগোলিক সীমাৰ 'বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ' (Education Beyond Barriers) এই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মূলমন্ত্ৰ।

সেয়ে উচ্চ শিক্ষাৰ পৰা বঞ্চিত অথচ সম্ভাৱনাপূৰ্ণ শিক্ষাৰ্থীয়ে ঢুকি পাব পৰাকৈ বিশ্ববিদ্যালয়খনে বিবিধ পাঠ্যবিষয় প্ৰস্তুত কৰি উলিয়াইছে যাৰ ফলত উপকৃত হ'ব—

১) অনুন্নত গাঁও অঞ্চল তথা পাহাৰীয়া আৰু দেশৰ সীমান্ত অঞ্চলত বসবাস কৰা ব্যক্তি,

২) যুৱাবস্থাত উচ্চ শিক্ষাৰ পৰা বঞ্চিত আৰু নিজৰ শিক্ষাগত অৰ্হতা উন্নত কৰিবলৈ ইচ্ছুক ব্যক্তি,

৩) বিভিন্ন চাকৰি তথা ব্যৱসায় বাণিজ্য, কৃষিকৰ্ম অথবা অন্যান্য কৰ্মক্ষেত্ৰত আৰু সামৰিক, অৰ্ধসামৰিক বাহিনীৰ লগত জড়িত ব্যক্তি,

৪) ৰাজ্যৰ আনুষ্ঠানিক উচ্চ শিক্ষানুষ্ঠানত নামভৰ্ত্তিৰ পৰা বঞ্চিত হোৱা লোক,

৫) মহিলা, বিশেষকৈ গৃহিনী,

৬) শাৰীৰিকভাৱে অক্ষম লোক,

৭) কলা, হস্তশিল্প আৰু কুটীৰ শিল্প উদ্যোগত জড়িত লোক,

৮) কাৰাবন্দী,

৯) অনুসূচীত জাতি, অনুসূচীত জনজাতি, পাহাৰীয়া জনজাতি, সামাজিক তথা শৈক্ষিকভাৱে পিচপৰা শ্ৰেণীৰ অৰ্ন্তভুক্ত লোক আৰু

১০) বৃত্তিমূলক শিক্ষাৰে দক্ষতা অৰ্জন কৰিব খোজা শিক্ষাৰ্থী।

এই বিশ্ববিদ্যালয়ে প্ৰদান কৰা যিকোনো উপাধি (Degree) দেশৰ আন আন বিশ্ববিদ্যালয়ে প্ৰদান কৰা উপাধিৰ সমপৰ্য্যায়ৰ বা সমতুল্য আৰু চাকৰি বা উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰযোজ্য।

২০১০ চনৰপৰা অৰ্থাৎ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈ জড়িত হৈ থাকি মোৰ ব্যক্তিগত কিছু অনুভৱ, কিছু অভিজ্ঞতা আৰু কেন্দ্ৰটিৰ জন্মলগ্নৰ কিছু কথা আজি মুকলিকৈ কোৱাৰ সুযোগ পোৱাৰ বাবে আলোচনীখনৰ উদ্যোক্তা তথা প্ৰকাশকসকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

কোনো এটা অনুষ্ঠান-প্ৰতিষ্ঠান জন্মৰ আঁৰত কিছুমান ব্যক্তিৰ ত্যাগ, কষ্ট আৰু আন্তৰিকতা বিশেষভাৱে জড়িত হৈ থাকে। অনুষ্ঠানখনিৰ বয়স বাঢ়ি অহাৰ লগে লগে অনুষ্ঠানখনিৰ ক্ৰমবিকাশ তথা ক্ৰমোন্নতিয়ে ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ বাবে আগবঢ়াই নিয়ে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মঙ্গলদৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰটি জন্ম হৈছিল ইংৰাজী ২০১০ চনৰ জুন মাহত। যদিও ২০১০ চনত জন্মগ্ৰহণ কৰিছিল, কিন্তু ইয়াৰ প্ৰক্ৰিয়া ২০০৭ চনতেই আৰম্ভ হৈছিল। সেই সময়ত বিশেষভাৱে মই নিজে আৰু মোৰ বন্ধু শ্ৰীভূপেন শইকীয়া (বৰ্তমান কানৈ আইন মহাবিদ্যালয়, ডিব্ৰুগড়ত কৰ্মৰত) ই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ মঙ্গলদৈ মহাবিদ্যালয়ত স্থাপন কৰিবলৈ বিশেষভাৱে আগভাগ লৈছিলোঁ। এদিন এখন বাতৰিকাকতত দেওবৰীয়া বিশেষ নামৰ পৰিপূৰিকাখনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰসমূহৰ তালিকা এখন দেখিবলৈ পালো, কিন্তু তাত দৰং জিলাৰ এটাও অধ্যয়ন কেন্দ্ৰৰ নাম দেখিবলৈ নাপালো। তেতিয়া তাত থকা টেলিফোন নম্বৰটোত ফোন কৰি মই নিজেই কথা পাতিলো আৰু এদিন মই আৰু মোৰ বন্ধু ভূপেন শইকীয়া বিশ্ববিদ্যালয়লৈ গ'লো। তেতিয়াৰ একাডেমিক বিষয়া ড০ মাধৱ চন্দ্ৰ শৰ্মা ছাৰৰ লগত কথা পাতিলো যে দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ত আমি এটি অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিব বিচাৰোঁ। তেতিয়া ছাৰে আমাৰ আগ্ৰহ দেখি ক'লে যে- আমি ইতিমধ্যে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগত কথা পাতিছিলো কিন্তু দুখৰ বিষয় যে তেখেতে কেন্দ্ৰটি স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ আগ্ৰহ নেদেখুৱালে। যি নহওঁক, আপোনালোকে যদি আগ্ৰহ কৰিছে এই ফৰ্মখন লৈ যাওঁক আৰু যাৱতীয় কামখিনি তেওঁ আমাক বুজাই দিলে আৰু অধ্যক্ষৰ অনুমতি পালে আমাক কেন্দ্ৰটি স্থাপনৰ বাবে অনুমতি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

২০০৭ চনৰ মাৰ্চ মাহত মই আৰু বন্ধু ভূপেন শইকীয়া আমাৰ কলেজৰে শিক্ষক উমেশ শৰ্মা ছাৰৰ লগত বিষয়টো আলোচনা কৰিলো, ছাৰে আমাৰ কথাখিনিত বিশেষ গুৰুত্ব প্ৰদান কৰি আমাৰ কলেজৰে মাননীয় পৰেশ চন্দ্ৰ শৰ্মা ছাৰৰ ওচৰত যাবলৈ পৰামৰ্শ দিয়ে। সেইমতে আমি শৰ্মা ছাৰৰ ঘৰত গৈ ছাৰক বিষয়টো অৱগত কৰো আৰু ছাৰে আমাক সেই সময়ৰ অধ্যক্ষ মাননীয় চাজাদুৰ ৰহমান ছাৰৰ লগত যোগাযোগ কৰাই দিয়ে। ৰহমান ছাৰে আমাৰ বিষয়টোত বিশেষ গুৰুত্ব দিয়া যেন নালাগিল যাৰ ফলত আমি যাৱতীয় কাম-কাজত আগুৱাব নোৱাৰিলো। ইতিমধ্যে ২০০৮ চনত মঙ্গলদৈ চহৰৰ মাজ-মজিয়াত ব্ৰিলিয়েণ্ট একাডেমিত এটি অধ্যয়ন কেন্দ্ৰ আৰম্ভ কৰা হয়, তথাপিও আমি মঙ্গলদৈ মহাবিদ্যালয়ত অধ্যয়ন কেন্দ্ৰ

স্থাপনৰো আশা এৰি দিয়া নাছিলোঁ। ২০০৯ চনত ৰহমান ছাৰৰ আকস্মিক বিয়োগ হোৱাত নতুনকৈ অধ্যক্ষৰ দায়িত্ব লোৱা মাননীয় বিচিত্ৰ মেধি ছাৰক আমি লগ ধৰো আৰু বিষয়টো তেওঁক অৱগত কৰোঁ আৰু একে সময়তে আমি আমাৰ কলেজৰে ড০ শচীন চহৰীয়া ছাৰক বিষয়টো অৱগত কৰোঁ। ড০ চহৰীয়া ছাৰে গোটেই বিষয়টো বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আমাক যাৱতীয় কাম-কাজবোৰ আগবঢ়াই নিয়াত সহায় কৰে। আমি তেখেতৰ পৰামৰ্শ মতে সেই সময়ৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি বসন্ত দাস দেৱৰ ওচৰ চাপো আৰু তেখেতক মঙ্গলদৈ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিব বিচৰা বিষয়টি অৱগত কৰাত তেখেতে আমাক উৎসাহিত কৰি পিছদিনা মাতি পঠিয়াই আৰু সেইমতে মই ১১ বজাত তেখেতৰ ঘৰলৈ যাওঁ। তেখেতে নিজৰ গাড়ীৰে মোক কলেজলৈ লৈ আহে আৰু অধ্যক্ষ মহোদয়ক যিমান পাৰি কম সময়ৰ ভিতৰত অধ্যয়ন কেন্দ্ৰটি স্থাপন কৰিবলৈ আৰু বিএ, বিএমচি আৰু বিপিপি নামৰ তিনিটা পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়ে। পৰৱৰ্ত্তী সময়ত কলেজ পৰিচালনা সমিতিৰ সভাত ড০ শচীন চহৰীয়া ছাৰক কেন্দ্ৰ সমন্বয়কৰ দায়িত্ব দি অধ্যয়ন কেন্দ্ৰটি স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

এনেকৈয়ে ২০১০ চনত মঙ্গলদৈ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ স্থাপন কৰা হয়। আমি অধ্যয়ন কেন্দ্ৰটি স্থাপন হোৱা বুলি প্ৰচাৰৰ বাবে কিছুমান ব্যৱস্থা লব লগা হৈছিল। মই ৰাতিপুৱা ৫ মান বজাত শুই উঠি তিলকদাৰ ঘৰত যাওঁ, আমি দুয়োটাই মটৰ চাইকেল লৈ সদায় ৰাতিপুৱা বিভিন্ন ঠাইত পোষ্টাৰ, বেনাৰ লগাই ফুৰিছিলো। মঙ্গলদৈৰ বাহিৰেও ছিপাঝাৰ, দুনী, দিপীলা, নামখলা, দেওমৰনৈ, ৰাজঘাট, জলজলী, জনাৰামচৌকা, আউলা চৌকা, হাজৰিকাপাৰা, গৰুখুটি, কলাইগাঁও আদি বিভিন্ন ঠাইত আমি পোষ্টাৰ, বেনাৰ লগাই কেন্দ্ৰটিৰ বিষয়ে ৰাইজৰ মাজত প্ৰচাৰৰ চেষ্টা কৰা হয়।

২০১০ চনত বি এ পাঠ্যক্ৰমত ৭৭ জন, বি এম চি পাঠ্যক্ৰমত ১১ জন আৰু বিপিপি পাঠ্যক্ৰমত ১৯ জন শিক্ষাৰ্থীৰে আমি পাঠ্যক্ৰমসমূহ আৰম্ভ কৰোঁ। পৰৱৰ্ত্তী সময়ত ২০১৩ চনত প্ৰাথমিক শিক্ষকৰ ডিপ্লমা পাঠ্যক্ৰম (D.El.Ed.) আৰু ২০১৪ চনত স্নাতকোত্তৰ (অসমীয়া, শিক্ষা) পাঠ্যক্ৰম আৰম্ভ কৰা হয়। বৰ্তমানলৈ কিমান সংখ্যক শিক্ষাৰ্থীয়ে কেন্দ্ৰটিত পাঠ্যক্ৰমসমূহ সফলতাৰে সম্পন্ন কৰিলে আৰু কিমান সংখ্যক শিক্ষাৰ্থীয়ে বৰ্তমান অধ্যয়ন কৰি আছে তাৰ এখন তথ্য সম্বলিত তালিকা তলত সন্নিবিষ্ট কৰা হৈছে।

২০১২ চনৰ পৰা বৰ্তমানৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ মাননীয় ড° খগেন্দ্ৰ কুমাৰ নাথ (অধ্যক্ষ, মঙ্গলদৈ মহাবিদ্যালয়) আৰু কেন্দ্ৰ সমন্বয়ক শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত ভূপেন হালৈ ছাৰৰ তত্বাৱধানত কাম কৰিবলৈ পাই নিজকে ধন্য মানিছো। কিয়নো পৰীক্ষা সম্পৰ্কীয় জটিল কামবোৰ কিমান সহজভাৱে কৰিব পাৰি সেই কথাবোৰ আমি ছাৰৰ পৰা শিকিব পাৰিছো। যিমান ডাঙৰ সমস্যা আহিলেও ছাৰে অতি ঠাণ্ডা মগজুৰে সমাধান কৰি পেলায়। ছাৰৰ সেই কথাবোৰে আমাক বহু কথাই শিকাইছে। ছাৰৰ তত্বাৱধানত আমাৰ কেন্দ্ৰটিয়ে সকলো পাঠ্যক্ৰম সুচাৰুৰূপে পৰিচালনা কৰি থকাৰ লগতে আমাৰ কেন্দ্ৰটিত আৰম্ভণিৰে পৰা বৰ্তমানলৈ বিশেষভাৱে সহায় কৰি অহা পৰামৰ্শদান শ্ৰেণীসমূহত (Councelling) পৰামৰ্শ আগবঢ়োৱা মাননীয় পৰামৰ্শদাতা সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কিয়নো আজি আমি যি সফলতা লাভ কৰিছো তাৰ মূলতে পৰামৰ্শদাতা সকল আৰু শিক্ষাৰ্থীসকল। আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো মোৰ সহকৰ্মী ভাস্কৰ ডেকালৈ। তেওঁক ২০১২ চনৰপৰা মই মোৰ সহকৰ্মী হিচাপে লগ পাই মই বৰ আনন্দিত হৈছো। কাৰণ সকলোখিনি কামতে ভাস্কৰে কেন্দ্ৰটিত অতি নিষ্ঠাৰে সেৱা

আগবঢ়াই আহিছে। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো ব্ৰিলিয়েণ্ট একাডেমীৰ কেন্দ্ৰ সমন্বয়ক মাননীয় শ্ৰীমনোজ শৰ্মা ছাৰলৈ, ছাৰক অনুসৰণ কৰিয়েই মই কেন্দ্ৰটিৰ কাম-কাজবোৰ আগবঢ়াই নিছিলো আৰু তেখেতৰ দিহা-পৰামৰ্শই আমাক যথেষ্ট উপকৃত কৰিছে।

আজি মই গৌৰৱান্বিত। ২০০৭ চনৰপৰা চেষ্টা অব্যাহত ৰাখি ২০১০ চনত কেন্দ্ৰটি স্থাপন কৰি ৬ বছৰ অতিক্ৰম কৰি ৭ বছৰত ভৰি দিলে। এই ৬ বছৰত যিমানখিনি শিক্ষাৰ্থী উপকৃত হ'ল তাৰ বাবে মই নিজকে ধন্য মানিছো, অন্ততঃ জীৱনত সমাজখনৰ বাবে কিবা এটা কৰাৰ সুযোগ পাইছো।

শেষত, লিখনিত হ'ব পৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ। এইখিনি লিখিবলৈ সুযোগ দিয়া বাবে আলোচনীখনৰ সম্পাদক তথা প্ৰকাশক মণ্ডলীৰ ওচৰত মোৰ শ্ৰদ্ধা আৰু ভক্তি যাঁচিলো।

সাফল্য মণ্ডিত হওঁক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

মঙ্গলদৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ।

**Mangaldai College Centre (0605)**

| Year | Course | No. of learner admitted | No. of Learners appeared in Exam. | No. of Learners passed |
|---|---|---|---|---|
| 2010-11 | B.A 1st Yr.(G) | 77 | 74 | 74 |
| | B.A. 2nd Yr (G) | 74+20 oct=94 | 94 | 92 |
| | B.A. 3rd Yr (G) | 92 | 92 | 87 |
| | B.M.C. 1st Yr. | 11 | 11 | 09 |
| | B.M.C. 2nd Yr | 09 | 09 | 06 |
| | B.M.C. 3rd Yr | 06 | 06 | 05 |
| | B.P.P. One Yr | 19 | 19 | 17 |
| 2011-12 | B.A 1st Yr.(G) | 176 | 174 | 149 |
| | B.A. 2nd Yr (G) | 149+31ct=180 | 174 | 170 |
| | B.A. 3rd Yr (G) | 169 | 164 | 158 |
| 2012-13 | B.A. 1st Sem (G) | 130 | 130 | 67 |
| | B.A. 2nd Sem (G) | 100 | 110 | 61 |
| | B.A. 3rd Sem (G) | 96 | 95 | 55 |
| | B.A. 4th Sem (G) | 90 | 90 | 86 |
| | B.A. 5th Sem (G) | 85 | 81 | 65 |
| | B.A. 6th Sem (G) | 82 | 82 | result not declare |
| | B.P.P (One Yr.) | 33 | 27 | 22 |

| Year | Course | No. of learner admitted | No. of Learners appeared in Exam. | No. of Learners passed |
|---|---|---|---|---|
| | D.El.ED. 1st Yr | 100 | 100 | 97 |
| | D.El.ED. 2nd Yr | 100 | 100 | 96 |
| 2013-14 | B.A. 1st Sem (G) | 210 | 210 | 126 |
| | B.A. 2nd Sem (G) | 169 | 198 | 164 |
| | B.A. 3rd Sem (G) | 147 | 180 | 135 |
| | B.A. 4th Sem (G) | 135 | 139 | 136 |
| | B.A. 5th Sem (G) | 137 | 137 | Exam yet to hold |
| | B.A. 6th Sem (G) | | | |
| 2014-15 | B.A. 1st Sem (G) | 160 | 216 | 134 |
| | B.A. 2nd Sem (G) | 114 | 134 | 104 |
| | B.A. 3rd Sem (G) | 106 | 131 | Exam yet to hold |
| | B.A. 4th Sem (G) | | | |
| | B.A. 5th Sem (G) | | | |
| | B.A. 6th Sem (G) | | | |
| | M.A. 1st Sem. Ass | 41 | 41 | 22 |
| | M.A. 1st Sem. Edu | 18 | 18 | 10 |
| | M.A. 2nd Sem. Ass | 31 | 31 | result not declare |
| | M.A. 2nd Sem. Edu | 13 | 13 | result not declare |
| | M.A. 3rd Sem. Ass | | | |
| | M.A. 3rd Sem. Edu | | | |
| | M.A. 4th Sem. Ass | | | |
| | M.A. 4th Sem. Edu | | | |
| | D.El.ED. 1st Yr | 100 | 100 | 98 |
| | D.El.ED. 2nd Yr | 100 | | Exam yet to hold |
| 2015-16 | M.A. 1st Sem. Ass | 22 | | Exam yet to hold |
| | M.A. 1st Sem. Edu | 09 | | Exam yet to hold |
| | M.A. 2nd Sem. Ass | | | |
| | M.A. 2nd Sem. Edu | | | |
| | M.A. 3rd Sem. Ass | | | |
| | M.A. 3rd Sem. Edu | | | |
| | M.A. 4th Sem. Ass | | | |
| | M.A. 4th Sem. Edu | | | |

***

প্ৰবন্ধ

# Tragedy of the historic peasants uprising at Pothorughat : Still awaiting for the national recognition since last 122 years.

**Bhargab Kumar Das**

"In the Deccan the fury of ryots was directed against money- lenders, in Bengal against indigo- planters, in Pabna against Zamindars, but in Assam, at this moment, it is open rebellion against the government" this was the most valid point made in the editorial in The Amrit Bazar Patrika dated February 14 of 1894 while differentiating the uprisings in Assam from peasants-artisans movements in other parts of India with reference to the historic peasants uprising at the sleepy village Pothorughat in Darrang district on January 28 of 1894 where as many as 140 peasants belonging to both the Hindus and Muslims were brutally shot dead and 150 were injured in the firing by the imperial British rulers as the peasants were assembled only lodge their protest against the increased hike in land revenue in quite a peaceful manner.

This tragic yet glorious chapter of the freedom struggle of India, still neglected by the historians of the country, perhaps, is the first instance of passive and non- violent resistance to acts of oppression in entire India, which was the purest and most perfect form of philosophy of Satyagraha taken up much later by Mahatma Gandhi only in 1919. This can be evident from the report submitted by then Deputy Commissioner of Darrang JD Anderson who ordered for firing upon the innocent peasants to the Commissioner of Assam Valley Districts on January 30 of 1984. "I informed them of the orders passed by the Government of India as to the rates of revenue, and then directed them to disperse, going among them freely and talking to them of the inevitable consequences of a refusal to disperse. They remained firm, however, and, without in any way assaulting or abusing me, simply refused to budge" this was the point made by the Deputy Commissioner on the peasants assembled on that fateful day at Pothorughat. All the pan- Indian incidents of resistance against the British throughout the 19th century had been armed uprisings. But the courageous peasants of Darrang district assembled at Pothorughat on that day had defied the government using the weapon that Gandhiji would many decades later project as an instrument to bring the freedom to the country.

The Pothorughat episode is also a glaring example of traditional religious harmony, unity and cooperation of Axomiya society as peasants belonging to both the Hindus and Muslims fought and died side by side for a common cause.

The rare sacrifice of these 140 peasant Martyrs later became the source of inspiration to strengthen the fraternal bonds leaving a shining example to the entire nation. The labelling of the peasants uprisings at Pothorughat as "Pothorughator Ron" or the "battle of Pothorughat" is none but a blatant misnomer. The so called "weapons" used by the peasants were bamboo stick and clods of earth as mentioned in the report of the Deputy Commissioner JD Anderson on January 30 of 1894 which is the clear reflection that the gathered assembly of peasants had no intention of indulging in violence or attacking the officers and their armed personnel. Had there any intention of violence or attack, the agitating gathering of peasants would have been armed with the easily available instruments like daos and spears. Whatever retaliation might have been there from the peasants had been in spontaneous response to the arrogant refusal of the British officers simply to listen to their pleas.

The tragedy of Pothorughat is a milestone in the history of freedom struggle of our motherland. Even today, over a century since that rare sacrifice of those 140 known and unknown peasant Martyrs, Pothorughat continues to be the source of inspiration to the people of Assam. But at the same time, this glorious chapter of our freedom struggle has been deprived of its mention in the national level history. Apart from the celebration of Krishak Swahid Divas at Pothorughat on January 28 every year in which the Chief Minister is a regular chief guest, the Red Horns Division of Indian army has been celebrating the Day in full military style and honour on January 29 in which the GOC of Red Horns Division is the regular chief guest since 2000. Mention may be made here that at the initiative of then Assam Governor Lt. Gen. S K Sinha, the Red Horns Division constructed a memorial structure at Pothorughat which is the only memorial in the country to be constructed by the Army in memory of peasants or civilians.

As the Red Horns' Division of the Indian Army has been taking up the praiseworthy initiative for the ceremonial celebration of the 'Krishak Swahid Divas' every year at Pothorughat, it would be much better if the General being the Chief of the Army could spare few moments from his busy schedule to attend the function in future only to help in getting the national recognition to this glorious yet neglected chapter of the struggle for Independence of our Motherland!

It is an irony that during his tenure as the President of All Assam Students Union (AASU) and presently the hon'ble Chief minister of Assam Sarbananda Sonowal, the AASU celebrated the centenary celebration of the 'Pothorughatar Ron' at Pothorughat which was attended by eminent journalist and writer Kuldip Nayar as the chief guest. But to the reason to be known by him, Kuldip Nayar never used his pen to write a few words in the national news papers on this historic event of India's freedom struggle. Similarly the people of Darrang particularly of Pothorughat in their mind have the high hope that Sarbananda Sonowal

being the Chief Minister of Assam would make initiative for a visit of Hon'ble President of India or the Prime Minister to Pothorughat.

Two years back, the then Governor of Assam JB Patnaik made a visit to Pothorughat and offered floral tribute in memory of the 140 Krishak Swahids. On that day while attending a state level seminar on 'Pothorughat' organized by Mangaldai Media Circle at District Library Auditorium, the Governor made an assurance in public to organize a national level seminar in New Delhi. But unfortunately that assurance is yet to see the light of the day. Will the State government take up the initiative for taking the Pothorughat in the national level and to confer the national recognition due to these 140 Krishak Swahids?

It is worth mention here that "Pothorughat"- the only book in English on the historic peasants' rebellion has finally found its place in the 'Library of Congress' in America. The book written by eminent writer Arup Kumar Dutta was published by the Mangaldai based "Organizing Committee for the National Level Seminar on the Pothorughat uprising by Agricultural Peasants" and was released by prominent journalist and former Editor of The Sentinel Dhirendra Nath Bezbarua on September 28, 2010 in a well organized function in Mangaldai Natya Mandir in presence of Axom Xahitya Xabha President Rong Bong Terang.

A worthy son of Darrang Dr. Hiranya Kumar Nath of Mangaldai presently working as a Professor of Economics at Sam Houston State University (SHSU) in Huntsville, Texas, USA has taken up the initiative in taking up the matter with the authority of the 'Library of Congress' who after going through the book, readily agreed to catalogue it at the Library of Congress. The link for the Library of Congress catalogue record for the book is:http://lccn.loc.gov/2012493997

(Bhargab Kumar Das is the Correspondent of 'The Sentinel' at Mangaldai and is a former General Secretary of Mangaldai College Students Union)

***

- পথৰুঘাটৰ কৃষক শ্বহীদ সকলৰ শ্বহীদ বেদী নিৰ্মাণৰ প্ৰথম উদ্যোগ লৈছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম গৰাকী অসমীয়া কাৰাবন্দী তথা 'মঙলদৈৰ বুৰঞ্জী'ৰ ৰচয়িতা পণ্ডিত দীনেশ্বৰ শৰ্মাদেৱে। তেওঁ সেই সময়ৰ অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলত ৰামৰ হতুৱাই ১৯৫২ চনত পাথৰিঘাট হাইস্কুলৰ প্ৰাঙ্গণত শ্বহীদ বেদীৰ শিলান্যাস কৰাইছিল।
- পথৰুঘাটৰ ৰণৰ বিষয়ে বিৱৰণ থকা এখন 'দলি পুৰাণ' ১৯৪৮ চনত প্ৰসন্ন কুমাৰ শৰ্মাই প্ৰকাশ কৰিছিল আৰু পিছত ১৯৫৭ চনত পণ্ডিত দীনেশ্বৰ শৰ্মাই নিজাকৈ সংগ্ৰহ কৰি এখন দলিপুৰাণ প্ৰকাশ কৰিছিল, যিখনে অধিক সণ্ঢালনিকৈ প্ৰচাৰ লাভ কৰিছিল।

প্রবন্ধ

# Dr. Sarvepalli Radha Krishnan and His Ideology

**Birdao Boro (Sagar)**
**T.D.C. 4th Semester (Sc.)**

Dr. S. Radhakrishnan says, "The aim of Education is neither efficiency nor world solidarity but making the individual feel that he was within himself deeper than intellect, call sprit if you like".

He was born in a Telegu Brahmin family at the village near Thiruttani, Madras on 5th sept. 1888. His father's name was Sarvepali Veeraswami and mother's name was Sitamma.

He started his primary Board high school at Thiruttani but he moved to the Harmansburg Evangelical Lutheran Mission in Thiruttani in 1896. He was awarded scholarship through out his academic life. He joined Vellor college, Vellor but switched to the Madras Christian College at the age of 17. He graduated from there in 1906 with a Master's Degree being one of its distinguished alumni. He wrote his thesis for the MA degree on "The Ethics of the Vedanta and its Metaphysics presuppositions". It was intended to be a reply to the charge that the Vedanta system had no room for ethics.

He was married to Sivakamu at the age of 16. They had five daughters and one son.

In april, 1909 he was appointed to the department of Philosophy at Madras presidency college. There after in 1918 he was selected as a professor of Philosophy at the University of Mysore in 1921. He was appointed as a professor in King George V Chair of Mental and Moral Science at the University of Calcutta at the congress at the University of the British Empire in June 1926 and the International Congress of Philosophy at Harvard University in Sept. 1926. Another important academic event during this period was the invitation to deliver lecture at Harris Manchester college, Oxford in 1929 which was subsequently published in book form as "An idealist view of life". In 1929 he was invited to take class in Manchester college. He was the Vice-Chancellor of Andhra University from1931 to 1936. In 1936 Radha Krishnan was named Spalding professor of Eastern Religions and Ethics at the University of Oxford and was elected a fellow of "All Souls College". In 1939, Pandit Madan Mahan Malaviya invited him to succeed him as the 'VC' at Banarash Hindu University as its 'VC' till January 1948.

He started his political carrier rather late in life after his successful academic carrier in 1931, he was nominated to the League of Nation Committee for International Co-operation. He represented India at UNESCO (1948-52) and later Ambassador of India to the Soviet Union from 1946

to 1952. He was also elected to constituent Assembly of India. He was elected first Vice-President of India in 1952 and elected Second President of India. He did not have a background in the congress party nor was he active in the struggle against British.

He tried to bridge eastern and western thoughts defending Hinduism against uninformed western criticism. He died 17th April 1975 in Madras.

**Award and Honours :**

1931 :He ceased to use the title 'Sir' after Indian Independence.

1938 : Elected person of the British Academy.

1954 : German order pour le Merit for Arts and Science.

1962 : Institution of Teachers' Day in India.

1963 : The British Royal Order of Merit awarded by Queen Elizabeth II.

1968 : Sahitya Academy Fellowship.

1975 : The Temple Ton prize.

1989 : Institution of the Radha Krishnan Scholarship by Oxford University in the memory of Radha Krishnan. The scholarship was later renamed as the Radha Krishnan Chevening Scholarship.

***

➢ সৰ্বেপল্লী ৰাধাকৃষ্ণণে ৰচনা কৰা কেইখনমান গ্ৰন্থ হ'ল — (1) The Philosophy of Rabindra Nath Tagor (1918), (2) The Reign of Religion in Contemporary Philosophy (1920), (3) Indian Philosophy (Vol.I- 1923), (4) The Hindu View of Life (1926), (5) Indian Philosophy (Vol. II- 1927), (6) The Kalki (1929), (7) An Idealist View of Life (1932), (8) East and West in Religion (1933), (9) Freedom and Culture (1936), (10) Contemporary Indian Philosophy (1936), (11) Gautam The Buddha (1938), (12) Eastern Religion and Western Thought (1939), (13) Mahatma Gandhi (edited - 1939), (14) India and China(1944), (15) Education, Politics and War (1944), (16) Religion and Society (1947), (17) The Bhagawadgita (edited and translated- 1948), (18) History of Philosophy (1952), (19) The Principal Upanishads (1950), (20) Recovery of Faith (1956), (21) The Brahma Sutra (1960), (22) The Concept of Man (1960), (23) The Basic Writings of RadhaKrishnan (1972).

➢ উল্লিখিত গ্ৰন্থ সমূহৰ ভিতৰত 'An Idealist View of Life' গ্ৰন্থখন অসমীয়া ভাষাত মহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে 'জীৱনৰ আদৰ্শবাদ' নামেৰে অনুবাদ কৰিছে আৰু ১৯৬৩ চনত প্ৰকাশন পৰিষদে প্ৰথমবাৰৰ বাবে গ্ৰন্থখন প্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত এই গ্ৰন্থখন কেইবাবাৰো পুনৰ মুদ্ৰিত হৈছে।

প্ৰবন্ধ

# A Shadowed Chapter in the History of Indian Freedom Struggle

**Fajrin Zinnat Fayjie**
**B.A. 1st Semester, History Department**

From the ancient age, Indian women are known for their bravery, supporting nature and their struggle. These are not only for themselves or their families but also for the cause of Indian freedom, History introduces Rani Laxmibai of Jhansi, Begum Hazrat Mahal who started the freedom struggle. This struggle continues with the women like Sarojini Naidu, Kamala Nehru, Kasturba Gandhi, Madam Bhikaiji Cama and finally India achieved its Independence in 1947 with the sacrifice of some martyr women like Kanaklata Baruah, Bhogeshwari Phukanani etc. Their sacrifice, Struggle and bravery are still in the heart of every Indians.

But there are some other illiterate women belonging to very poor families but let their unstinting support to freedom fight, without referencing to whom, the Indian Independence would not have been completed. These women are left in the darkness in Indian history. These women secretly cooked for freedom fighters, acted as their couriers, delivered weapons and also lent moral support to them. They also inspired their family to go out and to contribute towards their motherland. This article mentions some of those women and their sacrifices towards the freedom fight of India in brief.

**Moolmati : a fierce patriot**

Moolmati contributed her support towards Indian freedom struggle in the form of her son Ram Prasad Bismil, who formed the Hindustan Socialist Republican Association in 1928 along with Bhagat Singh, Chandrashekhar Azad, Rajguru and others. Ram Prasad was involved in the famous Manipur Conspiracy case in 1918 and Kakori conspiracy in 1925. Moolmati supported her son throughout the struggle by inspiring him saying that she was proud to have a son like him. She used to go to Gorakhpur Jail before he was hanged on 19 Dec. 1927.

Post Ram Prasad's death, in a speech at a public gathering Moolmati raised her son's hand and offered him to the Indian freedom movement. Her indomitable spirit, uncountable support and strong belief without which India might not have had the greatest son ever.

**Raj Kumari Gupta : Woman of Steelo**

The Kanpur girl Raj Kumari got married at young age. She along with her husband joined in Gandhiji's Indian freedom movement. But after a few days of joining, she was drawn closer to Chandrashekhar and contributed her support to

famous Kakori train robbery. She began supporting chandrashekhar by secretly carrying his messages, materials and firearms to other revolutionaries without the knowledge of her husband. She was arrested during a trip, when she was carrying fire-arms under-her garments along with her three year old son.

**Tara Rani Srivastava :**

A simple family girl of Saran, Bihar, Tara Rani got married to Phulendu Babu in her early age. Tara along with her husband, passionate about free India from British rule jumped in to the Quit India Movement in 1942. They organized protest in their area and planned to raise India flag on the roof of the Siwan police station representing a major show of defiance.

With huge crowd, Tara along with her husband began their march towards the Siwan Police Station, Shouting 'Inquilab'. Seeing the protest marching towards the police station, the police fired. Phulendu was targeted and fell to the ground. The indomitable spirit of Tara tore a part of her saree, bandaged her husband and continued to lead the crowd towards the police station, shouting 'Inquilab'. By the time she returned, she lost her husband forever. But she continued to support the Indian freedom movement.

**Abadi Bano Bagum : Known as Bi-Amman :**

Abadi Bano came from a conservative Muslim family of Lucknow. Her son joined Indian freedom struggle and was arrested for his activities in 1917. Abdai Bano took a brave decision to address a political gathering behind her *burkha* in support of her son, but her speech reflected her passionate mind and strong belief towards Indian freedom struggle in simple words. This was perhaps the first instance of a Muslim woman addressing a public gathering by inspiring other conservative or Muslims to come out and support Indian freedom struggle.

Our freedom was built on blood, tears, sweat and sacrifice of thousand of unsung heroes and heroines of past which were like shadows in our freedom movement. Most of them are missed in the pages of history. Therefore I along with all the members of history department of Mangaldai College spare a moment to pay respect to the unsung heroines of our motherland.

(Collected Information from various sources)

***

প্ৰবন্ধ

# দুখন ভিন্ন স্বাদৰ জনপ্ৰিয় বাস্তৱ গ্ৰন্থ আৰু মোৰ অনুভৱ

নীহাৰিকা ডেকা
সংস্কৃত বিভাগ, তৃতীয় ষাণ্মাসিক

'বস্ত্ৰ যিদৰে শৰীৰৰ ভূষণ সাহিত্যও জাতিৰ ভূষণ'। সাহিত্যৰ সন্ধানত ব্ৰতী হোৱাসকলে সৌন্দৰ্য্যৰ সৃষ্টি কৰিব পাৰে। এই সৌন্দৰ্য্যই মানুহৰ মন মগজু আৰু সামাজিক বাতাবৰণতো প্ৰভাৱ পেলায়। নতুন সাহিত্যৰ স্পৰ্শত পুৰণি সাহিত্যই সাৰপাই উঠি নতুন ৰূপত পোহৰ বিলাই জগত আলোকিত কৰে।

নিজৰ পাঠ্য-পুথিবোৰতকৈ বেছি বিভিন্ন লিখকৰ গ্ৰন্থ পঢ়াটো সৰুতেই মোৰ অভ্যাসত পৰিণত হৈছিল। এই অভ্যাসটো দেউতাইহে মোৰ মনত প্ৰথমতে আনি দিছিল। সৰুৰ পৰাই দেউতাৰ লিখা পঢ়াৰ প্ৰতি থকা আগ্ৰহে মোক আকৰ্ষণ কৰিছিল। বিভিন্ন কিতাপৰ দোকান, গ্ৰন্থমেলা আদিৰ পৰা দাদা আৰু মোৰ বাবে উপযুক্ত কিতাপ কিনি আনি দি পঢ়িবলৈ আমাৰ মনত উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল। দেউতাই আগ্ৰহেৰে আনি দিয়া প্ৰত্যেকখন কিতাপকে মই মনোযোগেৰে পঢ়িছো আৰু সেই কিতাপবোৰৰ পৰা যথেষ্টখিনি জ্ঞান আহৰণ কৰিব পাৰিছো। এয়া দেউতাই মোৰ মনত জন্মোৱা উৎসাহ অনুপ্ৰেৰণাৰ বাবে সম্ভৱপৰ হৈছে। সেয়া আছিল ২০১২ চনৰ অসম সাহিত্য সভাৰ সপ্তম বাৰ্ষিক লিডু অধিবেশনৰ কথা, সাহিত্য সভাত যোগদান কৰিবলৈ দেউতাই লিডুলৈ যাত্ৰা কৰিছিল। যোৱাৰ আগমুহূৰ্তত মই তেওঁক তাত অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থ মেলাৰপৰা কেইখন মান ভাল গ্ৰন্থ আনিবলৈ দঢ়াই দঢ়াই কৈছিলো। জানিছিলো কোৱাৰ কোনো প্ৰয়োজন নাই। তথাপিতো ভয় হৈছিল কিজানি গ্ৰন্থ মেলাৰ পৰা কিতাপ ননাকৈয়ে উভতি আহে। অৱশ্যে মোৰ সেই ভয় অহেতুকহে আছিল, যেতিয়া দেউতা ঘৰলৈ ঘূৰি আহিছিল তেতিয়া তেওঁৰ লগত এটা বেগ বেছিকৈ আহিছিল। সেয়া কি হ'ব পাৰে ভালকৈয়ে অনুমান কৰিব পাৰিছিলো। লগে লগে মই বেগত থকা কিতাপবোৰ এখন এখনকৈ উলিয়াই নামবোৰ পঢ়ি চাইছিলো। তাৰ ভিতৰত আছিল মামনি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', ৰীতা চৌধুৰীৰ 'মাকাম', দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'জঙ্গম' আদিকে ধৰি স্মৃতি গ্ৰন্থ 'লিডু' আৰু আন ভালেকেইখনমান গ্ৰন্থ। প্ৰথমে মই মামনি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ পৰাই পঢ়িব আৰম্ভ কৰিছিলো।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' গ্ৰন্থখনি এখন সামাজিক বাস্তৱবাদী উপন্যাস। উপন্যাসখনৰ চৰিত্ৰবোৰৰ মুখত সেই ঠাইৰ থলুৱা কথিত ভাষাৰ প্ৰয়োগ ঘটিছে। কানিৰ চোৰাং ব্যৱসায়ে সেই অঞ্চলটোৰ মানুহবোৰক কেনেদৰে গ্ৰাস কৰি পেলাইছিল তাৰ সুন্দৰ হৃদয়স্পৰ্শী বৰ্ণনা উপন্যাসখনত উপস্থাপন কৰিছে। মামনি ৰয়চম গোস্বামীৰ শৈশৱ আৰু যৌৱন কালৰ যিখিনি সময় কামৰূপৰ বৈষ্ণৱ সত্ৰত অতিবাহিত কৰিছিল, সেই সময়ছোৱাত তেওঁ সন্মুখীন হোৱা অভিজ্ঞতাসমূহৰ মুক্ত প্ৰকাশৰ স্খলন ঘটিছে 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ যোগেদি। ক্ৰমে নিঃশেষ হৈ আহিবলৈ ধৰা পুৰণি গোসাঁইসকলৰ জীৱন ধাৰা, নকৈ ঠন্ ধৰি উঠা আধুনিকতা, ভূমি সংস্কাৰ, পুৰণি গোসাঁইসকলৰ বিধৱা তিৰোতাবোৰৰ প্ৰতি কামনা বাসনা, তেওঁলোকৰ

নিসঙ্গতা, তেওঁলোকৰ প্ৰতি কৰা অৱহেলাৰ ফলত সৃষ্টি হোৱা সাম্যবাদী ভাৱধাৰাৰ কথাই মোক স্তম্ভিত কৰি তুলিছিল। অৱশ্যে গ্ৰন্থখন সঠিকভাৱে অধ্যয়ন কৰোতে আৰু ইয়াৰ কাহিনীৰ গভীৰলৈ সোমাই যোৱাত মোৰ যথেষ্ট অসুবিধা হৈছিল। গ্ৰন্থখনত প্ৰয়োগ হোৱা মণিহাৰ, কঙ্কাল, তহনাক, শিচফুৰা, তৰি-তৰকাৰী, চাৰেল, তালিম, মাচান, ওৰপুতৰ ধান আদিৰ দৰে শব্দবোৰৰ অৰ্থ বুজি পোৱাত বৰ কঠিন হৈছিল। এটা শাৰীকে বাৰে বাৰে পঢ়িছিলো আৰু নুবুজা শব্দবোৰৰ অৰ্থ অভিধানত বিচাৰি চাইছিলো, তাৰ অন্ততহে পুঙ্খানুপুঙ্খভাৱে প্ৰতিটো দফাৰ অৰ্থ বুজিবলৈ সক্ষম হৈছিলো। জগলীয়া নদীৰ নিত্য পৰিবৰ্তনশীল অৱস্থাৰ লগতে অৱদমিত হৈ থকা কামনা বাসনাৰ অগ্নিস্ফুলিঙ্গৰ উত্তাপ, নিৰ্দয় অথচ বোবা যন্ত্ৰণা, কিছুমান পোৱা-নোপোৱা সপোনৰ বাসনা, নিজৰ স্বত্বাধিকাৰ হেৰুৱাৰ ভয়ত ভীত সত্ৰাধিকাৰসকলৰ যাতনা আদিৰ বিষয়ো গ্ৰন্থখন গভীৰভাৱে উপস্থাপন কৰাৰ ফলত কাহিনীটোৰ বাস্তৱিক ছবি প্ৰতিফলিত হৈ পাঠক সমাজৰ মন জয় কৰিবলৈ সক্ষম হৈছে।

মানৱ দৰদী সাহিত্যিক মামনি ৰয়চম গোস্বামীৰ দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ পাচত ৰীতা চৌধুৰীৰ 'মাকাম' গ্ৰন্থখনৰ মাজত বুৰ গৈছিলো। মাকামৰ বিশালতাই মোৰ হৃদয় স্পৰ্শ কৰিছিল। সাহিত্য অকাডেমী বঁটাৰে সন্মানিত গ্ৰন্থখন মূলত তিনিটা খণ্ডৰে বিভক্ত এখন বৃহৎ আকাৰৰ উপন্যাস।

মাকাম গ্ৰন্থখন পঢ়ি মই অভিভূত হৈ পৰিছিলো। অসমত বাস কৰা চীনা আৰু চীনামূলীয়া মানুহখনিৰ অপূৰণীয় দুখ যান্ত্ৰণাৰ আধাৰত ৰচিত হৈছে। ১৯৬২ চনত সংঘটিত হোৱা চীন ভাৰতৰ সেই বিধ্বংসী যুদ্ধখনে ঠান বান কৰি পেলোৱা চীনা আৰু চীনামূলীয়া সমাজখনৰ বাস্তৱিক ছবি উপন্যাসখনৰ যোগেদি প্ৰতিফলিত হৈছে। এই গ্ৰন্থখন পঢ়াৰ আগতে মই জনা নাছিলো অসমত কোনোবা সময়ত চীনালোকেও বসবাস কৰিছিল বুলি। মাকামৰ পৃষ্ঠাজুৰি সন্নিবিষ্ট হৈ থকা চৰিত্ৰবোৰ এটাকৈ মোৰ চকুৰ আগত ধৰা দিছিল। মই জানি আচৰিত হৈছিলো, যদি সঁচাকৈয়ে তেনে এটা জাতি আমাৰ মাজত আছিলেই তেতিয়াহ'লে আমি তেওঁলোকৰ বিষয়ে নাজানো কিয়? তেওঁলোকে অসমৰ মাটিত যি দুখ-যান্ত্ৰণা, মিছা অপযশ সহ্য কৰিব লগা হৈছিল সেই সকলোবোৰ তথ্য পাহৰণিৰ গৰ্ভত বিলীন হৈ গ'ল কিয়? মই মোৰ এই লেখনীৰ জৰিয়তে শ্ৰদ্ধাৰ ৰীতা চৌধুৰী বাইদেউক ধন্যবাদ জনাইছো। তেওঁ সেই অজান দেশৰ লোক সকলৰ বাবে যিখিনি কৰিলে তাৰবাবে তেওঁ আমাৰ মাজত সদায় পূজনীয় হৈ ৰ'ব।

অসমখনক বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনৰ কেন্দ্ৰবিন্দু বুলি অভিহিত কৰা হয়। বড়ো, মিছিং, কাৰ্বি, ৰাভা, চিংফৌ, মৰাণ, মটক আদিকে ধৰি বিভিন্ন জাতি উপজাতি জনগোষ্ঠীয়ে একেলগে বসবাস কৰা দেখা যায়। দুটা বেলেগ জাতিগোষ্ঠী ওচৰা ওচৰিকৈ বসবাস কৰাৰ ফলত তেওঁলোকৰ মাজত কেনেধৰণৰ আত্মীয়তা গঢ় লৈ উঠিব পাৰে সেয়া অতি সহজে হৃদয়ঙ্গম কৰিব পাৰো। তাৰ পিচতো যেতিয়া আমাৰ মাজতেই শ শ বছৰ ধৰি বাস কৰি অহা আত্মীয় জাতি এটাক এই দেশৰ বাসিন্দা নহয় বুলি কৈ অপৰাধীৰ দৰে খেদি পঠিওৱাৰ পিছত আমি নীৰৱ দৰ্শক হৈ বহি থাকিম নে?

মাকামৰ গভীৰতাত ডুব গৈ মই জানিব পাৰিছিলো যুদ্ধৰ বিভীষিকাই কেনেদৰে দুখন দেশৰ মানুহৰ মাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। যিমানে মাকামৰ গভীৰতালৈ সোমাই গৈছিলো সিমানেই সেই নিৰীহ আৰু নিৰপৰাধী চীনা আৰু চীনা মূলীয়া লোকসকলে সহ্য কৰিবলগীয়া হোৱা দুখ যাতনাৰ কথা ভাবি মই হাঁহাকাৰ কৰি উঠিছিলো। মোৰ মন গৈছিল ভাৰত চৰকাৰৰ সেই অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিব।

মাকামৰ মতে- চীনাসকলে লগলাগি এখন সৰু চহৰ গঢ়ি তুলিছিল; যাৰ নাম হ'ল 'মাকুম'। নিজা ঘৰ-দুৱাৰ, স্কুল, ক্লাব, কাৰখানা আদি স্থাপন কৰিছিল। তেওঁলোকে স্থানীয় তথা বাগানৰ ছোৱালী বিয়া কৰি এখন মিশ্রিত সমাজ গঢ়ি তুলিছিল। কিন্তু যুদ্ধৰ বিভীষিকাই সুন্দৰভাৱে স্থাপন কৰি উলিওৱা চহৰখন আৰু মানুহবোৰক তচ্‌নচ্ কৰি পেলালে। চীনা মানেই হৈ পৰিল অসমৰ শত্রু, গুপ্তচৰ। চৰকাৰে মাকুম আৰু ভাৰতত বাস কৰা চীনাসকলক কোনো প্ৰমাণ অবিহনেই বন্দী কৰি ৰাখিছিল। মাকুম তথা মাকুমৰ ওচৰ-পাজৰৰ চীনাসকলক মাকুমৰ মুৰুলী গোলাৰ গোহালিৰ ভিতৰত আৱদ্ধ কৰি ৰাখিলে। সেই সময়ত কাৰো প্ৰতি কাৰো মনত দয়া, মমতা আদিৰ ভাৱ জাগি উঠা নাছিল। মুৰুলীগোলাৰ গোহালিৰ পাচত আৰু অধিক ভয়ানক আৰু যন্ত্রণা কাতৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগাত পৰিছিল। যিবোৰৰ কথা তেওঁলোকে কল্পনাও কৰিব পৰা নাছিল। তাৰ পৰাই আৰম্ভ হৈছিল আত্মীয়-স্বজন, ঘৰ-বাৰী, বন্ধু-বান্ধৱৰ প্ৰতি মোহ ত্যাগ কৰাৰ সময়। অনাহাৰে অনিদ্ৰাই বহু নিশা পাৰ কৰিবলগীয়াত পৰিছিল। এই ধ্বংসলীলাই গো-গ্ৰাসে সকলোকে এফালৰ পৰা গিলি পেলাইছিল। চীনামূলীয়া হোৱাৰ বাবেই বহুতে নিজৰ হৃদয়ৰ আপোনসকলক অসমতে এৰি যাবলগীয়া হৈছিল। তেওঁলোকে নাজানিছিল সেই প্ৰাণৰ আপোনসকলক পুনৰ বিচাৰি পাব নে নাই। কাৰো কৰিবলগীয়া একো নাছিল। মাথোঁ পৰিস্থিতিৰ মেৰপাকত পৰি সকলো বন্দী হৈ পৰিছিল। মাকাম এখন সামাজিক বাস্তৱ উপন্যাস হোৱা হেতুকে বিভিন্ন চৰিত্ৰই ঠাই পাইছিল আৰু ইয়াৰ প্ৰায়বোৰ চৰিত্ৰই বাস্তৱ। মাকাম গ্ৰন্থৰ মূল চৰিত্ৰই আছিল মেইলিন পুলকৰ ধৰ্মপত্নী।

লেখিকাৰ প্ৰকাশ শৈলীৰ নিপুণতাই জনমভূমিৰ পৰা খেদি পঠোৱা অসমীয়া চীনাসকলৰ অন্তৰৰ সীমাহীন বেদনা অধিক হৃদয় স্পৰ্শী, সংবেদনশীল কৰি তুলিছে। এচাম নিৰ্দোষী সৎভাৱে জীৱন নিৰ্বাহ কৰা খাটি খোৱা মানুহৰ জীৱনলৈ যি ধুমুহা আহিল সেই ধুমুহাই সকলোবোৰ চাৰখাৰ কৰি পেলালে। আজি সকলোবোৰ তথ্য অতীতৰ বুকুত বিলীন হৈ গ'ল আৰু সংশোধনৰ সকলো পথ ৰুদ্ধ কৰি পেলালে। এয়াই 'মাকাম' যাৰ গভীৰতাত প্ৰতিফলিত হৈছে হাজাৰজন নিৰীহ লোকৰ জীৱনৰ বাস্তৱ তথা স্বচ্ছ প্ৰতিচ্ছবি।

***

**Inspiring Quotes :**

- "Reading without reflecting is like eating without digesting"—Edmund Burke.
- "The reading of all good books is like conversation with the finest (people) of the past centuries"— Descartes.
- "To learn to read is to light a fire"— Victor Hugo, Les Miserables.
- "The things I want to know are in books; my best friend is the man who'll get me a book I ain't read"—— Abraham Lincoln.

প্ৰবন্ধ

# য়ত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ নাৰ্য্যাস্তু ঃ

হিমাশ্ৰী শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক, সংস্কৃত বিভাগ

ভাৰতীয় সংস্কৃতিত নাৰীক অতি উচ্চ স্থান দি অহা হৈছে। পতিব্ৰতা, দয়া, বাৎসল্যভাৱ, সহানুভূতি আদি গুণৰ বাবে প্ৰাচীন কালৰে পৰা ভাৰতীয় নাৰীৰ বাবে এখন সুকীয়া আসন আছে। প্ৰাচীন কালত যি নাৰীয়ে গৃহস্থী কৰ্ম সম্পাদন কৰিছিল আৰু তেওঁ সদ্যোবধু আৰু বেদাধ্যয়ন, ব্ৰহ্ম উপাসনা আদিত প্ৰবৃত্ত হৈছিল, সেইসকলক ব্ৰহ্মবাদিনী বোলা হৈছিল। যিজনে বেদ জানে তেওঁ ব্ৰহ্মক জানিব। বৃহদ্দেৱতাত এনেদৰে কোৱা আছে—

"ঘোষা গোধা বিশ্ববাৰা অপালোপ-নিষন্নিত্।
ব্ৰহ্মজায়া জহূৰ্ণাম অগস্ত্যস্য স্বসা-দিতিঃ।।
ইন্দ্ৰাণী চেন্দ্ৰমাতা চ সৰমা ৰোমশোৰ্বশী।
লোপামুদ্ৰা চ নদ্যশ্চ যমী নাৰী চ শশ্বতী।।
শ্ৰীৰ্লাক্ষা সাৰ্পৰাজ্ঞী বাক্ শ্ৰদ্ধা মেধা চ দক্ষিণা।
ৰাত্ৰি সূৰ্যা চ সাবিত্ৰী ব্ৰহ্মবাদিন্য ঈৰিতাঃ।।"

অৰ্থাৎ ঘোষা, গোধা, বিশ্ববাৰা, অপালা, উপনিষদ, জুহু, অদিতি, ইন্দ্ৰানী, সৰমা, ৰোমশা, উৰ্বশী, লোপামুদ্ৰা, যমী, শাশ্বতী, সূৰ্য্যা, সাবিত্ৰী আদি ব্ৰহ্মবাদিনী আছিল।

ভাৰতত নাৰীৰ আদৰ্শ হৈছে মাতৃ। সেই বিস্ময়কাৰী, নিস্বাৰ্থ, সৰ্বথা নিপীড়িতা চিৰক্ষমাশীলা মাতৃ। পাশ্চাত্যত নাৰী মানে পত্নী কিন্তু ভাৰতত নাৰী মানে মাতৃ। হিন্দুসকলে মাতৃক পূজা কৰে। তাৰ তাৎপৰ্য এয়ে যে জগতত আমি দেখা পোৱা আটাইতকৈ নিস্বাৰ্থ প্ৰেম মাতৃতে বিদ্যমান।

পিতৃপ্ৰধান আৰ্য সমাজতো নাৰীৰ স্থান আছিল অতি উচ্চ। মহিলা ঋষিসকলৰ দ্বাৰা ৰচিত মন্ত্ৰবোৰেই তাৰ প্ৰমাণ। পৰিয়ালৰ প্ৰশাসনিক কৰ্তৃত্ব পুৰুষৰ হাতত থাকিলেও নাৰীয়েই আছিল একান্নবৰ্তী পৰিয়ালৰ আভ্যন্তৰীণ ধাত্ৰী। ঋক্‌বেদৰ দশম মণ্ডলৰ এটি সূক্তত ন-বোৱাৰীৰ প্ৰতি এনেদৰে নিৰ্দেশ দিয়া আছে—

"সম্ৰাজ্ঞী শ্বশুৰে ভৱ সম্ৰাজ্ঞী শ্বশ্ৰাং ভৱ।
ননান্দৰি সম্ৰাজ্ঞী ভৱ সম্ৰাজ্ঞী অধি দেবেষু।।"

অৰ্থাৎ তুমি শহুৰৰ ওচৰত কৰ্তৃত্ব কৰা, শাহুক বশ কৰা, ননদ আৰু দেৱৰসকলৰ ওপৰত সাম্ৰাজ্ঞীৰ দৰে হোৱা।

পাণিনিয়ে 'পত্যুৰ্ণঃ যজ্ঞ সংযোগে' সূত্ৰত পত্নী শব্দৰ অৰ্থ ভাঙি দেখুৱাইছে। ইয়াৰ অৰ্থ হৈছে— 'পতি' শব্দত 'ন' প্ৰত্যয় সংযোগে পতিক যজ্ঞ সম্পাদন কাৰ্যত সহায় কৰা বুজায়। পত্নী অবিহনে যজ্ঞ-কাৰ্য সম্পন্ন হ'ব নোৱাৰে। গতিকে তিৰোতাৰ প্ৰতিশব্দ 'পত্নী' শব্দৰ যজ্ঞ কাৰ্যৰ সাহায্যকাৰিণী অৰ্থয়েই মূল বুৎপত্তিগত অৰ্থ। মহাকাব্য ৰামায়ণতো উল্লেখ আছে যে ৰামচন্দ্ৰই ৰাজসূয় যজ্ঞ সম্পাদন কৰিবলৈ সীতাৰ স্বৰ্ণমূৰ্তি নিৰ্মাণ কৰিবলগীয়া হৈছিল। কিয়নো সীতা তেতিয়া বনবাসত আছিল। শতপথ ব্ৰাহ্মণতো স্পষ্টকৈ উল্লেখ আছে যে পত্নী হ'ল যজ্ঞৰ অৰ্ধাংশ (অৰ্ধো বা এস যজ্ঞস্য যত্ পত্নী) প্ৰত্যেক যজ্ঞত পত্নী সংযাজ নামে ধৰ্মানুষ্ঠানত যজ্ঞকাৰীৰ অৰ্থাৎ যজমানৰ পত্নীয়ে বৈদিক মন্ত্ৰ উচ্চাৰণ কৰি যজ্ঞ সম্পাদনত বিশিষ্ট অংশ গ্ৰহণ কৰিছিল।

একোটা জাতিৰ প্ৰগতিৰ

শ্ৰেষ্ঠতম মাপকাঠি হৈছে জাতিটোৱে নাৰীৰ প্ৰতি কৰা ব্যৱহাৰ। আৰ্য সাহিত্যত নাৰীয়ে পুৰুষৰ সৈতে একে আসনতে উপবিষ্ট হোৱাৰ কথা পাওঁ। পূৰ্ণ সমতাৰ আদৰ্শই তাত বিৰাজ কৰিছিল। মনুৱে কৈছে যে— "য়ত্ৰ নাৰ্য্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।"— অৰ্থাৎ নাৰীক য'ত সম্ভ্ৰম দেখুওৱা (পূজা কৰা) হয়, তাতেই দেৱতাসকল সন্তুষ্ট হয়। মনু স্মৃতিত আকৌ কোৱা হৈছে যে, "ভাৰতত নাৰীক বাল্যৱস্থাত পিতৃৰ দ্বাৰা, যুৱাৱস্থাত স্বামীৰ দ্বাৰা আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ দ্বাৰা সুৰক্ষিত কৰি ৰখা হয়।" ভাৰতৰ বাহিৰে ক'তো এই পৰম্পৰা দেখা নাযায়। ইয়াৰ অৰ্থ এইটো নহয় যে তেওঁলোক দুৰ্বল, বৰঞ্চ নাৰীক বৈভৱসম্পনা বুলি অধিক গুৰুত্ব আৰোপ কৰা হয়।

বৃটিছ লিখক Kerry Borwn য়ে হিন্দু সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰি লিখিছে— "হিন্দু সমাজত এগৰাকী নাৰীক আদৰ যত্ন কৰা হয় তেওঁ হীন বা অসমৰ্থ বুলি নহয়, বৰঞ্চ তাৰ বিপৰীতে তেওঁক অমূল্য সম্পদ বুলিহে বিবেচনা কৰা হয়।"

ভাৰতীয় পৌৰাণিক গ্ৰন্থসমূহ আৰু ইতিহাসে প্ৰমাণ কৰে যে অতি প্ৰাচীন কালৰে পৰাই ভাৰতীয় নাৰীয়ে শিক্ষাৰ অতি উচ্চ শিখৰত উপনীত হ'বলৈ সক্ষম হৈছিল। আমাৰ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী। ভাৰতীয় দৰ্শন মতে অনুমান কৰিব পাৰি যে শিক্ষাৰ প্ৰতি নাৰী সমাজে বিশেষ তাৎপৰ্য বহন কৰা বাবেই হয়তো সৰস্বতীক শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে প্ৰতিষ্ঠিত কৰা হৈছিল। বৈদিক যুগত শিক্ষাৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ মাজত কোনো ব্যৱধান নাছিল। সেইসময়ৰ অধিকাংশ নাৰীয়ে আছিল উচ্চ শিক্ষিতা। আনকি উচ্চবৰ্গৰ নাৰীসকলে উপনয়ন সংস্কাৰৰ লগতে বেদাদি অধ্যয়নো কৰিব পাৰিছিল। আমাৰ পৌৰাণিক গ্ৰন্থসমূহত উল্লিখিত তপস্বিনী, ব্ৰহ্মবাদিনী, আচাৰ্য্যা শব্দৰ ব্যৱহাৰেই ইয়াৰ প্ৰমাণ। বৈদিক যুগতে নাৰী সমাজখন মানসিক, নৈতিক, আধ্যাত্মিক আদি সকলো দিশতে পুৰুষৰ সমানেই আগবঢ়া আছিল।

নাৰী অসীম শক্তিৰ অধিকাৰিণী। শক্তিস্বৰূপা মা দুৰ্গা নিশ্চয় ইয়াৰ সঠিক উদাহৰণ। নৱৰাত্ৰিৰ সময়ত এই শক্তিৰূপিণীৰ নটা ৰূপৰ পূজা অৰ্চনা কৰা হয়। ইয়াৰোপৰিও নীলাচল পাহাৰস্থিত মা কামাখ্যাৰ মন্দিৰৰ কাহিনীৰ পৰা জনা যায় নৰকাসুৰৰ দৰে মহাদৈত্য তথা অসুৰৰ নিধন এগৰাকী দেৱীয়ে কৰিছিল। বিভিন্ন সময়ত ভিন্ন যুগত ভিন্ন নাৰীয়ে সময়ৰ বালিত খোজ এৰি গৈছে। ইয়াৰ ভিতৰত কোনোবা ঋষিপত্নী, পাটৰাণী, পালিতা মাতৃ, সতী আদি ৰূপত আমি তেওঁলোকৰ বিষয়ে জানো। ইয়াৰ ভিতৰত মাতৃ যশোদা, সতী সীতা, অদিতি অথবা দ্ৰৌপদী, গান্ধাৰী, কুন্তীৰ কথা উল্লেখযোগ্য। ইয়াৰ পৰা পৌৰাণিক কালৰ নাৰীশক্তিৰ বিষয়ে অনুমান কৰিব পাৰো।

ভাৰতীয় সংস্কৃতিত সদায় নৰ-নাৰী এক আৰু অবিচ্ছিন্নভাৱে স্বীকাৰ কৰা হয়, শেষত মনুৰ ভাষাৰে—

"যথৈবাত্মা তথা পুত্ৰঃ দুহিতা সমা।" অৰ্থাৎ আত্মা সমানেই। যেনেকুৱা পুত্ৰ তেনেকুৱা কন্যা, দুয়ো সমান।

(আলম লৈ লিখা)

***

প্ৰবন্ধ

# অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি

লিচামণি কলিতা
বিএ, ১ম বাৰ্ষিক, ৰাজনীতি বিজ্ঞান

'সংস্কৃতি' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Culture' শব্দটি লেটিন ভাষাৰ 'Odero' বা 'Culture' শব্দৰপৰা উৎপত্তি হয়। ইয়াৰ অৰ্থ কৰ্ষণ বা খেতি কৰা। 'সংস্কৃতি' শব্দই সংস্কাৰ বা সংস্কৃত কৰ্মকো বুজায়। স্বৰূপাৰ্থত ক'বলৈ গ'লে সমগ্ৰ জীৱন যাত্ৰাৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে। জীৱনৰ বিভিন্ন কৃতিয়েই সংস্কৃতি।

'সংস্কৃতি' সম্বন্ধে নানা পণ্ডিতে নানা মন্তব্য আগবঢ়াইছে। মিঠিউ আৰ্ণল্ডৰ মতে, মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি। সমাজবিজ্ঞানী চৰকিল আৰু মেক্‌লভাৰৰ মতে 'মানৱৰ নৈতিক আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি।' মৰেটৰ মতে, 'সংস্কৃতি অভিজ্ঞাপনিক তথ্য।' নৃতত্ববিদ এডৱাৰ্ড বাৰ্ণেট টাইপাৰে 1871 চনত সংস্কৃতিৰ ব্যাখ্যা এনেদৰে দিছিল, সমাজত অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান। বিশ্বাস, নৈতিকতা অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি। তেওঁৰ মতে সংস্কৃতি সামাজিক উত্তাধিকাৰ বা ঐতিহ্য। সংস্কৃতি ব্যক্তিৰ প্ৰতি সমাজৰ দান।

চমুকৈ ক'বলৈ হ'লে মানুহে বংশ, পৰম্পৰা, সমাজ পাতি বাস কৰিবলৈ লোৱাৰ ফলস্বৰূপে সামাজিক প্ৰাণী হিচাপে মানুহে বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম পৰম্পৰা আদি প্ৰবৃত্তিগতভাৱে শিকে। এই ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপকেই পৰম্পৰা সংস্কৃতি বুলি ক'ব পাৰি। অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ই কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। আৰ্য, কিৰাত, নিষাদ, দ্ৰাবিড় সকলো সংস্কৃতিৰ উপাদান সংমিশ্ৰিত হৈ বহু যুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। ভাষা সাহিত্যৰ ক্ষেত্ৰত ইণ্ডো ইউৰোপীয় মূলৰ সংস্কৃত ভাষা হ'ল অসমীয়া ভাষাৰ মূল ভেটি যথেষ্ট সংখ্যক তৎসম প্ৰত্যয় থাকিলেও থলুৱা আৰু জনজাতীয় উপভাষাৰ পৰা অহা প্ৰত্যয়ো দেখিবলৈ পোৱা যায়। জাক, মখা, বোৰ, বিলাক আদি বহু বচনাত্মক প্ৰত্যয়বোৰ থলুৱা ভাষাৰপৰা অহা। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ভিতৰত টা, টো, টি, গৰাকী, টাৰ, বিৰা, খিলা, ফেৰা ইত্যাদি শব্দ অনাৰ্যমূলকৰ পৰা অহা। সাহিত্যৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। প্ৰাচীন অসমীয়া সাহিত্যৰ সৰ্বাত্মক প্ৰেৰণা আহিছিল ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহৰপৰা। আনহাতে আধুনিক অসমীয়া সাহিত্যৰ ৰূপ নীতি সম্পূৰ্ণ পাশ্চাত্যধৰ্মী। জোনাকী কাকতে কাটি উলিওৱা বাটেদি আজিও পশ্চিমৰপৰা নানান উপাদান আহি আছে। কিন্তু ইয়াৰ ভিতৰতে অসমৰ লোক সাহিত্যে নিজা মাটিৰ ৰসেৰে পুষ্ট হৈ থলুৱা ধ্যান ধাৰণাৰে গঢ় লৈ উঠিছে। অপেশ্বৰী সবাহৰ নাম, লখিমী সবাহৰ নাম, আইনাম, বিয়ানাম, মালিতা ঝুনা, প্ৰৱচন, সাঁথৰ আদি লৌকিক ধ্যান ধাৰণাৰে পুষ্ট। সকলোবোৰ লৌকিক সাহিত্যই দেশৰ কেঁচামাটিৰ গোন্ধ থকা সাহিত্য। মনষা পুৰাণ, পদ্ম পুৰাণ আদিৰ উপৰি দুৰ্গাবৰ, মনকৰ আৰু ভালেমান অখ্যাত লেখকৰ ভক্তি মাৰ্গীয় পুথিত থলুৱা আদৰ্শ প্ৰকাশ পাইছে। থলুৱা যোজনা, পটন্তৰ ডাকৰ বচন ইত্যাদি থলুৱা ভাষা ভাৰতৰ

ভিতৰতে চহকী। অসমৰ ধৰ্মৰ ইতিহাসো সমন্বয়ৰ ইতিহাস। শিৱ অনাৰ্য দেৱতা। উত্তৰ পূব ভাৰতত শিৱৰ প্ৰভাৱ অতুলনীয়। আহোম, চুতীয়া, তিৱা, বড়ো সকলোৱে বেলেগ বেলেগ নামত বুঢ়াগোহাঁইক বলি বাহন দি পূজা কৰে। ক'ৰবাত শালত কাটে, ক'ৰবাত মুছৰে, বলি দিয়ে। পূৰ্বতে থলুৱা পদ্ধতিৰে পূজা সেৱা চলা পীঠবোৰৰ পূজা পদ্ধতি সংস্কাৰ কৰোতে পৰ্বতীয়া গোহায়ে শিৱ সিংহৰ দিনত সংস্কৃত শাস্ত্ৰ সন্মত পূজা পদ্ধতিৰ প্ৰচলন কৰে। আহোম ৰজাসকলে এনেকুৱা প্ৰাচীন পীঠত নতুনকৈ দ'ল-দেৱালয় সজাই সম্পূৰ্ণ আৰ্য পদ্ধতিৰে পূজা সেৱা চলায়। অসমত অনাৰ্যমূলীয় সংস্কৃতি আৰু ধৰ্মৰ পৰিৱেশ শংকৰদেৱে কৃষ্ণ ভক্তি মাৰ্গৰ মাধ্যমত আৰ্যকৰণ আৰু ভাৰতীয় কৰ্ম কৰিবলৈ সক্ষম হয়। জাতিভেদ প্ৰথা ৰহিত কৰি খেল সবল সমাজ গঢ়াৰ বাটো তেঁৱেই মুকলি কৰে।

অসমৰ স্থাপত্য আৰু ভাস্কৰ্যত ভাৰতৰ অন্য ঠাইৰ প্ৰভাৱ বা উপাদান থাকিলেও ইয়াৰ নিজা বৈশিষ্ট্য বিদ্যমান। ৰুদ্ৰসিংহই ৰংপুৰ নগৰত কাঠৰ ৰুৱা মাৰলিৰ ওপৰত ইটা পাৰি পকী কৰি কাৰেং ঘৰটো সজাইছিল। তদুপৰি টাই বৌদ্ধ বিহাৰবোৰৰ ওপৰত সংৰক্ষিত বৌদ্ধ গ্ৰন্থ চিত্ৰবোৰত বৌদ্ধ ৰীতি, টাই ৰীতি আৰু ব্ৰহ্ম দেশীয় ৰীতিৰ সমন্বয় ঘটিছে। 'গীত গোবিন্দ', 'লব-কুশৰ যুদ্ধ', 'ধৰ্ম পুৰাণ' আদি পুথিত উত্তৰ ভাৰতীয় চিত্ৰণ পদ্ধতিৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

অসমৰ জাতীয় উৎসৱ বিহুৰ ক্ষেত্ৰটো সমন্বয় অধিক দেখিবলৈ পোৱা যায়। বিহু উৎসৱ মূলত কৃষিজীৱী মানুহৰ উৰ্বৰা বিশ্বাসৰ ভেটিত জন্ম। আজি ইয়াৰ বুকুত যিমানেই অন্যান্য সংস্কৃতিৰ উপাদান নোলাওক মূলত ই কৃষিমুখী উৰ্বৰা বিশ্বাসৰ অনুষ্ঠানহে আছিল। গৰুক মাহ, হালধী, বেঙেনা, জাতি লাউ আদিৰে গা ধুউৱা পদ্ধতিটো অনাৰ্য্যমূলীয়। মাঘবিহুত ভোজৰ থলীৰ জুইকুৰা প্ৰাচীন আৰু থলুৱা প্ৰয়োজনীয়তাৰ পৰিণতি হ'লেও পৰৱৰ্তী কালত বৌদ্ধিক ধাৰণা আৰু মন্ত্ৰ সংযোজিত হৈছিল। মাঘবিহুত পৰশুৰাম কুণ্ডত স্নান কৰাটোৱে অগ্নি উপাসক জমদগ্নিৰ পুত্ৰ পৰশুৰামৰ সাংস্কৃতিক অৱদানকো সূচায়। নেগ্ৰিটোসকলেই ভাৰতত ডিমৰু জাতীয় গুটিলগা গছক উৰ্বৰা বিশ্বাসৰ লগত সংযোজিত কৰি পূজা কৰাৰ পৰম্পৰা এৰি থৈ গৈছিল। এইদৰে ভাৰতৰ বিভিন্ন সংস্কৃতিৰ উপাদান বিহু উৎসৱৰ বুকুত সংমিশ্ৰিত হৈ আছে। অসমৰ খাদ্য সামগ্ৰীৰ ক্ষেত্ৰটো সমন্বয় দেখিবলৈ পোৱা যায়। ভাস্কৰ বৰ্মাৰ দিনতে অসমৰ পাটকাপোৰৰ সৰ্বভাৰতীয় খ্যাতি আছিল। এড়ী কাপোৰৰ ৰং আৰু দীৰ্ঘ স্থায়ী গুণ সৰ্বজন বিদিত। পাটকাপোৰত কুহুম ফুলৰ ৰং দি কৰা কুহুম বুলীয়া পাগ আভিজাত্যৰ চিনাকি।

অসমলৈ যুগ যুগ ধৰি মানুহ আহিছে। তেওঁলোকে নতুন নতুন সমল লগত লৈ আহিছে। তেনেকৈ অসমীয়া সংস্কৃতিত যোগ-বিয়োগৰ চিৰাচৰিত ৰীতি সংযোজিত হৈছে। বৈচিত্ৰ্যৰ মাজত ঐক্য সাধনেই অসমীয়া সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য।

***

Article

# The Internet and Globalisation

**Manisha Devi**
**2nd Sem. (Arts)**

There has been great deal of discussion in recent years about globalization, which can be defined as the in testification of economic, political, social and cultural relation across borders. Evidence of globalization is seen in our life. We are being influenced by the rush of economics and ecological forces that demand integration and uniformity that mesmerized the world with fast music, fast computer and fast food with MPV, macintosh and Mc. Donalds, pressing machines into one commerciary homogenous global network: One Mac World Ties together by technology, ecology, communication and commerce.

Technology is perhaps the most visible aspect of globalization and in many ways its driving force.

Communication technology has revolutionized our information systems, globalization tends to be perceptible and observable in almost every facet of our life mainly due to the every emergence of internet technology. The internet technology is globally integrating and amalgating the people of the world. The advent of internet in each unquantifiable shape and form has over the past decane provided a common platform upon which countries from all corners of the earth are able to communicate and share information. Despite of the wide spread uses and availability of new technology. The issue been brought to the forefront of the debate between advocates on both sides of the globalization asile.

The impact of internet on globalization has both positive and negative aspects. Globalization includes the modernization and the improvement in the business sector on the world wide basis. The business improve their global competitiveness and productivity with more efficient electronic transaction processing and instant access to information. New Information and communication Technologies (ITC).

The radically changing international, political and regulatory environments reshaped the mature of management consulting. It was during this period that ITC took centre stage for global management consulting firms. The market is now more competitive with consumer having greater choices.

With the advent of the internet technology, jobs in the foreign countries is more available and accessible because the domestic sectors are not as rigorous as they once were, thus assisting in the global nature of the business and allowing new consulting firms to establish a presence in countries that was once restricted.

The services of IT professional have been dramatically influenced by the exclusive growth in internet use and related

technologies. In the 21st century venerable trends in ITPS such as centralization and globalization are accelerating and basis over turning and reversing the leverage rations and thus introducing completely new compatibities. The internet is impacting the way that services bought, sold and delivered, altering relationships among the clients, firms and employees and speeding the globalization of the consulting industry. This can be seen in better relationship between the clients and firms through internet. Instead of face to face meetings, the clients can easily deal with the big firms and industries via internet and thus developing the firm- client relationship.

***

প্ৰবন্ধ

# মাছৰ পৰিভ্ৰমণ ঃ এক মনোৰম পৰিঘটনা

ধনজিতা দাস
চতুৰ্থ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

পক্ষীৰ পৰিভ্ৰমণ এটা আকৰ্ষণীয়, সৰ্বজনবিদিত পৰিঘটনা। কিন্তু কেৱল পক্ষীয়েই নহয় মেৰুদণ্ডী প্ৰাণীৰ ভিতৰত মাছেও পৰিভ্ৰমণৰ পৰিঘটনা প্ৰদৰ্শন কৰে আৰু পক্ষীৰ দৰে মাছৰ পৰিভ্ৰমণেও প্ৰাণীবিদ সকলক সমানে আকৰ্ষণ কৰি আহিছে।

প্ৰধানত ঋতুজনিত পৰিভ্ৰমণ দেখুওৱা মাছে ভ্ৰমণৰ সময়ত অতিক্ৰম কৰা দূৰত্ব এখন নদী বা বিলৰ পৰা আন এখন নদী বা বিললৈ আকৌ নদীৰ পৰা মহাসাগৰ পৰ্যন্ত হ'ব পাৰে। প্ৰজাতি ভেদে কিছুমান মাছে কেৱল বিশুদ্ধ পানীতেই নিজৰ পৰিভ্ৰমণ সীমিত ৰাখে আৰু কিছুমান মাছে কেৱল লুণীয়া বা সাগৰীয় পানীতে পৰিভ্ৰমণ সীমিত ৰাখে। বিশুদ্ধ পানীৰ পৰা লুণীয়া পানীলৈ পৰিভ্ৰমণ কৰা মাছক 'Catadromous Fish' বুলি কোৱা হয়। 'Catadromous Fish' ৰ কিছুমান উল্লেখযোগ্য উদাহৰণ হ'ল ঈল বা বামী, এঙ্গুইলা ইত্যাদি।

ঈল বা বামী মাছৰ পোৱালী এতিয়ালৈ কোনো মাছমৰীয়াই ধৰিব বা চিনাক্ত কৰিব পৰা নাই। সেয়েহে সহস্ৰাধিক গৱেষণা পত্ৰিকা ঈলৰ ওপৰত প্ৰকাশ হ'লেও এই মাছ বিধৰ ওপৰত বিশেষজ্ঞৰ অনুসন্ধিৎসা দূৰ হোৱা নাই।

শৰৎ কালৰ আগমনৰ লগে লগে ঈল মাছৰ ৰং হালধীয়াৰ পৰা ৰূপালী লৈ সলনি হয়। লগে লগে ইয়াৰ বহুতো দৈহিক পৰিৱৰ্তন হ'বলৈ ধৰে যেনে পাচন তন্ত্ৰৰ সংকোচন, চকুৰ সম্প্ৰসাৰণ, পাতল ওঁঠ, গনাডৰ পূৰ্ণতাপ্ৰাপ্তি ইত্যাদি। ৰূপালী ঈল মাছবোৰে তেতিয়া প্ৰায় 4500 কিঃ মিঃ দূৰত্ব অতিক্ৰম কৰি সাগৰত প্ৰৱেশ কৰে। সাগৰৰ পানীত ঈল মাছবোৰে কণী পাৰে আৰু মৰি যায়। এই কণীৰ পৰা ওলোৱা মাছৰ পাত আকৃতিৰ সৰু লেটাবোৰক কোৱা হয় 'লেপ্টচেফালিয়া' যিবোৰৰ দৈৰ্ঘ্য 6 মিঃ মিঃতকৈ কম। ইহঁতৰ তীক্ষ্ণ বেজী সদৃশ দাঁত থাকে। পুৰণি বাসস্থানলৈ দীঘল ওভটনি পথৰ ঈল মাছবোৰক

কোৱা হয় 'গ্লাচ ঈল' বুলি যিবোৰৰ দৈৰ্ঘ্য প্ৰায় 8 ছেঃমিঃ। মাটি পোৱাৰ পিচত মতাবোৰে উপকূলতে থাকি বলৈ লয় আৰু মাইকী ঈলবোৰে নিজৰা-নদী আদিলৈ গমন কৰে। গ্লাচ ঈলৰ ৰঙ হালধীয়া হ'বলৈ কিছু বছৰৰ প্ৰয়োজন হয়। প্ৰজননৰ সময়ত আকৌ ই ৰূপালী হৈ পৰে। এইদৰেই এই বিধ মাছৰ অদ্ভুত জীৱন-চক্ৰ চলি থাকে। নিজৰ জন্ম দাত্ৰীৰ সহায় নোলোৱাকৈ ঈল মাছে কিদৰে নিজৰ বাসস্থানলৈ ঘূৰি আহিব পাৰে সেয়া প্ৰাণীবিদসকলৰ বাবে আজিও সাঁথৰ।

ঈল মাছৰ দৰেই চালমন মাছৰো জীৱন-চক্ৰ বৈচিত্ৰ্যময়। মাত্ৰ পাৰ্থক্য ইয়াতেই যে প্ৰজননৰ অৰ্থে চালমনে সাগৰৰ পৰা বিশুদ্ধ পানীৰ নিজৰা-নদী আদিলৈ গমন কৰে। আৰু এনে ধৰণৰ পৰিভ্ৰমণ দেখুওৱা মাছক কোৱা হয় 'anadromous fish' বুলি। শীত কালত পুং আৰু স্ত্ৰী দুয়োবিধ মাছে সাগৰৰ পৰা পাহাৰীয়া নিজৰা আদিলৈ স্থান সলনি কৰে। এনে অৱস্থাত সিহঁতে খাদ্য গ্ৰহণ প্ৰক্ৰিয়া বন্ধ কৰে আৰু দেহৰ বৰণ ৰঙচুৰা মুগাৰ পৰা ৰূপালীলৈ পৰিবৰ্তন হয়। কণী পৰাৰ পিচত চালমন মাছ মৰি যায়। কণীৰ পৰা ওলোৱা লেটা মাছবোৰে কিছুদিন নিজৰাৰ পানীত থাকি পুষ্টি গ্ৰহণ কৰে। অলপ ডাঙৰ হৈ মাছবোৰে পুনৰ সাগৰলৈ যাত্ৰা কৰে আৰু তাত খৰতকীয়াকৈ বিকাশ বৰ্ধন কৰে। বিভিন্ন অনুসন্ধানৰ পৰা জানিব পৰা গৈছে যে ঘ্ৰাণেন্দ্ৰিয়ৰ দ্বাৰা চালমন মাছে পূৰ্বজৰ বাসস্থানলৈ যাব পাৰে।

এইদৰে মাছৰ আশ্চৰ্যকৰ বিভিন্ন পৰিভ্ৰমণ দেখা যায়। এনে কিছুমান মাছ দেখা যায় যিবোৰে ৰাতি সাগৰ পৃষ্ঠৰ ওপৰলৈ উঠি আহি খাদ্য সংগ্ৰহ কৰে আৰু দিনত বহু তলত অৱস্থান কৰে। টুনা নামৰ মাছবিধে উষ্ণতাৰ ওপৰত নিৰ্ভৰ কৰি বছৰত এবাৰ উত্তৰ আৰু এবাৰ দক্ষিণলৈ গতি কৰে। মাছৰ এনে ধৰণৰ পৰিভ্ৰমণবোৰৰ মূলতে প্ৰজনন, খাদ্য গ্ৰহণ, পৰিৱেশৰ তাৰতম্যৰপৰা নিজকে ৰক্ষা কৰাৰ বাবে হোৱা দেখা যায়। এই সমস্ত কথাবোৰ প্ৰাণীবিদ সকলে সাগৰ তলিত, নদীত বিশেষ সাঁতোৰৰ পোছাক পৰিধান কৰি অথবা অত্যাধুনিক যন্ত্ৰৰে গভীৰ পানীৰ জীৱ অধ্যয়ন কৰি উদ্‌ঘাটন কৰিছে আৰু এইবোৰ কথাই প্ৰাণীবিজ্ঞান শাখাটোক অধিক মনোগ্ৰাহী আৰু ৰোমাঞ্চকৰ কৰি তুলিছে।

(Modern Textbook of Zoology : Vertebrates—R.L.Kotpal আৰু Google ৰ পৰা সহায় লৈ।)

***

প্ৰবন্ধ

# দৰঙৰ 'নাঙেলী গীত'

বিতোপন কলিতা
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

অসমীয়া লোকগীতৰ বিশিষ্ট অংগ 'নাঙেলী গীত'। অসমৰ নামনি অঞ্চল বিশেষকৈ পূৰ্বৰ মংগলদৈ বৰ্তমানৰ দৰং জিলা বিভিন্ন জাতি-জনজাতিৰ বসতিস্থল। বাৰেবৰণীয়া পৰম্পৰাগত গীত-মাত, নৃত্য-বাদ্য তথা উৎসৱ আদি এই জিলাৰ লোকে পুৰুষানুক্ৰমে বহন কৰি আহিছে। তাৰ ভিতৰত দৰঙৰ এবিধ স্বকীয় কলা কৃষ্টি হ'ল- গৰখীয়াৰ নাঙেলী গীত।

'নাঙেলী' শব্দটোৰ ওপৰত বিভিন্নজনে বিভিন্ন মত দিয়া শুনা যায়। কোনোৱে 'নাঙঠ' শব্দৰ পৰা উৎপত্তি হোৱা বুলি ক'ব খোজে। কোনো কোনোৱে আকৌ কৃষিৰ সঁজুলি নাঙলৰ লগত সম্পৰ্ক থকা বুলি ক'ব বিচাৰে। আমি অৱশ্যে এই সন্দৰ্ভত দৰঙী কলা-কৃষ্টিৰ বিশিষ্ট গৱেষক ড০ নবীন চন্দ্ৰ শৰ্মাৰ মন্তব্যকে মানি ল'ব বিচাৰো। তেওঁৰ মতে, "খেতি-বাতি, গৰু-ম'হ, নাঙেলী-জাঙেলী আদিৰ লগত সদা সৰ্বদায় সম্বন্ধ সম্পৰ্কিত লোকে আবৃত্তি কৰা নগ্ন গীতকে 'নাঙেলী গীত' বুলিব পাৰি।"

অসমৰ লোক সাহিত্যত দৰঙৰ নাঙেলী গীতে বিশেষ সমাদৰ পোৱা নাই যদিও চহা জীৱনৰ ই কিন্তু এক আমোদজনক স্বকীয় কৃষ্টি। দূৰ অতীতৰ পৰা এই গীতসমূহ গৰখীয়া সকলৰ মুখে মুখে বাগৰি আহিছে যদিও সময়ৰ হাত বুলনিত লোপ পাবলৈ ধৰিছে।

গৰখীয়াসকলেই নাঙেলী গীতৰ সৃষ্টিকৰ্তা। যিকোনো পৰিৱেশত, যিকোনো সময়ত গাব নোৱাৰা বাবেই হয়তো গৰখীয়াসকলে গৰু-ম'হ চৰোৱা অৱস্থাত পথাৰ, চাপৰি আদিত দল বান্ধি এইবিধ গীত গায়। সেয়ে ইয়াক গৰখীয়া গীতো বোলা হয়।

নাঙেলী গীতৰ প্ৰধান বিষয়বস্তু প্ৰেম বুলিয়েই ক'ব পাৰি। প্ৰকৃতিৰ বুকুত গৰু-ম'হ চাৰি ফুৰা গৰখীয়াৰ প্ৰাণেও কেতিয়াবা কাৰোবাৰ পৰা অলপ মৰম-স্নেহ আশা কৰে। যাৰ বাবে ওচৰেৰে যোৱা গাভৰু ছোৱালীৰ ওচৰত প্ৰেম নিবেদন কৰি নতুবা গীতৰ কলিৰে জোকাই মনত আনন্দ অনুভৱ কৰে।

'আমালৈ আম্ৰা লোণ লৈ থেকেৰা
ফুটীয়া গাখীৰৰ দৈ,
মাকৰ ঘৰৰে জীয়াৰী ৰুৱ ঔ
ক'ত পাম চেঙেৰা পৈ।'

কলা-কৃষ্টি ক্ষেত্ৰত চহকী দৰং জিলাখনৰ গৌৰৱ আজিও আগৰ দৰেই অব্যাহত আছে। থলুৱা ভাষা স্থানীয় পৰিৱেশ আৰু সুৰেৰে স্বকীয় ৰূপ পৰিগ্ৰহণ কৰি নাঙেলী গীতে মৰম আদৰ লাভ কৰি আহিছে। গীতবোৰত প্ৰচুৰ পৰিমাণে থলুৱা উচ্চাৰণযুক্ত শব্দৰ প্ৰয়োগ এটি লক্ষ্যণীয় দিশ। যেনে-

'নাঙেলী একুৰি নাঙেলী দুকুৰি
নাঙেলী ওঠৰ কুৰি,
অমুকীৰ বাপেকে হাতযোৰ কৰ্‌ছি
নাঙেলী নামাৰক বুলি।'

নাঙেলী গীতসমূহ বিহুগীতৰ নিচিনাই। অৱশ্যে বিহুগীতৰ তুলনাত নাঙেলী গীতত নগ্নতা কিছু বেছি। ভাষাও মাৰ্জিত নহয়। নীল আকাশৰ বুকুৱেদি যোৰ পাতি উৰি যোৱা চৰাইবোৰ দেখি প্ৰকৃতিৰ বুকুত গৰু চাৰি থকা গৰখীয়াই কেতিয়াবা কেতিয়াবা নিজৰ প্ৰেমিকালৈ মনত পেলাই এনেদৰে গায়-

'আমৰে গছতে কুলিয়ে চিঞৰে
লগৰ লগৰী বিচাৰি,
ম'হ চাৰি থাকোতে তোলৈ মনত পৰে
মৰো মই ছাটি ফুটি কৰি।'

প্ৰেমিকাৰ মৰম, স্নেহৰ পৰা বঞ্চিত হোৱা গৰখীয়াই আক্ষেপেৰে গায়-

'কিয়নো এনুৰা হলি ঐ লাহৰি
কিয়নো এনুৰা হলি,
তোৰ ঘৰ এৰ্বা নহ'ল বেছিদিন
দুদিনত পাহৰি গলি।'

আমাৰ বিহুগীতত তেনে ধৰণৰ আক্ষেপ প্ৰায়ে শুনা যায়-

'লাউৰ আগ বঢ়া দি বাঢ়িল লাহৰি
কোমোৰাৰ আগলৈ চাই,
মোৰ মৰম-স্নেহ পাহৰি পেলালা
কাৰ লগত পীৰিতি পায়।'

কেতিয়াবা আকৌ একে পথাৰতে দুটি গৰখীয়া দলৰ মাজত নাঙেলী গীতেৰে ঠাট্টা মস্কৰাও কৰা দেখা যায়। যেনে-

'অ' হিদৌ তলি এলেঙা
কহঁকৈ লহঁকৈ
হিদৌ তলি পেলেঙা
কহঁকৈ লহঁকৈ
হিদৌ তলিত আছিলা কহঁকৈ লহঁকৈ
কিহঁকৈ লহঁকৈ জাত।'

তাৰ পিচত সিদলে তাৰ প্ৰত্যুত্তৰ দিয়ে এনেদৰে — 'অ' ইয়োতাল শিমেলি কহঁকৈ লহঁকৈ
সিয়োডাল শিমেলি কহঁকৈ লহঁকৈ
কোনেনো নাজানেই কহঁকৈ লহঁকৈ
কিহঁকৈ লহঁকৈ আছে।'

তাৰ পিচত দুয়োদলৰ মাজত কাজিয়া হয়, কথা কটা-কটিও হয়। তেতিয়া ওচৰৰে কোনোবা এজনে দুয়োদলকে বুজনি দিয়ে। অৱশেষত আটায়ে ৰং-তামাছা কৰি মিলনৰ গীত গায়।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰো যে নাঙেলী গীতসমূহ, সংস্কাৰ সাধন কৰি চৰ্চা আৰু প্ৰচাৰ কৰিব পাৰিলে অসমীয়া সাহিত্যৰ ভঁড়ালৰ কলেৱৰ বৃদ্ধি পাব।।

***

- ➢ অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণৰ লোক সংগীত প্ৰচলিত আছে। সেইবোৰৰ ভিতৰত কিছুমান বিশেষ জনপ্ৰিয় লোক সংগীত হ'ল – বিয়ানাম, আইনাম, কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত, কেঁচুৱা টোপনি নিওঁৱা নিচুকণি গীত, দৰঙৰ খুলীয়া ভাউৰীয়াৰ বহুৱাৰ গীত, নাঙেলী, চিয়াগীত, চেৰাঢেক; টোকাৰি গীত আদি।
- ➢ লোক সংগীতৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ বাবে সংগীত নাটক অকাডেমীৰ দ্বাৰা সন্মানিত হোৱা কেইগৰাকীমান খ্যাতিমান গীতিকাৰ হ'ল— প্ৰয়াত ড° ভূপেন হাজৰিকা, খগেন মহন্ত, ৰামেশ্বৰ পাঠক আৰু প্ৰতিমা পাণ্ডে বৰুৱা।
- ➢ এওঁলোকৰ ভিতৰত প্ৰতিমা পাণ্ডে বৰুৱা ভাৰত চৰকাৰৰ দ্বাৰা 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত হৈছিল।
- ➢ অসমৰ এক অতি জনপ্ৰিয় দৃশ্য-শ্ৰাব্য লোকনৃত্য হ'ল- ওজাপালি। ওজাপালি দুই প্ৰকাৰৰ- ব্যাসৰ ওজা আৰু সুকনান্নী ওজা।
- ➢ ওজাপালিত বিশেষ খ্যাতি অৰ্জন কৰা দৰঙৰ ললিত চন্দ্ৰ নাথ আৰু কিনাৰাম নাথ সংগীত নাটক অকাডেমীৰ বঁটাৰে সন্মানিত হৈছিল।

প্ৰবন্ধ

# স্বাস্থ্য ৰক্ষাত সংগীতৰ স্বৰ— এটি অৱলোকন

বন্দিতা দত্ত
সংস্কৃত বিভাগ, ষষ্ঠ ষাণ্মাসিক

গীত বাদ্য আৰু নৃত্য এই তিনিও কলাকে একেলগে সংগীত বোলে। "গীতং বাদ্যং, তথা নৃত্যং ত্ৰয়ং সংগীতমুচ্যতে।" ভৰতমুনিয়ে সংগীতৰ কাল জোখা ব্যৱস্থাকে তাল আখ্যা দিছিল। ভাষাৰ ক্ষেত্ৰত ব্যাকৰণ যিধৰণে আৱশ্যক, ঠিক তেনেকৈ সংগীতত তালৰ আৱশ্যক। প্ৰাচীন ভাৰতীয় ঋষি মুনিসকলে সংগীত কলাক লোকৰঞ্জনৰ মাজত আৱদ্ধ নাৰাখি মোক্ষ সাধনৰ মাৰ্গ হিচাপে ব্যৱহাৰ কৰিছিল আৰু সকলো বিদ্যাৰ আগশাৰীত স্থান দি কৈছিল ঃ "ন হি বিদ্যা সংগীতাৎ।" গীত শব্দৰ লগত সম উপসৰ্গ যোগ হৈ সংগীত শব্দটিৰ উৎপত্তি হৈছে। সংগীত শব্দটিৰ প্ৰথম উল্লেখ পোৱা যায় ত্ৰয়োদশ শতিকাত সংগীত বিদ্বান শাৰংগদেৱৰ দ্বাৰা ৰচিত "সংগীত ৰত্নাকৰ" গ্ৰন্থত।

ভাৰতবৰ্ষত সংগীতৰ প্ৰচলন অতি প্ৰাচীন কালৰ পৰাই আছিল। ঋক বেদ, সাম বেদ আদিয়ে এই কথা প্ৰমাণ কৰে। ভাৰতীয় আধ্যাত্মিকতাবাদৰ মতে নাম সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডতে বিৰাজমান। ওঙ্কাৰ ধ্বনিয়েই হ'ল আদি নাদ আৰু ইয়াৰ পৰাই সকলো ধ্বনিৰ উৎপত্তি হৈছে। নাদৰ পৰাই সংগীতৰ সৃষ্টি হয় আৰু সংগীত য'ত তাতেই ভগৱান বিদ্যমান হয়। বৈজ্ঞানিক সিদ্ধান্ত অনুসৰি সংগীত হ'ল মানৱ মনৰ সূক্ষ্ম অনুভূতিৰ প্ৰকাশ। এই আবেগ-অনুভূতিৰ প্ৰকাশত মানুহৰ কণ্ঠস্বৰ প্ৰসাৰিত হয় আৰু ফলত সংগীতৰ সৃষ্টি হয়। মাতৃগৰ্ভত ভ্ৰূণৰ চেতনা প্ৰাপ্ত হোৱাৰ পৰাই সি শুনিবলৈ পায় মাতৃ গৰ্ভত চাৰিওফালে ঘটি থকা স্বাভাৱিক প্ৰক্ৰিয়াসমূহৰ লয়যুক্ত শব্দ। গতিকে শিশুৰ প্ৰথম মানসিক খাদ্যও সংগীতেই। বৰ্তমান সংগীত শ্ৰৱণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু উপকাৰী দিশটো হ'ল ইয়াৰ দ্বাৰা ৰোগ নিৰাময় কৰা। সংগীতৰ দ্বাৰা ৰোগ নিৰাময়ত আমি সচৰাচৰ দেখি থকা এটি প্ৰচলিত নিয়ম হ'ল ৰোগীৰ অন্তিম সময়ত অথবা মৃত্যুৰ ক্ষণ গণি থকা ব্যক্তিৰ ওচৰত পাঠ কৰা হয়। এনে কৰিলে ধৰ্মপাঠৰ মধুৰ সুৰ লয়ে ব্যক্তিৰ মৃত্যুৰ যাতনা বহুপৰিমাণে হ্ৰাস কৰে। গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে সংগীতে অকল মানুহৰে নহয়, অন্যান্য জীৱ-জন্তু আৰু উদ্ভিদ জগতৰো উন্নতি সাধন কৰে। সংগীত শ্ৰৱণৰ ফলত গৰু-ম'হ আদিয়ে বেছিকৈ গাখীৰ দিয়ে, উদ্ভিদৰ শ্ৰীবৃদ্ধিও খৰটকীয়া হয়।

সংগীত অবিহনে বৰ্তমানৰ যান্ত্ৰিক যুগত অধিক যান্ত্ৰিকতাই মানৱক অমানৱীয় কৰি ক্ৰমান্বয়ে আদিমতালৈ লৈ যাব আৰু ইয়ে ধ্বংসৰ পথ মুকলি কৰিব। গতিকে মানুহে মানৱীয় গুণেৰে সমৃদ্ধ হৈ সৃষ্টিশীলতাক বিভিন্ন দিশত আদৰি অনাৰ লগতে ইয়াক চিৰ সতেজ আৰু অটুত কৰি ৰাখিবৰ বাবে সংগীতৰ প্ৰয়োজন।

সংগীত চিকিৎসাত ব্যৱহৃত মূল ঔষধ হ'ল সংগীতৰ সপ্ত স্বৰ- সা ৰে গা মা পা ধা নি। মানৱ শৰীৰৰ সপ্ত ধাতু - ৰক্ত, মাংস, ৰস, মেদ, অস্থি, মজ্জা আৰু বীৰ্য আদিৰ সৈতে এই সাতটা স্বৰৰ সম্বন্ধ আছে। গতিকে চিকিৎসাৰ সময়ত ৰোগ উৎপন্ন হোৱা ধাতু বিচাৰি উলিয়াই সেই ধাতুটোৰ ওপৰত প্ৰতিক্ৰিয়াশীল স্বৰটোৰ বিভিন্ন পৰিৱেশনৰ দ্বাৰা ৰোগ নিৰাময় কৰা হয়। মূৰ, কঁকালৰ বিষ আদিত 'গা' আৰু 'ৰে' স্বৰ তিনি মিনিটকৈ, 'গা' ৰে 'মা', দুই মিনিটকৈ দীঘলীয়াকৈ উচ্চাৰণ কৰিলে, পিত্তজনিত ৰোগত 'সা ৰে গা' স্বৰ,

বাত প্ৰধান ৰোগত বিলম্বিত লয় 'মা' স্বৰটি, ৰক্ত শুদ্ধিকৰণ, খহু, অজীৰ্ণ, গেছ, পেপ্‌টিক আলচাৰ, আৰু অৰ্শৰোগত মা, গা, সা, পা, ধা স্বৰৰ সাধনা, নিম্ন ৰক্ত চাপত 'ৰে' স্বৰ, উচ্চ ৰক্তচাপত 'মা'স্বৰৰ দীৰ্ঘোচ্ছাৰণ, চঞ্চলতা, অত্যধিক কাম উত্তেজনা ৰোগৰ ক্ষেত্ৰত প্ৰতিদিনে সন্ধিয়া ৰে, গা, মা, পা, নি, ধা স্বৰসমূহ পাঁচ মিনিটকৈ গালে উপসম পোৱা যায়। ইয়াৰ উপৰি সুঠাম শৰীৰ গঠনত ৰাগ তোড়ী, পাচন ক্ৰিয়া সবল কৰিবলৈ শ্ৰী ৰাগ, অনিদ্ৰা ৰোধ কৰিবলৈ নিলাম্ব ৰাগ, মানসিক চঞ্চলতা দূৰীকৰণত ৰাগমল্লাৰ, শ্বাস সম্পৰ্কীয় ৰোগত ৰোগ ভৈৰৱী, ৰক্ত চাপ ৰোগত ৰাগ আশ্ৰাৱৰী আদিৰ প্ৰয়োগে ৰোগ নিৰাময়ত পূৰ্ণ সঁহাৰি আগবঢ়াইছে। সংগীতক চিৰ সতেজ আৰু অটুট কৰি ৰাখিবৰ বাবে আমি প্ৰত্যেক ব্যক্তিয়ে সংগীতৰ জগতত বিচৰণ কৰোঁ আৰু সৃষ্টিৰ দুৱাৰত থিয় হওঁ আহক।

***

প্ৰবন্ধ

# পৰিচয়

হিমন্ত বিশ্ব হাজৰিকা
বিএ, চতুৰ্থ যাণ্মাসিক (ৰাজনীতি বিজ্ঞান)

বিগত ৩০ বছৰে ফালৰি কাটি থোৱা অসমীয়াৰ সংজ্ঞা নিৰূপণক কেন্দ্ৰ কৰি ৰাজ্যখনৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলে সম্প্ৰতি যিদৰে ঐক্যবদ্ধ হৈছে, সেয়া এক ইতিবাচক দিশ। ৰাজ্যৰ অসমীয়া তথা খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোক সকল ক্ৰমাগতভাৱে নিৰাপত্তাহীনতাত ভুগিছে। বছৰ বছৰ ধৰি অবৈধ প্ৰবজন প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত দিল্লী আৰু দিছপুৰৰ নিৰ্বিকাৰ ভূমিকাৰ বাবেই ৰাজ্যৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলৰ নিজৰ গৃহভূমিতেই শৰণাৰ্থীত পৰিণত হোৱাৰ আশংকাই দেখা দিছে। এনে অৱস্থাত খিলঞ্জীয়া লোকসকলৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ বাবে ৩০ বছৰ পূৰ্বে স্বাক্ষৰিত অসম চুক্তিৰ ৬ নম্বৰ দফাৰ প্ৰাসংগিকতা বাৰুকৈয়ে উত্থাপন হৈছে। যদিহে অসম চুক্তিৰ ৬ নম্বৰ দফা অনুসৰি অসমীয়াৰ সাংবিধানিক সুৰক্ষা নিশ্চিত কৰা হয়, তেনেহ'লে ৰাজ্যখনৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত হৈ থাকিব। দুৰ্ভাগ্যৰ কথা এয়ে যে নিজ গৃহভূমিতে অসমীয়া কোন তাক লৈ যি ধৰণৰ ৰাজনীতি আৰম্ভ হৈছে, তাক লৈ স্বাভাৱিকতে খিলঞ্জীয়া লোকসকল চিন্তিত হৈছে। অসম চুক্তিৰ স্বাক্ষৰৰ পিচত যোৱা ৩০ বছৰৰ ভিতৰত কংগ্ৰেছ ২০ বছৰ আৰু অসম গণ পৰিষদ ১০ বছৰ কাৰ্যকাল ক্ষমতাত আছে। ছবছৰীয়া বিদেশী বহিস্কৰণ আন্দোলনৰ পৰিসমাপ্তিত গঠিত অসম গণ পৰিষদে ক্ষমতাত অহাৰ লগে লগে অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰাহেঁতেন এনেধৰণৰ জটিল পৰিস্থিতিৰ পৰা অসমবাসীয়ে ৰক্ষা পালেহেঁতেন আৰু খিলঞ্জীয়া জাতি জনগোষ্ঠীসমূহৰ স্বাৰ্থ সুৰক্ষিত হ'লহেতেন। কিন্তু দুৰ্ভাগ্য এয়ে যে এবাৰ নহয়, দুবাৰকৈ দিছপুৰৰ ক্ষমতা দখল কৰাৰ পাচতো আৰু কেন্দ্ৰীয় চৰকাৰৰ অংশীদাৰ হৈও অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণৰ বাবে অসমীয়া সংজ্ঞা নিৰূপণৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰিলে অসম

গণ পৰিষদ নেতৃত্বই। ১৯৮৫ ত যেতিয়া অসম চুক্তি স্বাক্ষৰিত হৈছিল, তেতিয়া অসমীয়াৰ সংজ্ঞাক লৈ বিভ্ৰাট হোৱাৰ কোনো আশংকা নাছিল। কিয়নো সেই সময়ত ৰাজ্যখনৰ প্ৰতিটো জাতি-জনজাতিয়ে বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰ বুলি চিনাকী দিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

অসমীয়াৰ সংজ্ঞাক লৈ অসম বিধানসভাৰ অধ্যক্ষ প্ৰণৱ কুমাৰ গগৈয়ে শেহতীয়াকৈ যি ইতিবাচক পদক্ষেপ লৈছে, সেয়া নিতান্তই প্ৰশংসনীয়। যি সময়ত খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলে নিজ গৃহভূমিতে শৰণাৰ্থীত পৰিণত হোৱাৰ আশংকাত ভুগিছে। সেই সময়ত অসম চুক্তি অনুসৰি সাংবিধানিক ৰক্ষাকৱচৰ বাবে অধ্যক্ষ গগৈয়ে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে বিশেষ চেষ্টা চলাইছে। অধ্যক্ষ গগৈয়ে ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ প্ৰতিনিধি, সংগঠন, বুদ্ধিজীৱী, সাংবাদিক আদিৰ মতামত লৈ অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে এক প্ৰস্তাৱ দাঙি ধৰিছিল। ১৯৫১ ৰ নাগৰিক পঞ্জীৰ ভিত্তিত অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে অধ্যক্ষ গৰাকীয়ে দাঙি ধৰা প্ৰস্তাৱক ৰাজ্যখনৰ অধিকাংশ খিলঞ্জীয়া জাতি-জনগোষ্ঠীয়ে তথা দল-সংগঠনে সমৰ্থন দিছে।

অধ্যক্ষ গগৈয়ে অসমীয়াৰ সংজ্ঞা সন্দৰ্ভত যি প্ৰস্তাৱ দাঙি ধৰিছে সেয়া তেখেতৰ ব্যক্তিগত দৃষ্টিভংগী নহয়, ৰাজ্যৰ খিলঞ্জীয়া জাতি- জনগোষ্ঠী তথা দল-সংগঠনৰ মতামতহে। একাংশই পৰিকল্পিতভাৱে অধ্যক্ষৰ প্ৰস্তাৱক বাস্তৱ ৰূপ দিয়াত বিধি পথালি দিছে। অসমীয়া কোন? সেয়া সকলোৱে জানে। সেইবাবে অসমীয়া কোন এই প্ৰশ্ন উত্থাপন হোৱাটো দুৰ্বোধ্য যদিও যিহেতু খিলঞ্জীয়া অসমীয়াৰ প্ৰশ্নটো আহিছে, গতিকে বিষয়টো আলাপ-আলোচনাৰ মাজেৰেহে নিষ্পত্তি হ'ব লাগে। কিন্তু তাকে নকৰি একাংশই খিলঞ্জীয়া অসমীয়াৰ সংজ্ঞা নিৰূপণৰ প্ৰক্ৰিয়াটো স্থবিৰ কৰাতহে উঠিপৰি লাগিছে। এটা কথা ঠিক যে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বিষয়টোৰ লগত জড়িত হৈ আছে এন আৰ চি প্ৰসংগও। এতিয়া নহয়, বহুদিন আগতেই অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বিষয়টো নিষ্পত্তি হ'ব লাগিছিল। বৰ্তমান পৰিস্থিতি সলনি হৈছে। এই বিষয়টো সোনকালে নিষ্পত্তি হোৱাটো দৰকাৰ। এতিয়া ৰাজ্যখন খিলঞ্জীয়া লোকসকলে সাংবিধানিক সুৰক্ষাৰ প্ৰতিষ্ঠাৰ বাবে অধিক সজাগ সচেতন হ'ব লাগিব।

***

➢ অসমত ঔপনিৱেশিক শাসন সূচনা হোৱাৰ (১৮২৪ চন) দুটা দশকৰ পিছত অসমৰ চৰকাৰী ভাষা হিচাপে বঙলা ভাষাৰ প্ৰচলন কৰা হৈছিল- ১৮৩৬ চনত। ১৮৭২ চনত আমেৰিকান বেপ্টিষ্ট মিছনাৰী সকলৰ প্ৰচেষ্টা তথা কিছু সংখ্যক সচেতন জাতীয়তাবাদী অসমীয়া বুদ্ধিজীৱীৰ প্ৰচেষ্টাত অসমীয়া ভাষা পুনৰ চৰকাৰী ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰে।

➢ ১৯৬০ চনত দেখা দিয়া মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদ আছিল- ৰঞ্জিত বৰপূজাৰী। এওঁ ১৯৬০ চনৰ ৪ জুলাই তাৰিখে কটন কলেজৰ দ্বিতীয় ছাত্ৰাৱাসৰ (সেই আবাসৰে আবাসী) সমুখতে পুলিচৰ গুলীত নিহত হৈছিল।

➢ ১৯৭৮ চনত হীৰালাল পাটোৱাৰীৰ মৃত্যু হোৱাত মঙলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন পাতিবলগীয়া হয়। এই সময়তে দৰঙৰ কিছু সংখ্যক সচেতন লোকে মন কৰিছিল- ভোটাৰ লিষ্টত হঠাতে পঞ্জীভুক্ত ভোটাৰৰ সংখ্যা বৃদ্ধি পাইছে। এই কথাটোৰেই সংস্কাৰ সাধনৰ বাবে প্ৰতিবাদ হয় আৰু ইয়েই মূৰকত গৈ পৃথিৱীৰ বিখ্যাত অসম আন্দোলনলৈ (১৯৭৯-১৯৮৫ চন) ৰূপান্তৰিত হয়। এই আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ আছিল খৰ্গেশ্বৰ তালুকদাৰ।

প্ৰবন্ধ

# গঁড় সুৰক্ষা ঃ এক চিন্তন

চন্দন দাস
বিএ, তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ
সমাজ সেৱা সম্পাদক

বিশ্বৰ ঐতিহ্যমণ্ডিত বাৰে ৰহনীয়া প্ৰকৃতিৰ সম্ভাৰ এই নন্দন কানন.... বিভিন্ন প্ৰকাৰৰ গছ-লতা, বন্যপ্ৰাণী, চৰাই-চিৰিকটিয়ে নদন বদন এই কাজিৰঙা। ১৯৯০ চনলৈকে সকলো ঠিকেই আছিল কিন্তু ইয়াৰ পিচতে কাজিৰঙাৰ দৃশ্যপট সলনি হ'ব ধৰিলে। প্ৰতি মাহতে দুই তিনিটাকৈ গঁড় হত্যা হ'বলৈ ল'লে, নানা প্ৰকাৰৰ চৰাই বধ কৰা হ'ল, বিভিন্ন প্ৰজাতিৰ গছ কাটি তহিলং কৰা হ'ল, ভয়ানক ভাৱে সন্দেহজনক লোকৰ বে-দখল আৰম্ভ হ'ল লগতে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত পৰিসীমা কৰি আহিব ধৰিলে কাজিৰঙাৰ। যেন কাজিৰঙা নিশেষঃ হৈ যাব....

অতিষ্ঠ হৈ অসমবাসীয়ে প্ৰতিবাদ, ধৰ্ণা, অসম বন্ধ, পথ অৱৰোধ স্মাৰক পত্ৰ প্ৰেৰণ আদিৰ এশ এটা কাৰ্যসূচী হাতত ল'লে। কিন্তু লাভৰ ঘৰত শূন্য। কিন্তু কেৱল এইদৰেই কাৰ্যসূচী হাতত লৈ থাকিলেই জানো সমস্যাৰ সমাধান হ'ব....? কেনাটো লাগি আছে ক'ত? ইয়াৰ এটা আইনী তদন্ত কৰা হওক।

মাজতে শুনা গ'ল কাজিৰঙাৰ চাৰিসীমাত কাঁটা তাঁৰৰ লগতে স্পৰ্শকাতৰ ঠাইত বৈদ্যুতিক তাঁৰ লগোৱা হ'ব। কিন্তু ক'তা ......? ৰূপায়ণ কৰা হ'লনে.....? ২৫% কাম কৰিয়ে দায়িত্ব সামৰিলে বন বিভাগে। তাৰ পিচত আহিল 85 Optical Zoom থকা সুদূৰ জাৰ্মানীৰ পৰা আত্মদানিকৃত স্বয়ংক্ৰিয় স্পাই হেলিকপ্তাৰ। ৰাইজে যেন অলপ সকাহ পালে। কিন্তু ইয়াৰো অৱস্থা তথৈবচ পৰীক্ষাৰ পিচত হাজাৰ চেষ্টা কৰিও উৰুৱাব নোৱাৰিলে হেলিকপ্তাৰ। বাকচতে বৈ গ'ল জাৰ্মানীৰ technology.......... পুনৰ ঘোষণা কৰা গ'ল High Speed night vision camera লগোৱা হ'ব উদ্যানৰ প্ৰতি ১০০ মিটাৰ দূৰত্বত থকা গছত। দুদিনমান ঠিকেই চলিল। কিন্তু এই বাৰো অজান কাৰণত নিষ্ক্ৰিয়ভাৱে পৰি ৰ'ল কেমেৰাসমূহ।

তেন্তে কাজিৰঙাক বচোৱাৰ উপায় কি......? এই ক্ষেত্ৰত বন বিভাগেও ৰক্ষণা ক্ষেত্ৰত কৃপনালি কৰিলে। বনৰক্ষীসকলৰ প্ৰতি মাহী আইৰ দৃষ্টিৰে চাই আহিছে বন বিভাগে। সাধাৰণ দুই নলীয়া বন্দুক আৰু ৩০৩ ৰাইফল লৈ কোনটো সাহসেৰে যুঁজিব আধুনিক AK47 আৰু AK 56 ৰাইফল লৈ অহা চোৰাং চিকাৰীসকলৰ লগতঙ্গঙ্গ আজি কালি আকৌ এই চোৰাং চিকাৰীসকলে অতি উন্নত M16 নামৰ পাতল সহজে চলাব পৰা তথা অব্যৰ্থ নিচান সম্ভৱ ভয়ংকৰ ৰাইফল লৈও চিকাৰ কৰা হৈছে। তেনেস্থলত সাধাৰণ বন্দুক, ৰাইফল আৰু এহতীয়া দীঘল খুকুৰি এখনেৰে যুঁজা বনৰক্ষীসকলৰ বাবে মৰণত শৰণ দিয়াৰ বাহিৰে আন একো নহয়।

ইফালে বানপানীয়েও যথেষ্ট অসুবিধাৰ সৃষ্টি কৰে কাজিৰঙাত। ঠাই বিশেষে জীৱ-জন্তুৰ বাবে High Land বনাইছে যদিও জহি খহি গ'ল। বানপানী অহাৰ লগে লগে অগৰাতলি ৰেঞ্জৰ অধীনত থকা মাকলুং, মৌপৰা, তুৰতুৰণি, বগৰিজুৰি, চহলা আদি উপবন শিবিৰবোৰ ডুবি যায়। যাৰ ফলত বনৰক্ষীসকল থাকিব নোৱাৰি গুচি আহিব লগা হয়। সেই সুযোগ গ্ৰহণ কৰে চোৰাং চিকাৰীসকলে। ইয়াৰ বিকল্প হিচাপে শিবিৰ সমূহত ওখ-চাংঘৰ সাজিব

লাগে আৰু প্ৰতিটো শিবিৰত অতি কমেও দুখনকৈ উন্নত নাও যোগান ধৰিব লগাটো বন বিভাগৰ কৰ্তব্য। নিশা ডিউটি কৰিবৰ বাবেও সামান্য তিনি বেটেৰি টৰ্চ লাইটৰ বাহিৰে উন্নত টৰ্চ লাইট নথকাত বনৰক্ষীসকল সমস্যাত পৰে।

স্থানীয় গাঁও সমূহো যেন কাজিৰঙা নিধনত উঠি পৰি লাগিছে। তামুলি পথাৰ, ৰজাগাঁও, ডিফলু পথাৰ, শুকানি গাঁও, ধানবাৰি, ধনশিৰি, বহিখোৱা, আমটেঙা আদি গাঁৱৰ লোকে বিস্তৰ ক্ষতি সাধন কৰিছে কাজিৰঙাৰ। ইয়াৰে বহিখোৱা আৰু আমটেঙা গাঁও দুখনত চোৰাং চিকাৰীৰ অবাধ ৰাজত্ব। ইয়াৰ পৰা বহুতো চিকাৰীক কৰায়ত্ব কৰা হৈছে, বহুতো আইনৰ সুৰুঙাৰে পলাই সাৰিছে।

কঁহৰা বন সংমণ্ডল, বাগৰি বন সংমণ্ডল, বুঢ়া পাহাৰ বনসংমণ্ডল আদিতো একেই দশা। এই সকলোবোৰৰ প্ৰতিকাৰ হিচাবে CCF, ACF, DFO, Director তথা বনমন্ত্ৰীৰ সৈতে সমূহ বন বিভাগটোৱে উচিত আঁচনি ল'লেহে কাজিৰঙা বাছি থাকিব নহ'লে এদিন অসমৰ মানচিত্ৰৰ পৰা কাজিৰঙা নিচিহ্ন হৈ যোৱাটো কোনো ডাঙৰ কথা নহয়।

গতিকে আহক ৰাইজ সকলোৱে একত্ৰিত হৈ মাৰ বান্ধি থিয় দি কাজিৰঙাক বচোৱাত সহায় কৰোঁ.....।

***

➢ পৃথিৱীত মুঠতে পাঁচ প্ৰজাতিৰ গঁড় পোৱা যায়। তাৰ ভিতৰত দুটা প্ৰজাতি আফ্ৰিকাত আৰু তিনিটা প্ৰজাতি এছিয়া মহাদেশত পোৱা যায়।

➢ এই প্ৰজাতি কেইটাৰ কিছুমান বগা আৰু কিছুমান ক'লা বৰণৰ। পৃথিৱীত এশিঙিয়া আৰু দুইশিঙিয়া গঁড় পোৱা যায়।

➢ গঁড়ৰ অস্তিত্বৰ প্ৰতি ভাবুকি অহাৰ মূল কাৰণ হ'ল- গঁড়ৰ শিঙটোৰ সতে থকা কিছুমান অন্ধবিশ্বাস। চীন দেশকে ধৰি পৃথিৱীৰ কিছুমান অন্য ঠাইত পৰম্পৰাগত চিকিৎসা পদ্ধতিত গঁড়ৰ শিং ব্যৱহাৰ কৰা হয়। চোৰাং গঁড়ৰ শিঙৰ চাহিদা আমেৰিকা যুক্তৰাষ্ট্ৰতো যথেষ্ট। কিছুমান ঠাইত এই শিং ঘৰ সজোৱাৰ কামটো ব্যৱহাৰ কৰে।

প্ৰবন্ধ

# যোগ্য ভোগ্য বসুন্ধৰা

নিৰ্মলা দাস
বিএ, দ্বিতীয় ষাণ্মাসিক (বুৰঞ্জী)

পৰীক্ষাৰ ফলাফলবোৰ ওলাল, এজাক বতাহ শান্ত হ'ল। ইয়াৰ পৰৱৰ্ত্তী পৰ্যায় হিচাপে মনত দিগন্ত প্ৰসাৰী আশাবোৰ বুকুত আলফুলে কঢ়িয়াই ল'ৰা-ছোৱালী বোৰে খোজ দিব জীৱনৰ আগন্তুক দিনবোৰক আদৰিবলৈ। মহাবিদ্যালয়ৰ দুৱাৰ দলিত খোজ পেলাই ৰঙীণ সপোনবোৰক বাস্তৱায়িত কৰাৰ পথত আগবাঢ়িব, জীৱনৰ আটাইতকৈ আকাংক্ষিত দিনবোৰ উপস্থিত সমাগত প্ৰত্যেকৰে বাবে, হেৰাই যাবলৈ সাজু সকলোবোৰ নিজ নিজ পৰিকল্পনাবোৰত। কথা হ'ল কলেজত নামভৰ্ত্তি কৰোঁৱাৰ আগমুহূৰ্ত আৰু পিচমুহূৰ্তত কল্পনা-জল্পনাত দিশহাৰা হৈ পৰে ছাত্ৰ-ছাত্ৰীসকল, মহাবিদ্যালয়ৰ বিশাল পৰিধি, বাধাহীন উৰ্মিমালাই সকলোকে যেন এক মুক্ত ধাৰণাৰ প্ৰতি চিনাকী কৰাই দিবলৈয়ে আছে। প্ৰথম ক্লাছ, নতুন ইউনিফৰ্ম, নতুন নতুন মুখ, বুকুত নতুনক আদৰাৰ প্ৰস্তুতিৰে সকলোৱে চৌহদত ভৰি দিয়ে। তাতে আকৌ ৰেগিং নামৰ মহামাৰী বিধৰ উৎপাতটোৰ ভয়ো বিদ্যমান। কিন্তু মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱন জ্যোতিৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিৱেশ পোৱা যায় বিদ্যালয়ত।

এনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সদায়েই মনত ৰাখিবলগীয়া কথাটো হৈছে শিক্ষাদান আৰু শিক্ষা আহৰণ কাৰ্য বটলত পানী ভৰোৱাৰ দৰে কেৱল এক যান্ত্ৰিক প্ৰক্ৰিয়া নহয়; ইয়াত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক দুয়োৰে সক্ৰিয় সহযোগিতাৰ প্ৰয়োজন। এক নতুন পৰিৱেশ তথা নতুন শিক্ষক-শিক্ষয়িত্ৰী সকলৰো যথেষ্ট দায়িত্ব আহি পৰে তেওঁলোকৰ শিক্ষাৰ্থী সকলৰ প্ৰতি। তেওঁলোকৰ কটুক্তি আৰু বক্ৰ সমালোচনাই কিন্তু ছাত্ৰসকলৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। ছাত্ৰ-ছাত্ৰীসকলৰ মনত বয়সৰ প্ৰভাৱেও যথেষ্টখিনি নতুনত্বক আদৰে বাবে প্ৰস্তুতিৰ পৰিচায়ক হয়। যাৰ বাবে পৰিৱেশৰ বিভিন্ন বস্তুৰ লগত পৰিচিত হ'বলৈ আগ্ৰহ প্ৰকাশ কৰে, অনৈচ্ছিক মনোযোগৰ আৰোপিত বিষয় বস্তুৰ প্ৰতি মনোযোগ দিয়াৰ উপৰি ভাল লগা বস্তুৰ প্ৰতি স্বতঃস্ফূৰ্ত মনোযোগ বাঢ়ি যায় আৰু তাক পাবলৈ যিকোনো প্ৰকাৰৰ কাম কৰিবলৈ পিচ হুহকি নাযায়। যাৰ বাবে প্ৰায়েই ল'ৰা-ছোৱালীবোৰ ভালৰ পৰিৱৰ্তে বেয়া কৰ্মবোৰৰ প্ৰতি অধিক আকৃষ্ট হোৱা দেখা যায়। কলেজৰ মুক্ত পৰিৱেশ যেন অভিশাপ নহৈ আশীৰ্বাদ হওঁক তাকে কামনা কৰাটো উচিত। আজিৰ বিদ্যাৰ্থী ভৱিষ্যতৰ নাগৰিক। কিয়নো বিবেকানন্দই কোৱাৰ দৰে- বিদ্যাৰ্থীৰ একান্ত আৱশ্যক শুচিতা, প্ৰকৃত জ্ঞান তৃষ্ণা আৰু অধ্যৱসায়। সম্পূৰ্ণৰূপে চিন্তাত, বাক্যত আৰু আচৰণত পৱিত্ৰতা আৱশ্যক। অধ্যৱসায়ী বিদ্যাৰ্থীৰ সাধনাত সিদ্ধি লাভ সুনিশ্চিত। মানুহৰ পৃথিৱীত অমানুহ হোৱাৰ প্ৰশিক্ষণ ল'বলৈ কোনোৱে নাযায়। মানৱৰ কল্যাণৰ হ'কে কাম কৰা ব্যক্তিসকল সৃষ্টি হয় এই শিক্ষানুষ্ঠানৰ বুকুৰ পৰাই; যথা সময়ত যিজনে নিজৰ ইচ্ছা ৰুচি আৰু ধৈৰ্য্য শক্তিৰে নিজকে কোনো কামৰ বাবে যোগ্য কৰি তোলে তেওঁৰ বাবেই পৃথিৱী হৈ পৰে "যোগ্য ভোগ্য বসুন্ধৰা।" কিন্তু এই ভোগ এনে ধৰণৰ হ'ব লাগে যি কেৱল নিজে উপভোগ কৰাই নহয় নিজৰ লগতে আনৰ মংগলৰ বাবেও কাম কৰাতহে জীৱনৰ প্ৰকৃত অৰ্থ প্ৰকাশ পায় আৰু মূল শিক্ষা তথা প্ৰকৃত শিক্ষা লাভৰ

সাৰ্থকতাও তাতেই। এই শিক্ষানুষ্ঠানৰ পৰাই মনুষ্যত্বৰ বিকাশ সাধন হোৱা মহামন্ত্ৰক আহৰণ কৰি জ্ঞানলোকৰ নামত উদ্ভগুলিৰে চিনাকী দিয়াৰ পৰিবৰ্তে আমি সুৰুচিপূৰ্ণ আৰু মাৰ্জিতভাৱে উদ্দেশ্যমূলক কাম কৰি, পৰিৱেশৰ লগত খাপ খাই নিজকে অনন্য হিচাপে চিনাকী দিয়াৰ চেষ্টাত ব্ৰতী হোৱা উচিত।

পৰীক্ষাৰ ফলাফলৰ পিচত উৎফুল্লিত হৈ পৰা মনক সাৰথি কৰি লৈ সকলো শিক্ষাৰ্থী জিলিকি উঠক তেওঁলোকৰ ভৱিষ্যত জীৱনত, প্ৰকৃত মানৱতাৰ পৰিচায়ক হৈ।

***

Article

# DTD YOU KNOW What is EL NINO?

**Dipshikha Bora**
**Dep. Geography. Semester VI**

El Nino, means 'the Chirst's child' is a Spanish word refer to a disturbance in the ocean current, which runs off of the coast of Peru and occurs at a gap of every 3 to 8 years around chirstmas. When distributed, the odd Humboldt current, which flows along the western coast of South America towards the North, is pushed back by warm water masses from Southeast Asia. No one knows why this happens. The winds blowing over the pacific also change dramatically during this disturbance. As a result, heavy rainfall and flood occur in places that were earlier dry. While the hot and moist regions experience such completely dry spells that fertile land dries up, crops wither and people starve.

***

Article

# A tribute to Pani Ram Das -'The General in Khadi' -

While the Journalism in Assam has been celebrating its 170th anniversary, at the same time the Journalism in Darrang district has completed its 78th anniversary in 2016. The first Assamese magazine published from the district was 'Jagriti' jointly edited by late Gobinda Deka and his sister late Lakkheswari Hazarika (who later settled at Tarapur in Silchar) in 1949. But the first newspaper to be published from the district was 'Janamat'-a fortnightly edited by eminent freedom fighter and historian Dineswar Sarma in 1951. But very few people know that late Freedom Fighter Pani Ram Das with illustrious personality is the first recognized journalist of Darrang district who sent the first news report from Darrang in 'Sadiniya Asomiya' edited by eminent journalist Harendra Nath Barua in August, 1938 on the celebration of the 'Janmastomi' at Dipila in the district. Though he was also associated with The Assam Tribune, Assam Sevak, Saptahik Asomiya, Dainik Asomiya, Tinidiniya Asomiya as the first correspondent from Mangaldai, he received an amount Rs. 10 per month from Natun Asomiya and Dainik Asomiya and telegraph bearing card. He was actively associated with the journalism till 1956.

Born in a sleepy village of Jaljali famous for historic Jaljali tank in Mangaldai Civil Sub Division on April 7 of 1917 as the second son to village farmer Ratibor Saikia and Dobhagi Saikia, Pani Ram Das came out with the first division in the matriculation examination under Calcutta University in 1938 though he was rusticated from the school for boycotting the celebration of coronation of King George VI and joined the freedom struggle. Known for his eloquence and presence of mind since his school days during the British rule, khadi clad student leader Pani Ram Das earned a high reputation of a fire brand youth for taking the key role in spreading the organizational activities of the Congress in the Mangaldai Sub Division of erstwhile undivided Darrang with its headquarter at Tezpur and within a very short period he, for his courageous, energetic and selfless service came into close contact with the senior and legendary Congress leaders namely Fakharuddin Ali Ahmed, Gopi Nath Bordoloi, Debeswar Sarma, Bishnu Ram Medhi, Mahendra Mohan Chow-dhury, Bimala Prasad Chaliha and many more. Even after spending two years of rigorous imprisonment in Tezpur, Guwahati and Jorhat jail in 1942, this ardent disciple of Gandhiji was also awarded with 'shoot at sight' order issued by the then Chief Secretary of Assam in Shillong on September 25, 1942, but the blessings of Gandhiji saved him from its execution. Significantly his paternal uncle Dhanbar Pandit handed him over to prominent Congress leader 'Tyagabeer' Hem Chandra Barua saying that he would

have to work as a servant of the Motherland and therefore Dhanbar Pandit changed the title of this youth from Saikia to 'Das' in 1929. Unable to bear the colonial rule of the British, this ardent follower of Gandhiji however, in his youth during the 'Quit India Movement', lost his temper and highly motivated by the emotion of highest degree of patriotism, set fire to the Sub Deputy Collector's (now Circle Office) office at Mangaldai with the help of his trusted aides namely Khitin Das (who later settled in Shillong as an established businessman), Joy Chandra Das etc.

As a good organizer, he even organized a state level exhibition on agro products single handedly at village Jaljali in 1946 with the active cooperation of all the villagers of area which, at that time, was beyond the imagination of all due to poor infrastructure and road connectivity and he proved his organizing capability though many a senior leaders expressed doubt over its success. In 1946 he took a bold step to tackle the crisis arising out of the organized attack by a section of Muslim League followers raising the pro-Pakistani slogans favoring their leader Mohammed Ali Zinnah even in Mangaldai town. He accompanied by some of his close aides, organized a training camp at village Borbori on the outskirt of Mangaldai town to thwart the evil attempt of these pro-Pakistani attackers and was successful in his mission. Eminent Congress leader Deba Kanta Barua (who later became the President of All India Congress Committee) and several prominent leaders attended the camp to encourage Pani Ram Das and his team.

Recalling his rare sacrifice and his 'simple living high thinking' ideology with the highest degree of moral values, Shantanu Thakur the then Deputy Commissioner of Darrang in 2005, addressed him as "The General in Khadi" while taking part in the historic celebration of the 'Peasants uprising of Pothorughat of 1894' at Pothorughat while the then General Officer Commanding of Gajaraj Corps Lt. Gen. AS Jamwal seconded it with a standing ovation.

In yet another important and significant contribution to the cultural field particularly of Darang district, he took the initiative to give exposure to 'Deodhani' Nritya and 'Ojapali' -the two major yet lesser known component of Darrangi culture in the national level as he arranged for the performance of Lalit Chandra Nath Oja (who later was conferred the Sangeet Natak Academy award) and Deodhani danseuse Radhika Devi outside the district for the first time in the Assam Sahitya Sabha session held in Shillong in 1953. It was the initiative of late Pani Ram Das who was a member of the audition committee of All India Radio, Guwahati that All India Radio, Guwahati Kendra, arranged for the performance of the 'Ojapali' and 'Deodhani Nritya' for the first time through AIR, Guwahati in 1953.

He tied the nuptial knot with Kanak Lata Das, daughter of a social worker cum Freedom Fighter, Bhakat Ram Saikia of village Gargari near Deomornoi in Darrang district on 4th June 1949.

During the China war in 1962 he led a strong procession of about ten

thousand people on foot to Tangla covering a distance of 15 km only to encourage the Indian army at Tangla railway station for which he received commendation letter from the then Army Chief and also provided shelter to the refugees from erstwhile NEFA (now Arunachal Pradesh) in Kalaigaon. This legendary freedom fighter also took active role in the 'Bhoo-dan' movement and great 'Sarvodaya' leader Binoba Bhabe spent a fortnight at his residence at Kalaigaon. In 1971, late Prime Minister Indira Gandhi awarded him the Tamra Patra in recognition to his sacrifice and contribution in freedom struggle. In 1972, he formed Mangaldai District Educated Unemployed Youth Association to take the educated unemployed youths in cultivation.

Reflecting the spirit of a true Gandhian, he always concentrated on maintenance of peace and communal harmony- be it in during the language movement, Assam Movement particularly in the violence of 1983 or during the Bodoland movement- and without caring for his life, he visited the effected trouble torn areas taking the message of Mahatma Gandhi. Expressing his deep concern for the safety and security of the indigenous people, he raised the issue of the illegal migrants in the conference of All Assam Freedom Fighters Association in 1976 and in April of 1979 he convened a mass rally at Mangaldai. He also took an active role in the Assam Movement as the President of Darrang district Unit of All Assam Gana sangram Parishad (AAGSP). During the Assam Movement, he was arrested under security acts like Preventive detention Act and national security Act several times and even was sent on exile- in the thick jungles of Bhalukpong in Assam-Arunachal Pradesh border in 1982- which happened perhaps for the first time in the post independence period.

In 2005, the President of India Dr. APJ Abdul Kalam, in recognition to his selfless service to the nation, conferred a national honour on him at Rastrapati Bhavan on the historic celebration of 'August Kranti Divas' (Quit India Movement) on August 9. The Indira Gandhi National Open University (IGNOU) also offered him special honour in New Delhi in 2007. Late Pani Ram Das was also nominated as a member of the Governing Body of Mangaldai College.

And this 'General in Khadi'- a true Gandhian, renowned freedom fighter, dedicated social worker and an 'Energetic Youth' till his death closed his illustrious and colourful chapter of life at the age of 94 on November 30 of 2010. In recognition of his service to the society, the contingents of Assam Police and army offered him full state honour before his body was consigned into flames.

In the Photo: Freedom Fighter Pani Ram Das is talking to His Excellency Kocheril Raman Narayanan the tenth President of India along with former lecturer of Mangaldai College and the then Union Minister Smt Bijoya Chakravorty at Rastrapati Bhavan in New Delhi in 2000.

(Collected by The Editorial Board)

***

প্ৰবন্ধ

# Google, Facebook আৰু Whats App বিষয়ে কেইটামান কথা

লক্ষ্যজ্যোতি দাস
স্নাতক কলা, তৃতীয় ষাণ্মাসিক

Google বুলি ক'লে সাধাৰণতে Google Search Engine টোৰ কথাই পোনতে মনলৈ আহে। Google ৰ দৰে আৰু অন্য বহুতো Search Engine আছে কিন্তু সমগ্ৰ বিশ্বত Google ৰ আধিপত্য প্ৰতিষ্ঠিত হৈছে- ইয়াৰ কাৰ্যদক্ষতাৰ গুণত।

Google Search Engine টোৰ সমগ্ৰ কাৰ্য প্ৰণালীৰ প্ৰতিটো অংশ অত্যন্ত গুৰুত্বপূৰ্ণ। এই প্ৰণালীটোৰ আৰম্ভণীৰ গুৰুত্বপূৰ্ণ কামটো হ'ল তথ্য সংগ্ৰহ। Google ৰ তথ্য সংগ্ৰহ কৰা Software টোৰ নাম হ'ল Google Bot. এই 'গুগোল ব'টে' ইণ্টাৰনেটৰ জালখনলৈ অহা নিত্য নতুন তথ্য, Blog, Tweets, Clipings আদিৰ সতে সংস্পৰ্শলৈ আহি সেইবোৰৰ উৎস অৰ্থাৎ ৱেবচাইট বোৰলৈ পৰিভ্ৰমণ কৰে (Crawling)। সেই 'চাইট'বোৰ যদি Robots.txt আৰ্হিত সজ্জিত অৰ্থাৎ যদি সেইবোৰৰ পৰা তথ্য সংগ্ৰহ কৰাৰ স্বতঃসিদ্ধ অনুমতি থাকে, সেইবোৰৰ পৰা 'গুগোল ব'টে' তথ্য সংগ্ৰহ কৰে। সংগৃহীত তথ্যবোৰ প্ৰথমতে Key Word ৰ ৰূপত চেকেণ্ডৰ ভিতৰতে Indexing কৰে আৰু প্ৰতিটো Indexed Word ৰ বিপৰীতে সংশ্লিষ্ট তথ্য তথা বিষয়সমূহ অন্য এটা ভাণ্ডাৰত জমা কৰে। ইয়াৰ লগত সংগৃহীত বিষয়বস্তুবোৰৰ পৰীক্ষা কৰা, গুৰুত্ব অনুযায়ী শ্ৰেণীবদ্ধ কৰা আৰু অদৰকাৰী (Spam Content) বিষয়বোৰ পৃথক কৰা কামটো জৰিত হৈ থাকে। যেতিয়া কোনো এজন ব্যৱহাৰকাৰীয়ে কিবা প্ৰশ্ন কৰে লগে লগে 'গুগোল'ৰ Software- এ Indexed keyword আৰু সেইবোৰৰ প্ৰতিশব্দবোৰ চিনাক্ত কৰে আৰু তাৰ পিচত তাৰ লগত সংযোজিত কৰি থোৱা এহেজাৰ মান পৃষ্ঠা ব্যৱহাৰকাৰীৰ সমুখত ডাঙি ধৰে। গুগোলে এইদৰে ব্যৱহাৰকাৰীৰ (user) ওচৰত ডাঙি ধৰা তথ্যবোৰ তেওঁলোকৰ নিজা তথ্য ভাণ্ডাৰৰ পৰাহে দিয়ে, মূল উৎস ৱেবচাইটবোৰৰ পৰা নহয়। ইয়াৰ লগতে গুগোলৰ ব্যৱহাৰকাৰীয়ে তথ্য বিচাৰি থাকোতে যিবোৰ উপৰঞ্চি অভিজ্ঞতা লাভ কৰে সেইবোৰো Link up কৰি থোৱা থাকে এক নিৰ্দ্দিষ্ট শৃংখলাৰ মাধ্যমত। উদাহৰণস্বৰূপে সংশ্লিষ্ট বিষয়বস্তুৰ লগত সম্পৰ্কিত কৰা কিতাপৰ নাম, বিষয়বস্তুৰ লগত সম্পৰ্ক থকা সামগ্ৰীৰ বিজ্ঞাপন, বিজ্ঞাপনদাতা কোম্পানীৰ বিৱৰণ ইত্যাদি।

১০/১২/১৫ তাৰিখৰ এটা হিচাপ মতে প্ৰতিমাহত গুগোলত তথ্য বিচৰা (Search) কৰা ব্যৱহাৰকাৰীৰ সংখ্যা আছিল 100 billion। আৰু ২৭/৩/১৬ তাৰিখৰ হিচাপ মতে প্ৰতি ছেকেণ্ডত ব্যৱহাৰকাৰীৰ সংখ্যা 2.3 million। এতিয়া এই সংখ্যা বহুত বেছি। গুগোলত সোধা প্ৰতিটো প্ৰশ্নই গড় হিচাপত ১৫০০ মাইল পথ এটা ডাটা-চেণ্টাৰলৈ যোৱা আৰু উভতি অহাৰ বাবে ব্যৱহাৰ কৰিবলগীয়া হয়। গুগোলৰ ডাটা-চেণ্টাৰসমূহৰ অধিকাংশই আমেৰিকা যুক্তৰাষ্ট্ৰতে অৱস্থিত। দক্ষিণ আমেৰিকা, ইউৰোপ, এচিয়া মহাদেশতো কিছু সংখ্যক ডাটা-চেণ্টাৰ স্থাপন কৰা হৈছে। কিছুদিন আগৰ এক পৰিসংখ্যা অনুযায়ী সম্প্ৰতি ৬১৮১৪ গৰাকী স্থায়ী কৰ্মচাৰীয়ে চাকৰি কৰে। ডাটা-চেণ্টাৰ সম্পৰ্কীয় তথ্যবোৰৰ ক্ষেত্ৰত ব্যৱসায়িক প্ৰতিযোগিতাৰ স্বাৰ্থত গুগোলে অতি গোপণীয়তা অৱলম্বন

কৰে।

Goole.Inc. ৰ বৰ্তমানৰ মুখ্য কাৰ্য্যবাহী বিষয়া (CEO) হ'ল- পিচাই সুন্দৰৰাজন। তেওঁ এই দায়িত্বত ১০ আগষ্ট, ২০১৫ তাৰিখৰ পৰা ন্যস্ত আছে। তেওঁ ভাৰতীয় মূলৰ আমেৰিকাৰ নাগৰিক। ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠান খৰগপুৰ আই. আই. টি. ৰ পৰা বি. টেক্. ডিগ্ৰী লৈ আমেৰিকা যুক্তৰাষ্ট্ৰত পৰৱৰ্তী শিক্ষা গ্ৰহণ কৰিছিল। তেওঁৰ বাৰ্ষিক দৰমহা ৩৩৫ কোটি টকা। ইয়াৰ উপৰি তেওঁ কোম্পানীটোৰ পৰা সহস্ৰাধিক কোটি টকা লভ্যাংশ হিচাপে লাভ কৰে।

পোনতে Goole এ ব্যৱহাৰ কৰা Algorithm ৰ নাম উদ্ভাৱক Larry Page ৰ নামেৰে Page Rank ৰখা হৈছিল। Larry Page, Goole Inc ৰ এগৰাকী প্ৰতিষ্ঠাপক।

কোম্পানীটোৱে নিজে বহুতো আইনী নীতি সংযম মানি থাকিবলগীয়া হয় আৰু ব্যৱহাৰকাৰীৰ বাবেও বহু আইনী দায়বদ্ধতা থাকে।

* * *

ফেচ্‌বুকৰ (Face book) ৱেবচাইটটো 4 Feb. 2004 ত আৰম্ভ কৰা হৈছিল। ফেচ্‌বুকৰ প্ৰতিষ্ঠাপক পাঁচ গৰাকী সদস্যৰ অন্যতম Mark Zucherberg অনুষ্ঠানটোৰ চেয়াৰমেন তথা মুখ্য কাৰ্যবাহী বিষয়া (CEO)। ইয়াৰ প্ৰতিষ্ঠাপক সদস্যসকল হাৰ্বাড বিশ্ববিদ্যালয় ছাত্ৰ তথা সংগী ৰুমমেট আছিল। ফেচ্‌বুকৰ মুখ্য কাৰ্যালয় Menlo Park, California, USA. বৰ্তমান ফেচ্‌বুকৰ সক্ৰিয় ব্যৱহাৰকাৰীৰ সংখ্যা ডেৰ কোটিৰো অধিক। ২০১৬ চনৰ জুন মাহত Mark. Zucherberg বিশ্বৰ প্ৰথম ছয়জন সম্পদশালী ব্যক্তিৰ ভিতৰত এজন। তেওঁৰ জন্ম হৈছিল ১৪ মে, ১৯৮৪ চনত। মূলতঃ Face book হ'ল আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীসকল নাম ঠিকনা সম্বলিত ছপা অথবা 'ৱেব'ৰ ৰূপত প্ৰকাশ কৰা তথ্যসূচী (Directory) যাতে ছাত্ৰ-ছাত্ৰীসকলে পৰম্পৰে পৰস্পৰক জানিব পাৰে সেই উদ্দেশ্যে এই তথ্যসূচী প্ৰকাশ কৰে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ জুকাৰবাৰ্গে এই তথ্যসূচীৰ পৰা প্ৰেৰণা লৈ প্ৰথমতে www. face mash.com নামেৰে এটা ৱেবচাইট প্ৰস্তুত কৰিছিল। পিচলৈ তেওঁ The Face book. com নামৰ আন এটা ৱেবচাইট অনানুষ্ঠানিকভাৱে প্ৰস্তুত কৰিছিল। এই কাম কৰিবলৈ যাওঁতে তেওঁ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ তথ্য ভাণ্ডাৰৰ পৰা বিনানুমতিত তথ্য সংগ্ৰহ কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ৰোষত পৰি বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কৃত হ'বলগীয়া হৈছিল। পিচলৈ অৱশ্যে এই অভিযোগবোৰ উঠাই লোৱা হৈছিল। এনে আৰম্ভণীৰেই Face book. com ৰ আৰম্ভ হৈছিল।

***

সম্প্ৰতি বিশ্বৰ ১০০ কোটি (ফ্ৰেঃ ২০১৬) লোকে ব্যৱহাৰ কৰা জনপ্ৰিয় Whats App নামৰ মেচেঞ্জাৰ ৱেবচাইটটোৱে২৪ ফেব্ৰুৱাৰী, ২০০৯ ত আৰম্ভ কৰা হৈছিল। ইয়াৰ প্ৰতিষ্ঠাপক হ'ল পূৰ্বতে Yahoo Inc. ত কাম কৰা Jan Koum আৰু Brian Acton. ইয়াৰ মূল কাৰ্যালয় মাউণ্টেইন ভিউ, কেলিফৰ্ণিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ। মে' ১৯, ২০১৪ তাৰিখে Whats App Inc. অৰ্থাৎ Whats App ৰ কোম্পানীটো ফেচ্‌বুকে (Face book) ক্ৰয় কৰে।

***

প্ৰবন্ধ

# অনুশাসনহীনতা এক ভয়াবহ সমস্যা

দীপজ্যোতি ডেকা
ষষ্ঠ ষান্মাসিক, শিক্ষা বিভাগ

বৰ্তমান সমাজৰ জ্বলন্ত সমস্যা বোৰৰ ভিতৰত অনুশাসনহীনতা অন্যতম, যি সমাজত ভয়াবহতাৰ সৃষ্টি কৰিছে। অনুশাসনহীনতাই সমাজৰ সামগ্ৰিক দিশ অৰ্থাৎ, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি সকলো দিশতে বিৰূপ প্ৰভাৱ পেলাইছে। যাৰ ফলত দেশৰ আৰ্থসামাজিক দিশৰ বিকাশত বাধা আহি পৰিছে। লগতে আৰ্থসামাজিক জীৱন যাত্ৰা বিশৃংখল কৰি তুলিছে। অনুশাসনহীনতাৰ ধাৰণাৰ পূৰ্বে অনুশাসন শব্দৰ ধাৰণা জনাটো প্ৰয়োজন। অনুশাসন শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Discipline' শব্দটো লেটিন ভাষাত 'Disciplina' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ 'Disciple' বা 'শিষ্য'। গুৰুৱে শিষ্যক সজ আচৰণ, সজ চৰিত্ৰ গঠনৰ বাবে নিৰ্দেশনা বা পৰামৰ্শদান কৰে। এই অৰ্থৰ পৰা স্পষ্ট যে অনুশাসনে নীতি নিয়মৰ মাজেৰে সু শৃংখলতি হোৱাকে বুজায়। আন এক দিশৰ পৰা ক'ব পাৰি যে 'শিষ্য' যিয়ে একান্ত ভক্তিসহকাৰে বাধ্যভাৱে গুৰুৰপৰা শিক্ষা লাভ কৰে। আধুনিক শিক্ষাবিদসকলে 'অনুশাসন' ৰ ব্যাখ্যা অন্য ধৰণে দিছে। তেওঁলোকৰ মতে "অনুশাসন এক মানসিক অৱস্থা; তাক বাহিৰৰ পৰা জোৰ কৰি জাপি দিব নোৱাৰি। জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ মাধ্যমেৰে স্বতঃস্ফূৰ্তভাৱে ব্যক্তিৰ অন্তৰৰপৰা নিজকে নিয়ন্ত্ৰণ কৰাৰ ইচ্ছা জাগে তাকেই অনুশাসন বোলে। অনুশাসনৰ ক্ষেত্ৰত যি অসৎ, যি বেয়া তাক স্বাভাৱিকভাৱে আৰু স্বতঃস্ফূৰ্তভাৱে ত্যাগ কৰাৰ প্ৰচেষ্টা কৰিব লাগে আৰু যিবিলাক গ্ৰহণযোগ্য তাক গ্ৰহণ কৰাৰ স্পৃহা, শিক্ষাৰ্থীসকলে নিজেই জীৱনকেন্দ্ৰিক অভিজ্ঞতাৰ মাধ্যমেৰে ভালখিনি গ্ৰহণ কৰিব আৰু বেয়াখিনি ত্যাগ কৰিবলৈ শিকিব। ইয়াৰ মাধ্যমেৰে অনুশাসন আহিব। আধুনিক ব্যাখ্যা অনুযায়ী অনুশাসন হ'ল ব্যক্তিৰ চিন্তাধাৰা, আচৰণ, স্বভাৱ আৰু অনুভূতিৰ আত্ম নিয়ন্ত্ৰণ।

অনুশাসনৰ বিপৰীত ধৰ্মী অৱস্থাকে অনুশাসনহীনতা বুলিব পাৰি। অনুশাসনহীনতা বিকাশৰ হেঙাৰস্বৰূপ। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে মানুহক উন্নতিৰ জখলাত খোজ দিব শিকাইছে। মানৱ সভ্যতাই জ্ঞান, কৌশল দক্ষতাৰ বিকাশ সাধন কৰিছে। কিন্তু বিজ্ঞানৰ এই নৱতম সংযোজনৰ অন্তৰালত যি অভিসন্ধিৰ সৃষ্টি হৈছে সেই অভিসন্ধিয়ে মানুহৰ ধ্বংস যজ্ঞৰ ৰূপত দেখা দিছে। যাৰ ফলত মানুহৰ মাজত মানৱতা, সামাজিক দায়বদ্ধতা, আধ্যাত্মিকতা, নৈতিকতাৰ স্খলন হৈছে, যি সমাজত অনুশাসনহীনতাৰ সৃষ্টি কৰিছে। আকৌ কিছুমান ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলতে হওক অথবা বিশ্বায়নৰ ফলতে হওক মানুহ আৰু প্ৰকৃতিৰ মাজত সহৱস্থানৰ অভাৱ পৰিলক্ষিত হৈছে। মানৱ সমাজে প্ৰকৃতিৰ ওপৰত দানৱৰ ৰূপ ধাৰণ কৰি যি ধ্বংস লীলা চলাইছে সিও মানৱ সভ্যতা আৰু প্ৰকৃতিৰ মাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে।

সমাজ, বিদ্যালয় আদি সকলোতে বৰ্তমানে অনুশাসনহীনতাৰ এক ভয়াবহ ছবি দেখা যায়। উপযুক্ত নিৰ্দেশনা, ব্যৱস্থাপনা, পৰিকল্পনা, নীতি নিয়ম, প্ৰশাসন, পৰামৰ্শ আদিৰ উপযুক্ত ৰূপায়ণৰ অভাৱৰ ফলত অনুশাসনহীনতাৰ সৃষ্টি হয় বুলি উল্লেখ কৰিব পাৰি। মানুহৰ মাজত যি পাৰস্পৰিক আন্তঃক্ৰিয়াৰ অভাৱ পৰিলক্ষিত হৈছে সেইয়াও অনুশাসনহীনতাৰ আন এক কাৰণ। সমাজ এখনৰ ফলপ্ৰসুতা নিৰ্ভৰ কৰে উপযুক্ত নীতি আদৰ্শ আৰু নিৰ্দেশনাৰ

ওপৰত। কিন্তু নিৰ্দেশনা কেতিয়াবা অতি আদেশসূচক, ব্যক্তিনিষ্ঠ হৈ পৰে। যাৰ ফলত নিদেৰ্শনা গ্ৰহণকাৰীৰ মনত সৃষ্টি হোৱা আস্থাহীনতাই অনুশাসন হীনতাৰ সৃষ্টি কৰে। সমাজ এখন প্ৰচলিত নীতি নিয়মৰ ওপৰতো অনুশাসনহীনতা নিৰ্ভৰ কৰে। সমাজৰ নিৰ্দিষ্ট নীতি-নিয়ম আদৰ্শ যথেষ্ট কঠোৰ অনমনীয় হোৱাৰ বিপৰীতে নীতি নিয়ম আদৰ্শবোৰ একেবাৰে শিথিল আৰু নমনীয় হোৱাটোও উচিত নহয়। বৰ্তমানৰ পৰিৱৰ্তন আৰু গতিশীল সময়ৰ লগত ভাৰসাম্য ৰক্ষা কৰিব পৰাকৈ গঢ়ি তুলিব লাগে। ইয়াৰ উপৰি সমাজ তথা বিদ্যালয়ৰ অনুশাসন ব্যৱস্থা নিৰ্ভৰ কৰে ব্যৱস্থাপনাৰ ওপৰত। যি সুন্দৰ হ'ব লাগে। নিয়ন্ত্ৰণ বা ব্যৱস্থাপনা মনোবিজ্ঞানসন্মত, গণতান্ত্ৰিক ভাৱধাৰা সামাজিক গ্ৰহণযোগ্যতাৰ ওপৰত গঢ়ি উঠে।

বিদ্যালয় হৈছে সমাজৰ ক্ষুদ্ৰ সংস্কৰণ। বিদ্যালয়ত যি অনুশাসনহীনতাৰ সৃষ্টি হয় সেইয়া সমাজৰ বাবেও ক্ষতিকাৰক। বিদ্যালয়ৰ অনুশাসনহীনতাই কৃতকাৰ্য্যতা লাভত বাধা আৰোপ কৰে, সামাজিক পৰিৱেশ বিনষ্ট কৰে। ছাত্ৰ-ছাত্ৰীৰ এনে অনুশাসনহীনতাৰ ফলত সমাজত চোৰ-ডকাইত, অপহৰণ, ধৰ্ষণকে আদি কৰি সামাজিক বিশৃংখল বৃদ্ধি পায়। জীৱশ্ৰেষ্ঠ যদিও মানুহৰ কেতবোৰ জন্মগত আচৰণ থাকে। অনুশাসনহীন শিক্ষা ব্যৱস্থাই এই আচৰণৰ সংশোধন কৰি সুচৰিত্ৰ গঠনৰ যি উদ্দেশ্য সেই উদ্দেশ্যও সফল কৰিব নোৱাৰে। ইয়াৰ লগতে দেশৰ উপযুক্ত মানৱ সম্পদ গঢ় দি তোলা লক্ষ্য পূৰণতো ব্যৰ্থ হয়। বিভিন্ন শিক্ষাৰ লক্ষ্য ৰূপায়ণ কৰাত অনুশাসনহীনতাৰ সমস্যাই বাধা আৰোপ কৰে। ইয়াৰ কেতবোৰ কাৰণ হ'ল পৰীক্ষাকেন্দ্ৰিক শিক্ষা ব্যৱস্থা, একঘেয়ামী শিক্ষণ পদ্ধতি, সহপাঠ্যক্ৰমৰ অভাৱ, উপযুক্ত শাস্তি আৰু পুৰস্কাৰৰ নীতিৰ ব্যৱহাৰ, ৰাজনৈতিক হস্তক্ষেপ, শিক্ষক-অভিভাৱকৰ মাজৰ সম্বন্ধৰ অভাৱ ইত্যাদি। গতিকে শিক্ষণ প্ৰক্ৰিয়াৰ সৰ্বাংগীন বিকাশ তথা অভিৰোচিত কৰা প্ৰয়োজন। কেতিয়াবা আকৌ, শিক্ষকজন বক্তা আৰু শিক্ষাৰ্থীজন নিৰৱ শ্ৰোতা হৈ পৰা দেখা যায়। ই শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক, আৱেগিক, বৌদ্ধিক আদি বিকাশত বাধা আৰোপ কৰে। সেয়েহে, শিক্ষকজন এজন বন্ধু, পথ প্ৰদৰ্শক, পৰামৰ্শদাতা হিচাপে ভূমিকা গ্ৰহণ কৰিব লাগে। যি শিক্ষাত অনুশাসনহীনতাৰ সমস্যা ৰোধ কৰি এখন সুস্থ, সবল দেশৰ আশা কৰিব পাৰি।

বৰ্তমান সময়ৰ ৰাজনৈতিক প্ৰেক্ষাপটত যি অস্থিৰতাই দেখা দিছে সেই অস্থিৰতাইয়ো অনুশাসনহীনতাৰ সৃষ্টি কৰিছে। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত। বৰ্তমান যদি সিহঁতক এটা সুস্থ সুন্দৰ পৰিৱেশ দিয়া নহয় তেন্তে ভৱিষ্যতত সিহঁতক লৈ বিকাশ আশা কৰিব নোৱাৰি। অনুশাসনহীনতা সমাজৰ সামগ্ৰিক দিশৰ বিকাশ আৰু উন্নতিৰ বাধাস্বৰূপ। ই বিকাশ আৰু প্ৰগতিৰ বিৰোধী। সকলো সমস্যাৰ কম বেছি পৰিমাণে সমাধানৰ পথ আছে। অনুশাসনহীনতাই যি ভয়াবহতাৰ সৃষ্টি কৰিছে তাক সমাধান কৰা নিতান্তই প্ৰয়োজনীয়। একবিংশ শতিকাৰ মানুহৰ আশা আকাংক্ষাত উপনীত হোৱাৰ ক্ষেত্ৰত অনুশাসনৰ যথেষ্ট প্ৰয়োজন। অনুশাসন জোৰ কৰি জাপি দিব নোৱাৰি। লক্ষ্যবিহীন জীৱন যেনেকৈ গুৰিয়ালহীন নাওৰ দৰে, ঠিক তেনেকৈ অনুশাসনহীন ব্যৱস্থা নিৰৰ্থক, উন্নয়ন বিৰোধী। গতিকে, এই সমস্যা ৰোধ কৰাৰ ক্ষেত্ৰত মানুহৰ সদৰ্থক মনোভাৱৰ প্ৰয়োজন।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) "শিক্ষাতত্ব পৰিচয়"— লিখকদ্বয় ঃ ডঃ আভা মিশ্ৰ চক্ৰৱৰ্ত্তী আৰু ড° মুকুল শইকীয়া। (প্ৰকাশিত ২০১২ আগষ্ট)

২) উন্মোচিত বিচাৰ্য বিষয় আৰু শিক্ষা— লিখক ঃ ইন্দিৰা শইকীয়া, উৎপল কলিতা, ড° ৰুনুমী দেৱী, ড° দিপালী দত্ত (প্ৰকাশিত ২০১২ ছেপ্টেম্বৰ)

***

প্ৰবন্ধ

# শিক্ষাৰ লগত খেল-ধেমালিৰ প্ৰয়োজনীয়তা

দীপশিখা বড়া
ভূগোল বিভাগ, ষষ্ঠ ষাণ্মাসিক

'শৰীৰমাদ্যাংখলু ধৰ্মসাধনম' — সুস্থ শৰীৰেই হ'ল মানুহৰ ধৰ্ম সাধনাৰ প্ৰথম স্তৰ। শৰীৰক শুদ্ধ ৰূপত গঢ় দি ল'ব নোৱাৰিলে মনৰ শুদ্ধতা সম্ভৱপৰ নহয়। শিক্ষাৰ যোগেদি শৰীৰ চৰ্চাৰ দ্বাৰা মানসিক উৎকৰ্ষ সাধন কৰিব পাৰি। ইয়াৰ কাৰণে চেষ্টাৰ ত্ৰুটি হ'ব নালাগিব। ইয়াৰ বাবে অভ্যাস কৰিব লাগিব যোগাসন, ব্যায়াম, বিভিন্ন ধৰণৰ খেল-ধেমালি ইত্যাদি। ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষানুষ্ঠান সমূহত বিশেষকৈ খেল-ধেমালি প্ৰত্যক্ষ ভাৱে জড়িত কৰিছে। শিক্ষাৰ ক্ষেত্ৰত চৰ্চাৰ কাৰণে এইটো এটা বিশেষ মাধ্যম। কাৰণ সুস্থ দেহ-মন গঢ়ি তুলিবলৈ হ'লে শিক্ষাৰ লগত খেল-ধেমালিৰ বিশেষ প্ৰয়োজনীয়তা আছে বুলিয়েই ইয়াক প্ৰত্যক্ষভাৱে জড়িত কৰিছে।

বৰ্তমান পৃথিৱীৰ সকলো দেশতেই খেল-ধেমালিৰ ওপৰত বিশেষ গুৰুত্ব আছে। ভাৰতৰ বাহিৰৰ কিছুমান দেশত শিক্ষানুষ্ঠানত শিশু অৱস্থাৰ পৰাই খেল-ধেমালি শিকোৱা, বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা দেখা গৈছে। বহু দেশৰ তুলনাত ভাৰতবৰ্ষ এই দিশত বহুত পিচ পৰি আছে। যদিও চৰকাৰৰ ফালৰ খেলৰ প্ৰতি সা-সুবিধা আগবঢ়াইছে তথাপিও আন দেশৰ লগত ফেৰ মাৰিব পৰা হোৱা নাই। সি যি কিয়েই নহওক খেল-ধেমালিৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসঙ্গিকতাৰ আলোচনা কৰিবলৈ যাওঁতে মনত কিছু প্ৰশ্নৰ উদয় হয়। পাৰদৰ্শিতা লাভ কৰিবলৈ হ'লে- নিয়মিত অনুশীলনৰ প্ৰয়োজন। তাৰ বাবে লাগিব আজৰি সময়, মুকলিমুৰীয়া খেল-পথাৰ, প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক আৰু পুষ্টিকৰ আহাৰ। এনেধৰণৰ প্ৰস্তুতিৰ মাজেৰেহে বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে সুদক্ষ খেলুৱৈ হিচাপে সুনাম অৰ্জন কৰিবলৈ সমৰ্থবান হ'ব, আশা কৰিব পাৰি। কিন্তু পৰিতাপৰ কথা যে অসমৰ বেছি ভাগ বিদ্যালয়তে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ। যাৰ ফলত বেছিভাগ বিদ্যালয়ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নথকাত ল'ৰা-ছোৱালীবিলাকে ভাল খেলুৱৈ ৰূপে নিজকে গঢ়ি তোলাৰ পৰা বঞ্চিত হৈ আছে। কথা হ'ল উক্ত সা-সুবিধাৰ অবিহনে শৰীৰ চৰ্চাৰ ক্ষেত্ৰত নিশ্চয় পিচ পৰি থাকিব লগা হ'ব লগতে খেলত ভাল ফল দেখুৱাৰপৰা বঞ্চিত হ'ব। যিহেতু ৰাষ্ট্ৰীয় শিক্ষা নীতিত খেল-ধেমালি অপৰিহাৰ্য অংগ হিচাপে লোৱা হৈছে গতিকে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঐকান্তিক চেষ্টাৰ যোগেদি খেল বিভাগৰ বিভিন্ন খেলসমূহত যোগদান কৰি শৰীৰটোক সুস্থ সবল কৰি গঢ়ি তোলাত মনোনিবেশ কৰাটো বাঞ্ছনীয়। খেল-ধেমালিয়ে সুন্দৰ শৰীৰ গঠনত সহায়ক হোৱাৰ উপৰি মানসিক উৎকৰ্ষ সাধনত খোৰাক যোগায়। ইয়াৰ ফলত এজন ছাত্ৰ বা এজনী ছাত্ৰীয়ে নিয়মানুবৰ্ত্তিতা, অধ্যৱসায়, শিষ্টাচাৰ, সহনশীলতা আদি গুণৰ অধিকাৰী হৈ নিজকে ভাল মানুহ হিচাপে গঢ়ি তুলিবলৈ সমৰ্থবান হ'ব।

শিক্ষাক্ষেত্ৰৰ মাজেৰে এজন ভালখেলুৱৈ হৈ জীৱনৰ অন্য দিশতো কোনো দিশহাৰা নহৈ বা বিচলিত নহৈ অতি আনন্দৰে জীৱন-যাপন কৰিবলৈ সমৰ্থৱান হয়। অলপ লক্ষ্য কৰিলে দেখা যায় যে ভাল খেলুৱৈয়ে নিজৰ অঞ্চলত দেখুৱা কৃতিত্বৰে আন্তজাৰ্তিক খেলতো সুন্দৰ খেল প্ৰদৰ্শন কৰি নিজৰ তথা দেশখনৰো সুনাম বঢ়ায়। এনেকুৱা

কৃতিত্বই নিজৰ দেশখনৰ উপৰি কুটনৈতিক সম্পৰ্ক স্থাপনতো সহায়ক হোৱা দেখা যায়। ভাল খেলুৱৈ এজনে আনৰ আনন্দত ভাগ ল'বলৈ সদায় তেওঁ আগ্ৰহান্বিত হৈ থাকে। মনৰ এনেকুৱা অৱস্থাকেই খেলুৱৈ সুলভ বোলা হয়। গতিকে শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনেকুৱা খেলুৱৈ সুলভ মনোবৃত্তি গঢ়ি তোলাৰ কাৰণে শিক্ষা দিয়া প্ৰয়োজন। বিভিন্ন খেলসমূহৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়ামুখী কৰি তোলাৰ বিশেষ প্ৰয়োজন আহি পৰিছে।

শিক্ষাৰ সৈতে জড়িত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱন যুদ্ধত জয়ী হ'বলৈ হ'লে যিখিনি জ্ঞানৰ দৰকাৰ বা বুদ্ধিৰ প্ৰয়োজন সেইখিনি যিহেতু জন্ম অৱস্থাতেই লাভ কৰা নহয়। তাক আয়ত্ব কৰিবলৈ হ'লে মনৰ একাগ্ৰতা আৰু বিৰামহীন চেষ্টাৰ প্ৰয়োজন। শৰীৰত লুকাই থকা অলসতা নামৰ শত্ৰুটোক বিসৰ্জন দিয়াৰ কাৰণে চেষ্টা অটুট ৰাখিব লাগিব। নীতিকথাত কোৱা আছে- 'আলস্যহি মনুষ্যানাং শৰীৰস্থো মহান ৰিপু'। ইয়াক সততে পৰিত্যাগ কৰি শিক্ষাৰ অংগ স্বৰূপ খেল-ধেমালিৰ লগত জড়িত হৈ থাকিলে দৃঢ় মনোবল আৰু অধ্যৱসায়ৰ বীজ ৰোপণ কৰিব পাৰে। বিজ্ঞলোকে কয়- 'সুস্বাস্থ্যই পৰম সম্পদ'।

গতিকে ছাত্ৰ-ছাত্ৰীসকলে দেহ মনক সুস্থ সবল কৰি ৰাখিবলৈ হ'লে আনুষ্ঠানিক শিক্ষাৰ অংগস্বৰূপ খেল-ধেমালিৰ লগত সম্পূৰ্ণভাৱে জড়িত ৰখাটো একান্ত বাঞ্চনীয়।

***

- প্ৰাচীন গ্ৰীছৰ এলিচ নামৰ নগৰ ৰাষ্ট্ৰখনৰ অলিম্পাচ পাহাৰৰ নামনি অঞ্চলত খ্ৰীঃপূৰ্ব ৭৭৬ চনৰ পৰা ৪ বছৰৰ মূৰে মূৰে অলিম্পিক খেল খেলা হৈছিল। এই প্ৰাচীন অলিম্পিক খেলখন খ্ৰীষ্টিয় চতুৰ্থ শতিকালৈ চলি আছিল।
- বেৰন পিয়েৰি দি কুবাৰ্টিনক আধুনিক অলিম্পিকৰ জন্মদাতা বুলি কোৱা হয়। তেওঁ ১৮৯৪ চনত অলিম্পিক খেলক পুনৰ প্ৰতিষ্ঠা কৰে।
- কুবাৰ্টিনে আধুনিক অলিম্পিকৰ লক্ষ্য হিচাপে ঘোষণা কৰা শ্লোগানটো হ'ল- Hendiatris Citius, Altius, Fortius- এই লেটিন শব্দকেইটাৰ অৰ্থ হ'ল- দ্ৰুততৰ, উচ্চতৰ আৰু অধিকতৰ শক্তিশালী।
- ভাৰতৰ প্ৰথম গৰাকী অলিম্পিক মেডেল বিজেতা আছিল- খাশোৱা দাদা চাহেব যাদৱ। তেওঁ চৰকাৰী বিৰোধিতাৰ সন্মুখীন হৈ আৰু অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈয়ো নিজাববীয়াকৈ ১৯৫২ চনত অলিম্পিকত যোগদান কৰিছিল আৰু তাত ব্ৰঞ্জৰ মেডেল পাবলৈ সক্ষম হৈছিল।
- অলিম্পিক খেলত যোগদান কৰা প্ৰথম গৰাকী অসমীয়া খেলুৱৈ হ'ল- দীপাঙ্কৰ ভট্টাচাৰ্য্য। তেওঁ 'বাৰ্চিলোনা' (১৯৯২ চনত) আৰু 'আটলান্টা' (১৯৯৬ চনত) অলিম্পিকত বেড্‌মিন্টনত অংশ গ্ৰহণ কৰিছিল।
- ১৯৬৬ চনত এছিয়ান গেমছত ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত সোণ মেডেল বিজেতা ভোগেশ্বৰ বৰুৱাৰ জন্মদিন ৩ ছেপ্টেম্বৰ (১৯৪০ চন) তাৰিখটো অসমত 'অভিৰুচি ক্ৰীড়া দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। তেওঁ ভাৰত চৰকাৰৰ দ্বাৰা ১৯৬৬ চনত দৌৰ শাখাত 'অৰ্জুন বঁটা'ৰে সন্মানিত হৈছিল।

Article

# The Unsolved Mystery of the Bermuda Triangle

**Gayatri Deka**
**T.D.C. 6th Semester, Geography Deptt.**

The area of the Atlantic Ocean popularly referred to as the Bermuda Triangle is a complete enigma and has stayed in so much of recorded history.

Many inexplicable assurances and disappearances have taken place in this particular area. No rational explanation has been offered that would account for all the mysterious happenings taking place in the Bermuda Triangle during the course of many thousand of years.

Many of us believe that the Bermuda Triangle is situated more or less in the middle of an area of the Atlantic Ocean that once housed Atlantis. When the Atlantis was destroyed it sank to the very bottom of the ocean. While the ruined temple now play host to multitudinous underwater creatures, the great Atlantian crystals that once provided so much of the tremendous power and energy that was found in Atlantic long ago still exist. All these are still emitting strong energy beams into the universe.

Unfortunately, when the destruction occurred some of these fire-crystal were partially damaged, which has resulted in them projecting this energy rays at random. It is said that each fire crystal would have been at least twenty feet high and some eight feet wide. In Atlantis, these fire crystals would have been created in a service of three, thus creating a vortex of astronomical energy and a power of fixed magnitude!

From time to time, the force field emitted by these damaged Atlantian fire-crystal becomes very powerful and any plane or ship coming within the influence of this force field disintegrates and is transformed into pure energy. Hence, inexplicable and mysterious disappearances that has very often been blamed on the area of ocean known as the Bermuda triangle.

Some scientists have advanced the theory that many of the planes and ships that have been lost and that have disappeared within the Bermuda Triangle have been transported into some kind of Black Hole or time wrap. This simply may not be true.

On a few rare occasions, ships have actually returned. The crew members, have all appeared to be insane, incoherent and babbling wild stories. This has occurred because there are certain times when the force projected by the Atlantian fire-crystals is not strong enough to effect total disintegration.

The rambling that all those crew members have related are hallucinations, thoughts of fear and of unknown in the describable horrors which their minds cannot possiblly cope with.

In the meantime, however the damaged Atlantian fire-crystal will continue from time to time to have an effect upon some of the planes and ships which pass through the devil triangle known as the Bermuda Triangle.

***

গল্প

# ফুলশয্যা

মূলঃ জিব্রান খলিল জিব্রান
অসমীয়া অনুবাদ ঃ আছিৰ উদ্দিন
সহযোগী আৰু মুৰব্বী অধ্যাপক, আৰবী বিভাগ

নৱ দম্পতিহালে মন্দিৰ ত্যাগ কৰিলে। তেওঁলোকৰ আগে আগে আৰিয়াধাৰী কেইজন, পিছে পিছে পুৰোহিতসকল, কাষে কাষে যুৱক-যুৱতীবোৰে সুমধুৰ গীত গাই আকাশ-বতাহ মুখৰিত কৰি খোজ ললে। শোভাযাত্ৰাকাৰীসকল দৰা ঘৰত উপস্থিত হ'ল। নৱ দম্পতিহাল এটা আহল-বহল কোঠাত উচ্চ আসনত বহিল আৰু সংগীসকলে মূল্যৱান চোফাত আসন গ্ৰহণ কৰিলে। লগে লগে ঠাইখিনি শুভাকাঙ্খীৰে ভৰি পৰিল। চাকৰ-নাকৰবোৰে খোৰা টেবুল সজাই দিলে আৰু আপ্যায়নকাৰীসকলে দৰা-কইনাৰ সন্মানাৰ্থে সুৰা বিলাব ধৰিলে। সেই সময়ত গায়ন-বায়নবোৰেও তেওঁলোকৰ বাদ্যযন্ত্ৰৰে সুৰৰ ঝংকাৰ তুলিব ধৰিলে। সুৰাৰ পিয়লাৰ টিং টিং শব্দ খঞ্জুৰীৰ শব্দৰ সৈতে একাকাৰ হৈ হ'ল। সংগীতৰ সুৰৰ তালে তালে সুন্দৰী কুমাৰীবোৰে তেওঁলোকৰ নমনীয় শৰীৰৰ আকৰ্ষণীয় ভাঁজবোৰ প্ৰদৰ্শন কৰি লাৱণ্যময়ী চাঁৰনিৰে নাচিব ধৰিলে। দৰ্শকবোৰে আনন্দমনেৰে এই উদ্দাম নৃত্য উপভোগ কৰিব ধৰিলে আৰু বেছি বেছিকৈ সুৰা পান কৰিব ধৰিলে।

কেইঘন্টামানৰ ভিতৰতে দৃশ্যটিৰ পট পৰিৱৰ্তন হ'ব ধৰিলে আৰু আনন্দময় উৎসৱটি বলিয়ালিৰ উৎসৱলৈ ৰূপান্তৰিত হ'ব ধৰিলে। এফালে এজন যুৱকে তেওঁৰ অন্তৰৰ সকলো অনুভূতি এগৰাকী আকৰ্ষণীয় সুন্দৰী যুৱতীক ঢালি দিছে আৰু তেওঁৰ ক্ষন্তেকীয়া প্ৰশ্নবোধক প্ৰেম প্ৰকাশ কৰিছে। আনহাতে আন এজন যুৱকে এগৰাকী মহিলাৰ সৈতে কথা পাতিবলৈ চেষ্টা কৰিছে, কিন্তু তেওঁৰ সুৰাসিক্ত জিভাই তেওঁ বিচৰা ধৰণে প্ৰকাশ কৰিবলৈ কষ্ট পাইছে। এগৰাকী মহিলাই এজন পুৰুষৰ কাষত বহি ছটফটাই আছে, যিজন পুৰুষে তাইৰ প্ৰতিদ্বন্দ্বী অন্য এজনীৰ প্ৰতি কামুক দৃষ্টিৰে চাই আছে। খিৰিকীৰ কাষত এগৰাকী বিবাহিতা মহিলাই তেওঁৰ প্ৰেমিকৰ সৈতে তৃপ্তি লাভ কৰিবলৈ সুযোগৰ অপেক্ষাত আছে, যিটো ক্ষণত তেওঁৰ গিৰিয়েকে মদৰ নিচাত বিভোৰ হৈ আছে। মুঠৰ ওপৰত সকলোৱে যেন অতীত আৰু ভৱিষ্যতক পাহৰি কেৱল বৰ্তমান উপভোগ কৰাত ব্যস্ত।

এই সকলোবোৰ চলি আছিল আৰু ৰূপৱতী কইনাজনীয়ে বেদনাক্লিষ্ট নয়নেৰে নিৰীক্ষণ কৰি আছিল তাই নিজকে কাৰাগাৰৰ মাজত আবদ্ধ দুৰ্ভগীয়া কয়েদীৰ দৰে অনুভৱ কৰিছিল আৰু দূৰত অকলশৰীয়াকৈ মন মাৰি বহি থকা যুৱক এজনৰ পিনে কোঠাৰ খিৰিকীৰ মাজেদি বাৰে বাৰে দৃষ্টি নিক্ষেপ কৰিছিল - এটা আহত চৰাইৰ দৰে যাক জাকৰ বাকীবোৰ চৰাইয়ে এৰি থৈ গৈছে।

মাজৰাতি মানুহৰ আনন্দ উল্লাসে চৰম পৰ্যায় পালেগৈ। বলিয়ালিৰ সীমা চেৰাই গ'ল। কাৰণ মানুহৰ মনবোৰ আছিল মুক্ত আৰু ভাষাবোৰ আছিল অনিয়ন্ত্ৰিত। দৰাজন আছিল এজন বয়সস্থ লোক। তেওঁ অত্যধিক মদ্যপান কৰিছিল আৰু কইনাগৰাকীক কেতিয়াবাই এৰি থৈ আলহীসকলৰ মাজত পয়চাৰি কৰি আছিল। আপ্যায়নকাৰীসকলৰ সৈতে সুৰা পান কৰিছিল আৰু নিচাৰ বহ্নি-শিখাত ইন্ধন সংযোগ কৰিয়ে আছিল।

কইনাগৰাকীৰ ইংগিতত ছুচান নামৰ এগৰাকী কুমাৰী ওচৰলৈ আহিল

আৰু তাইৰ কাষত বহিল। কইনাজনীয়ে ইফালে সিফালে চাই ভয়াতুৰ মাতেৰে ফুচফুচাই ক'বলৈ ধৰিলে ঃ "মই তোমাক মিনতি কৰো, হে মোৰ সখী! আমাৰ বন্ধুত্ব আৰু এই পৃথিৱীত তুমি ভালপোৱা প্ৰতিটো বস্তুৰ নামত শপত খাই তোমাৰ ওচৰত নিবেদন কৰো। তুমি এতিয়াই যোৱা আৰু ছালিমক কোৱা যে, বাগিছাৰ 'দেৱদাৰু' গছজোপাৰ তলত সি যেন মোক দেখা কৰে। ছুচান, অনুগ্ৰহ কৰি মোৰ হৈ তাক আবেদন কৰিবা আৰু ক'বা যে, মোৰ অনুৰোধ যাতে সি ৰক্ষা কৰে। আমাৰ অতীতৰ কথাবোৰ তাক মনত পেলাই দিবা আৰু ক'বা যে, মই মৰি যাম - যদি তাক দেখা নাপাওঁ। তাক ক'বা যে মই মোৰ ভুল স্বীকাৰ কৰি তেওঁৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু মই অন্তৰৰ সকলো গোপনীয়তা তেওঁৰ ওচৰত ঢালি দিব বিচাৰিছেঁ। সোনকালে কৰা, ভয় নকৰিবা।"

ছুচানে কইনাগৰাকীৰ বাৰ্তা নিষ্ঠাৰে ব্যক্ত কৰিলে। এজন পিপাসু লোকে দূৰৱৰ্তী এটি নিজৰাৰ পিনে চাই থকাৰ দৰে ছালিমে তাইৰ পিনে লক্ষ্য কৰিলে আৰু শান্তভাৱে ক'লে - "মই যথাস্থানত তাইৰ বাবে অপেক্ষা কৰিম।"

ছালিম ঘৰৰ পৰা ওলাই গ'ল আৰু কেইমিনিটমানৰ ভিতৰতে কইনাজনীও মদপী সংগীবোৰৰ মাজৰপৰা পলাই আহি তাক অনুসৰণ কৰিলে। তাই বাগিছাত উপস্থিত হ'ল আৰু ব্যাঘ্ৰ ভীতিত পলায়নকাৰী হৰিণীজনীৰ দৰে মাজে মাজে পিছফালে লক্ষ্য কৰিব ধৰিলে। তাই 'দেৱদাৰু' গছজোপাৰ পিনে গতি কৰিলে য'ত যুৱকজনে তাইৰ বাবে অপেক্ষা কৰি আছিল। তাই যুৱকজনৰ কাষ চাপি বাহুদ্বয়ৰে তাক সাৱটি ধৰিলে আৰু চকুলো টুকি টুকি ক'বলৈ ধৰিলে - "প্ৰিয়তম মোৰ, মোৰ কথা শুনা। মই খৰধৰ কৰা বাবে দুঃখিত। মই অনুতাপ কৰিছো আৰু মোৰ অন্তৰ দুখেৰে ভাৰাক্ৰান্ত হৈছে। মই তোমাক ভালপাওঁ আৰু আন কাকো ভাল নাপাওঁ। মোৰ জীৱনৰ অন্তিম মুহূৰ্তলৈকে তোমাক ভাল পায়েই থাকিম। তেওঁলোকে মোক মিছাকৈ কৈছিল যে, তুমি আন কাৰোবাক ভাল পোৱা। নাজিবিয়ে মোক প্ৰতাৰণা কৰিছে। তাই মোক কৈছিল যে, তুমি তাইৰ প্ৰেমত পৰিছা আৰু এইদৰেই তাই তাইৰ সম্পৰ্কীয় ভাতৃক দৰা হিচাপে গ্ৰহণ কৰিবলৈ মোক বাধ্য কৰাইছিল। মই এতিয়া বিবাহিতা, কিন্তু তুমিয়েই একমাত্ৰ যাক মই ভালপাওঁ। সেয়ে তুমিয়ে মোৰ স্বামী। এতিয়া মোৰ চকুৰ আৱৰণ আঁতৰি গৈছে আৰু সত্য উদয় হৈছে। মই তোমাৰ ওচৰলৈ আহিছো জীৱনৰ শেষ মুহূৰ্তলৈকে তোমাক অনুসৰণ কৰিবলৈ। মই কেতিয়াও সেই মানুহজনৰ ওচৰলৈ উভতি নাযাওঁ যাক মিথ্যা আৰু সংকীৰ্ণ ৰীতিয়ে মোৰ বাবে স্বামী মনোনীত কৰিছে। সোনকাল কৰা, মোৰ প্ৰিয়তম আৰু ৰাতিৰ আন্ধাৰতে আমি এই ঠাই পৰিত্যাগ কৰিম। আমি সাগৰৰ পাৰলৈ যাওঁ আৰু এখন জাহাজত উঠি দূৰৱৰ্তী দেশ এখনলৈ গুচি যাওঁ। আমি এতিয়াই যাত্ৰা কৰো অন্যথা ৰাতি পুৱালেই আমি শত্ৰুৰ হাতত পৰিম। মোৰ হাতত যথেষ্ট মূল্যৱান অলংকাৰ আছে যাৰ দ্বাৰা আমাৰ জীৱনকাল চলি যাব।"

"তুমি কিয় কথা নোকোৱা, ছালিম?"

"তুমি কিয় মোৰ পিনে নোচোৱা?"

"তুমি কিয় মোক চুমা নোখোৱা?"

"তুমি মোৰ আত্মাৰ বিননি আৰু হৃদয়ৰ চিৎকাৰ শুনিছানে? কথা কোৱা ছালিম, কথা কোৱা। আমি সোনকালে এই ঠাই পৰিত্যাগ কৰো ব'লা। আমি নষ্ট কৰা মিনিটবোৰ হীৰাতকৈও মূল্যৱান আৰু ৰজাৰ ৰাজমুকুটতকৈও বেছি মৰমৰ।"

তাইৰ থোকাথুকি মাতবোৰ ঘন হৈ আহিল। যিবোৰ মাত জীৱনৰ ফুচফুচনিতকৈও বেছি অকৃত্ৰিম আছিল, মৃত্যুৰ যন্ত্ৰণাকাতৰ বিননিতকৈও অধিক অসহনীয় আছিল, চৰাইৰ কোমল পাখিতকৈও অধিক কোমল আছিল আৰু সাগৰৰ ঢৌৰ কল্লোলতকৈও অধিক গভীৰ আছিল। এই মাতখিনি প্ৰকাশিত হৈছিল - আশা আৰু নিৰাশাৰে, আনন্দ আৰু বেদনাৰে, সুখ আৰু দুখেৰে, জীৱনৰ

প্ৰয়োজনীয়তাৰে আৰু মৃত্যুৰ আশাৰে। যুৱকজনে শুনি আছিল। কিন্তু তাৰ বিবেকৰ মাজত ভালপোৱা আৰু সন্মানবোধে পৰস্পৰে প্ৰতিদ্বন্দ্বিতা কৰিছিল। দীৰ্ঘ সময় নীৰৱে থকাৰ পিছত যুৱকজনে মূৰটো দাঙিলে আৰু শান্তভাৱে ক'লে -

"তুমি তোমাৰ অদৃষ্টৰ ওচৰলৈ উভতি যোৱা। কাৰণ, এতিয়া বহুত পলম হৈ গ'ল। অতিথিসকলে তোমাক ইয়াত দেখাৰ আগতেই তুমি উভতি যোৱা।"

তাই এই কথাখিনি শুনি ধুমুহা বতাহৰ আগত লেৰেলি পৰা ফুলপাহৰ দৰে কঁপি উঠিল আৰু দুখেৰে ক'লে -

"মই কেতিয়াও সেই ঘৰলৈ উভতি নাযাওঁ যিখন ঘৰ মই চিৰদিনৰ বাবেই ত্যাগ কৰিছো। মই এতিয়া কাৰাগাৰৰপৰা পলায়নকাৰী কয়েদীৰ দৰে। তুমি মোক তোমাৰপৰা আঁতৰাই নপঠাবা। পৃথিৱীত এনে কোনো শক্তি নাই যিয়ে তোমাক মোৰপৰা আঁতৰাই নিব পাৰে। এনেকি মৃত্যুয়েও আমাৰ আত্মাক পৃথক কৰিব নোৱাৰে। কাৰণ এয়া স্বৰ্গৰ ইচ্ছা, সেয়ে একমাত্ৰ স্বৰ্গইহে ইয়াক ওলোটাব পাৰে।"

কৃত্ৰিম অমনোযোগিতা প্ৰদৰ্শন কৰি তাইৰ বাহু বন্ধনৰপৰা মুক্ত হ'বলৈ চেষ্টা কৰি ছালিমে ক'লে -

"মোৰ পৰা গুচি যোৱা। মই আন এজনীক গভীৰভাৱে ভালপাওঁ যাৰ বাবেই মই এই পৃথিৱীত তোমাৰ অস্তিত্ব পাহৰি গৈছো। নাজিবিয়ে তোমাক সঁচা কথাই কৈছে যে, মই তাইক ভালপাওঁ। তুমি তোমাৰ স্বামীৰ ওচৰলৈ উভতি যোৱা আৰু এজনী বিশ্বস্ত পত্নী হোৱাগৈ যিদৰে ৰীতি-নীতিয়ে পৰিচালিত কৰে।"

কইনাজনীয়ে আশাহীন ভাৱে প্ৰতিবাদ কৰিলে - "নহয়, নহয়! মই তোমাক বিশ্বাস নকৰো, ছালিম। মই জানো যে, তুমি মোক ভালপোৱা আৰু তাৰ প্ৰমাণ তোমাৰ চকুত স্পষ্টকৈ দেখিছো। মই তোমাৰ প্ৰেমৰ গোন্ধ পাইছো..... যেতিয়া মই তোমাৰ ওচৰলৈ আহিছিলো। মোৰ হৃদয়ৰ স্পন্দন থকালৈকে মই তোমাক এৰি মোৰ স্বামীৰ ঘৰলৈ কেতিয়াও উভতি নাযাওঁ। পৃথিৱীত অন্তিম মুহূৰ্তলৈ তোমাক অনুসৰণ কৰিবলৈ মই ইয়ালৈ আহিছোঁ। ব'লা ছালিম। অন্যথা মোক ৰক্তপাত কৰি এতিয়াই মোৰ জীৱন কাঢ়ি লোৱা।"

পূৰ্বতকৈ দুৰ্বল সুৰত ছালিমে উত্তৰ দিলে - "মোক ত্যাগ কৰা, নহ'লে মই চিঞৰি চিঞৰি মানুহবোৰক এই বাগিচাত গোট খুৱাম। তেওঁলোকে তোমাক অপমান কৰিব আৰু মোৰ প্ৰিয়তমাই হাঁহিব আৰু তাইৰ জয়োল্লাসৰ বাবে তাই গৌৰৱবোধ কৰিব।"

ছালিমে তাইৰ বাহুবন্ধনৰপৰা মুক্ত হ'বলৈ চেষ্টা কৰিলে। লগে লগে তাই এগৰাকী আশাবাদী, বিনীত আৰু নম্ৰ আবেদনময়ী নাৰীৰ পৰা পোৱালী হেৰুৱা এজনী সিংহিনীলৈ ৰূপান্তৰিত হ'ল। তাই চিঞৰি উঠিল - "কোনেও মোৰ ওপৰত জয়োল্লাস কৰিব নোৱাৰে আৰু মোৰ পৰা মোৰ প্ৰেমক কাঢ়ি নিব নোৱাৰে।"

এই খিনি কৈ তাই তাইৰ কইনাসাজৰ পৰা এখন চোকা শানিত ছুৰী উলিয়ালে আৰু বজ্ৰ গতিৰে যুৱকজনৰ বুকুত সুমুৱাই দিলে। লগে লগে ধুমুহা বতাহৰ আগত ভাঙি পৰা কোমল ঠানিৰ দৰে তেওঁ মাটিত বাগৰি পৰিল। তাই ৰক্তৰঞ্জিত ছুৰীখন হাততলৈ যুৱকজনৰ শৰীৰৰ ওপৰত ঢলি পৰিল। যুৱকজনে চকু দুটা মেলিলে আৰু তাৰ ওঁঠদ্বয় স্পন্দিত হ'ল। তেওঁ থোকাথুকি মাতেৰে ক'বলৈ ধৰিলে -

"এতিয়া আহা, মোৰ প্ৰিয়তমা। আহা লাইলা। মোক এৰি নাযাবা। জীৱনটো মৃত্যুতকৈ দুৰ্বল আৰু মৃত্যু প্ৰেমতকৈ দুৰ্বল। মোৰ প্ৰিয়তমা লাইলা। তুমি মোক জীৱনৰ যন্ত্ৰণাৰপৰা মুক্তি দিলা। শিকলি চিঙি, বা তোমাৰ হাতখনত মোক চুম্বন কৰিবলৈ দিয়া। মোক চুমা খোৱা আৰু মোক ক্ষমা কৰা। কাৰণ মই সত্যবাদী নাছিলো। তোমাৰ ৰক্তৰঞ্জিত হাতখন মোৰ মৰহি যাব ধৰা হৃদয়ৰ ওপৰত স্থাপন কৰা। যেতিয়া মোৰ আত্মা আকাশলৈ উঠি যাব, তেতিয়া ছুৰীখন মোৰ সোঁহাতত ৰাখি থবা আৰু ক'বা যে মই আত্মহত্যা কৰিছোঁ।"

তেওঁ উশাহ-নিশাহ বন্ধ কৰি ফুচফুচাই ক'লে - "মই তোমাক ভালপাওঁ লাইলা, আৰু কেতিয়াও

আনক ভালপোৱা নাছিলো। তোমাৰ সৈতে পলাই যোৱাতকৈ আত্মোৎসৰ্গই শ্ৰেয় বুলি ভাবিছিলো। মোক চুমা খোৱা, হে মোৰ প্ৰিয়তমা, মোক চুমা খোৱা, মোৰ আত্মাৰ প্ৰেয়সী।"

যুৱকজনে তেওঁৰ হাত দুখন জখমী বুকুৰ ওপৰত থলে আৰু মুহূৰ্তৰ ভিতৰতে শেষ নিশ্বাস ত্যাগ কৰিলে। কইনাজনীয়ে বিবাহোৎসৱথলীৰ পিনে তীক্ষ্ণ ভাৱে দৃষ্টি নিক্ষেপ কৰিলে আৰু মৰণকাতৰ ভাৱে চিঞৰি দিলে -

"ওলাই আহা, হে চেতনাহীন বুৰ্বক মানুহবোৰ। কাৰণ ইয়াতহে বিবাহ উৎসৱ। কইনা আৰু দৰাই তোমালোকৰ বাবে অপেক্ষা কৰি আছে। আহা, আহা আমাৰ ফুলশয্যা চোৱা। ওলাই আহা উন্মাদ আৰু সুৰাপায়ী মানুহবোৰ। সোনকালে আহা এই ঠাইলৈ যাতে আমি তোমালোকৰ আগত প্ৰেম, মৃত্যু আৰু জীৱনৰ সত্যতা প্ৰকাশ কৰিব পাৰো।"

তাইৰ চৰম উত্তেজনাপূৰ্ণ আৰ্তনাদ বিবাহথলীৰ প্ৰতিটো চুকে-কোণে বাজি উঠিল আৰু অতিথিসকলৰ কাণত প্ৰতিধ্বনিত হ'ল। যিয়ে যেনেদৰে আছিল বাহিৰলৈ ওলাই আহিল। তেওঁলোকে বিষাদপূৰ্ণ দৃশ্যৰ ওচৰ চাপি ছালিমৰ শৰীৰৰ ওপৰত কইনাজনীয়ে উচুপি থকা দেখা পালে। ভয় আৰু উৎকণ্ঠাত সকলোৱে পিছুৱাই যাব ধৰিলে আৰু কোনেও কাষলৈ আহিবলৈ সাহস নকৰিলে। যুৱকজনৰ বুকুৰ পৰা নিৰ্গত হোৱা তেজৰ নিজৰা আৰু কইনাজনীৰ হাতত থকা ছুৰীখনে যেন তেওঁলোকক হতভম্ব কৰি পেলাইছিল আৰু তেওঁলোকৰ শৰীৰৰ তেজ গোট মাৰিছিল।

কইনাজনীয়ে তেওঁলোকৰ পিনে দৃষ্টি নিক্ষেপ কৰিলে আৰু দুখতে বিনাই বিনাই ক'বলৈ ধৰিলে - "আহা, কাপুৰুষসকল! মৃত্যুৰ প্ৰচ্ছায়াক ভয় নকৰিবা, যাৰ মহানতাই তোমালোকৰ নীচতাৰ ওচৰ নাচাপে আৰু এই ছুৰীখনক ভয় নকৰিবা। কাৰণ এইখন এখন স্বৰ্গীয় অস্ত্ৰ, যিয়ে তোমালোকৰ কদৰ্য শৰীৰ আৰু শূণ্য হৃদয়ক স্পৰ্শ নকৰে। এই সুন্দৰ যুৱকজনলৈ চোৱা - তেৱেঁই মোৰ প্ৰিয়তম। ময়েই তেওঁক হত্যা কৰিছো। কাৰণ মই তেওঁক ভাল পাইছিলো। তেওঁ মোৰ দৰা আৰু মই তেওঁৰ কইনা। আমি আমাৰ প্ৰেমৰ যোগ্য এখন বিচনা এই পৃথিৱীত বিচাৰিছিলো। কিন্তু তোমালোকৰ অজ্ঞতা আৰু পৰম্পৰাৰ বাবে সেয়া সম্ভৱ নহ'ল। সেয়ে আমি এই বিচনাখনকে বাছি ল'লো। ক'ত সেই দুষ্ট নাজিবি, নৰকৰ সেই ফেঁটীসাপ, যিয়ে মোক প্ৰতাৰণা কৰিলে? ক'ত সেইজনী যিয়ে মোৰ প্ৰিয়তমৰ বিদায় উৎসৱ পালন কৰিবলৈ তোমালোকক ইয়াত গোট খুৱাইছে? তাই মোৰ বাবে মনোনীত কৰা স্বামীৰ বিবাহ উৎসৱ পালন কৰিবলৈ নহয়। মোৰ কথাবোৰ তোমালোকৰ বাবে অস্পষ্ট, কাৰণ তলি নোহোৱা গভীৰতাই আকাশৰ তৰাৰ গান বুজিব নোৱাৰে। তোমালোকে তোমালোকৰ ল'ৰা-ছোৱালীবোৰক ক'বা যে, মই বিবাহৰ নিশাই মোৰ প্ৰিয়তমক হত্যা কৰিছো। মোৰ নাম তোমালোকৰ কদৰ্য ওঁঠত শাওঁপাতৰ সৈতে উচ্চাৰিত হ'ব। কিন্তু তোমালোকৰ নাতি-নাতিনীয়ে মোক আশীৰ্বাদ কৰিব। কাৰণ অহাকালি হ'ব সত্য আৰু হৃদয়ৰ স্বাধীনতাৰ উৎসৱ। আৰু তুমি! মোৰ অজ্ঞ স্বামী! তুমি মোৰ শৰীৰটোক কিনিছিলা, কিন্তু মোৰ প্ৰেমক নহয়। তুমি মোৰ গৰাকী হৈছিলা, কিন্তু মোক অধিকাৰ কৰা নাছিলা। তুমি হ'লা এটা দৰিদ্ৰ জাতিৰ প্ৰতীক - আন্ধাৰৰ মাজত পোহৰ বিচাৰিছিলা শিলৰ পৰা বৈ অহা পানীৰ বাবে অপেক্ষা কৰিছিলা। মই তোমাক ক্ষমা কৰিলোঁ। কাৰণ ইতিমধ্যে সুখী বিদেহী আত্মাই তোমালোকৰ পাপবোৰ ক্ষমা কৰি দিছে।"

তাৰ পিছত কইনাজনীয়ে তাইৰ ছুৰীখন আকাশৰ পিনে দাঙি ধৰিলে আৰু এজন পিপাসু মানুহে পানীৰ গিলাচ ওঁঠৰ ওচৰলৈ অনাৰ দৰেই ইয়াক তললৈ নমালে আৰু নিজৰ বুকুৰ মাজত সুমুৱাই দিলে। তাই কাঁচিৰ কোবত ঢলি পৰা লিলি ফুলপাঁহৰ দৰে তাইৰ প্ৰেমিকৰ কাষত ঢলি পৰিল। মাইকী মানুহবোৰে এই ভয়াৱহ দৃশ্য একে থিৰেৰ চাই আছিল আৰু ভয়ত চিঞৰি উঠিল। কিছুমান মূৰ্চ্ছা গ'ল। মানুহৰ কোলাহলে আকাশ-বতাহ কঁপাই তুলিলে। যেতিয়া তেওঁলোকে লাজ আৰু ভয়-ভীতিৰে ওচৰ চাপিল, তেতিয়া আহত শৰীৰৰ পৰা তেজৰ নিজৰা বৈ থকা মৃত্যুগামী কইনাই

তেওঁলোকৰ পিনে লক্ষ্য কৰি ফেকুৰি ফেকুৰি ক'ব ধৰিলে -

"আমাৰ পৰা দূৰত থাকা আৰু আমাৰ শৰীৰ দুটা পৃথক নকৰিবা। যদি তোমালোকে এনেকুৱা পাপ কাম কৰা, তেন্তে আমাৰ আত্মাই তোমালোকৰ মূৰৰ ওপৰত ওলমি থাকিব। তোমালোকক আক্ৰান্ত কৰিব আৰু তোমালোকৰ জীৱন কাঢ়ি নিব। এই ভোকাতুৰ পৃথিৱীখনক আমাৰ শৰীৰ দুটাক গিলিব দিবা আৰু ইয়াৰ বুকুৰ মাজত আমাক আশ্ৰয় ল'ব দিবা।"

তাই লাহে লাহে প্ৰেমিকৰ শৰীৰৰ পেৰলৈ উঠি আহিল আৰু তাইৰ ওঁঠদ্বয়ক তাৰ ঠাণ্ডা হৈ পৰা ওঁঠদ্বয়ৰ ওপৰত ৰাখিলে আৰু শেষবাৰৰ বাবে উচ্চাৰণ কৰিলে -

"চোৱা প্ৰিয়তম! চিৰদিনৰ বাবে চাই যোৱা। আমাৰ বন্ধুসকললৈ চোৱা। নিলাজ আৰু হিংসুকসকলে কেনেকৈ আমাৰ ফুলশয্যাৰ চাৰিওফালে আগুৰি আছে। তুমি বহু সময় ধৰি মোৰ বাবে অপেক্ষা কৰি আছিলা, ছালিম। মই ইয়াত। কাৰণ মই শিকলিৰ বান্ধোন ছিঙিলো। আমি দুয়ো স্বৰ্গলৈ গুচি যাওঁ। আমি বহুদিন ধৰি এই আৱদ্ধ অন্ধকাৰ পৃথিৱীত অপেক্ষা কৰি আছিলো। সকলো বস্তুই এতিয়া মোৰ দৃষ্টিৰ পৰা অদৃশ্য হৈছে। মই তোমাৰ বাহিৰে আন কাকো দেখিব পৰা নাই, হে মোৰ প্ৰিয়তম। এই দুখন মোৰ ওঁঠ, মোৰ আটাইতকৈ মহান পাৰ্থিৱ সম্পদ। মোৰ মানৱীয় শেষ নিশ্বাস তুমি গ্ৰহণ কৰা। আহা ছালিম। আমি এতিয়া প্ৰস্থান কৰো।"

তাই মূৰটো ছালিমৰ বুকুৰ ওপৰত পেলাই দিলে। তাইৰ দৃষ্টিহীন চকু দুটাই তেতিয়াও মেল খাই আছিল আৰু তাৰ পিনে একেথিৰে চাই আছিল। নীৰৱ নিস্তব্ধতা বিৰাজ কৰিলে। মৃত্যুৰ মহানতাই যেন মানুহবোৰৰ বাক শক্তি হৰণ কৰিলে আৰু তেওঁলোক অলৰ-অচৰ হৈ পৰিল। ইতিমধ্যে বিবাহ সম্পন্ন কৰা পুৰোহিতজন আহি তাত উপস্থিত হ'ল আৰু তেওঁৰ তৰ্জনী আঙুলিৰে মৃত শৰীৰযোৰক ইংগিত কৰি চিঞৰিলে -"সেই হাতবোৰ অভিশপ্ত, যিবোৰে এই ৰক্তক্ষয়ী বদগমী পাপীষ্ঠ মৰাশ হালক স্পৰ্শ কৰিব আৰু অভিশপ্ত সেইবোৰ চকু যিবোৰে এই পিশাচ আত্মা দুটাৰ বাবে দুখত চকুলো টুকিব। মৰাশ দুটাক এই ব্যাধিগ্ৰস্ত কলংকিত ঠাইতে থাকিব দিয়া - যেতিয়ালৈ জন্তুবোৰে আহি তেওঁলোক মাংস ভক্ষণ নকৰে আৰু বতাহে তেওঁলোকৰ হাড়বোৰ উৰুৱাই লৈ নাযায়। তোমালোকে নিজৰ নিজৰ ঘৰলৈ উভতি যোৱা আৰু এই পাপীষ্ঠ দুটাৰ অশুচি-অপৱিত্ৰতাৰ পৰা হাত সাৰা। নৰকৰ অগ্নিশিখাই স্পৰ্শ কৰাৰ আগতেই তোমালোকে আঁতৰি যোৱা। যিয়ে ইয়াত থাকিব তেওঁ অভিশপ্ত হ'ব আৰু গীৰ্জাৰ পৰা সমাজচ্যুত হ'ব তথা প্ৰভুক উপাসনা কৰিবলৈ খৃষ্টানসকলৰ লগত যোগ দিব নোৱাৰিব।"

কইনাজনী আৰু তাইৰ প্ৰেমিকৰ মাজত বাৰ্তাবাহক হিচাপে কাম কৰা ছুচানে সাহসেৰে আগবাঢ়ি আহি পুৰোহিতজনৰ সন্মুখত থিয় হ'ল। তাই অশ্ৰুসিক্ত নয়নেৰে তেওঁৰ পিনে লক্ষ্য কৰিলে আৰু ক'লে - "মই ইয়াতেই থাকিম। হে নিৰ্দয় পাষণ্ড। ৰাতিপুৱালৈ মই তেওঁলোকক পহৰা দিম। মই এই ওলমি থকা ডালৰ তলত কবৰ খান্দিম আৰু তেওঁলোকৰ পাৰ্থিৱ অন্তিম চুম্বনৰ এই বাগিছাতে তেওঁলোকক কবৰস্থ কৰিম। তুমি অতি সোনকালে এই ঠাই ত্যাগ কৰা। কাৰণ গাহৰিয়ে ধূপৰ মলমলীয়া গোন্ধক ঘিণ কৰে আৰু চোৰবোৰে জোনাক ৰাতি আৰু জকমকীয়া সূৰ্যোদয়ক ভয় কৰে। তুমি তোমাৰ অন্ধকাৰময় কক্ষলৈ সোনকালে গুচি যোৱা। কাৰণ দেৱদূত বিলাকৰ স্তুতি তোমাৰ কাণত প্ৰৱেশ নকৰে - যি কান কঠিন, নিষ্ঠুৰ বন্ধন আৰু বুৰ্বক নিয়মৰ দ্বাৰা ৰুদ্ধ হৈ আছে।"

মানুহৰ জুমটো শেতা পৰা মুখৰ পুৰোহিতজনৰ সৈতে লাহে লাহে বিদায় ল'লে আৰু ছুচানে লাইলা আৰু ছালিমক পহৰা দিয়ে থাকিল, যিদৰে এজনী মৰমীয়াল মাকে ৰাতিৰ নিস্তব্ধতাত নিজৰ সন্তানবোৰক পহৰা দিয়ে। যেতিয়া মানুহবোৰ গুচি গ'ল তাই বাগৰি পৰিল আৰু ক্ৰন্দনৰত দেৱদূত সকলৰ সৈতে কান্দি থাকিল।

***

গল্প

# ভূত

**বিজয় কুমাৰ শৰ্মা**
**সহযোগী অধ্যাপক, অসমীয়া বিভাগ**

পলা! পলা! গাঁৱৰ ৰাইজেও কাউৰী চিঞৰ-বাখৰ কৰি উৰি যোৱাৰ দৰে, দৌৰিছে মানে দৌৰিছে।

ছাই ৰেণ বজাই থানাৰ গাড়ীখন অহাত মানুহে আৰু ভয় খালে। ঐ পলা! নিচিএৱিবি। পথাৰেৰে পলা। ঘটনাৰ গুৰি কোনেও নাপালে। পুলিচৰ গাড়ী গৈ থাকোতে দেখা পালে ৰাষ্টাৰ ওচৰতে থকা স্কুল ঘৰটোত জুই জ্বলি আছে।

বয়সস্থ কিছু লোকৰ লগতে ডেকা ল'ৰা কেইজনমানো পহৰা দিয়া ঠাই খিনিলৈ আহিল। পুলিচৰ মানুহক ক'লে সিহঁতে বন্দুক বাৰুদ লৈ আমাক আক্ৰমণ কৰিব আহিছে।

আমাক নিৰাপত্তা দিয়াৰ ব্যৱস্থা এটা কৰক। বহুত দিন শান্তিৰে শুব পৰা নাই।

ইয়াতে বেটেলিয়ানৰ কেম্প এটা হ'ব। আপোনালোকে সহায় কৰি দিব।

ডেকাহঁতেও মিলি ৰাষ্টাৰ ওচৰতে টিনৰ চাল বেৰ দি অস্থায়ী কেম্প এটা সাজি উলিয়ালে। ছজন চৰকাৰী মানুহ। গাঁৱৰ ডেকা দুজনমানে কেম্পত যা-যোগাৰ কৰি দিয়ে। তাত থাকি ভালপায় সিহঁতে। ঘৰত কাম-

কেতিয়াবা কেতিয়াবা জুই একুৰা উৰি আহি ঘৰৰ চৌহদত পৰে। এবাৰ গোহালি ঘৰৰ চালত পৰি গোহালি জ্বলি গ'ল।

মাজে মাজে ঠাইডোখৰত পথ ডকাইতিও হৈছিল। চিঞৰ-বাখৰ শুনিলে বামুণ ওলাই আহে। ডকাইত নোহোৱা হয়। ভূক্তভোগী কেতিয়াবা ৰাতিটো তাতে থাকি পুৱা গুচি যায়। পুলিচত খবৰ দিলে বামুণকে আহি নানাধৰণৰ প্ৰশ্ন কৰে। আমনি পাই ঘৰখনকে আন ঠাইলৈ উঠাই নিলে।

সেইদিনা ওচৰৰ বাকাৰাখনত বেহাৰৰ কোটোলাত জুই লগাই দিছিল। ডেকাহঁতে চুৰ কৰি অনা নাৰিকল খাই শেষ কৰিব নোৱাৰি কেইটামান কোটোলাৰ তলত লুকাই থৈছিল। আবেলি জ্বলি উঠা কোটোলাৰ ছাইৰ তলত লাহে লাহে গৰম হোৱা নাৰিকল পাঁচটা এটা এটাকৈ হিলৈ যোৱাত জুইৰ ফিৰিঙতি আৰু ছাইয়ে ঠাইডোখৰ ৰণক্ষেত্ৰৰ দৰে কৰি তুলিলে। পহৰা দিয়া দলেও উৱাদিহ নাপালে, আন্দোলনকাৰীয়েও নাপালে। তৎ ধৰিব নোৱাৰি দুয়োটা ফৈদৰ ডেকাহঁত নিজ নিজ গাঁৱৰ ফালে চিঞৰ-বাখৰ কৰি পলাব ধৰিলে।

পলা! পলা!
খেদি আহিছে, দৌৰ, দৌৰ
পলা!'

দুটা ফৈদৰ লোক দুফালে পলাব ধৰিলে। লাম্ লাকটু, সৰু ল'ৰা-ছোৱালীক হাতত ধৰি টানি, চোচৰাই, পৰি-হৰি কেৱল দৌৰিছে।

'দৌৰ, দৌৰ!
পুলিচ! পুলিচ!'

এটা ফৈদে স্বাধীনতাৰ দাবীত বহুত দিন আগৰে পৰা আন্দোলন কৰি আহিছে। আন ফৈদক মাজে সময়ে দোৱাৰোপ কৰি থাকে। আনটো ফৈদৰ লোকে আন্দোলনকাৰী সকলে ক্ষতি কৰাৰ সম্ভৱনাত নিৰ্দ্দিষ্ট স্থান এডোখৰত ৰাতি ৰাতি পাল পাতি পহৰা দিয়ে। সেইখিনি দুয়োটা ফৈদৰ বাবে মাজ ঠাই। জনবসতি নাই। প্ৰায় দুই কিলোমিটাৰ। আন্দোলনকাৰীহঁতৰ মানুহেও মাজে সময়ে ঠাই ডোখৰৰ নিৰ্দ্দিষ্ট দূৰত্বত ৰৈ আনটো দলৰ গতিবিধি নিৰীক্ষণ কৰে।

ঠাই ডোখৰত আগেয়ে বামুণ মানুহ এঘৰ আছিল। কেইবছৰমান থকাৰ পিছত তাৰ পৰা গুচি গ'ল। তাত ভূত ওলায়। ভূতৰ ভয়। চপৰা দলিয়ায়। ঘৰৰ বেৰত কোবায়।

বন নাই। ভাত ৰান্ধিও দিয়ে। হাঁহ-কুকুৰাৰ মঙহেৰে খাবলৈও পায়। পহৰাদাৰীহঁতৰ লগত তাচ খেলে, কথা পাতে। বিভিন্ন কথা। কথাৰ মূৰত ভূতৰ কথা ওলায়। তাত যে ভূত আছিল সেই কথাও ওলাল। ঠাই ডোখৰৰ পৰা বহু দুৰলৈ কিয় মানুহৰ বসতি নাই সেই বিষয়ে বিভিন্ন ৰসাল অথচ সাজি লোৱা কথা ওলায়। সিহঁতৰ ভয় লাগে। ডেকাহঁতক কয় আমাক নেৰিবি।

জোৱানকেইজন গাঁওখনৰ আলহীৰ দৰেই হৈ পৰিল। বীৰভদ্ৰ বিহাৰৰ ফালৰ। ভঙা ভঙা অসমীয়া ক'ব পাৰে। তাৰ মাত-কথা শুনিবৰ বাবে বহুতৰে ইচ্ছা। সেয়ে তাৰ আলহী বেছি। ৰাতি আঠ-ন বজালৈ সি গাঁও ফুৰে। আন দুই এজনেও গাঁও ফুৰিবলৈ যায়।

কেম্পটোৰ পৰা প্ৰায় এককিলোমিটাৰ মান অহাৰ পিছত প্ৰকাণ্ড চৌহদৰে থকা ঘৰখনেৰে কেম্পৰ ফালৰ পৰা আৰম্ভ হোৱা গাঁৱৰ প্ৰথম ঘৰ চহৰৰ ফালৰ পৰা আহিলে সেই ঘৰ শেষৰ ঘৰ। সেই ঘৰখন ৰাস্তাৰ একাষে। আনকাষে আন আন লোকৰ তামোল-পাণ-গছগছনিৰে ভৰা প্ৰকাণ্ড বাৰী। অকলশৰীয়া মানুহৰ বাবে বা এদিনীয়া মানুহৰ বাবে ঠাইখিনি জয়াল হৈ পৰে। ৰাস্তাত মানুহ নাথাকিলে ঠাই ডাখৰ পাৰ হ'বলৈ দিনৰ ভাগতে বহুতে ভয় কৰে। গছৰ পাত সৰিলেও পিছফালে ঘূৰি চাবলৈ বহুতৰে সাহস নহয়। ফাগুনমহীয়া বতাহত সৰি থকা শুকান পাতৰ ওপৰেৰে গছৰ পাত চুচৰি গ'লে কিবা গৈ থকা যেন লাগে। দিনতে। ৰাতি শৌচ-পেচাব হুও হুও কৰে। দুই এজন বুকু ডাঠ মানুহ ঠাইখিনি পাৰ হোৱাৰ সময়ত গান গাই যায়। পদ গাব নজনাজনে কি আওৰায় তেওঁহে জানে।

এবাৰ এজন ডেকাই পদ গাই অহা কাৰোবাক ভয় খুৱাম বুলি কম্বল এখনেৰে মূৰ-গা ঢাকি হাত দুখন মাটিত পাৰি ভৰি দুখন পোনাই চাৰিঠেঙীয়া জন্তু অহাৰ দৰে আহি আছে। মাজে মাজে বৈ ককালটো উঠা-নমা কৰায়। আন এজনেও একে উদ্দেশ্যেৰে বিপৰীত দিশৰ পৰা একেদৰে আহি আছে। আহি আহি যেতিয়া দুয়োৰে মূৰে মূৰে খুন্দা খালে - মৰিলো ঔ, মৰিলো ঔ বুলি চিঞৰি তালফাল লগালে। একোটা পাকত আহি দুয়ো দুয়োকে গবামাৰি ধৰি দবৰা-দবৰি যুঁজ লাগিল। সিহঁত মুখত মাতবোৰ অস্পষ্টৰ দৰে যদিও অলপ টং কৰিলে ধৰিব পাৰি এজনে কয় - তোৰ বাপেৰক জানো, তোৰ মাৰক জানো, তোৰ মূৰত মুতিম। আন এজনে ক'লে - তই মৰা খোৱা, তই পচা খোৱা, তই খালেই পেটা, তোক জালেৰে বান্ধি থম। পদ গাই আহি থকা এজনে সেইখিনি পাই কি হৈছে ভূ নাপাই খালে ঐ, মাৰিলে ঐ বুলি অহা বাটেৰে মাৰিলে দৌৰ। দৌৰ মাৰি গৈ থাকোঁতে ৰাস্তাত শুই থকা কুকুৰ এটা গচকিলে। কুকুৰটোৰ কেঙ্ কেঙ্ মাতত ওচৰৰ মানুহ ঘৰৰ কুকুৰ কেইটা ভুক-ভুকাই ৰাস্তাৰ ফালে খেদি আহিল। কুকুৰৰ ভুক-ভুকনিত গৃহস্থৰ ঘৰৰ টোপনি যোৱা কেঁচুৱা ভয় খাই চিঞৰি উঠিল। পাক্ঘৰৰ পৰা মাক দৌৰি অহাৰ সময়তে এমহীয়া গৰু পোৱালিটোও কুকুৰৰ ভুক-ভুকনিৰ ফালে দৌৰ মাৰিলে। পোৱালি দৌৰা দেখি মাকজনীয়ে ধমধমাই থাকি গোহালিৰ খুটা ভাঙি মাৰিলে দৌৰ। দৌৰ মাৰোতে চোতালৰ তাৰত মেলি দি থোৱা, মাজত ফটা চাদৰ খন গাইজনীৰ শিঙত সোমাই গ'ল। গাইজনী কুকুৰ কেইটাৰ ওচৰ পোৱাত ভয়তে দৌৰা কুকুৰ এটা জাঁপ মাৰি ৰাস্তাৰ কাষৰ গৰখাৰৈ এটা পাৰ হ'ব খোজোতে, তাত বহি শৌচ কৰি থকা বুঢ়া এজন ভয় খাই খাৰৈটোত বাগৰি পৰি চিঞৰিবলৈ ধৰিলে। গৰু বিচৰা গৃহস্থজনে হাতত লেম্প এটা লৈ বাটলৈ ওলাই অহাত গোবৰত পিচল খাই চিট ভেলেঙা দিলে। হাতৰ লেম্পটো চিটিকি কিছুদূৰৈত পৰি চিমনিটোও ভাঙিল, কেৰাচিন ওলাই গোটেই লেম্পটোও জ্বলিল। মুৰত মেৰিয়াই লোৱা কাপোৰখনেৰে গাইজনীক ডাঙৰ 'কুকুৰ দানোয়া' যেন দেখা গ'ল। কিনো হৈছে বুলি বাটলৈ ওলাই অহা দুজনমানে দৃশ্যটো দেখি ভয়তে দৌৰি ঘৰ সোমাল আৰু পাৰেমানে চিঞৰিলে 'কিবা ওলাইছে,

ৰাইজ কিবা ওলাইছে'। গাইজনীৰ হেম্বেলনি শুনি পোৱালিটো মাকৰ ওচৰ চাপি গাখীৰ খাব ধৰাত গাইজনীয়ে পোৱালীজনী চেলেকি-বলৈ যত্ন কৰি কাপোৰখনে মুখ ঢাকি ৰখা বাবে জিভাডাল উলিয়াব নোৱাৰি ঘূৰিবলৈ ধৰিলে। পোৱালীজনীয়েও পাকে পাকে ঘূৰি গাখীৰ খাব ধৰিলে। গৃহস্থ ঘৰলৈ ঘূৰি নহাত গৃহস্থনীয়ে চাকি এটা এখন হাতেৰে মূৰৰ ওপৰলৈ ডাঙি বাটৰ ফালে আহিল। লেম্পৰ পোহৰ নাই। কিবা এটাই বাটত ও ও শব্দ কৰি আছে। ঘূৰি থকা গাইজনী অস্পষ্ট ভাৱে দেখিলে। সেইটোৱে খেদি অহা বুলি ভাৱি ঘৰলৈ দৌৰি যাওতে চাদৰৰ আচল হেঙাৰত লাগি ধৰাত কিহবাই তেওঁক টানি ৰখা বুলি ভাৱি দেহৰ জোৰেৰে আগলৈ যোৱাত গাৰ কাপোৰ তাতে ৰ'ল। মুখৰ মাত হেৰাল। হো হো শব্দৰে মাথোন আগবাঢ়িবলৈ যত্ন কৰিছে। ভৰি নচলে। এনেতে বৰজনা ওলাই আহিল। বৰজনাক দেখি ওৰণি লবলৈ কাপোৰ বিচাৰি নাপাই কলৰ তলত সোমাল। বৰজনা গৈ কঁকাল ভঙা গিৰিহঁতক তুলি আনিলে। পিছদিনা পুৱা ধুপাল উঠা পথটো চুবুৰীয়াই দেখি বেচ ভয় খালে। ঘটনাটো মানুহৰ মুখত আন এটা ঘটনা হৈ উঠিল। প্ৰচাৰ হ'ল। জোৱানহঁতেও শুনিলে।

সাজ লাগিছে । বীৰভদ্ৰ গাঁওখনৰ ইঘৰ-সিঘৰ ফুৰি গোলাপী নিচাৰে সেইখিনি ঠাই পালেহি। কথাবোৰ তাৰ মনত পৰিল। ইফালে-সিফালে চাই আগবাঢ়িছে। এঘৰৰ কবিতলীত থকা ছো টো তাৰ চকুত পৰিল। বতাহত লৰি থকা গছৰ পাতৰ মাজেৰে অহা পোহৰ ছোৰ ওপৰত পৰিলে স্পষ্ট দেখা যায়। ছাঁ পৰিলে ছো টো নোহোৱাযেন হয়। চকুথৰ কৰি বীৰভদ্ৰই সেইফালে আহি থাকোতে প্ৰকাণ্ড দৈত্য এটাই তাক চোচা লোৱা যেন পালে। তাৰ মুখৰ মাত হেৰাল। কাপোৰ কানি লেতেৰা হ'ল। অহা বাটেৰে ভিৰাই লৰ মাৰিলে। একে লৰে, চহৰলৈ যাব পৰা পকা আলিটোৰ কাষ পাই বাগৰি পৰিল। কোনোবাই খবৰ দিলে জোৱান এজন আধামৰা হৈ পৰি আছে।

থানাৰ গাড়ীখনত বীৰভদ্ৰক উঠাই কেম্পৰ ফালে গৈ থাকোতে কাঠৰ বন্দুক টোৱাই বাটৰ ফালে চাই থকা ছো টো গাড়ীৰ লাইটৰ পোহৰত দেখি বীৰভদ্ৰই চিঞৰি উঠিল- "মাৰিলে মাৰিলে"। গাড়ীখনত থকা বন্দুকটো লৈ দুজাই গুলী মাৰিলে। গাঁৱৰ মানুহে তৎ ধৰিব নোৱাৰি চিঞৰ-বাখৰ কৰি পলাব ধৰিলে। মাৰিলে ঐ, মাৰিলে ঐ, পলা।

গাড়ী গৈ কেম্প পালে।

সকলো ঠিকে আছে। মাথোন তাচ খেলি থকা ল'ৰা কেইজন পথাৰৰ ফালে দৌৰ মাৰিলে।

পিছদিনা কেম্পটো তাৰ পৰা উঠাই নিলে। দুয়োটা ফৈদৰ মানুহে তাত এখন সভা পাতিলে। সভাত দুই এজনে ক'লে মানুহ ভূতৰ কথা।

লাহে লাহে ঠাই ডোখৰে নতুন ৰূপ পালে। সন্ধিয়া কেতিয়াবা কেতিয়াবা ধৰ ধৰ মাৰ মাৰ কৰি চিঞৰা শুনা যায়। গাঁৱৰ মানুহ নপলায়। তেওঁলোকে জানে ভজাবুট, ভজামাংস খোৱাহঁতে চিঞৰে। সেইবোৰ শুদাই নহয়। পেকেটৰ পানীৰেহে খায়। তাত এখন সৰু বজাৰ হ'ল। কোনোৱে ঠাইডোখৰৰ নাম দিলে শ্ৰীৰামপুৰ।

তাত হেনো ৰিচাৰ্জ কাৰ্ড পায়।

বেলেঞ্চ নাথাকিলে শুনা যায় - ধৰ ধৰ, পলা পলা, দৌৰ।

***

গল্প

# জীৱন বৰ অনুপম

**মুকুট বৰ্মন**
**স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ**

(১)

- "বাঁওফালে ঘূৰি এক ফৰ্লিং মান গ'লেই হোটেলখন পাব"

ট্ৰেফিক পুলিচগৰাকীয়ে দেখুৱাই দিয়ামতে আগবাঢ়িলো সমুখলৈ। আগত চিনাকি চহৰখনৰ অচিনাকি পথ। বহুত সলনি হ'ল চহৰখন। সৰু সৰু জুপুৰী আছাম টাই পৰ ঘৰ বিলাক গুচি শ্বপিং কমপ্লেক্স', আৰু পকৰী-ঘুগুণীৰ দোকান বিলাকৰ ঠাইত হোটেল ৰেষ্টুৰেন্ট হ'ল। গাড়ী, মটৰ, মানুহৰ ভিৰৰ লগতে কোলাহল বাঢ়িল আৰু সেই কোলাহলৰ মাজত হেৰাই গ'ল আপোন আপোন লগা চহৰখন।

চহৰখনলৈ নহা বহু বছৰেই হ'লহি। দেউতাৰ অৱসৰৰ পিছত মা-দেউতাক লগত লৈ কৰ্মস্থলীলৈ যি ৰাওনা হ'লো, সময়ৰ ভিৰত হেৰাই গ'লো ক্ৰমশঃ। কাম আৰু সংসাৰৰ বোজাৰ মাজত এনেদৰে অহাৰ সুযোগ পোৱাই কঠিন। তথাপি এটা টান আছে - চহৰখনৰ প্ৰতি, মানুহবোৰৰ প্ৰতি, কলেজখনৰ প্ৰতি। সেয়ে কলেজ ইউনিয়নৰ দিন বুলি খবৰ পোৱাৰ লগে লগে দৌৰি আহিছো মৰমৰ চহৰখনলৈ। পাওৱেই বা কিজানি বিছাৰি মানুহক আপোন কৰি ল'ব জনা মানুহবোৰ আৰু মৰমবোৰ।

"আপোন ঠাইৰ মাটিয়ে,
চিনাকি সুৱাস
বুকুত কঢ়িয়াই লৈ ফুৰে,
আজীৱন......."

সঁচাকৈয়ে স্মৃতি যিমানেই অতীত হয়, সিমানেই ইয়াৰ গভীৰতৰ বৃদ্ধি পায়। ই বিষাদৰেই হওক বা মধুৰ! সময়ৰ অকলশৰীয়া নিৰ্জনতাবোৰৰ অসতৰ্ক মুহূৰ্তবোৰত এই স্মৃতি বোৰে উশাহ গধুৰ কৰি পেলায়। অজানিতে মুখত বিৰিঙি উঠে মচিকিয়া হাঁহি অথবা দুচকুত এটোপাল বিষাদ।

অলপ দূৰ গৈয়েই হোটেলখন চকুত পৰিল। ওচৰেদি বৈ গৈছে শৈশৱ, কৈশোৰৰ প্ৰায়বোৰ স্মৃতিৰেই সাঙোৰ খাই থকা ননৈ নদী। নদীখন নোহোৱা হেতেন ভাল লগা স্মৃতি বুলিবলৈ একোৱেই নাথাকিল হেতেন। তেতিয়াৰ দিনত সপোনৰো আগোচৰ আছিল, এদিনাখন যে আমি এইখন ঠাইলৈকে অচিনাকি হৈ আহিম।

হোটেলৰ নিজৰ কোঠাত সোমালোগৈ। আটোম-টোকাৰীকৈ ৰখা কোঠাটোৰ এমূৰে থকা খিৰীকিখন খুলি দিলো। বন্ধ কোঠাৰ ভিতৰলৈ এজাক বতাহ সোমাই আহিল। চিনাকি বতাহজাক -

"Chemistry Department" সমুখৰ কৃষ্ণচূড়াডালৰ তলৰ আড্ডাত ভাগ লোৱা বতাহজাক এয়া।

কাৰোবাৰ হাঁহিৰ ঢৌ বুকুৰ ওচৰলৈ লৈ অহা বতাহজাক এয়া, যিয়ে লৈ আহিছিল প্ৰথম প্ৰেমৰ জোৱাৰ।

(২)

- "এক্সকিউজ মি!"

- "য়েছ ... য়েছ"

- "ইডুকেচন ডিপাৰ্টমেন্ট কোনফালে"

- "এ এইফালে"

- "থেংক ইউ"

অত্যন্ত উৎসুকতাৰে ধুমুহাৰ গতিত উৰি অহা ছোৱালীজনী পলকতে অদৃশ্য হৈ পৰিল Chemistry আৰু Geography Department ৰ কৰিডৰৰ মাজত। কিছু সময় তভক মাৰি চাই ৰৈছিলো তাই যোৱাৰ ফালে। আহ্ ধুনীয়া আৰু স্মাৰ্টনেছৰ কি অপূৰ্ব সংমিশ্ৰণ। এক কথাত ক'বলৈ গ'লে "Beauty with brain"। Chemistry, Physics ৰ সূত্ৰৰ বিশাল সাগৰৰ মাজত বন্দৰ বিচাৰি

হাহাকাৰ কৰি ফুৰা মনটোৱে য়ুৰেকা য়ুৰেকা বুলি যেন চিঞৰি উঠিল।

হাতত থকা ডিজিটেল ঘড়ীটোৱে দুপৰীয়া ১ বাজি ১০ মিনিট হোৱাৰ সংকেত দিছে। পিছৰ পিৰিয়ডত Physics ৰ ক্লাছ। Mathmatics department ৰ মাজেৰে, library আৰু Biotech hub ৰ সন্মুখেৰে কিমান যে দীঘল বাটটো। প্ৰথম আহি ল'ৰা-ছোৱালীবিলাকে ৰকেট যোৱা দিছিল. ক্লাছত বহিবলৈ বেঞ্চৰ অভাৱ। কিন্তু যেতিয়াই দিনবোৰ যাব ধৰিলে, আগৰ বেঞ্চবোৰ খালী হ'বলৈ আৰম্ভ কৰিলে। ল'ৰা-ছোৱালীবিলাকৰ খোজৰ গতি লেহেমীয়া হ'ল। ২৬নং ৰুম নাপায়হে নাপায়গৈ। প্ৰফেছাৰ সকলেও গম পোৱা হৈছে দহ পোন্ধৰ মিনিট মানলৈ কোনো আহি নাপায় বুলি। আজি আৰু ক্লাছ কৰাৰ মুড নাই, সৌৰভক বাকীকেইটা Class ত Proxy মাৰিব দি ৰুম পালোহি।

ভাৰাঘৰলৈ আহি বিছনাৰ ওচৰতে থকা খিড়িকীখন খুলি দিলো। গা সিৰসিৰাই যোৱা বতাহ এজাক সোমাই আহিল। লগত আমেজ -

চিনাকি আমেজ!

প্ৰথম ভালপোৱাৰ আমেজ।

দোমোজা আছিল মনত। অনুভৱৰ দোমোজা। পঢ়াৰ .. গুলীমাৰা, সেইবিলাকৰ বাবে আহৰি ক'তঙ্গ ৰাতিপুৱা দেৰিকৈ শুই উঠি ক্লাছ পাওমানে ১১ বাজে। তাৰপিছত দুটা বা তিনিটা ক্লাছ। আবেলি, ক্ৰিকেট, টেবুল টেনিছ লৈ ব্যস্ত। সন্ধিয়া ভেবাৰঘাট, লাৱণী অথবা গান্ধীস্মৃতি পাৰ্কৰ সন্মুখত বহি কাৰ জুলিয়েট বেছি ধুনীয়া তাৰ হিচাপ লোৱাৰ সময়। ৰাতি মালিকক দেখুৱাই পঢ়াৰ অভিনয়, তাৰ পিছত ৰাতিৰ ডিনাৰ, ওচৰৰ ৰুমৰ মজলিছ, কৰিডৰৰ আড্ডা আৰু গভীৰ ৰাতি চাদৰ তলত বাৰেভচলু কথা। বেছিভাগ সময়েই আমাৰ ঠিকনা সদায় বেলেগৰ ৰুম।

এনেদৰেই পাৰ হৈছিল জীৱনৰ আৰু তিনিটা বসন্ত। বৰষুণত তিতিও একেলগে তিতিব নোৱাৰা বসন্ত। অসমাপ্ত কাহিনী আছিল সেয়া। কাৰোবাৰ বাবে প্ৰথমবাৰ চকুপানী টুকিছিলো। ৰিক্সাৰে যোৱা দেখি চাইকেলেৰে গৈ ৰিক্সাক পিছ পেলাই কেৰাহিকৈ চাবলৈ যত্ন কৰিছিলো। চায়েই কিজানিবা ঘূৰি। কলেজত বহু ৰাংঢালীৰ মাজত চকুৱে অনবৰতে সন্ধান কৰিছিল এযোৰ কাজলসনা চকুৰ। আমি হৈছো বহুতৰ মাজত চকুত নপৰা বিধৰ সেই কাৰণেই হয়তো চকুত নপৰাকৈ ৰই গ'ল তিনিটা বসন্ত।

অপৈণত হাতেৰে কবিতা লিখিবলৈ কতবাৰ যে চেষ্টা কৰা নাছিলো। মনত আছিল আবেগ অনুভৱৰ জোৱাৰ। চেঙেলীয়া ডেকাবোৰৰ হৃদয়ত জোৱাৰ তুলিবলৈ ৰূপহী গাভৰুৰ এটা মাত্ৰ চকুৰ চাৱনীয়ে যথেষ্ট। তাতে চাই উঠি মিচিকিয়া হাঁহি এটি মাৰি দিলে বুকুৰ পৰা যেন হৃদপিণ্ড ওলায় পৰিব। অকালতে অহা গৰাখহনীয়াত জাহ যায় বুকুৰ পাৰ আৰু তেতিয়া বানপানী হৈ নামি আহে প্ৰেম। আৰম্ভ হৈ যায় কবিতা কবিতা লগা দিন আৰু ফেচবুক, হোৱাট্ছ এপ, টুইটাৰত কবিতা শ্বায়েৰীৰ ইমোশ্বনেল অত্যাচাৰ। কবিতা ভাল নেপোৱাবোৰেও আৰম্ভ কৰি দিয়ে প্ৰণৱ কুমাৰ বৰ্মন, নীলিম কুমাৰ, হীৰুদা অথবা হিমাংশু প্ৰসাদ দাসৰ কবিতা -

"ঐ ছোৱালী!

এবাৰ ভাল পাই চাবা নেকি?

আচ্ছা!

হিন্দী চিনেমাৰ দৰে কিয় নহয় কথাবোৰ

কলেজৰ বাটত আমি দুয়ো খুন্দা খাম,

হাতৰ পৰা সৰি পৰিব কিতাপ,

এখন এখনকৈ মই তুলি দিম,

তাৰ পিছত গাম,

তাৰ পিছত প্ৰেম,

মাজে মাজে ফাইট,

ৱাহ্ কি মস্তি"

- আমিও ব্যতিক্ৰম নাছিলো।

- ফেচবুকৰ দিন আছিল সেয়া।

টেকন'লজিয়ে আমাক ওচৰ চপাই আনিলেও কামৰ বোজা কমাব নোৱাৰিলে। মাহেকে পষেকে লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় লোৱা সকলোবোৰ জীৱন যাত্ৰাত হেৰাই গ'ল। বতাহৰ বেগত নাও যেনি তেনি ঘূৰি অৱশেষত যেনেদৰে কোনো

ঘাটত লাগে, ঠিক সেইদৰে কাৰ জীৱন কোন ঘাটত ৰ'ল তাৰ কোনো ঠিকনা নোহোৱা হ'ল। Social networking site'ত নামবোৰ থাকে সঁচা, কিন্তু friend request সদায় পেণ্ডিং হৈ ৰয়। যন্ত্ৰৱৎ হৈ পৰা জীৱনত আহৰিয়েই বা ক'ত! কেনে বা আছে সিহঁত? সৌৰভ, শ্যামন্ত, কৌস্তভহঁত! আৰু সেই ৰূপম?

গোটেই ক্লাছটোক জমাই ৰাখিব পৰা, সকলোৰে লগত সহজে মিলিব পৰা, থিতাতে কবিতা, শ্বায়েৰী লিখি দিব পৰা ৰূপম। খেলা-ধূলা, সাহিত্য-সংস্কৃতি সকলো দিশতে আগবঢ়া ৰূপম আছিল সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। বিশেষকৈ ছোৱালী বিলাকৰ। সি লগত থাকিলে আমিবোৰ ভীৰৰ মাজত হেৰাই যোৱা পথিক যেন লাগিছিল। আমি কাৰোৰে চকুত নপৰিছিলো। তথাপি আমি তাক 'সাত খুন মাফ' কৰি দিছিলো। কাৰণ সিয়েইতো আছিল আমাৰ "Best friend"।

কিমান যে সপোন নাছিল। গোটেই কলেজ কেম্পাছটোত যেন এজাক তগবগাই ফুৰা সপোন। জীৱনে সময়ৰ সোঁতত কোনফালে গতি কৰে কোনেও নাজানে। এবাৰ সপোন ভঙাৰ পিছত দ্বিতীয় এটা গঢ়িবলৈ সঁচাকৈয়ে বৰ কষ্ট। সৰুৰ পৰাই পুহি ৰখা ডাক্তৰ হোৱাৰ সপোন, সপোন হৈয়েই থাকিল। হলোগৈ কোনোবা অখ্যাত কোম্পানীৰ মেনেজাৰ। কেতিয়াবা এনে লাগে যেন জীৱনটো এটা বিৰাট শূণ্যৰ মাজত ওলমি আছে। আগতে হাতত টকা নাছিল, কিন্তু বন্ধু আছিল, সময় আছিল। এতিয়া হাতত সকলো আছে কিন্তু দুখ-সুখ ভগাই লবলৈ প্ৰকৃত বন্ধুৰ অভাৱ, সময়ৰ অভাৱ।

(৩)

পিছদিনা Auditorium Hall পালো। মঞ্চত ৰূপম, গীতাৰৰ ষ্ট্ৰীঙত হাত বোলাই আপোন মনে জয়ন্ত হাজৰিকাৰ গীত গাই আছে -

"মোৰ মিনতি তৰা হৈ যদি
তোমাৰ আকাশ চুব
মই নাথাকিলে সাজৰ তৰাই
মোৰেই কথাকে কব"

আগৰ দৰেই আছে ৰূপম। গীতাৰৰ ষ্ট্ৰীঙত আগৰ দৰেই মৃদু গুণ-গুণনি। অনুশীলনৰ অভাৱত আঙুলি অলপ থমকিছে সঁচা কিন্তু একেই আছে হৃদয়ত সাঁচ বহুৱাব পৰা মাত।

চাৰিওফালে চকু ফুৰালো। প্ৰায়বোৰ মুখেই অচিনাকি। সকলোৰে মুখত সময়ৰ চাপ। বিভিন্ন সময়ৰ বিভিন্ন বেট্‌ছৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীবোৰ নিজৰ মাজত কথা পতাত ব্যস্ত। সকলোবোৰ যেন উভতিছে কলেজীয়া দিনবোৰলৈ। কিছুমানে ইফালে-সিফালে পিয়াপি দি ফুৰিছে, পৰেই কিজানিবা চকুত এসময়ৰ আপোন কোনোবা। যাক কোনোবা দিনা এৰিব লাগিব বুলি ভবা হোৱাই নাছিল। মোৰো অৱচেতন মনে বিচাৰি ফুৰিছিল কাৰোবাক, যাক কম কম বুলি ক'বলগীয়া বহু কথাই থাকি গ'ল।

"ঐ অনুভৱ" - পিছফালে কাৰোবাৰ মাত শুনি উভতি চালো।

- "আৰে সৌৰভ"

- "কেতিয়া পালি আহি? ভবাই নাছিলো তই যে আহিবি"

- "হে, হে, আহিলো অলপ আগত"

আনন্দতে সাৱটি ধৰিলো। ইমান বছৰৰ মূৰত, মনলৈ সেই সতেজতা উভতি অহা যেন লাগিল।

- "বাকীবোৰ ক'ত?"

- "আছে আছে সকলো। কিন্তু কোন কত আছে পাত্তা নাই। লাহে লাহে লগ পাবি ৰহ্।" সৌৰভে কৈ উঠিল।

কলেজীয়া দিনৰ খীণ-মিন সৌৰভ আজি আৰু পেঞ্চিল বেটেৰী হৈ থকা নাই। গাদীত বহোতে বহোতে পেট ওলাল। আজি কালি সি হেনো অফিছাৰ। লাহে লাহে লগ পালো সকলোকে। অমৰ প্ৰফেছাৰ, শ্যামন্ত সেনা বাহিনীত আৰু কৌস্তভ প্ৰশাসনিক বিষয়া। সময়ে সকলোকে গহীন কৰি পেলালে। চিঞৰি চিঞৰি কথা কোৱা ল'ৰা কেইটাই জুখি-মাখি কথা ক'ব জনা হ'ল।

মোৰ মনে এতিয়াও বৈ আছিল ৰূপম উভতি অহালৈ।

এটা সময়ত ষ্টেজৰপৰা ৰূপম নামি আহিল। ভিৰ ঠেলি কথা পতাত ব্যস্ত ৰূপমক পিছফালৰপৰা গৈ কান্ধত হাত খন থলো। ঘূৰি চাই দুই ছেকেণ্ড

মান লক্ষ্য কৰি সাৰটি ধৰি চিঞৰি উঠিল। বহুদিনৰ লগ নোপোৱাৰ অভিমান, খং, সকলো নিমিষতে নোহোৱা হৈ গ'ল। আটাইকেইজন Auditorium Hall ৰ পৰা ওলাই আহিলো।

ঠিক যেন আগৰ দৰেই।

আগতে আছিল Class bunk

আজি মিটিং।

আকৌ আড্ডা দিলো বহু বছৰৰ মূৰত। সেই একেজোপা কৃষ্ণচূড়াৰ তলত। বাকী সকলো একেই আছিল কিন্তু আমিবোৰ আগৰ "আমি" নাছিলো। আকৌ সেই বতাহজাক। সোঁৱৰণীৰ মিঠা স্মৃতিয়ে ভৰাই দিয়া গধূৰ আবেলি বতাহ জাকে পাতল কৰি দিলে। বেছ বহুসময়ৰ মূৰত আটাইকেইজন উঠিলো, এৰি থৈ নষ্টালজিয়াৰ পৃথিৱী।

-"ৰূপম তোৰ কাম কাজ?" বেছ উৎসাহেৰে কথাখিনি সুধিলো।

- "চলি আছে আৰু ঠিক ঠাক। দোকান এখন দিছো চাৰিআলিত। কাইলৈতো থাকিবিয়ে, আহিবি এবাৰ।"

মোৰ ফালে চাই ৰূপম গুছি গ'ল। মই অবাক হৈ সি যোৱাৰ ফালে চাই ৰলো। সি এইমাত্ৰ কৈ যোৱা কথাখিনি মোৰ মনে মানি লবলৈ টান পালে।

দোকান দিছে??

ৰূপমে???

কলেজৰ শ্ৰেষ্ঠ ছাত্ৰৰ সন্মান পোৱা ৰূপমে দোকান দিছে। কথাখিনি বিশ্বাস কৰিবলৈ টান পালো। কাইলৈ চাৰিআলি যাব লাগিব।

হোটেললৈ উভতি আহিলো। খিড়িকীখন খুলি দি বিছনাত বাগৰ দিলো। ঠাণ্ডা বতাহজাকে ধুনীয়া আমেজ এটি দি গ'ল।

চিনাকি আমেজ।

প্ৰথম ভালপোৱাৰ আমেজ।

কলেজৰ কথা আছিল সেয়া।

পিছদিনা চাৰিআলি পালোগৈ। ইয়াতেই এসময়ৰ পকৰী খাবলৈ আহিছিলো, পেট্‌লা দাৰ পকৰী।

ৰূপমৰ দোকানখন চিনি পাবলৈ বিশেষ অসুবিধা নহ'ল। দীঘলীয়া গলিটোৰ এফালে পুৰণা গম্বুজৰ দৰে থিয় দি আছে দোকানখন। গলিটোৰ ফালে চকু ফুৰালো। মানুহ বিলাকৰ অৱস্থা ইমান উন্নত নহয়। তেতিয়া দোকানখনত ভিৰ লাগি আছিল। লাহে লাহে ভিৰ কমাত মই ৰূপমৰ ওচৰ পালোগৈ। বেছ আহল-বহল দোকান। ইটো-সিটো খা-খবৰ লোৱাৰ পিছত, অলপ ইফালে সিফালে চাই ইতস্ততঃ ভাৱে সুধিলো - "তোৰ অসুবিধা নহয় এইদৰে?"

ৰূপমে মোৰ ফালে চাই হাঁহি এটি মাৰিলে।

- "অসুবিধা যদি হয়, ব'ল মোৰ লগত। মই দিম তোক চাকৰি।" বেছ উৎসাহেৰে কথাখিনি ক'লো।

- "চা, অনুভৱ" ৰূপমে মোৰ ফালে চাই কৈ উঠিল - "মই জানো, মোক এই অৱস্থাত দেখি তোৰ দৰে বহুতৰে মোৰ ওপৰত পুতৌ হ'ব। এইটো স্বাভাৱিক। কিন্তু মই জানো, তহঁততকৈ অন্তত মই বহুত সুখত আছো। তহঁতৰ দৰে ব্যস্ত জীৱন এটা লৈ জীৱন যাপন কৰা নাই, জীৱনটো মই উদ্‌যাপন কৰিব শিকিছো।"

মই অসহজবোধ কৰি তাৰ ফালে চাই থাকিলো। মনত কৌতুহল।

সি ক'বলৈ ধৰিলে - "এই যে দোকানখন দেখিছ, এইখন ধৰি ল' মোৰ সপোনবোৰৰ প্ৰথম বীজ। তহঁতক মই জানো কোৱা নাছিলো মোৰ সপোনবোৰৰ কথা। তহঁতেও তো তাৰ অংশীদাৰ আছিলি। তই জানো জান, বছৰি কিমান পিতৃ-মাতৃ, বয়সস্থলোক জীৱনৰ বিয়লি বেলা অনাদৰ অৱহেলাত পৰি থাকে। সেইসকলৰ মুখত হাঁহি বিৰিঙাব পৰাতো মোৰ জীৱনৰ অন্যতম হেঁপাহ। অলপ আগতে যে দেখিছিলি বয়সস্থ মানুহবোৰ। সেইসকল এই গলিটোৰে বাসিন্দা। বহু নোৱাৰিলেও, অলপ সহায় কৰাৰ প্ৰয়াস কৰিছো। দৈনন্দিন প্ৰয়োজনীয় বস্তু কিছুমান যাচি। আগলৈ গৈ অলপ ঘূৰিলে এডোখৰ ঠাইত ঘৰ বন্ধাৰ কাম চলি থকা দেখা পাবি। তাতেই বৃদ্ধাশ্ৰম হ'ব। আৰু ইয়াৰে ল'ৰা-ছোৱালী কিছুমানৰ লগত বাজী মাৰিছো। যদি সিহঁতে শ্ৰেণীত প্ৰথম দহটাৰ ভিতৰত আহিব পাৰে তেন্তে কিতাপ বহী যিমান লাগে ইয়াৰ পৰাই লৈ যাব পাৰিব। আৰু কি

জাননে, যোৱা দুবছৰে এই বাজীত মই হাৰি আহিছো।”

মই তলৰ ফালে মুখ কৰি শুনি থাকিলো।

-“মা দেউতাহঁতে মোক সদায় উৎসাহ দিছে আনৰ দৰে ধনী হ'ব নোৱাৰিলেও তেওঁলোকৰ মনত আক্ষেপ নাই। মনৰ দুখীয়া যে নহ'লো। এবাৰ পাৰ্থিৱ বস্তুৰ মায়াজালৰ ভিতৰত সোমালে তাৰ পৰা মুক্তি পোৱাটো সঁচাকৈ কঠিন। এইবোৰৰ পৰা ওলাই এবাৰ বাহিৰলৈ ভুমুকি মাৰি চাবি। পৃথিৱীখন দেখিবি সঁচাকৈয়ে ধুনীয়া। আপোন মানুহবোৰ ওচৰতে পাবি। আপোন মাটিৰ গোন্ধই দেখিবি হাত বাউল দি মাতিব।”

সি আকৌ আৰম্ভ কৰিলে - “এতিয়াও সময় আছে অণু, জীৱনটো আকৌ নতুনকৈ আৰম্ভ কৰ। ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহ। জীৱনত কাম কাম বুলি ব্যস্ত থাকোঁতে বিয়লি বেলা আপোন মানুহবোৰ ওচৰতে নাপাবি। খুৰা-খুড়ীদেউহঁতো চাগে ইয়ালৈ আহি বুলি আকুল হৈ অপেক্ষা কৰিছে। জননী জন্মভূমি স্বৰ্গাদপী গৰীয়সী।”

বহু ভাৱনা মূৰৰ ওপৰেদি বৈ গ'ল। যিবোৰ ভাবিম ভাবিম বুলি কেতিয়াও ভবাই নহ'ল। আজি ৰূপমে বহু কথাই ধুনীয়াকৈ বুজাই দিলে। জীৱনৰ অৰ্থ, ৰূপমহঁতৰ দৰে মানুহেই বুজে।

জীৱনৰ নতুন আৰম্ভণী এটা কৰিবৰ হ'ল।

সঁচাকৈয়ে জীৱন বৰ অনুপম।

***

- ➢ বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য চমুকৈ ভট্টদেৱক (১৫৫৮-১৬৩৮ খ্ৰীঃ) অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা হয়। ভট্টদেৱৰ সংস্কৃত ব্যাকৰণ তথা সাহিত্য আৰু ভাগৱত শাস্ত্ৰত থকা অগাধ পাণ্ডিত্যৰ বাবে তেখেত ভাগৱত ভট্টাচাৰ্য্য আলংকাৰিক উপাধিৰে খ্যাতিমান হৈছিল। তেখেত দামোদৰ দেৱৰ শিষ্য আছিল আৰু দামোদৰ দেৱৰ পিছত পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ হৈছিল।
- ➢ “ব্যাকৰণ, অভিধান নাথাকিলে ভাষা আৰু সাহিত্য হেদাণ্ডি মেলা গৰুৰ দৰে হ'ব আৰু সেই সাহিত্যৰ, সেই ভাষাৰ উপদ্ৰৱত টাটী-চকোৱা এখনো নাথাকিব।”— লক্ষ্মীনাথ বেজবৰুৱা।
- ➢ অসমীয়া ভাষাৰ চুটিগল্পৰ জনক হ'ল- লক্ষ্মীনাথ বেজবৰুৱা।
- ➢ প্ৰথমখন আধুনিক অসমীয়া উপন্যাস হ'ল- ১৮৯০-৯১ চনত পদ্মনাথ গোঁহাই বৰুৱাই ৰচনা কৰা 'ভানুমতী'।
- ➢ অসমীয়া ভাষাৰ প্ৰথমখন আলোচনী- অৰুণোদই (১৮৪৬ চন)।
- ➢ অসমীয়া ভাষাত প্ৰথম ছপা পুথি- আত্মাৰাম শৰ্মাই অনুবাদ কৰা 'বাইবেল' পুথি।
- ➢ অসমীয়া ভাষাত লিখা বৰ্তমানলৈ আৱিষ্কৃত প্ৰথম পুথি- হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'।

গল্প

# ডাইনী

নীলাক্ষি শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

ঘামত তিতি থকা দেহটোৰ পৰা এক বোকাৰ গোন্ধ নিগৰিববলৈ আৰম্ভ হৈছিল। হালখন সামৰি গামোছাৰে লাহেকৈ মুখখন মছি ল'লে সুপ্ৰিয়ই। বেলি লহিয়ালেই? ভোকো লাগিছে, মাকে চাগে দুপৰীয়াই হাল সামৰিব বুলি ভাবিয়েই পথাৰলৈ নাহিল। নাঙলখন কান্ধত লৈ সি গাঁৱৰ সৰু আলিটোৰে আগুৱালে। আঁহত ডালৰ তলতে সৌটো সি নিজেই আগ-ভাগ লৈ গঠন কৰা এন.জি.অ'.টোৰ কাৰ্যালয়। দেউতাক ঢুকুৱাৰ পিছত অকলশৰীয়া ৰোগীয়া মাকক চাবলৈয়ে সি পঢ়া-শুনা আধাতে সামৰি ঘৰলৈ ঘূৰি আহিছিল।

যোৱাবেলি বিহুৰ সময়তে গাঁৱত এটি এন.জি.অ'.ৰ প্ৰয়োজন বৰকৈ অনুভৱ কৰি সি এইটো সজালে। মাকেও তাক উৎসাহ দিছিল। কিন্তু গাঁৱৰ শশাংক, ৰাতুলহঁতে বহুতো বাধাৰ সৃষ্টি কৰিছিল। নীৰা আৰু সি লগ লাগি কত ৰাতিলৈ ঘূৰি ঘূৰি যে সদস্য গোটালে। ইমতাজুল, চাজিদহঁত আগবাঢ়ি অহাৰ কাৰণেই এই এন.জি.অ.টোৰ শ্ৰীবৃদ্ধি হ'ল। সিহঁতে যোৱাবাৰো ধানখেতি কৰিছিল দলবদ্ধ ভাৱে। কিন্তু বিৰোধীয়ে জ্বলাই দিয়া খেতিডৰাই একো সুবিধা কৰিব নোৱাৰিলে সিহঁতৰ প্ৰকল্পত। সেয়ে এইবাৰ সি অকলেই খেতি কৰিববলৈ ল'লে......

তাৰ ভাবনাৰ অন্ত পেলাব-লৈয়েই যেন নীৰা দৌৰি আহিছে সৌ-জনী। আউলী-বাউলী চুলিৰে তাইক বহুত ভয়ত থকা যেন দেখি সি সুধিলে - কি হৈছে অ' নীৰা? ঢপলিয়াই আহিলি যে?

কোনোমতে সেপ ঢুকি তাই ক'লে, "সুপ্ৰিয় দা, ঘৰত খুৰীদেউ অকলে আৰু ৰাতুলহঁতে......" বুলি তাই কান্দি দিলে। সি নাঙলখন তাতে এৰি দৌৰি গ'ল আৰু ঘৰলৈ গৈ পদূলিৰ পৰাই গৰ্জন-ধমকি শুনিলে। ৰাতুলে দাবীৰ সুৰতেই যেন কৈ আছে, "এই ঘৰ আজিয়েই খালী কৰ্। আমি গাঁৱত ডাইনী পুহিব নোৱাৰো।" কোনোবা এজনে ক'লে, "অ'ই তোৰ সাহসী বীৰ পুতেৰে ক'লৈ গ'ল? মুছলমানৰ লগ হৈ এন.জি.অ'. খোলে, খেতি কৰে, মাৰ তাক" বুলি পিছলৈ চোঁচা লৈ দুজন মানে তাক পদূলিতে পালে আৰু মৰিয়াবলৈ আৰম্ভ কৰিলে। ইতিমধ্যে নীৰাই চাজিদ, চাজিদৰ দেউতাক আৰু গাঁওবুঢ়াক লৈ সেইখিনি পাইছিল। গাঁওবুঢ়া, আৰু গাঁৱৰ মানুহবোৰক দেখি সিহঁত ক্ষন্তেকলৈ ৰৈ গ'ল। ৰাতুলৰ বুঢ়ী-মাকো আহিছিল, প্ৰথমে তেৱেঁই ক'লে, "তহঁতে এইবোৰ কি আৰম্ভ কৰিছহক, জাতি-ধৰ্ম বাছিবলৈ তহঁত কোন?" গাঁওবুঢ়াই ক'লে, "অ এইবোৰ ডাইনী, জখিনি তহঁতে ক'ত দেখিলি? তহঁতে যাক জাতিদ্ৰোহী বুলি কৈছ, সেই সুপ্ৰিয়ই গাঁৱৰ উন্নতিৰ কাৰণে এন.জি.অ. খুলিছে। এই চাজিদৰ দেউতাকে মন্দিৰৰ কাৰণে মাটি দান কৰিছে আৰু তহঁতে হিন্দু-মুছলিম বাছিবলৈ আহ??? আমি গাঁৱৰ বুঢ়াসকল মৰি যোৱা নাই এতিয়াও।" কথাখিনি শুনি সুপ্ৰিয়ই লাহেকৈ থিয় হৈ ক'লে,"খুৰাদেউ, আমি গাঁৱৰ নৱ-প্ৰজন্মই এইবোৰ বুজি উঠা উচিত। ৰাতুলহঁতৰ ভুলৰ কাৰণে মই ক্ষমা খুজিছো। মই সিহঁতক বুজাম" বুলি কোৱাত ৰাতুলে তাক সাৱটি ধৰি ক্ষমা খুজিলে। আৰু বাকীবোৰেও সুপ্ৰিয়ৰ মাকক ক্ষমা খুজি ঘৰলৈ গুচি গ'ল। তেতিয়ালৈ সন্ধিয়া নামিছিল গাঁৱলৈ।

***

গল্প

# শেৱালি - অভিলাষ

পূনম নিশি শিবম
স্নাতক চতুর্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

টিক্-টিক্ টিক্-টিক্ ......... দূৰৰ বেৰত ওলোমাই থোৱা ঘড়ীটোৱে ৪-৩০ বজাৰ সংকেত দিলে....... লৰালৰিকৈ বাহিৰলৈ ওলাই আহি মাকে শেৱালিক ক'লে - আইজনী, কিবা অলপ খাই ল'........ মাকৰ মাতত শেঁতা চকুযুৰি তুলি নিৰুত্তাপ কণ্ঠেৰে 'বাৰু' বুলি হুমুনিয়াহ কাঢ়ি বহি ৰ'ল শেৱালি! ........ দৃষ্টি সন্মুখৰ আকাশলৈ দূৰৰ আকাশত, তেতিয়া বেলিটিয়েও যেন শেষবাৰৰ বাবে আকাশখন হেঙুলী বৰণেৰে বুৰাই দিছে.........

শেৱালিৰ মনত পৰিল..... আজি এবছৰ আগতে এনেকুৱা এটা মায়াসনা আবেলিতে তাইৰ চিনাকি হৈছিল অভিলাষৰ সৈতে।

এৰা...... 'অভিলাষ'........ তাইৰ জীৱনৰ প্ৰথম পুৰুষ..... তাইৰ প্ৰথম প্ৰেম। হৃদয়ৰ সমস্ত আবেগেৰে, প্ৰাণখুলি ভাল পাইছিল তাই অভিলাষক। অভিলাষেও আকোঁৱালি লৈছিল তাইৰ প্ৰেম...... 'অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ' ছাত্ৰ অভিলাষ আহিছিল তাৰ বন্ধু নিবিড়ৰ সৈতে ... শেৱালিহঁতৰ সোণতলি গাঁৱলৈ বিহু খাবলৈ বুলি। ৰাংঢালী নাচনী শেৱালিক প্ৰথম দৃষ্টিতেই ভাল লাগিছিল অভিলাষৰো.... প্ৰথমে সাধাৰণ চা-চিনাকি আৰু তাৰ পিছত ফোন নম্বৰৰ আদান-প্ৰদানেৰে আগবাঢ়িছিল শেৱালি অভিলাষৰ দূৰন্ত প্ৰেম........

দুয়ে দুয়োকো আজীৱন ভালপোৱাৰ প্ৰতিশ্ৰুতিৰে প্ৰতিশ্ৰুত হৈ পৰিছিল। সপোনক বাস্তৱায়িত কৰাৰ অদম্য হেপাঁহেৰে দুয়ো নিজৰ নিজৰ পঢ়া-শুনাত মনোনিবেশ কৰিছিল। সময় বাগৰিছিল..... লাহে লাহে গভীৰৰ পৰা গভীৰতৰ হৈছিল শেৱালি অভিলাষৰ অবুজ মৰম।।

সেইদিনা আছিল বুধবাৰ। জন্মদিনৰ শুভেচ্ছা জনাবলৈ বুলি ফোন কৰিছিল শেৱালিয়ে অভিলাষক। নামঘৰত চাকি দি দীৰ্ঘায়ু কামনা কৰিছিল শেৱালিয়ে তাইৰ প্ৰিয়তমজনৰ। অভিলাষে ধন্যবাদ সহকাৰে শুভেচ্ছা গ্ৰহণ কৰি কৈছিল তাইক - "তুমি থাকা মাথো ওচৰত, মোৰ আয়ুস সদায় থাকিব........ কিয়নো প্ৰতিটো উশাহে মাথো তোমাক বিচাৰে মোৰ.........।"

খিলখিলাই হাঁহি উঠিছিল শেৱালি...... "মইনো বাৰু ক'লৈ যাম কোৱা....... সদায়চোন ওচৰতে আছো তোমাৰ।

এনেদৰেই সামৰণি পৰিছিল সিহঁতৰ কথা-বাৰ্তাৰ.... কলেজলৈ যাবলৈ দেৰি হোৱা বুলি ভাত-পানী নোখোৱাকৈ গৈ কলেজ পাইছিল শেৱালি.... সাহিত্য বিভাগৰ সাধাৰণ সম্পাদিকা শেৱালি খুউব ব্যস্ত হৈ পৰিছিল। কিয়নো দুদিন পিছতে সিহঁতৰ কলেজত 'কলেজ সপ্তাহ' আৰম্ভ হ'ব। গতিকে পাৰ হৈছিল সিদিনা সিহঁতৰ সেই নিৰ্দিষ্ট সময়খিনি.... আবেলি ৪-৩০ বজা।

দুয়ো দুয়োৰে ক্লাছ শেষ কৰি ঘৰ আৰু হোষ্টেললৈ উভতাৰ পথত সদায় কথা পাতিছিল। সেই নিৰ্দিষ্ট সময়খিনিত.... কিন্তু অতি ব্যস্ত শেৱালিৰ বাবে কেতিয়া সময় পাৰ হ'ল তাৰ হিচাপ কৰাৰ উপায় নাছিল। ইফালে ফোন লগাই লগাই ভাগৰি পৰিছিল অভিলাষ। অভিমানত দুচকু চলচলীয়া হৈছিল তাৰ। মোবাইলটো 'চাইলেন্ট মুড'ত থৈ ৰুমৰ পৰা ওলাই আহিছিল সি। কিয়নো নতুন ছাত্ৰ-ছাত্ৰীখিনিৰ লগত চা-চিনাকি হোৱাৰ কথা কৈছিল তাক দুজনমান 'চিনিয়ৰ ছাত্ৰ'ই। মনত পৰিছিল অভিলাষৰ চা-

চিনাকিৰ নামত তাৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰ। মনতে ভাবিছিল নতুনকৈ অহা কোনো ছাত্ৰকে সি তাৰ দৰে অত্যাচাৰ ভোগ কৰিব নিদিয়ে। কিন্তু জনা নাছিল অভিলাষে.... তাৰ এই কাৰ্যই অসন্তুষ্ট কৰিব তাৰ চিনিয়ৰ বন্ধুসকলক।

নবাগত এজনক কৰা অত্যাচাৰৰ বিৰুদ্ধে গৈ গোচৰ তৰিছিল অভিলাষে.... সেয়ে তাৰ কাল হ'ল। হাত-ভৰি বান্ধি কলেজৰ পানী টেংকীত আবদ্ধ কৰি থোৱা হ'ল অভিলাষক..... কিন্তু পাহৰি গ'ল সিহঁতে পানী অহাৰ সময়ত তাক খুলি দিব'লৈ....... ফলত কৰুণ মৃত্যুক সাবটি ল'লে অভিলাষে........ তাকো তাৰ জন্মদিনৰ দিনাই। ইফালে কৰ্মব্যস্ততাৰ পৰা আজৰি হৈ ঘৰলৈ ওভতাৰ পথত ফোন চাই অপৰাধী অনুভৱ হৈছিল শেৱালিৰ...... ফোন লগাই ক্ষমা খুজিম বুলি বাৰে বাৰে ডায়েল কৰিছিল অভিলাষৰ নম্বৰ। বাজি বাজি বন্ধ হৈ গৈছিল..... ৰাতিলৈও কোনো খবৰ নাপাই দুশ্চিন্তাত পৰিছিল শেৱালি..... ইফালে পিছদিনা আবেলি হে পোৱা হৈছিল অভিলাষৰ মৃতদেহ..... কোনো দিনে আবেলি টি.ভি. অন নকৰা শেৱালিয়ে সিদিনা কিয় জানো অন কৰিছিল টি.ভি..... লগে লগে টিভিৰ স্ক্ৰীণত ভাণহি আহিছিল অভিলাষৰ হাত-ভৰি বন্ধা অৱস্থাত থকা মৃতদেহ।

স্থবিৰ হৈ পৰিছিল শেৱালি .... চিঞৰি চিঞৰি কান্দিছিল তাই....... সিদিনা হে গম পাইছিল তাইৰ মাক-দেউতাকে তাইৰ অন্তৰৰ বতৰা.......

পাৰ্যমানে নিজকে দোষ দিছিল শেৱালিয়ে..... মনত তাইৰ এইটো ধাৰণা বদ্ধমূল হৈছিল যে তাইৰ বাবে আজি অভিলাষে মৃত্যুক সাৱটি ল'লে। সেই সময়ত ফোনটো ৰিচিভ কৰা হ'লে অভিলাষ কেতিয়াও ৰুমৰ পৰা ওলাই নগলহেতেন.... আৰু তাকে ভাবি ভাবি এটা সময়ত খোৱা-পিন্ধাৰ প্ৰতি অমনোযোগী হৈ পৰিল শেৱালি...... জীয়াই থকাৰ যেন প্ৰেৰণা হেৰাই পেলালে শেৱালিয়ে.....

আজিও ৰাতি হঠাত সাৰ পাই চিঞৰি উঠে শেৱালি..... 'অভিলাষ.... অভিলাষ'

টিক্ টিক্...... আকৌ ঘড়ীৰ সংকেত.... ৫ বাজিল..... দূৰৰ অস্তাচলৰ হেঙুলীয়া বেলিটিলৈ চাই ক'লে শেৱালিয়ে - "অভিলাষ, তুমি মোৰ বাবে মাথো অভিলাষেই হৈ থাকিলা... মাথো এবছৰৰ মৰম বুকুত সাৱটি মই জীয়াই থাকিম..... তোমাৰ বাবে......

***

গল্প

# বিষাদ গ্ৰস্ত সময়

নীলাক্ষি শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

"আজিলৈ ইমানতে সামৰিলো", এনেদৰে কৈ মিছ্ শেৱালি দুৱৰাই ক্লাছটো শেষ কৰিলে। এজাক ছাত্ৰ-ছাত্ৰীৰ ধন্যবাদৰ প্ৰত্যুত্তৰত মিচিকিয়া হাঁহিৰে সম্ভাষণ জনাবলৈ নাপাহৰিলে তেওঁ। এইয়া মিছ্ শেৱালি দুৱৰা, হাঁহিমুখীয়া, বিনম্ৰতাৰ আঁচলেৰে ঢকা কৰুণ দুযোৰ চকু। পঞ্চম ষান্মাষিকৰ শেষৰ ক্লাছটো তেওঁৰ ৪-৩০ বজাত শেষ হয়। কেতিয়াবা তেওঁ সোনকালেই লয় এই ক্লাছটো। অৱশ্যে মেজৰৰ এই ক্লাছটো ছাত্ৰ-ছাত্ৰীয়ে শেষৰ ক্লাছ হ'লেও নকৰাকৈ নাথাকে। তেওঁহে ৪-৩০ বজাত যাবলৈ শংকিত হয়। আজিও এয়া সোণাকায়ে টংটংকৈ দিনটোৰ শেষৰ বেলটো কোবালে। তেওঁ কমন ৰুমতে বহিলে, পাৰ হৈ যাব দিলে এই কালিকা লগা সময়। নোৱাৰে, যিমান চেষ্টা কৰিলেও আবেলি ৪-৩০ বজাত তেওঁ ঘৰলৈ বুলি ৰাওনা হ'ব নোৱাৰে। এক মৃদু কোলাহলে তেওঁক ক্ষন্তেকৰ বাবে অন্যমনস্ক কৰি তুলিলে। ৰুণুমীৰ মাত সেইয়া "কাইলৈ সোনকালে আহিবি কিন্তু" দাবীপূৰ্ণ কিন্তু স্পষ্ট মাত ৰুণুমীৰ। নিশ্চয় তাই ৰাণাক কৈছে। ৰাণা তাইৰ প্ৰেমিক অথবা সিহঁত ভাল বন্ধু। মিছ শেৱালি দুৱৰাৰ সিহঁতৰ ব্যক্তিগত জীৱনৰ প্ৰতি কোনো মনোযোগ নাই। কিন্তু তেখেতৰ মনটো উৰা মাৰে কলেজৰ দিনবোৰলৈ, সেই বৰষুণত তিতা যৌৱনলৈ। ক'ত হেৰাল বাৰু!! হেৰাই গৈছিল জীয়াই থকাৰ প্ৰধান উৎস এই সময়খিনিতেই। হয়, এই ৪-৩০ বজাই কাঢ়ি লৈ গৈছিল জীয়াই থকাৰ সকলো আনন্দ। এতিয়াৰ মহাবিদ্যালয়ৰ প্ৰবক্তা মিছ শেৱালি দুৱৰা যেন প্ৰাণবিহীন, সেই প্ৰাণৱন্ত শেৱালি দুৱৰা হেৰাই গৈছিল এটি আবেলি। এনেতে এজাক মূষলধাৰ বৰষুণে তিয়াই পেলালে ধৰনী। এই বৰষুণে তেওঁৰ বৰ প্ৰিয় আছিল। আকাশৰ ভালপোৱা পৃথিৱীৰ প্ৰতি বৰষুণ হৈ নামে। প্ৰিয় নহ'বই বা কিয়! কিন্তু এতিয়া বৰষুণ দিলে অজানিতে বৈ আহে দুধাৰি চকুলো, বিশেষকৈ আবেলিৰ বৰষুণজাকত। সেই বৰষুণত ভিজা শেৱালিজনীয়ে ভুমুকি মাৰিব খুজিও বৈ যায় এটি আবেলিৰ ৪-৩০ বজাৰ সময়ৰ কঠোৰতাত। যিদিনা তাই পৰাস্ত হৈছিল নিয়তিৰ ওচৰত। কি যে মধুৰ আছিল সেইদিন! ৰৌদ্ৰস্নাত সেই দিনবোৰলৈ উভতি যাব পৰা হ'লে! মিছ শেৱালি দুৱৰা অতীতৰ সেই স্মৃতিত শেৱালিজনী হৈ পৰিল। মহাবিদ্যালয়লৈ যোৱা ৰাংঢালী শেৱালিৰ মুখত এক মিঠা হাঁহি, দুচকুত সপোনৰ ভিৰ। মহাবিদ্যালয়ে দিছিল তাইক জীৱনৰ শ্ৰেষ্ঠতম সময়খিনি, কিন্তু ক'ব নোৱাৰাকৈয়ে এই মধুৰ সময়ৰ লগত যোগ হৈছিল এটি কালিকা লগা আবেলি। তাই প্ৰেমৰ হাতত ধৰি পাৰ কৰিছিল প্ৰতি মূহুৰ্ত যিয়ে তাইৰ জীৱনক এক উচ্চতা প্ৰদান কৰিছিল। "শৰৎ-শেৱালিৰ যুটিক জানো কোনোবাদিনা পৰাস্ত কৰিব পাৰিব কোনোৱে?" এইদৰেই বন্ধুবৰ্গৰ আগত কৈ গৌৰৱবোধ কৰিছিল। হয়তো এই এযাৰ কথাকেই সহ্য নকৰিলে নিয়তিয়ে। কৃষ্ণচুড়াৰ ৰঙেৰে বোলোৱা সিহঁতৰ প্ৰেম হাৰি গৈছিল, হাৰি গৈছিল কাহানিও হাৰ নমনা শেৱালি দুৱৰা। সদায় হোৱাৰ দৰেই সেইদিনাও আবেলি ৪-৩০ বজাত দুয়ো দুয়োৰেপৰা বিদায় লৈছিল। ভবা নাছিল এই দেখাই শেষ দেখা হ'ব বুলি। আবেলি ৪-৩০ বজাক সিহঁত দুয়োৱে বৰ গুৰুত্ব দিছিল, দুয়োৱে অনুভৱ কৰিছিল এক মিশ্ৰ অনুভৱ। দিনটোৰ মৰম-অভিযোগৰ আদান-

প্ৰদান কৰি বিদায় লৈছিল পিছদিনা পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে। কিন্তু সেই দিনটো, শনিবাৰ আছিল, ১৫ নৱেম্বৰ ৪-৩০ বজা, গোমা বতৰৰ বাবেই প্ৰায় অন্ধকাৰ হৈছিল। শেৱালিয়ে শৰতক কৃত্ৰিম খঙেৰে বিদায় দিছিল। সি দেওবাৰে লগ কৰিব নোৱাৰিম বুলি কোৱাৰ বাবেই। বুজিছিল তাই, নুবুজাৰ ভাও ধৰিছিল। প্ৰেম নিশ্চয় এনেকুৱাই। য'ত কান্দিলেও হৃদয় ভৰি থাকে। শৰৎ আগত গৈছিল তাইক এৰি। তাই তাৰ পিছতেই গৈ আছিল। তাইৰ চকুৰ পচাৰতেই যে ঘটি গৈছিল সমগ্ৰ ঘটনা। মহতিয়াই নিছিল তাইৰ প্ৰেমক এখন তীব্ৰবেগী ট্ৰাকে। তাই আৰু ক'ব নোৱাৰে। বহুদিনৰ মূৰত চকু মেলিছিল। ইতিমধ্যেই তাই এক জীৱন্ত শৰীৰলৈ ৰূপান্তৰ হৈছিল, প্ৰাণবিহীন।

"বাইদেউ, ঘৰলৈ নাযায়?" সোণাকাইৰ প্ৰশ্ন -

"হুঃ যাওঁ ৰ'বা।" অলপ সময় ৰৈ তাই উত্তৰ দিছিল।

সময়ে শিকালে শেৱালি দুৰৰাক। দৈহিক উপস্থিতিয়ে নিৰ্ণয় নকৰে ভালপোৱাৰ উচ্চতা। শেৱালি দুৰৰাৰ জীৱন মহাবিদ্যালয়তেই ৰৈ গ'ল। এইয়া মাথো জীয়াই থকাৰ তাড়না। শৰৎ-শেৱালিৰ ভালপোৱা এতিয়াও বৰষুণ হৈ বৰষে, তৰা হৈ জিলিকে, কুঁৱলী হৈ ঢাকে সমগ্ৰ ধৰণীক। এতিয়াও, এতিয়াও যে সেই সময় বিস্মৃতিত নিমজ্জিত হোৱা নাই। এখন বিষাদৰ দোলাত উঠি এই সময়ৰ পৰা দূৰত যাব পৰাহেঁতেন। উশাহ গধূৰ হৃদয়ক মুক্ত কৰিব পৰাহেঁতেন..... ঘড়ীৰ পৰাই আবেলি ৪-৩০ বজাক নিঃচিহ্ন কৰিব পৰাহেঁতেন.......। কিন্তু বাস্তৱ সদায় ৰুক্ষ। এইয়া মিছ্ শেৱালি দুৰৰা, বাস্তৱতাৰ কঠিনতাৰে গঢ়া, যাবলৈ ওলাইছে ঘৰলৈ বুলি .... সময় আবেলি ৫ বজা।

***

গল্প

# নষ্ট ছোৱালী

জিতু মনি কাশ্যপ
সংস্কৃত বিভাগ

"Oh my God! তুমি এই ৰাতিলৈ চিনেমা চাই আছা।" - উচ্ছসিত হৈ প্ৰশান্তই ক'লে।

"ওঁ" - মই উত্তৰ দিলো।

"কি চিনেমা?"

"কহো না প্যাৰ হ্যায়।"

"তো ফিৰ কহো না প্যাৰ হ্যায়" - প্ৰশান্তৰ মুখত দুষ্টামিৰ হাঁহি।

"ক্যা মতলব?"

"ছাফ ছাফ কহো না প্যাৰ হ্যায়।" প্ৰশান্তই ক'লে।

মই বুজিলো বুজি খুব হাঁহিলো। আৰু ক'লো - "হাঁ হ্যায় বাবা হ্যায়, জৰুৰ হ্যায়। মুঝে তুমসে বহুত প্যাৰ হ্যায়।" - দুয়ো আকৌ হাঁহিলো, কিন্তু জনা নাছিলো যে সেয়াই আছিল মোৰ প্ৰশান্তৰ সতে শেষ নিশাৰ শেষ হাঁহি।

মোৰ মনটো স্বাধীন হ'বলৈ বিচাৰিছিল, সমাজে লগাই থোৱা নাকীডাল মই এক প্ৰকাৰ খুলি থৈছিলো বুলি কব পাৰি। ময়ো এজন ল'ৰাৰ দৰে স্বাধীন ভাৱে কাম কৰিব বিচাৰিছিলো। গছ বগোৱাত মোৰ লগৰ হৰেণহঁতে মোক বলে পৰা নাছিল। দেউতাক পথাৰত চাহ দিবলৈ গৈ হালৰ মুঠিত ধৰাটো মোৰ সৰুতে এক প্ৰকাৰৰ অভ্যাস আছিল। সেয়ে কোনোৱে মোৰ নামৰ আগত বহাব বিচাৰিছিল নষ্ট শব্দটি, মানে নষ্ট ছোৱালী। হয়তো ক'বলৈ বিচাৰিছিল "কম দিনত বেয়া হবি, আলু-পিয়াজৰ দৰে"। কিন্তু কোৱা নাছিল, হয়তো ক'বৰ বাবে সুবিধা পোৱা নাছিল, মই ক্লাছত সদায় প্ৰথম আছিলো আৰু গাঁওৰ শিক্ষা বৃত্তি পোৱা একমাত্ৰ ছোৱালী। আনহাতে দেউতা এজন নাম জ্বলা সাংবাদিক, সেইবাবে।

ছোৱালী হোৱাৰ বাবে মোৰ স্বাধীনতাবোৰ হেৰাই গ'ল। মোৰ জীৱনত উৰিল এখন বিবৰ্ণ পতাকা। এবাৰ "মা" বুলি মাতিবলৈ বৰ মন যায়..... নাই নোৱাৰো, সেয়ে মই দুৰ্ভগীয়া। দেউতাৰ হাঁহিবোৰে মোক বৰকৈ আমনি কৰে। এই দুখন হাতেৰে সেই হাঁহিবোৰ শ্মশানত এদিন জ্বলাই দিছিলো। দপ্‌দপ্‌কৈ জ্বলিছিল চিতাৰ জুইকুৰা। তাত শপত লৈ কৈছিলো - "দেউতা মই আপোনাৰ সপোনবোৰ পূৰণ কৰিম"। কিন্তু মই আজি পঙ্গু, ভবাৰ বাহিৰে প্ৰকাশ কৰাৰ উপাই নাই। বাঃ কি আচৰিত - মানুহে পক্ষীৰ দৰে আকাশত উৰিছে, মাছৰ দৰে পানীত সাঁতোৰে আৰু অসুৰৰ দৰে এচাম জীৱ শ্ৰেষ্ঠই ৰক্ত পাণ কৰে। সপোন দেখিছিলো কলম নামৰ অস্ত্ৰৰে জগত জিনিবলৈ। সেয়ে দেউতাৰ কলমটো হাতত তুলি লৈছিলো। বুকুত আছিল দেউতাৰ হত্যাৰ প্ৰতিশোধৰ জ্বালা। দুৰ্নীতিৰ কথা উন্মোচিত কৰিবলৈ গৈ দুৰ্বৃত্তৰ হাতত এটা ভূৱা এটা দুৰ্ঘটনাত যি দেউতাই প্ৰাণ ত্যাগ কৰিছিল। প্ৰকৃততে এয়া দুৰ্ঘটনা নে পৰিকল্পিত হত্যা কাণ্ড, সকলো কথা পোহৰলৈ আহিব, যেতিয়া সুভাষ দত্তৰ বিচনাৰ তলৰপৰা অনা ডায়েৰিখন প্ৰকাশ কৰিম। সুভাষ দত্ত হ'ল MLA যশবন্ত দুৱৰাৰ P.A. - সিহঁতৰ মুখাৰ আঁৰৰ মুখাখন খুলিবলৈ মই সংকল্পবদ্ধ। মই লিখিবলৈ সাজু দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিষয়ে। মুখাপিন্ধা ভদ্ৰ সকলৰ বিষয়ে বাতৰি নহয় - বুৰঞ্জী। কাৰণ ডাঙৰ ডাঙৰ মানুহৰ বুৰঞ্জীহে লিখা যায়। প্ৰমাণ কৰিবলৈ মই এনেদৰে সাজু যে সিহঁত এই বাৰ সাৰি যাব নোৱাৰিব। বহুলোক আহিছে মোক সহায় কৰিবলৈ। প্ৰশান্তই মোক প্ৰতি সময়তে সহায় কৰি আহিছে। ড° প্ৰশান্ত গোস্বামীৰ লগতে মোৰ বিয়া, সৰস্বতী পূজাৰপৰা এমাহ পাছত।

কলেজৰপৰা ওলাই যোৱা বহুদিন হৈছিল, দিন মানে বছৰ। সেইদিনটো আছিল কলেজৰ পৰা ওলাই যোৱাৰ পাছত প্ৰথম সৰস্বতী পূজা। নষ্টালজিক হৈ ৰোমন্থন কৰি আমি গাইছিলো সকলোৱে প্ৰেমৰ গান, ফাগুণৰ বতাহো যেন থমকি ৰৈছিল, আমাৰ হাঁহিত। বেলি গৈ পশ্চিম আকাশ পালে, সকলো ঘৰলৈ উভতিলো। ব্যস্ত আলিবাট এৰি সৰু বাটেৰে প্ৰৱেশ কৰিলো - এনেতে মোৰ লগৰ শিখাই কৈ উঠিল - "ঐ স্বপ্না চাইদ (আঁতৰি) দে..... গাড়ী"। দুয়োকে আচৰিত কৰি ৰঙা ৰঙৰ মাৰুটিখন আমাৰ কাষত ৰ'ল। গোটেই দেহটো কঁপিব ধৰিলে, মনত তীব্ৰ আতংক, শংকা। সেই একে কেইখন মুখ...... যিকেইখন মুখ Girl's Common Room ৰ খিৰিকিৰে দেখিছিলো। হঠাৎ গাড়ীৰ দৰ্জা খুলি লগত থকা শিখাক ৰাস্তাৰ কাষত ঢকা মাৰি দিলে আৰু মোক গাড়ীত ভৰাই লৈ গ'ল। তীক্ষ্ণ চুৰীখন দেখি ভাবিছিলো এটা ভয়াবহ মৃত্যুৰ কথা। সেয়ে সংগোপনে তুলি দিছিলো মোৰ জীৱন...... সিহঁতৰ হাতত। সম্পূৰ্ণ পথত ভোগ কৰিলো এজাক দানৱে দিয়া যন্ত্ৰণা..... যন্ত্ৰণা আৰু যন্ত্ৰণা।

সিহঁতে চাই আছিল মোক, প্ৰথমে মন কৰা নাছিলো। পাছত দেখিলো এজাক ল'ৰা, কোনোদিন নেদেখা বহুতো মুখ। সিহঁত চাগে পুৰণি ছাত্ৰ। আহিব পাৰে সৰস্বতী পূজা যেতিয়া বহুতো নতুন-পুৰণি ছাত্ৰৰ সমাগম হয়। ল'ৰা-ছোৱালীবোৰে কলেজত নতুন শোভা ধাৰণ কৰিছে। বিশেষকৈ ছোৱালীবোৰে। বাৰ ৰঙীণ পখিলা হৈ উৰি ফুৰিছে। Girl's Common Room ত থকা আইনা খনৰ যে কি ভাগ্য, একে ধৰণৰ সাজ চাই থকা আইনাখনে বহু ৰঙীণ সাজ দেখিছে। মই মোৰ চাদৰ-মেখেলাযোৰ থিক কৰি আছিলো। চাদৰৰ ভাজে ভাজে হাত বুলাই ভাজবোৰ ভাল কৰিলো। চুলিখিনি আকৌ এবাৰ চালো। বাওঁকান্ধত চাদৰৰ ভাজত মৰা পিনটো থিক কৰোতে সিহঁতক দেখা পাইছিলো। গম নাপাওঁ কেতিয়াৰপৰা মোক খিৰিকিৰে চাই আছে। বুকুখন চিকিংকৈ গ'ল। বুকুৰ ওপৰত বেয়া হৈ থকা চাদৰখন টানি ল'লো। এনেতে কাণত পৰিল - "বাহ! কি সুন্দৰ। চাদৰৰ লগত মিলাই পিন্ধিছে কাণ ফুলি, ওখ ওখ হীল, মজা বে.....।" লগে লগে শূণ্যত ভাহি আহিল ডেকা ল'ৰা কেইজনমানৰ হাঁহি। যেন সিহঁতে কিবা এটা নতুন বস্তু আৱিষ্কাৰহে কৰিছে। তেতিয়াৰ পৰাই সিহঁতে মোক অনুসৰণ কৰিছিল, ঘৰলৈ যোৱালৈকে।

এতিয়া সিহঁতে নাম সলাই লৈছে, কোনো বহিল ৰাজপাটত, আন কোনোবাজন হ'ল সমাজ সংগঠনৰ নেতা। সিহঁতৰ শাস্তি হ'ল সঁচা, পাছ বছৰ পাছত মুক্তি পালে আৰু মই ১৪ বছৰে পৰি আছো চিকিৎসালয়ৰ এই একেখন বিচনাত। হিংস্ৰ প্ৰাণী জাকৰ আচোৰত যৌৱন শূণ্য হৈ পৰা মোৰ ৰাঙলী দেহটো যি সোমাই ছিল চিকিৎসালয়ৰ এই কোঠাত, সেই দিন ধৰি পৰি আছো...... যৎন্ত্ৰণাক্লিষ্ট হৈ মৃত্যুৰ ক্ষণ গণি। মই পৰি থকাৰ কাৰণ কোৱা হৈছে, - মই বেমাৰত পৰিছো, নাম দিয়া হৈছে Paralysis, মাথো অনুভৱ কৰো জীৱনৰ সংজ্ঞা কেনেকুৱা, নাই মই আজি কৰিব পৰাত একোৱে নাই, চকুলো মোৰ বাবে প্ৰধান সমল, দুখ লাগিলে তাৰ আশ্ৰয় লওঁ। এতিয়া আৰু ভাৰি আচৰিত নহওঁ সমাজে কিয় কয় "মই নষ্ট ছোৱালী"।

***

গল্প

# ভয়ানক সেই আবেলিটি

অপর্ণা বৰুৱা
স্নাতক চতুর্থ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভগ

সৌ সেই দিনাৰ কথাঙ্গ আজিৰপৰা প্ৰায় এসপ্তাহ আগতে, যিটো দিনৰ কথা মনত পৰিলে মোৰ বুকুখন কঁপি উঠে। সেইদিনা সময় আবেলি প্ৰায় ৪-১৫ বাজি গৈছিল। সেইদিনা ক্লাছ বেছি সময়লৈ হৈছিল, কিয়নো দুদিন মান পিছত আমাৰ পৰীক্ষা। সেইদিনা আছিল অসম বন্ধ আছিল যদিও এই বন্ধৰ দিনতো প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়েই কলেজলৈ আহিছিল। হ'লেও কলেজৰপৰা ওলাই যাওঁতে মোৰ কিছু দেৰি হৈছিল কাৰণ মই দুদিন আগত নিয়া দুখনমান কিতাপ ওভতাই দিবলৈ কলেজৰ পুথিভঁৰাললৈ গৈছিলো। কলেজৰ গেটৰ সন্মুখত মই বহু সময় অকলে থিয় হৈ আছিলো, বন্ধৰ দিন, গাড়ী-মটৰ প্ৰায় নায়েই, হ'লেও চেগ বুজি কিছুমানে দুই এখন গাড়ী উলাইছে। তাৰেই অপেক্ষাত বৈ আছো। কিজানিবা এখন গাড়ী পাওঁৱেই ঘৰলৈ যাবলৈ। মই গাড়ীৰ কাৰণে বৈ আছো, মোৰ দৰেই এজনী ছোৱালী বিপৰীত দিশে গাড়ীৰ অপেক্ষাত। আমাৰ মাজত কোনো চিনাকি হোৱা নাছিল কাৰণ আমি দুয়ো বিপৰীত দিশে বৈ আছো, মাত্ৰ মই ছোৱালীজনীৰ পোছাক যোৰ দেখি গম পাইছিলো যে আমি দুয়ো একেখন কলেজৰ ছাত্ৰী। হঠাতে দেখিলো বিপৰীত দিশৰ পৰা এখন 'ট্ৰেভেলাৰ' গাড়ী আহিছে। মনত অলপ দুখ লাগিল। কাৰণ মই এতিয়া অকলেই কৃষ্ণচূড়াৰ তলত বৈ থাকিব লাগিব। ইজনে সিজনক মাত-কথা পতা নাছিলো যদিও এজনে আনজনৰ সাহস হৈ আছিলো। উপায় নাই, ভাগ্যক দোষ দি আৰু অলপ সময় বৈ দিওঁ বুলি মনক সান্ত্বনা দিলো তাই গাড়ীখন ৰখাবলৈ দূৰৈৰ পৰাই হাত বাউলি দিছিল। কিন্তু গাড়ীখনৰ ড্ৰাইভাৰজনে তাইৰ হাত বাউলিক কোনো সঁহাৰি নিদি তাইক খুন্দা মাৰি আঁতৰি গ'ল। মোৰ চকুৰ আগত ঘটা দৃশ্যটি যেন মোৰ মনে বিশ্বাস কৰিব নোৱাৰিলে। মই লগে লগে তাইৰ পিনে চাই দেখো তেজেৰে লুতুৰি পুতুৰি হৈ চিঞৰি চিঞৰি অলপ দূৰৈত বাগৰি পৰি আছে। মই লগে লগে তাইৰ ওচৰলৈ গ'লো। সহায় বিচাৰিবলৈ কোনো ওচৰে পাজৰেও নাই, কি কৰিম কি নকৰিম ভাবি নাপালো। মাত্ৰ কিবাকৈ ,তাইক হাস্পাতালৈ নিব লাগে, কিন্তু নিব কেনেকৈ? দেখিলো এজন চাইকেল আৰোহী ব্যক্তি আহি আছিল। তেওঁক যেনে তেনে কৈ ছোৱালীজনীক হাস্পাতালত ভৰ্ত্তি কৰালো। হাস্পাতালালৈ হৈ পোৱা কিছু দেৰি হৈছিল। দুজন কলেজীয়া ছোৱালীক চাইকেল আৰোহী এজনে হাস্পাতাললৈ লৈ যোৱাত কম অসুবিধানে? বহুতে মোক পিছত ক'লে যে ১০৮ সেৱাক কিয় ক'ল নকৰিলি, কিন্তু কোনে বুজিব সেইদিনা মোৰ মোবাইলৰ বেটাৰী চাৰ্জ শেষ হৈ গৈছিল। তাইৰ বেগতো মোবাইল বিচাৰিছিলো। কিন্তু ট্ৰেভেলাৰখনে যে তাইৰ মোবাইলটোকে মহতিয়াই থৈ গৈছিল। হাস্পাতালত ডাক্তৰে ক'লে অধিক ৰক্তক্ষৰণ হৈছে - সেইবাবে ৰাতিটো হাস্পাতালত থ'ব লাগিব। লগে লগে মই মোৰ মোবাইলটো হাস্পাতালৰ এটা ৰুমত প্লাগ দেখি চাৰ্জত দিলো আৰু ঘৰলৈ ফোন কৰিলো। এইপিনে ঘৰৰ সকলো বৰকৈ উদ্বিগ্ন হৈ আছে, কাৰণ আবেলি হৈছে, মই ঘৰ গৈ পোৱা নাই। শেষত ফোন কৰি সকলো কথা বিৱৰি ক'লো। কিন্তু সেই ছোৱালীজনী যিজনীৰ মই নাম ঠিকনা একো নাজানো, তাইৰ ঘৰত

কেনেকৈ খবৰ দি; শেষত তাইৰ বেগত পোৱা ডায়েৰীখনেই যেন একমাত্র উপায় দিলে। তাইৰ ঘৰৰ মানুহ আহিল আৰু মোৰ ঘৰৰ মানুহও আহিল সেই ৰাতি। শেষত তাইৰ অভিভাৱকক তাইক দি মই ঘৰলৈ আহিলো। শেষত গম পালো তাইৰ নাম শেৱালি। পিছত তাই আৰোগ্য পোৱাত এদিনত কলেজত চিনাকি হ'লো আৰু এতিয়া তাই মোৰ এজনী ভাল বান্ধৱী, যিজনী ছোৱালীক বাটৰ বিপৰীত দিশত থাকোঁতে মাত দিয়া নাছিলো। মোৰ আজিও সেই আবেলিটিৰ কথা ভাবি ভয় লাগে, যি নহঁওক শেৱালি আৰোগ্য হ'ল। তাই মোক ধন্যবাদ দি আঁহৰি পোৱা নাই, কিন্তু মই ক'লো যে সেয়া মানবীয়তা হে।

***

গল্প

# ঘৃণিত ঈশ্বৰ

কুসুম শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক (বিজ্ঞান)

(১)

নিচিনো তোমাক ক'ত আছা প্রভু/ আমি অতি সৰু ল'ৰা/ চিঞৰি চিঞৰি মাতিলে তোমাক/ নামাতা দূৰৈৰ পৰা'............ সেই আকুল কণ্ঠৰ বিষন্নতাই কুটি কুটি খাইছিল প্ৰায়বিলাক সন্ধ্যাৰ নিস্তব্ধতা। ৰান্ধনি ঘৰৰ ওচৰৰ চালিখনৰ তলত একুৰা জুই ধৰি আইতাই মিঠা আলু পুৰিছিল। কেতিয়াবা ঈছপৰ সাধু, কেতিয়াবা পঞ্চতন্ত্ৰৰ সাধু...........

ক'ৰবাৰ পৰা বিষন্ন মন এটা লৈ সন্ধ্যাৰ অতিথি বীৰেন কাইটি আহি জুপুকা মাৰি মনে মনে বহি লয় আইতা-মোৰ ওচৰত। মাজে মাজে কি হয় এই মানুহজনৰ? ইমান হাঁহি থকা মানুহজনে নিস্তব্ধতাক সংগী কৰি লয়। মই এদিন সুযোগ বুজি বীৰেন কাইটিৰ বিষয়ে সুধি পেলাইছিলো দেউতাক। কমকৈ কথা কোৱা দেউতাই পাতনি মেলিছিল বীৰেন কাইটিৰ বিষয়ে - মানুহজনে পুৱাৰপৰা গধূলিলৈ আমাৰ ঘৰতে কাম-বন কৰিছিল। গৰু-ছাগলী যতন লোৱা, পথাৰত কাম কৰা, বজাৰ কৰা আদি সকলো কাম এই মানুহজনৰ ওপৰতে আছিল। মোক 'অফিচত' যোৱাৰ সময়ত পুৰণা হি'ৰ চাইকেলখন জোকাৰি দিয়াটো, অফিছত খাবৰ কাৰণে তামোলকেইখনমান বান্ধি পকেটত ভৰাই দিয়া আদি কাম এই মানুহজনৰ। মানুহজনৰ বিয়াৰ বয়স হৈছিল, মই নিজে তদাৰক কৰি মানুহজনৰ বিয়া পাতি দিছিলো। তাৰ পিছতো কিন্তু তেওঁ আহি আছিল। এনেকৈ তেওঁৰ সুখৰ সংসাৰত দিনবোৰ অতিবাহিত হৈছিল।

মানুহজন,মানে বীৰেন কাইটিৰ বিষয়ে এনেকৈ বৰ্ণনা দিছিল দেউতাই মোৰ আগত। মোৰ মানুহজনৰ বিষয়ে আৰু জনাৰ ইচ্ছা হৈছিল। দেউতাই কিন্তু মোক না কৰা নাছিল আৰু কৈছিল - লখিমী বীৰেনৰ ঘৈনীয়েক। লখিমীৰ ৰূপে-গুণে গাঁৱৰ ইমূৰৰপৰা সিমূৰ ৰজন্জনাই গৈছিল। এটা সময়ত সিহঁতৰ মাজলৈ পৰী আহিছিল। তাই লখিমীতকৈ আৰু এখোপ চৰা। বীৰেন-লখিমী সুখী হৈছিল। এনেকৈ দিনবোৰ গৈছিল.... বীৰেনৰ ছোৱালী পৰী এদিন গাভৰু হৈছিল - দেউতা ৰৈ গৈছিল সেই ভয়ানক ঘটনাৰ বৰ্ণনা দিবলৈ গৈ। লাহে লাহে দেউতাই কৈছিল - এদিন বীৰেন আমাৰ ঘৰৰপৰা ঘূৰি যোৱাত কিছু পলম হৈছিল। সেইদিনা আমাৰ ঘৰত কিবা সকাম আছিল। বীৰেন আমাৰ ঘৰৰপৰা যাবলৈ ওলাইছিল নিশা প্ৰায় ১০ বজাত। গাঁৱৰ ১০ বজা মানে

মাজ-নিশা। সি ঘৰ পায় মানে এঘাৰ বাজিছিল। নিশা ঘৰত বীৰেণে লখিমী আৰু পৰীক জীৱিত অৱস্থাত দেখা নাপালে। কোনো নৰ-পিশাচৰ লোলুপ দৃষ্টিৰপৰা মাক-জীয়েক এজনীও সাৰি যাব নোৱাৰিলে। সেইদিনাই সিহঁতক বালাৎকাৰ কৰি ডিঙি চেপি মাৰি পেলালে। সেইবোৰ ঘটনাৰ আৰু একো বিচাৰ নহ'ল। সহজ-সৰল বীৰেনৰ জীৱনৰ পৰা সুখ আঁতৰি গৈছিল। নিস্তব্ধ হৈ গৈছিল বীৰেন। মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল। মই বহুত চিকিৎসা কৰিলো। কিছু ভাল হ'লেও কিন্তু আগৰ বীৰেনক ঘূৰাই নাপালো। দেউতা আৰু মই কিছু সময় নিশ্চুপ হৈ বহি ৰৈছিলো।

(২)

মানুহজন মানে বীৰেনকাইটি আমাৰ ঘৰলৈ আহিলে আগতে মোক মাত দিব - গাৰ্গী মইনা! মই দৌৰি আহি বীৰেন কাইটিৰ হাতৰ পৰা মৰ্টন চকলেট কেইটা লওঁ। কি অপূৰ্ব সোৱাদ এই মৰ্টন চকলেট কেইটাৰ। আচলতে মোৰ যিকোনো সমস্যাৰ সমান এই বীৰেনকাইজন। বীৰেন কাইটিয়ে মোক মাঘৰ বিহুৰ সময়ত মেজি ঘৰ সাজি দিছিল। পশ্চিমৰ সেই নদীৰ পাৰলৈ বগৰী খাবলৈ লৈ গৈছিল, আৰু আমাৰ বাৰীৰ পিছপিনে দুডাল তামোল গছত সাজি দিয়া ধূলনীখন আৰু যে কিমান সমস্যাৰ সমাধান আছিল এই বীৰেন কাইজন।

মোৰ ইচ্ছাৰ বিৰুদ্ধে এই মানুহজনে কেতিয়াও কাম নকৰিছিল। মানুহজন মোৰ কাম লৈ ব্যস্ত। কেতিয়াবা মা হঁতে গালি পাৰে বীৰেন কাইটিক - মোৰ এই অপ্ৰয়োজনীয় কামবোৰত লাগি থকাৰ কাৰণে। হ'লেও মানুহজনে কেতিয়াবা মোক পথাৰলৈ মাছ ধৰিব নিয়ে। কাইটিয়ে মোক কান্ধত তুলি গোটেই পথাৰখন লৈ ফুৰে। জোক দেখিলে ভয় কৰা মইজনীক অলপ সময়ৰ কাৰণেও পানীত নামিব নিদিয়ে।

বীৰেন কাইটিৰ প্ৰয়োজন মই অনুভৱ নকৰা হৈ আহিলো। কিছুমান সমস্যাৰ সমাধান মই নিজে কৰিব পৰা হ'লো। এতিয়া আমাৰ ঘৰলৈ আহিলে মানুহজনে মোক মাত দিয়ে, কিন্তু আগৰ মৰ্টন চকলেট লৈ অহা বীৰেন কাইটিজন নহয়।

(৩)

আজিও বীৰেন কাইটি আহি আমাৰ ঘৰৰ পিৰালিত বহিছিল। আজি বুলি নহয়, মাহৰ প্ৰায় বেছিকেইটা দিন আমাৰ ঘৰৰ আলহী। আচলতে মই মানুহজনক এতিয়া আলহী-অতিথি বুলি ভাবিব নোৱাৰো। মোৰ মতে মানুহকজন ভিখাৰী, খাবলৈ নোপোৱা দাল-দৰিদ্ৰ।

মায়ে ভিতৰৰ পৰা মোক মাতিলে গাৰ্গী...... মই মাৰ কাষ পাওঁগৈ মানে চাহৰ সৈতে অন্য খোৱা বস্তু সাজু মানুহজনক দিবৰ বাবে। আজিও মই মানুহজনক চাহ দিব লাগিব.....? মানুহজনে মোৰ পিনে কেতিয়াবা ভেবা লাগি চাই থাকে। মোৰ কাষ চাপি মানুহজনক চাহ দিবলৈ ভাল নালাগে।

মানুহজন মোৰ একেবাৰে ভাল নলগা হৈ আহিছে। যিদৰে মোৰ পিনে ভেবা লাগি চাই থাকিব মই যেন কিবা মানুহজনক প্ৰথমবাৰৰ কাৰণে দেখা দিছো। আচলতে বীৰেণ কাইটিৰ এই ধৰণৰ স্বভাৱ মই বহুদিনৰপৰা লক্ষ্য কৰি আহিছো। বীৰেন কাইটিৰ এইধৰণৰ আচহুৱা লক্ষণৰ বিষয়ে ঘৰৰ কাৰো আগত কোৱা নাই আৰু কলেও বা কি লাভ। ঘৰৰ মানুহবোৰে ভগৱানৰ শাৰীত থোৱা এই মানুহজনৰ বিষয়ে একো ব্যৱস্থা নলয় বুলি মই জানো! মই ভাবো জিলি পেহীক এই সমস্যাৰ বিষয়ে কম - তেতিয়া নিশ্চয় পেহীয়ে কিবা এটা কৰিব!

(৪)

জিলি পেহীক আমাৰ ঘৰৰ কোনেও ছোৱালী বুলি নাভাবে। সোণৰ ব্ৰেচলেট এপাত, চি' পকেট পেন্ট, এম. চি.ৰ চৰ্ট চাৰ্ট এটা.... কৰবালৈ যাবলৈ পেহীক আগতীয়া প্ৰস্তুতিৰ কোনো প্ৰয়োজন নাই। পেহী এক্ছেপচনেল। কেতিয়াবা দুখন চেয়াৰৰ এখনত ভৰি তুলি পঢ়ে অনুৰাধা শৰ্মা পূজাৰীৰ শেহতীয়া লেখাবোৰ। কেতিয়াবা নতুন মডেলৰ পেন্ট, চাৰ্ট পিন্ধি জেনখন লৈ টাউনলৈ ওলায় যায়। মোৰ খুব ভাল লাগে পেহীৰ সান্নিধ্য।

কেতিয়াবা পেহীৰ সৈতে ৰাতি মই থাকো। খুব ভাল লাগে যেতিয়া পেহীৰ কোমল আঙুলি কেইটাই মোৰ চুলিৰ মাজত বাগৰ সলায়। পেহীৰ বুকুৰ মাজত সোমাই মই এক অজান শিহৰণ অনুভৱ কৰো। মই বুজাব নোৱাৰো কিয় এনে হয়। এনেকৈয়ে টোপনি যাও। কেতিয়াবা মাজ নিশা সাৰ পাই বিভিন্ন কথা পাতো পেহীৰ লগত। পেহীৰ বুজনিৰ বিষয়বস্তু এতিয়া আগতকৈ বেলেগ। পেহীয়ে মোক বুজায়.....

ঃ বাছ-টেম্পত অহা-যোৱা কৰোতে সাৱধান হ'বা। কাষত বহা অচিনাকি পুৰুষে শৰীৰত স্পৰ্শ কৰিলে প্ৰতিবাদ কৰিবা। স্পষ্টবাদী হ'বা। মা-দেউতাৰপৰা কোনো গোপন কথা লুকুৱাই নথবা। যিকোনো মানুহৰ কাষ চাপোঁতে সাৱধান হ'বা। এতিয়া তুমি আগৰ গাৰ্গী মাইনাজনী হৈ থকা নাই। ডাঙৰ হ'লা। যিকোনো মানুহক বিশ্বাস নকৰিবা।

পেহীৰ কথাত মই আচৰিত। মোৰ শৰীৰতনো এনে কি আছে কোনোবাই চুই চাব। অৱশ্যে মোৰ চকুহাল বৰ ধুনীয়া বুলি বহুতেই কয়।

বাছ-টেম্পত অহা-যোৱা কৰোতে এনে সমস্যাৰ সন্মুখীন হৈ মই পোৱা নাই। কিন্তু এচাম পুৰুষ আছে যি বাছ-টেম্পত মহিলাৰ কাষ চাপি যায়। কেতিয়াবা অবাঞ্চিত স্পৰ্শৰ বাবে দুই এক পুৰুষে মহিলা কিম্বা অন্যান্য বাছ-যাত্ৰীৰ দ্বাৰা প্ৰহৃত হোৱা দেখা যায়। মই ভাবি নাপাও কিহৰ তাড়নাত বগাই ফুৰে এই হাতবোৰ।

এদিন বাথৰুমৰ আইনাত মই নিজকে পৰীক্ষা কৰি পেলালো। মা, জুলি মিচ্ কিম্বা জিলি পেহীৰ দৰে নহ'লেও তিতা চেমিজটো লিপিটখাই পৰিলে মোৰ বুকুতো দুটা টৌৰ সৃষ্টি হয়। কিমান দিনৰ এই শৰীৰী পৰিবৰ্তন?

(৫)

মনোজদা প্ৰায়ে আমাৰ ঘৰলৈ আহে। আচলতে তেওঁ অন্য কাৰণতহে আহে। দুদিন মানলৈ মই বুজি পোৱা নাছিলো। কিন্তু এদিন পেহীয়ে মোক কৈছিল - পেহীয়ে হেনো মনোজদাক ভাল পায়। এদিন পেহীয়ে শুই থাকোঁতে মোক হঠাতে কৈছিল - মনোজ অন্য ল'ৰাৰ দৰে নহয়। আজিলৈ সি মোৰ হাতখনকে চুই পোৱা নাই।

পেহীয়ে কোৱা কথা মই বিশ্বাস কৰো, কোনাধৰণৰ প্ৰশ্ন অৱতাৰণা নকৰাকৈ। আজি-কালি মনোজদাক মোৰো ভাল লাগে। মা-হঁতৰ কাৰণে মনোজদা লাহে লাহে পৰিয়ালৰ এজন হবলৈ ধৰিলে। অ-ঘোষিত সদস্য হৈ পৰিল ঘৰখনৰ কাৰণে মনোজদা। মানুহজনে আমাৰ ঘৰলৈ আহিলে চিপচ্, বিভিন্ন সোৱাদৰ চকলেট লৈ আহে। বীৰেন কাইটিয়ে আগতে মোলৈ এনেকৈ মৰ্টন- চকলেট লৈ আহিছিল। মনোজদাৰ চক্লেটৰ লগত সেই বোৰ একো তুলনা নহয়। মনোজদাই আমাৰ ঘৰতে এদিন বীৰেন কাইটিক বৰকৈ গালি পাৰিছিল। কিয় গালি পাৰিছিল মই বৰকৈ মন দিয়া নাছিলো। কিন্তু ভালেই পাইছিলো সেই জধলাটোক বেয়াকৈ কোৱাত। তাৰ পিছত বহুদিন অহা নাছিল বীৰেন কাইটি আমাৰ ঘৰলৈ। মা-হঁতৰ চিন্তা - কি হ'ল মানুহজনৰ? মই হ'লে একো অসুবিধা পোৱা নাই মানুহজন নহাত...... আজি বহুদিন হ'ল বীৰেন কাইটি মানুহজন আমাৰ ঘৰলৈ নহা।

(৬)

এটা নিৰ্জন আবেলিৰ ভয়াবহ স্মৃতি। মনত পৰিলেই সেই কদৰ্য দৃশ্যবোৰ প্ৰেতাত্মাৰ দৰে নাচি উঠে, ওলট-পালট হৈ যায় মোৰ মনোজগত। এই স্মৃতিয়ে যেন মোক অতীতৰ আৰু বৰ্তমানৰ দুটা পৃথক সত্বালৈ ৰূপান্তৰিত কৰিলে। সেই কাহিনী যেন মোৰ কাহিনী নহয় গাৰ্গী নামৰ অন্য কোনোবা এজনী ছোৱালীৰহে কাহিনী।

মাক-দেউতাক বজাৰ কৰিবলৈ ওলাই গৈছিল। ঘৰত অকলে আছিল তাই। জিলি পেহীও নাছিল। প্ৰায়ে অহাৰ দৰে মনোজদা আহিছিল, ড্ৰয়িং ৰূমৰ দীঘল ছোফাখনত মনোজৰ ওচৰত বহি তাই পিটিকি আছিল তাৰ মোবাইলতো। খুব সম্ভৱ দহটা মিনিটৰ ব্যৱধান। প্ৰথমে মূৰত, তাৰ পাছত পিঠিত...... তাইৰ শৰীৰত ক্ৰমান্বয়ে অবাধ্য হৈ পৰিছিল মনোজৰ হাত, তাইৰ ভাল লগা নাছিল সেই স্পৰ্শ।

ঃ এইবোৰ কি! তাই বিৰক্তিৰে

কৈ আঁতৰিব খুজিছিল মনোজৰ ওচৰৰ পৰা, কিন্তু নোৱাৰিলে, মনোজে সাজোৰে সাৰটি ধৰিছিল তাইক। তাৰ শক্তিশালী শৰীৰটোৰ ভৰ, সঘন শ্বাস-প্ৰশ্বাসৰ দহন, বিষাক্ত চুম্বন........ মৃত্যুশীতল যন্ত্ৰণাত কোঙা হৈ পৰিছিল গাৰ্গী। সকলো শেষ হৈ গ'লহেতেন, কিন্তু সেই সময়তে মনোজৰ ওপৰত জঁপিয়াই পৰিছিল অন্য এটা শৰীৰ। ড্ৰয়িং ৰূমৰ বতাহজাকত বিয়পি পৰিছিল মনোজৰ মৰণকাতৰ আৰ্তনাদ, ৰক্তাক্ত হৈ পৰিছিল তাৰ দেহ, চেঁচা মজিয়াত।

গাৰ্গীয়ে সাজোৰে কান্দি দিছিল, সাৰটি ধৰিছিল বীৰেন কাইটিক। বীৰেন কাইটিয়ে ফোপাইছিল, মনোজৰ তেজত তিতা দাঁতবোৰ ভয়ানক দেখাইছিল। স্পষ্টকৈ মনত আছিল গাৰ্গীৰ। বীৰেন ,কাইটিয়ে বান্ধি পেলাইছিল মনোজক।

গাৰ্গীয়ে মনত ভাবিছিল ক'ৰপৰা জানো আহি পালে অতদিনৰ মূৰত এই মানুহজন। নহা হ'লে আজি গাৰ্গীৰ সকলো হৈ গ'লহেতেন।

(৭)

কিদৰে এবাতি চাহ খাবলৈ সোমাই ঘটনাৰ প্ৰত্যক্ষ্যদৰ্শী হ'ল.... বৰ্ণনা কৰি ভাগৰি পৰিছিল বীৰেন কাইটি। সেয়ে জুপুকা মাৰি বাৰান্দাৰ এচুকত বহি আছিল তেওঁ। গাঁওৰ মানুহেৰে ভৰি পৰিছিল সিহঁতৰ ঘৰ।

বীৰেন কাইটি আজিকালি চাৰিআলিৰ দোকানৰ পৰিৱৰ্তে সিহঁতৰ ঘৰৰ বাৰান্দাত শুই থাকে। বীৰেন কাইটিক এপলক নেদেখিলেই নিৰাপত্তাহীনতাত ভোগে গাৰ্গী, বীৰেন কাইটিয়ে জানে তাইৰ মনৰ কথা।

***

গল্প

# শ্বিলঙৰ চিনাকী সুবাস

কৰবী শৰ্মা
চতুৰ্থ ষাণ্মাসিক (সংস্কৃত বিভাগ)

বাছত উঠাৰ লগে লগে হুলস্থুল আৰম্ভ হ'ল।

নেনচি, পিংকি, বিকাশ হতে মায়াক জোকাব আৰম্ভ কৰিলে। অ' মায়া, তাত কিন্তু নেটৱৰ্ক নাপাবি, জোনাকক কৈ দে এতিয়াই। মায়াই বাছৰ পৰা খিৰিকীৰে মূৰটো উলিয়াই চিঞৰি ক'লে জোন বাই। জোনে চিঞৰি ক'লে ফটো উঠিব পাহাৰৰ কাষলৈ নাযাবা। মায়াই চিঞৰি ক'লে কিমান বাৰ যে কোৱা পাহাৰৰ কাষলৈ নাযাবা, নাযাবা, হ'ব দিয়া নাযাওঁ। জোনাকৰ ফালে চাই সন্তোষজনক হাঁহি দিলে।

গাড়ীখন শ্বিলং অভিমুখে গতি কৰাৰ লগে লগে বৰদলৈ ছাৰে প্ৰভুক চিন্তি কৈ উঠিল- 'কৃষ্ণ প্ৰভু, পিকনিক স্থলী ভালে ভালে গৈ ভালে ভালে সকলো ঘৰ পাওঁহি যেন প্ৰভু।' কলেজৰ ৩০ জন ছাত্ৰ-ছাত্ৰীৰে চিঞৰ-বাখৰ, হাঁহি-ধেমালি গানৰ কলিৰ গুন-গুণনিত গাড়ীৰ ভিতৰত আনন্দ মুখৰ পৰিৱেশ সৃষ্টি হৈ উঠিল। কলেজৰ চকীদাৰ মাজুকাইকো ল'ৰা-ছোৱালী কেইটাই বড়ো গান গোৱাইহে এৰিলে, মাজুকাইয়ে গাই গ'ল-

বাগুৰুম বা হায় বাগুৰুম বা
বাগুৰুম বা গুৰু বাগুৰুম বা
জাত নভাববলৈ খুল নভাবৈলো
থাবীৰীম হোম নানৈ বাম্ নানৈ লাগৌংমৌলখা
হায় লাগৌংমৌন খা..........।।

এইবাৰ সকলোৱে বিহুনাম জুৰিলে ল'ৰা-ছোৱালী হঁতৰ স্ফুৰ্তি দেখি বৰদলৈ ছাৰে আগৰ চিটৰ পৰা চাই হাঁহি আছিল। শ্বিলঙৰ একা-বেকা ৰাষ্টা দেখি সকলো আনন্দত মতলীয়া হৈ গ'ল। বনানী, জুবলীয়ে গানকে গালে-

এই পাহাৰৰ দাঁতি
এই পূৰ্ণিমাৰ ৰাতি।।

বিকাশে পিছৰ চিটৰ পৰা মাত

লগালে অ মই যে শিকোৱা গানটো গাইছ নে? পাৰিছ পাৰিছ। বিকাশৰ ফালে জুবলীয়ে চাই মুখখন ভেকাহি মাৰি ক'লে- তোৰ মূৰটো। এইবাৰ বিকাশে গালে- শ্বিলঙৰে গধূলি।

পিছৰ চিটৰ পৰা পিংকিয়ে কৈ উঠিল চেৰা পাগলটোৰ কিছু টেলেন্ট আছে দেই, বৰ্‌হিয়া গাইছ।

প্ৰকৃতিৰ অকৃত্ৰিম সৌন্দৰ্য ৰাশিৰে ভৰপুৰ শ্বিলঙৰ সৌন্দৰ্য খিৰিকীৰ কাষতে বহি মায়াই বাহিৰৰ দৃশ্যবোৰ চাই গ'ল। পাহাৰৰ দাঁতিবোৰ, ৰাষ্টাবোৰ, গছ-গছনি সৰু সৰু জুৰিবোৰ দেখি মায়া চিঞৰি উঠিল। তাইৰ কাষতে বহা নেনচিক একে উশাহতে কৈ গ'ল - ঐ নেনচি, মই যে তোক সপোনত জোনাকৰ লগত বগা ঘোঁৰাত বহি পাহাৰৰ ৰাষ্টাৰে গৈ থকা সপোন বোৰৰ কথা কৈছিলো একে জেগা জাননে এইবোৰ।

মায়াৰ নিজৰে আঁচৰিত লাগিল তাই স্ফুৰ্তি কৰিব নে জোনাকক ক'ব ভাবি পোৱা নাই। ফোনটো উলিয়াই চাই যে সঁচাকৈয়ে নেটৱৰ্ক নাই। নেনচিয়ে মায়াৰ কথাবোৰ শুনি ক'লৈ Uff God! কি হ'ব এই জনীয়ে সপোনত দেখে জোনাকক, দিঠকত দেখে জোনাকক, 'আকাশে, বতাহে তোমাকে না... না... না..। মায়াই মুখখন ভেকাহি মাৰি ভোৰভোৰাই ক'লে - ফাল্টু কৰে মানে, সঁচাকৈ কলেও ধেমালি কৰে। অলপ সময়ৰ বাবে দহ মিনিট মান গাড়ীখন ৰখোৱাত মাজুকাইয়ে আগৰ চিটৰ পৰা মাত লগালে কোনোবা বাহিৰত যাব যদি, গৈ আহ সোনকালে। বিকাশে খিৰীকিৰে জুমি চাই কাষতে এখন দোকান দেখি কৈ উঠিল- ইচ্ ৰাম! ইমান ঠাণ্ডা! চিগাৰেট এডালকে হুপি আহোঁগৈ। বিকাশৰ কথা শুনি পিংকিহঁতৰ চিটৰ আগত বহি থকা বন্দিতা মেমে শুনাকৈ পিংকীয়ে চিঞৰি উঠিল। 'মেম্ কোনোবাই কিছুমান বস্তু স্বাস্থ্যৰ বাবে হানিকাৰক বুলি নাজানে। বাছৰ পৰা নামিব লোৱা বিকাশক দেখি বন্দিতা মেমে ক'ত যায় বুলি প্ৰশ্ন কৰাত সি চিধাই কুৰকুৰি লৈ আনোগৈ বুলি বাছৰ পৰা নামি গ'ল। খিৰিকীৰে মায়াই মূৰটো উলিয়াই চিঞৰিলে মোৰ কাৰণেও আনিবি কুৰকুৰি। কুৰকুৰি কিনি চিধাই বাছত উঠা বিকাশৰ মুখখন পিংকি আৰু মায়াই হাঁহি লগাই দিলে। কুৰকুৰি পেকেট হাতৰ পৰা পিংকিয়ে লৈ আনি গান গালে -"য়ে দোস্তি, হম নেহি তোড়েংগে" বিকাশে সিঁহতৰ ফালে বেকাকৈ চাই ক'লে-"তহঁতৰ বাপেৰৰ দিনৰ মই চাকৰ। আনি দিছো খুচি খুচি খা।" বাছখন আকৌ পিকনিকস্থলী মুখে গতি কৰিলে। বৰদলৈলৈ ছাৰে কমলা কেইটা মান " ভগাই দি ক'লে "আৰু ২০মিনিটমান পিছতে পিকনিক স্থলী পাম।"

১০মান বজাত সকলো পিকনিক স্থলী পালেগৈ। ল'ৰা-ছোৱালী হালে দুহাত মেলি চিঞৰি বাছৰ পৰা নামি আহিল। সকলোৰে মুখেৰে এটাই শব্দ ওলাল আহ্ ইমান ধুনীয়া! সকলোকে যেন মেঘবোৰে আংলিংগন কৰি শ্বিলঙলৈ স্বাগতম জনাইছে। কিযে অপৰূপ দৃশ্য, চাৰিওফালে নাম নজনা চৰাইৰ মিশ্ৰিত কোলাহল, ওপৰত নীলা আকাশ, চাৰিওফালে পাহাৰ, গছ-গছনি সেউজীয়া আৰু সেউজীয়া।

দুহাত মেলি কৈ উঠিল চোৱা, মোৰ গাঁও চোৱা। যান্ত্ৰিক পৃথিৱী খনতকৈ কিমান বিপৰীত। বিকাশে কবিতাকে ৰচিলে শ্বিলঙৰ সৌন্দৰ্য দেখি- কোন তুমি?

তুমি কোনোবা তপশ্বিনী নে,
কোনোবা অভিশপ্ত নাৰী!
যি...........।

বিকাশৰ স্বৰচিত কবিতা শেষ নহওঁতেই মায়াৰ কথা শুনি মাত লগালে তোৰ গাঁও? মায়া থতমত খাই কৈ উঠিল এ এনেই কিবা মুখেৰে ওলাল আৰু মায়াই নিজেই কৈ উঠি নিজেই ভাবিলে কি ক'লো। কিন্তু তাইৰ এনেকুৱা লাগিছিল তাইৰ এইবোৰ বহু আগৰে চিনাকী। শ্বিলঙৰ ঠাণ্ডা বতাহজাকে সকলোকে চুই গ'ল। বৰদলৈ ছাৰে আৰু মেমে ৰাতিপুৱা ব্ৰেকফাষ্টৰ বাবে ল'ৰা-ছোৱালীবোৰ মাতি আনিলে সকলো ব্যস্ত ফটো উঠাত। ৰাতিপুৱা ব্ৰেকফাষ্ট কৰি দুপৰীয়া আহাৰৰ বাবে মাথো ৰান্ধনী কেইজন ৰ'ল। সকলো শ্বিলঙৰ নিজৰা, জলাধাৰ দৰ্শনৰ বাবে গতি কৰিলে। সাতটা নিজৰা পাহাৰৰ বুকুৰে

হোঁ হোঁ শব্দৰে তীব্ৰ গতিত নাচি বাগি তললৈ নামি আহিছে। সকলো আনন্দত মতলীয়া হৈ পৰিল। মায়াই কেমেৰাটো হাতত লৈ নিজৰা কেইটাৰ ফালে স্তব্ধ হৈ চাই ৰ'ল। অলপ সময়ৰ পিছতে নিজৰা কেইটা মেঘে ঢাকি ধৰি নেদেখা কৰি পেলালে। মায়া অকলে আহি তাই থিয় হৈ থকা জেগাখিনি, কঁহুৱাবোৰ, কেতেকীফুলৰ গছবোৰ তন্ময়ভাবে চাই ৰ'ল। মায়াৰ সমস্ত শৰীৰ কঁপি উঠিল। কেনেকৈ তাই সপোনত দেখা জেগাবোৰ একে হ'ব পাৰে? জোনাকৰ লগত সপোনত যিবোৰ জেগা ঘূৰি ফুৰা সপোন দেখে হুবহু কেনেকৈ একে হ'ব পাৰে। শিল এটাৰ ওপৰত বহি তাই সকলোবোৰ আওৰাই থাকিল। এদিন দুদিন নহয় বহুদিন বহুবাৰ একে জেগাৰ সপোন দেখিছে। মায়াই ভাবি বহি থাকোতে সিহঁতৰ লগৰ খুহুতিয়া অংকুৰে মাত লগালে "মায়াৰ মন বেয়া জোনাক নাই..।" অংকুৰৰ কথা শুনি মায়াই হাতত লৈ থকা কমলাটো দলিয়াই দি ক'লে-"পাগল, পিছত যে মেম আছে দেখা নাই, চিঞৰিছ যে টেটু ফালি।" ফটো উঠাত ব্যস্ত নেনচিক মায়াই কথাবোৰ ক'বলৈ মাতি আনোতে বৰদলৈ ছাৰে ক'লে-"সৌ গাওঁখন পাহাৰীয়া মানুহৰ এলেকা।" বৰদলৈ ছাৰৰ কথাবোৰ শেষ হোৱালৈহে ৰৈ আছিল মায়া। নেনচিৰ হাতত ধৰি তাই আগতেই আগবাঢ়ি গ'ল। তাই দূৰৰ পৰা গীৰ্জা ঘৰটো দেখি থমকি ৰ'ল। অলপ দূৰ গৈ ভাহি অহা চিফুঙৰ মাত শুনি মায়াৰ কব নোৱাৰাকে দুগাল অশ্ৰুৰে ভৰি পৰিল। তাই যেন বুজাব নোৱাৰা বেদনাই বুকুখন সোপা মাৰি ধৰিছে। চিফুঙৰ মাতত তাইৰ শৰীৰত যেন কাৰেন্ট হে লাগিছে। নেনচিৰ হাতত ধৰি চিফুঙৰ মাত য'ৰ পৰা ভাহি আহিছে মাথো তালৈ গৈ থাকিল। লগৰবোৰ যে বহুত পিছত থাকিল মায়াৰ সেইবোৰ ভ্ৰূক্ষেপে নকৰিলে। নেনচিক এনেকে মায়াই লৈ অহাত অবাক হৈ সুধিলে তোৰ কি হৈছে বাৰু? এইবোৰ চিনি পাৱ নেকি তই এনেকে যে লৈ আহিছ। মায়াৰ প্ৰশ্নৰ যেন ভঁৰাল এটা মূৰত সোমাই পৰিল, লাহেকে মাত লগালে নাজানো আহি থাকচোন মোৰ লগত, একো নহয়। নেনচিয়ে ভয়ে ভয়ে ক'লৈ- এনেকে যে ইমান দূৰ আহিছ ইহঁতবোৰ ইমান পিছত থাকিল চাচোন, ঘূৰি যাওঁ ব'ল ইয়াত কোনোবাই ধৰি থৈ দিলে কি কৰিবি? ব'ল ব'ল ঘূৰি যাওঁ। নেনচিয়ে মায়াৰ হাতত ধৰি টানি আনিব খোজোতে দেখিলে এটি সৰু জুৰি আৰু তাৰ কাষেদি কেইটামান শহা পহু দৌৰি গৈছে। তাই চিঞৰি উঠিল বা ইমান ধুনীয়া জেগা। ফটো একপি উঠানা উঠা না মোৰ ঘৰটো যদি জুৰিটোৰ কাষত হ'লহেঁতেন, ইছৰাম। মই যে কিমান ফটো উঠি ফেচবুকত ফটোবোৰ দিলো হয়। কেমেৰাটো মায়াৰ হাতত দি ফটোৰ পজ দিয়া নেনচিক মায়াই ক'লে - মই ফটো উঠাম বাৰু কিন্তু তই মই য'ত যাওঁ যাব লাগিব। নহ'লে মই নোৱাৰো। মায়াৰ প্ৰস্তাৱত মান্তি হৈ নেনচি মায়াৰ লগত থাকিল। নেনচিৰ যেন ভয়ত জীৱ যাবহে আৰু কথাবোৰ শুনি মায়াই কৈ গ'ল- নেনচি, তোক যে মই মাজনিশা সেইদিনা সপোনত দেখি জগাইছিলো। মই যে সপোন দেখি চিঞৰিব ধৰোতে তই সাৰ পাই পানী দিছিলি। তোক জানো কোৱা নাছিলো সেইদিনা। জোনাক আৰু মই বুঢ়া এটাৰ ঘৰলৈ যাওঁ সদায়। সপোনত দেখা পাহাৰীয়া ৰাষ্টাৰে আৰু যে জোনাক পাহাৰৰ পৰা পৰি যোৱা সপোন দেখি চিঞৰি উঠিছিলো। এই জেগাবোৰ একে জানা; সেইবোৰ সপোন আৰু এইবোৰ দিঠক। হুবহু একে জেগা। চিফুঙৰ মাত লাহে লাহে ওচৰ চাপি আহি আহি যিটো ঘৰৰ পৰা ভাহি গৈছিল, সেই ঘৰৰ সন্মুখত থিয় হৈ মায়াই দৰ্জাত টুকুৰিয়াই দিলে। মায়াৰ অদ্ভুদ কাণ্ডবোৰ দেখি নেনচিয়ে ভোৰভোৰাই মায়াক গালি দিলে আৰু তই মোক এখনো ফটো উঠাব নালাগে, ব'ল ঘূৰি। কোনোবাই বান্ধি থৈ দিলে গম পাবি। মায়াই নেনচিৰ কথা গুৰুত্বই নিদিলে। দৰ্জাখনত আকৌ টুকুৰিয়াই দিলে। লাহেকৈ চিফুং বজোৱা বন্ধ হ'ল ভিতৰৰ পৰা মাত লগালে। সোমাই অহা মই যাব নোৱাৰো চকুৰে নেদেখো। এজন বৃদ্ধ মানুহৰ মাত। দৰ্জা খন খুলি মায়া আৰু নেনচি সোমাই গ'ল। মায়াই বুঢ়াজনলৈ চাই থিয় হৈ থৰ লাগি ৰ'ল। সহজ-সৰল

অন্ধ বুঢ়াজন দেখি নেনচিৰহে সাহসটো বেছি হ'ল। বুঢ়াজনে সোধা প্ৰশ্নৰ এটা এটাকে উত্তৰ দি গ'ল নেনচিয়ে। হয় বৰ ভাল লাগিছে। আমি কলেজৰ পৰা পিকনিক খাব আহিছো। ইয়াৰ পৰিৱেশ বৰ ধুনীয়া আৰু আপুনি ইমান ধুনীয়া চিফুং বজায়। মায়া নিস্তব্ধ। একো মাত নাই। বুঢ়াজনলৈ আধা ঘন্টামান থৰ লাগি চাই থাকি এখন ফটো লৈ পকাতে বহি থাকিল। নেনচিয়ে মায়ালৈ চাই দেখে এইজনীৰ ইমান হাহাকাৰ ইয়ালৈ অহা, এতিয়া বজ্ৰ পৰা মানুহৰ নিচিনাকৈ পকাত কিয় এনেকে বহি আছি বুলি ওচৰলৈ গৈ দেখে ফটো এখনত হুবহু মায়া, জোনাক আৰু বুঢ়াজন। নেনচিৰ মুখৰ মাত হেৰাল, সপোন নে দিঠক বুলি নিজৰ গাতে চিকুটি চালে। নেনচিয়ে মনে মনে থকাত বুঢ়াজনে মাত লগালে আজি মোৰ বৰ আপোন মানুহ অহা যেন লাগিছে। বয়সৰ বাবে চকুৰে নেদেখা হ'লো। লাহেকে নেনচিয়ে থোকাথোকা মাতেৰে ক'লে হয় ককা। আপুনি যে এখন ফটো উঠিছে চিফুং হাতত লৈ কাষত এজনী ছোৱালী আৰু ল'ৰা আছে, হুবহু মোৰ লগৰ জোনাক আৰু ..... নেনচিৰ কথা শেষ নহওঁতেই বুঢ়াজনে কৈ উঠিল অ' সেইখন ফটো? এইবুলি কৈয়েই বুঢ়াজন উচুপি উঠিল।

সিহঁতহাল মোৰ বৰ মৰমৰ ছাত্ৰ। 'জোছেফ আৰু মেৰী।' মই জোছেফক চিফুং শিকাইছিলো আৰু মেৰীকো নাচ। মেৰীয়ে ধুনীয়া নাচে। দুয়োটা মোৰ তাত আহি প্ৰেমত পৰিছিল। মেৰী উচ্চ জাতিৰ আছিল, জোছেফ নিম্ন জাতিৰ। ঘৰৰ পৰা বিয়ালৈ অমান্তি হোৱাত পলাই আনিছিল জোছেফে মেৰীক। সৌ গীৰ্জাটোত সিহঁতৰ বিয়া হৈছিল। কিন্তু বিয়াৰ দিনাই ঘোঁৰা গাড়ীৰে লৈ আনি থাকোতে চকা খুলি মেৰী পাহাৰৰ তলত পৰে আৰু মেৰীক বচাব গৈ দুয়োটাৰে মৃত্যু হয়। কৈয়ে বুঢ়াজনে হুকহুকাই কান্দি উঠিল।

মায়াই কান্দি কান্দি আহি বুঢ়াজনক সাৱটি ধৰিলে আৰু ফটোখন সাৱটি ধৰি কান্দি কান্দি কলে- জো জো জোছেফ জোনাক মোৰ।

***

গল্প

# দিপাংকৰ আৰু তাৰ জলহস্তী

বাপ্পী সাহা
বি.এ. দ্বিতীয় ষাণ্মাসিক

'বানপানীত জলহস্তী এটা উঠি আহিছে।'- কথাষাৰ শুনাৰেপৰা দিপাংকৰৰ মনত কিমান যে চিন্তা!

কাজিৰঙাৰ অলপ দূৰতে এখন গাঁও। গাঁওখনৰ নাম শান্তিপুৰ। তাতে দিপাংকৰৰ ঘৰ। সি মাক-দেউতাকৰ চকুৰ মণি। বয়স ১২ বছৰ। সি সৰু যদিও বনৰ জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-গছনিৰ বহুত নাম জানে। দেউতাকে তাক হাবিলৈ নি নি এইবোৰ কথা আৰু এইবোৰৰ বিষয়ে শিকাইছে।

যোৱা দহ দিনমানৰ পৰা মুষলধাৰে বৰষুণ। সিহঁতৰ বাৰীৰ চাৰিওফালে পানী আৰু পানী। বৰষুণত দেউতাকে দিপাংকৰক ঘৰৰ বাহিৰলৈ ওলাবলৈ দিয়া নাই।

দেউতাকে কলগছৰ ভূৰ এখন সাজিছে। দিপাংকৰৰ তাত এবাৰ উঠি চোৱাৰ বৰ মন। বানপানীত হৰিণা, জলহস্তী আৰু বনৰ প্ৰাণীবিলাকৰ আলৈ-আথানি হৈছে। আজি ৰাতিপুৱাই দিপাংকৰক বিকাশে আহি খবৰ দিলেহি যে বানপানীত জলহস্তী এটা উটি আহিছে। কথাটো শুনাৰে পৰা দিপাংকৰৰ মনত উচপিচনি! জলহস্তীটোক এবাৰ চাই আহিব পৰাহেঁতেন। কথাটো ভাবি ভাবি তাৰ মনলৈ এটা বুধি আহিল। ভূৰখন লৈ কোনেও নজনাকৈ সি জলহস্তীটোৰ ওচৰলৈ যোৱাৰ কথা ভাবিলে। ভবামতে কাম। ভূমুকি মাৰি সি পাকঘৰলৈ চালে। দেখিলে মাকে ভাত ৰান্ধি আছে। দিপাংকৰে সাউৎকৰে পিচ চোতাললৈ গ'ল। ভূৰখন খুঁটি এটাত বন্ধা আছিল। সি ভূৰখনত উঠি গাঁঠিটো খুলি দিলে। ভূৰখনে পানীত টুলুং-ভুলুং কৰিবলৈ ধৰিলে। সি জোৰেৰে ভূৰখনৰ শলখা এডালত খামুচি ধৰিলে। তাৰ বুকুখন অকণমান কঁপি উঠিল। কিন্তু সি মনটো ডাঠ কৰি ভাবিলে যে এতিয়া ভয় খালে নহ'ব। বিপদত ধৈৰ্য ধৰিব লাগিব। সি ভূৰখনত বহি ল'লে। জেওৰা এডালেৰে পানীত কাটি কাটি সি ভূৰখন চলাই নিবলৈ ধৰিলে। কিছুদূৰ যোৱাৰ পিছত দিপাংকৰৰ চকুত পৰিল পানীত কিবা এটা ওপঙি আহিছে। এবাৰ বুৰ গৈছে, এবাৰ ওপঙিছে। 'হেৰ সেইটো দেখোন জলহস্তী' দিপাংকৰে নিজে নিজকে ক'লে।

পানীৰে সোঁতে জলহস্তী এটা উটুৱাই নিছে। পানীত সি কক্‌বকাই আছে। দিপাংকৰৰ মনটো শোকে খুন্দা মাৰি ধৰিলে। এই সৰু জলহস্তীটোক নবচালে যে সি পানীত বুৰগৈ মৰিব। তাৰ বাহিৰে এই সৰু জলহস্তীটোক উদ্ধাৰ কৰোতা এতিয়া ইয়াত আন কোনো নাই।

ভূৰখন সি সৰু জলহস্তীটোৰ ফালে নিবলৈ চেষ্টা কৰিলে। সি ঠিক কৰিলে- জলহস্তীটোক যেনে তেনে বচাবই লাগিব। সেই সময়ত সি নিজৰ বিপদৰ কথা একেবাৰে পাহৰি গ'ল। দিপাংকৰে যি ভাবিছিল সেইটোৱেই হ'ল। ভূৰখন নি সি জলহস্তীটোৰ কাষ পোৱালেগৈ। বেচেৰা জলহস্তী! সি তেতিয়াও পানীত এবাৰ বুৰগৈ এবাৰ ওপঙি আছিল।

-জলহস্তীটো মৰিল নেকি? দিপাংকৰৰ গাৰ নোম শিয়ৰি উঠিল। সি ভয়-শংকা পাহৰি জলহস্তীটোক টানি ধৰিলে। সি যুঁজি যুঁজি জলহস্তীটোক ভূৰৰ ওপৰলৈ তুলি আনিলে আৰু ৰচীডালেৰে জলহস্তীটোক বান্ধি পেলালে। কি ঠিক সি অজানিতে তাক খুন্দা মাৰি পানীত পেলাই দিবও পাৰে। কিছু সময় পিছত জলহস্তীটোৱে হুচ পাই ঠেং, মূৰ আঁচৰিবলৈ ধৰিলে। দিপাংকৰে তাৰ মূৰটো মোহাৰি মোহাৰি ক'লে, "উৎপাত নকৰিবি। আকৌ পানীত পৰি যাবি! মই আকৌ

উঠাব নোৱাৰো।' দিপাংকৰে ভূৰখন পাৰলৈ লৈ গ'ল। পাৰত মানুহৰ ভিৰ। ল'ৰা-ছোৱালীবোৰে 'জলহস্তী, জলহস্তী' বুলি চিঞৰি আছিল। গাঁওবুঢ়াজনে ক'লে- 'বিপদত পৰা হাবিৰ জীৱ-জন্তুক মানুহে নবচালে আৰু কোনে বচাব? আহ হেৰ মোৰ বোপাই বিষ্ণু। (মাকে আৰু গাঁৱৰ মানুহে দিপাংকৰক বিষ্ণু বুলি মাতে) হেৰৌ পিতৌ, ৰজনী আহ আহ ল'ৰাটোক পাৰলৈ আন। বিষ্ণুৱে গাঁৱৰ মানুহৰ বাবে গৌৰৱৰ কাম কৰিলে। ই আমাৰ গাঁৱৰ মান ৰাখিব। এই কথাষাৰ কৈ গাঁওবুঢ়াই বিষ্ণুক বুকুত সাৱটি ল'লে। তাৰ পিছত জলহস্তীটোক লৈ নানাজনে নানা কথা ক'লে।

বিষ্ণুৱে নিজে মনতে ভাবিলে যে- সি সৰু জলহস্তীটোক ঘৰলৈ লৈ যাব। তাক পুহিব। ভবা মতেই কাম হ'ল। সি নাওঁ এখন যোগাৰ কৰি জলহস্তীটোক ঘৰলৈ লৈ গ'ল।

বিষ্ণুৱে মৰমতে এই সৰু জলহস্তীটোৰ নাম দিলে 'ছুটো'। ঘৰ পায়েই বিষ্ণু আৰু ছোটুৰ মাজত ঠেলাঠেলি খেল আৰম্ভ হ'ল। বিষ্ণুৱে দেউতাকক ক'লে- "দেউতা মই এই সৰু জলহস্তীটোক পুহিম।'

"হেৰ এইবোৰ পোহমনা জীৱ নহয়। তাতকৈ পানীত উঠি অহা ছাগলী এটাকে পুহিবলৈ লোৱা ভাল।" এইবাৰ বিষ্ণু তাৰ ককাকৰ ওচৰ পালেগৈ। ককাকৰ মনটোও বিষ্ণুৰ দৰে সহজ-সৰল। ককাকে ক'লে - 'পুহিলে পোহ, কিন্তু সাৱধানে থাকিবি।' সি কিবা এটা ভাবি ছোটুক ক'লে- 'বেচেৰাটো ভোকত আছে। ছোটু পানী খাবি? এ নালাগে দে। তই দেখোন বহুত পানী খালিয়েই।' বিষ্ণুৱে বহুত চেষ্টা কৰিও বাঁহপাত আৰু ঘাঁহবোৰ তাক খুৱাব নোৱাৰিলে। ছোটুৱে তাক খুন্দা এটাহে মাৰিলে। 'ৰ-ৰ। মোক নুখুচিবি। দেউতাই হাবিত থৈ আহিবগৈ। তেতিয়া গম পাবি।' বিষ্ণুৰ মৰমসনা খণ্ড। ইতিমধ্যে ককাকে ছোটুৰে বাবে গড়াল এটা সাজি উলিয়ালে। গোটেই দিনটো ছোটুৰ লগত লাগি থাকোতেই গ'ল। বিষ্ণুৱে গড়ালৰ বাহিৰৰ পৰাই ছোটুৰ পিঠিখনত হাত ফুৰালে। সি জীৱনত কোনো দিনে জলহস্তী চুই পোৱা নাছিল। বিষ্ণুৱে ছোটুক তাৰ বন্ধু বিলাকৰ লগত খেল-ধেমালি কৰি থাকোতে বিষ্ণুৰ বৰদেউতা আহি ক'লে- "তই জাননে বাৰু - গ'ম পালে এদিন ফৰেষ্টৰ মানুহে ইয়াক আহি লৈ যাব।"

বৰদেউতাকৰ কথা শুনি বিষ্ণুৰ চিন্তা হ'ল। "বৰদেউতা ছোটুক মইহে পানীৰ পৰা বচাইছো। ছোটু আমাৰ লগত থাকিব। নহ'লে ইয়াক কোনে যত্ন কৰিব? কোনে খুৱাব? মই ইয়াক খুৱাই-বুৱাই ডাঙৰ-দীঘল কৰিম। নহ'লে ই মৰি যাব বৰদেউতা।"

এইবিলাক কথা পাতি থাকোতেই বনবিভাগৰ মানুহ আহি উপস্থিত। সিহঁতে বিষ্ণুক ক'লে "আমি বনবিভাগে চেষ্টা কৰিছো এই সমস্ত প্ৰাণীবোৰক বচাবলৈ।" বিষ্ণুৱে ক'লে- খুৰা- এতিয়া ছোটুৰ কি হ'ব?

"ছোটু হৈছে বনৰ জীৱ। তুমি তাক বেছিদিন ঘৰত ৰাখিব নোৱাৰিবা। সি ডাঙৰ হ'লে মুকলিকৈ থাকিব বিচাৰিব। কিন্তু তুমি চিন্তা নকৰিবা বিষ্ণু- আমি তাক লৈ গৈ ডাঙৰ বনত মেলি দিম।

বিষ্ণুৱে আপত্তি কৰি ক'লে- 'আপুনি ছোটুক হাবিত নেমেলিব। সি ডাঙৰ হ'লে চোৰাং চিকাৰীয়ে তাক মাৰি পেলাব। তাক চিৰিয়াখানালৈকে লৈ যাওঁক।'

ছোটুক বিষ্ণুৱে মৰম কৰি থাকিল। "খুৰা ইয়াৰ নাম ছোটুৱে ৰাখিব।"

ককাক আৰু বিষ্ণুৱে নদীৰ পাৰলৈকে ছোটুক আগবঢ়াবলৈ গ'ল। ওৰেটো বাট বিষ্ণুৱে উচুপি উচুপি গ'ল। সি তাৰ মৰমৰ সেই সৰু জলহস্তীটোক নাৱত তুলি দিলে। লাহে লাহে নাওঁখন আগবাঢ়িল।

চকুৰ আঁতৰ নোহোৱালৈকে বিষ্ণুৱে ছোটুলৈ চাই থাকিল। পিছত এটা গধুৰ মন লৈ সি ককাকৰ পিঠিত উঠি ঘৰলৈ গ'ল। তেতিয়া বিষ্ণুৰ মনটো উৰা মাৰিছিল ছোটুক বিচাৰি গুৱাহাটী চিৰিয়াখানালৈ। কিজানিবা ছোটুক এদিন সি তাতেই ল'গ পাই যাব!

***

গল্প

# মোহ ভংগ

পপী ডেকা
বি.এ. দ্বিতীয় ষাণ্মাসিক (দৰ্শন)

মাজনী, কালিয়েই পানী দি থোৱা পঁইতা ভাত অলপমান আছে, খাই যা। গৰমত ভাল পাবি।

নাই মা, মই ঠাণ্ডা ভাত খাই ভাল নাপাওঁ। কি গেলা সেইসোপা! মই বাহিৰত কিবা এটা খাই ল'ম। এই বুলি তনয়াই ওখ হিলেৰে খটপ্ খটপকৈ মাকক 'বাই' দি কৰ্তব্যস্থানলৈ যাত্ৰা কৰিলে। বাহিৰত প্ৰচণ্ড গৰম। মাকে বাহিৰতে ৰৈ তাই যোৱা চাই আছে। ক্লাছ ফাইভত পঢ়া ভায়েকে ঝুলনাখনত ঝুলি আছে। দেউতাকে মিস্ত্ৰি দুটামানে কৰা কাম চাই গছৰ ছাঁত জিৰণি লৈ চকী পাৰি বহি আছে। তনয়াই খৰখেদাকৈ ৰিক্সা এখনত উঠি গন্তব্য স্থানলৈ আগবঢ়িল। যাত্ৰাপথত মাজে মাজে ঘড়ীটো চাই আনমনা হয়, আজি বাৰু ৰাহুল আহিবনে! তাক বাৰু এবাৰ সিহঁতৰ ঘৰলৈ আনিব নেকি? নাই, নিজৰ পছন্দৰ পৰ্দা দুখনমান ঘৰটোত লগাব লাগিব। সিহঁত যিমানহে ধনী। ... কলেজৰ মুখৰ স্পীড ব্ৰেকাৰটোত প্ৰকাণ্ড থেকেচা খাই তাইৰ ভাৱনাত যতি পৰিল।

মাজতে তাই এবাৰ ম'বাইলত ৰাহুললৈ ট্ৰাই কৰিলে। নাই তাৰ ম'বাইলৰ চুইছ অফ। অফিচ পাই তনয়াই ফেনৰ তলত আৰামকৈ বহি লৈ লগৰ কোন কোন আহি পালে চাই কম্পিউটাৰৰ কীবৰ্ডত আঙুলি বুলাই মুখেৰে টেপটেপাই থকা লগৰ দুজনীমানলৈ চাই হাঁহি এটা মাৰিলে। খিৰিকীৰ বাহিৰলৈ বাৰে বাৰে তাইৰ চকু গৈছে... কিজানি ৰাহুল আহিছে। নাই তাৰ কোনো উমঘামেই নাই। বিমৰ্ষ মনেৰে তাই নিজৰ কামত ধৰিলে। লাহে লাহে তনয়াৰ মনটো সেমেকি উঠিল। এটা সময়ত তাইৰ সকলো উৎকণ্ঠাৰ অন্ত পেলাই মোবাইলটো সজোৰে বাজি উঠিল। তাই চাই দেখে ৰাহুলৰ ফোন। কিছু ক্ষোভ লৈ ৰিচিভ কৰা ফোনৰ সিপাৰত ৰাহুলৰ মূল্যবান কথাই তাইৰ সকলো অভিমান পলকতে ভাঙি দিলে। তাৰ দেউতাকে আজি বহু দামৰ নতুনকৈ এখন গাড়ী কিনিছে। গতিকে এইবিলাকত ব্যস্ত থকাৰ বাবে সি সময় দিয়ামতে তাইৰ ওচৰলৈ আহিব নোৱাৰিলে। তাই বৰ খেয়ালী মনৰ ছোৱালী। ৰাহুলৰ কথাই তাইৰ হিয়া শাত পেলায়। তাই সপোন দেখে তাৰ লগত দামী গাড়ীত উঠাৰ, শ্বপিং মলত বজাৰ কৰাৰ আৰু ঢেৰ কিবাকিবি।

আজিও তাই অফিচ ছুটীৰ পিছত তাৰ বাইকত উঠি ৰেষ্টুৰেন্টত সি দিয়া পাৰ্টিৰ সোৱাদ ল'বলৈ আহিল। হঠাতে কেনেকৈ জানো এই ৰোমান্টিক সময়খিনিত মাকে আহিবৰ সময়ত খাবলৈ কোৱা পঁইতা ভাতসোপালৈ তাইৰ মনত পৰিল। তাৰো মাজত তাইৰ মনত ভূমুকি মাৰি উঠিল মাকহঁতৰ পছন্দৰ হেমাংগৰ মুখখন। সিও যেন সেই পঁইতা ভাতসোপাৰ দৰে বৰিং। সি তলে তলে তাইক ভাল পায়। মাক-দেউতাকৰো মত আছে এই সম্বন্ধত। তাই কিন্তু মিঠা সৰল চাৱনি দিয়া হেমাংগক পাত্তাই নিদিয়ে। তাই ভাবে ক'ত ৰাহুল, ক'ত হেমাংগ। সন্ধ্যা হোৱাৰ আগতে তাই ঘৰলৈ উভতিল। তাই সদায়ে ৰিক্সাত অহা-যোৱা কৰে। তাই এদিনো দেখা নাই তাৰ ঘৰ আৰু সিওঁ তাইৰ ঘৰ দেখা নাই এদিনো। ৰাহুলে তাইক এদিনো সোধা নাই চাকৰিৰ কথা বা কেইটকানো দৰমহা পায় তাই। তাক লৈ তাই বহুত ৰঙীণ সপোন দেখে।

এনেদৰেই মিঠা ৰোমান্তিকতাৰ মাজত তনয়াৰ দিনবোৰ পাৰ হয়। এদিন তাইৰ লগত জিদ ধৰি সি তাইৰ লগত গৈ সিহঁতৰ ঘৰটো চাই

আহিলগৈ। তাইৰ পিছে সেইদিনা খুব ভয় লাগিছিল। কাৰণটো অইন একো নহয় কিজানি কেনেবাকৈ...। সেইদিনাই তনয়াহঁতৰ ঘৰলৈ তাইৰ পেহীয়েক আহিছিল। তেওঁ আহিয়েই তনয়াৰ বিয়াক লৈ কিবা কিবি কৈ গণ্ডগোল লগাই দিছিল। তাইৰ বিৰাট খং উঠিছিল সেইদিনা পেহীয়েকে এইবোৰ কওঁতে। তনয়াই তেতিয়াই ঠিক কৰিছিল ৰাহুলক তাই ক'ব ঘৰত কথাটো জনাবলৈ। তাই ছেগা-চোৰোকাকৈ পেহীয়েকৰ কাণত কথাটো পেলাই ছিল, তেতিয়া পেহীয়েকে ক'লে ইমান ধনী ঘৰৰ ল'ৰা, তোৰ দৰে কলি-মলি এজনীক জানো বিয়া কৰাব বুলি। তাই গোটেইবোৰ কথা ৰাহুলক ফোন কৰি জনালে। সি মাথো কাইলৈ লগ কৰিম বুলি কৈ শলাগিছিলহে। পিছদিনা খুব উৎসাহেৰে অফিচত ৰাহুললৈ বাট চাই চাই তাইৰ আমনি লাগিল। ফোনত ট্ৰাই কৰিও পোৱা নাই। মোবাইল অফ কৰি থৈছে। এটি সেমেকা মনলৈ সন্ধিয়া তাই ঘৰলৈ উভতিল। সেইদিন ধৰি ৰাহুলৰ কোনো খা-খবৰেই নোহোৱা হ'ল। ঘৰত মাক আৰু পেহীয়েকৰ কাট মৰা কথা। ইফালে তাইৰ দুচকুত অন্তহীন অপেক্ষা। অৱশেষত যেনিবা তাইৰ ভুল ভাগিল। তাই গম পালে যে ৰাহুল ল'ৰাটো ঠিক নহয়। তনয়াই ভবাৰ দৰে তাৰ কোনো বিভিন্ন মডেলৰ বাইক নাই। সি বাইক কোম্পানীৰ ডিলাৰশ্বিপ এটাত কাম কৰে আৰু সি চলোৱা বাইকবোৰ ডিলাৰলৈ অনা নতুন বাইকহে। সি এটা মস্ত ঠগ। মাকহঁতে ভবাৰদৰে সঁচা অন্তৰৰ হেমাংগই যেন বহুত ভাল ল'ৰা তাইৰ এনে লাগিল। বেছিকৈ মুখ মেলি কোৱাৰি ফটা তনয়াই ভাবিলে ৰাহুলে চাগৈ তাইকো বহুত ধনী ঘৰৰ ছোৱালী বুলি ভোল নিয়াইছিল আৰু যিদিনাই তাইক থ'বলৈ আহি তাইৰ ঘৰটো দেখিলে সেইদিনাই তাৰ ভুল ভাগিল। তাইৰ দেউতাকে চৰকাৰী শিশু উদ্যান এখন চোৱাচিতা কৰে। অৰ্থাৎ তাৰেই চকীদাৰ। তনয়াই অনুভৱ কৰিলে মৰম-চেনেহ তথা এবুকু বিশ্বাসৰ মাজত যেন তাই হেমাংগৰ দেখিব নোৱাৰা বাইকখনৰ পিছফালৰ ছিটটোত একেবাৰে শুই পৰিছে।

***

গল্প

# আকাংক্ষা

নাজৰিন ইয়াচমিন
দ্বিতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

"মেঘালী, তোমাৰ মনযোগ ক'ত আছে?" - হঠাৎ শৰ্মা ছাৰৰ মাতত তাই বাস্তৱলৈ ঘূৰি আহিল। থতমত খাই তাই উত্তৰ দিলে- নাই, ছাৰ...।

আজি কেইদিনমানৰ পৰা মন কৰিছো, তুমি ক্লাছত ভালদৰে মন নিদি বাহিৰা কিবা কথাহে ভাবি থাকা ছ্বগেঙ্গঙ্গ

ছাৰে খং আৰু যত্ন মিশ্ৰিত মাতেৰে ক'লে।

-কিবা অসুবিধা আছে নেকি?

-নাই ছাৰ, তেনেকুৱা একো নহয়। তাই সবিনয়ে ক'লে।

- তোমালোক ফাইনেল ইয়েৰৰ ল'ৰা-ছোৱালী। তাতে তোমাক লৈ আমাৰ ডিপাৰ্টমেন্টৰ সকলোৱে বহু আশা কৰিছে। অন্ততঃ এইকেইদিন তুমি অন্যমনস্ক নহ'লে ভাল পাম। শৰ্মাছাৰে মেঘালীক উদ্দ্যেশিয়ে ক'লে। ইমানপৰে চাই এইবোৰ কথাই ভাবি আছিল। তাইৰ দেউতাক এজন আদৰ্শ খেতিয়ক। মাত-কথা, আচাৰ-ব্যৱহাৰ ভাল যদিও চিন্তাধাৰা অতিকে পুৰণি। মাকজনী বৰ সৰল। ককায়েক এজন আছে। কোম্পানী এটাত কাম কৰে। চাৰিটা প্ৰাণীৰে এখন সুখী সংসাৰ। তাইৰ পঢ়াৰ প্ৰতি আগ্ৰহ দেখিয়ে দেউতাক দাদাকে চহৰৰ কলেজত নাম লগাই দিছে। তথাপিও যেন তাইৰ সদায় এটা ভয়ে মনটো অন্ধকাৰ কৰি ৰাখে। এইকেইদিন তাইৰ ঘৰত বৰকৈ বিয়াৰ কথা চলিছে। আগতে চাবলৈ অহা ল'ৰাবোৰক পোনছাতেই মানা কৰিলেও ঘৰত তাইৰ সিদ্ধান্তটো মানি লৈছিল যদিও আজিকালি তাই দুআষাৰ বেছিকৈ শুনিব লগাহে হয়।

"ছোৱালী মানুহ, ইমানবোৰ পঢ়ি কি কৰিবি।" ইচ্ছা আছিল বাবেই তোক বি.এছ. চিত নাম লগাই দিলো। কিন্তু এতিয়া আৰু তোৰ বিয়াখন পতাৰ সময় হৈছে। ছোৱালী মানুহ পৰৰ ধন। এদিন নহয় এদিন আনৰ ঘৰ শুৱনি কৰিবই লাগিব মাজনী। এতিয়া আৰু দেউতাৰক বিমুখ নকৰিবি।" মাকে তাইক মৰমেৰে কথাকেইটা কৈছিল ৰাতি শুবৰ সময়ত।

কিন্তু তাইৰ এতিয়াই বিয়া হ'বলৈ মন নাই। তাইৰ সপোনবোৰ এতিয়া জীপাল হ'বহে ধৰিছে। তাইৰো মন আছে নিজাকৈ কিবা এটা কৰাৰ। বি.এছ.চি. সম্পূৰ্ণ হোৱাৰ পিছত এম.এচ.চি কৰাৰ মন তাইৰ। সুযোগ মিলাই পি.এইচ.ডি ও কৰিব। কলেজ এখনত সোমাই তাই নিজৰ জ্ঞান চাকিৰে আনকো উজ্বলাব। তাইৰ নিজৰ গাড়ী এখন থাকিব। নিজে চলাই কলেজত প্ৰৱেশ কৰিব। সকলোৱে 'মেম' বুলি সন্মান কৰিব।

-অই গাড়ী আহিছে। বিনীতাৰ মাততহে তাইৰ মনটো কল্পনাৰ সাগৰখনৰ পৰা ঘূৰি আহিল। গাড়ীত উঠি তাই ৰাস্তাৰ ফালে চাই গ'ল মাথোন। চাৰিআলিটোত নামি ঘৰলৈ বুলি খোজ ল'লে। ৰাতি ভাত ৰান্ধি থাকোতে তাই মাকৰ ওচৰলৈ গৈ মনৰ কথাবোৰ ক'লে। তেতিয়াই দেউতাক পাকঘৰলৈ সোমাই আহি ক'লে- "সেইবোৰ সপোন ল'ৰাই দেখিলে ভাল লাগে। ছোৱালী এজনীৰ সপোন মাথো তাই শহুৰ-স্বামীৰ ঘৰখন।"

তাই একেবাৰেই হতাশ হ'ল। তথাপিও তাই আশা এৰি নিদিলে। গোটেই ৰাতিটো তাই উজাগৰে কটালে। মনত নানান প্ৰশ্ন, ভয়, শংকা। শুবৰ সময়ত মাক-দেউতাকে আলোচনা কৰি থকাও শুনিছিল। বৰদেউতাকে দেখুৱাই দিয়া ল'ৰা জনেই উপযুক্ত হ'ব হেনো। ভাল চাকৰিও কৰে। ঘৰখনো ভাল। তাই

সুখত থাকিব পাৰিব। অহা মাহতে পৰীক্ষাৰ পিছতে বিয়াৰ কথা চলাব।

ৰাতিপুৱা তাই কিবা এটা সিদ্ধান্তত উপনীত হ'ল। খুব মনোযোগে পঢ়িলে তাই। পৰীক্ষা দিলে। তাৰ পিছতে তাই নোহোৱা হ'ল। ঘৰত বিচাৰ লাগিল। পুলিচত খবৰ দিলে। সকলোৰেও বিচাৰিলে। নাই.. তাইক ক'তো নাপালে।

কেইবছৰমান পিছত.....। মেঘালী ঘৰত উপস্থিত হ'ল। সকলো আচৰিত। মাকে দৌৰি গৈ সাৱটি ধৰিলে তাইক। দেউতাকৰ খং, অভিমান, মৰম মিশ্ৰিত এখন মুখ। তাই সকলো কৈ গ'ল এফালৰ পৰা। ঘৰৰ পৰা পলাই গৈ তাই এম.এছ চি. কৰিলে। এতিয়া হাইস্কুল এখনত কাম কৰে। দাদাকেই তাইক সকলো ক্ষেত্ৰতে সহায় কৰিছিল।

"মা মই এতিয়া বিয়া হ'বলৈ প্ৰস্তুত।"

***

গল্প

# কোনো জুইত জাহ নাযায় মোৰ বন্ধুত্ব

অপৰূপা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ, চতুৰ্থ ষাণ্মাসিক

সময় হেঙুলীয়া আবেলি। শৰতৰ শাৰদীয় পৰশে তাক আৰু জীপাল কৰি তুলিছে। মা আৰু মই সন্ধিয়াৰ বেলবৰণ পূজাৰ আয়োজনত ব্যস্ত। এইবেলিও যেন মা দুৰ্গাই সন্ত্ৰাস অন্যায় অসুয়াৰে ভৰি পৰা সেউজীয়া ধৰণীখনলৈ শান্তি নমায় আনে তাৰেই কামনাৰে মাৰ লগত মই আমাৰ ঘৰৰ পুখুৰীটোৰ পাৰতেই থকা বেল গছজোপাৰ তল সাৰি মচি চিকুনাই ঠিক কৰিলো। ব্যাঘ্ৰছালৰ দৰে আক বাক থকা কাপোৰ খনেৰে বেলজোপাৰ গুৰি ঢাকি দিব খোজোতেই দেখিলো দক্ষিণ -পশ্চিম দিশৰ পৰা কুণ্ডলি পকাই আকাশ চানি ধৰা ধোঁৱা। মোৰ অকনমাণি মনটোৰে ভাবিলো সেয়া নিশ্চয় কলীয়া মেঘৰ বৰষুণ দিয়াৰ আগজাননী। কিন্তু মোৰ মাৰ আতংকগ্ৰস্ত চকুজুৰি দেখি গম পালো নিশ্চয় কিবা অঘটন ঘটিছে। মায়ে ক'লে- 'মা যা দেউতাৰক মাতি আন, লগতে বৰদেউতা বৰমাৰকো খবৰ দে... !" মই দৌৰ দিলো দেউতা বৰদেউতাৰ ওচৰলৈ। কথাখিনি দেউতাকহঁতক কওমানে শুনিবলৈ পালো এক বিকট বিস্ফোৰণ। লাহে লাহে এজন দুজনকৈ সকলো ওলাই আহিল। গাঁৱৰ মানুহো একগোট হৈ মৰসাহ কৰি আগুৱাই গৈ দেখিবলৈ পালো আমাৰ গাঁওখনৰ দাঁতিতেই থকা ইছলাম ধৰ্মী তিনিঘৰ মানুহৰ সপোনৰ পঁজা, সোণৰ সংসাৰ বিৰাট জুইত জাহ গৈছে। ২০০৮ চনৰ ভয়লগা গোষ্ঠীগত সংঘৰ্ষৰ জঘন্য ঘটনাই মোৰ গাঁওখনৰ নিৰীহ সকলোকে চুই গৈছে। মুখত কাপোৰ মৰা, গামোচা পৰিধান কৰা হাতত চোকা মৰণাস্ত্ৰ ধাৰণ কৰা সাম্প্ৰদায়িক জিঘাংসাত কিছুমান অসভ্য বৰ্বৰে মাত্ৰ তিনি ভাতৃয়ে সুখে-শান্তিৰে বাস কৰা বহিৰ্জগতৰ খবৰ নোপোৱা সেই পৰিয়াল কেইটাকহে আক্ৰমণ কৰিব পালেনে? অকল তাতেই ক্ষান্ত নাথাকি খেতি কৰি পেট প্ৰৱৰ্তোৱা আব্দুল বৰদেউতাক দাৰে ঘপিয়াই ঘপিয়াই হত্যা কৰাৰ দৃশ্য অষ্টম শ্ৰেণীৰ ছাত্ৰী মই নিজ চকুৰে দৰ্শন কৰাৰ পিছত মই মুখেৰে মাতিব নোৱাৰা হৈ পৰিলো। চকুৰে চকুপানী নোলোৱা হ'ল। আমাৰ গাওঁৰ বৰমূৰীয়া সকলো কেৱল দৰ্শকহে হ'ল। কাৰো মুখেৰে এযাৰ মাত নোলাল। বেলপূজাৰ দিনা কলগছৰ তলত পৰি থকা আব্দুল বৰদেউতাৰ নিথৰ দেহটো তাতেই এৰি সকলো যন্ত্ৰচালিত পুতলাৰ দৰে ঘৰমুৱা হ'ল।

ৰাতি ১১ মান বজাত দেউতাৰ মোবাইলৰ স্ক্ৰীণখন পোহৰ

হে বাজি উঠিল 'টাইটানিক'ৰ সেই কালজয়ী গীতটো ৰিংটনহৈ। ফোনটো ৰিচিভ কৰি গম পালো মোৰ মৰমৰ বাল্যবন্ধু চাকিল। চাকিলৰ কঁপা কঁপা মাতেৰে সৰু সৰু ভঙা ভঙা শব্দৰে ক'লে মুন মই মই আমাৰ... ঘৰ... ঘৰ.. আৰু না. না. নাই... বহুতো বুজা নুবুজা ৰহস্যৰ মাজতে সৰু মনটোৱে বুজি উঠিলো শুনিলো ধ্বংসযজ্ঞৰ শিঙাৰ ৰিণি ৰিণি সুৰ। পিছদিনা গম পালো চাকিলহঁতে ঘৰ মাটি, সম্পত্তি সকলো এৰি কোনো অজান ঠাইলৈ প্ৰাণ লৈ পলাই গ'ল। ইফালে মোৰ মুখৰ পৰা বহুত চেষ্টাৰ পিছতো শব্দ নোলোৱা বাবে সকলোৱে মোক ঘৰৰ পৰা, গাঁওখনৰ পৰা আঁতৰাই ৰখাতোৱেই উচিত বুলি ভাবিলে আৰু বৰদেউতাই মোক মামাহঁতৰ ঘৰলৈ জোৰকৈ লৈ গৈ থৈ আহিল। সৰু আছিলো, বুকুৰ মাজত জ্বলি থকা জুইখিনি প্ৰতিবাদ কৰি প্ৰকাশ কৰিব পৰা নাছিলো। কিন্তু ৬ বছৰ পিছত যেতিয়া মই ডাঙৰ হলো তেতিয়া মই নিজৰ চিন্তা বিবেচনাৰে পৰিচালিত হ'ব পৰা হ'লো। গাতিকে অন্যায় অসুয়াৰ প্ৰতি প্ৰতিবাদ কৰিলো, জনতাৰ বুকুৱে বুকুৱে সোমালো বাতৰি কাকতৰ মাধ্যমেৰে।

মই মোৰ চাকিলক আজিও বিচাৰি নাপালো। মনত আছে তাৰ লগত খেলা, জিৰণিৰ সময়ত টিফিন সলাই খোৱা, অংকৰ ক্লাছত ফলি সাল-সলনি কৰি অংক কৰা। তেতিয়া যে আছিলো অবোধ শিশু, জনা নাছিলো জাতি কি? ধৰ্ম কি? হিন্দু কোন? মুছলমান কোন?

***

গল্প

# অস্তিত্বৰ সংকট

হিমাশ্ৰী শৰ্মা
কলা শাখা, চতুৰ্থ ষাণ্মাসিক

এটা সময় আছিল, যেতিয়া সাত-আঠটা ল'ৰা-ছোৱালীৰে ভৰা পৰিয়াল এটাত কোনজন ল'ৰা বা কোনজনী ছোৱালীয়ে ক'ত, কাৰ ঘৰৰ বাৰীত থকা আম-কঁঠালৰ সোৱাদ লৈ আছেগৈ, মাক-বাপেকে খবৰেই নাপাইছিল। কিন্তু এতিয়া সেই ৰামো নাই, অযোধ্যাও নাই। আজিকালি ল'ৰা-ছোৱালীৰ সংখ্যা দুটা বা তিনিটাত সীমাবদ্ধ। সেয়েহে সিহঁতক দিবলৈ মাক-বাপেকে যথেষ্ট সময় পায়। মাক-দেউতাকে ল'ৰা-ছোৱালীক ডাঙৰ দীঘল কৰি, পঢ়াই-শুনাই মানুহ কৰে সঁচা, কিন্তু প্ৰকৃততে মানুহ হৈছেনো কেইজন। হৈছেগৈ মাথো একোটা টকা ঘটা মেচিন। ওপৰলৈ গৈ গুৰু-গোঁসাই নমনা হৈছে এওঁলোক। 'বৰদেউতা! ইমানকৈ কি ভাবিছেনো? অথনিৰে পৰা মাতি আছো, অথচ আপোনাৰ কাণসাৰেই নাইযে।

"অ'! বিমল বোপা, কেতিয়াবাই আহিলা নেকি? "কেতিয়াবাই মানে আপুনিতো ভাৰত বিভোৰ। ইফালে ঘৰত আৰু কোনো নাই হ'বলা?"

অ', ই ৰঘুও কেতিয়াবাই বজাৰলৈ গ'ল এতিয়ালৈ তাৰো দেখা দেখিয়ে নাই।"

"দেউতা! বজাৰত ভাল মাছ পাবলৈয়ে নাই। যত মানে চালানী মাছেৰে বজাৰ ভৰি আছে। সেয়েহে মাছ অনা নহ'ল। চালানী সোপা খাই পেটৰ অসুখ হোৱাতকৈ নাখালেনো কি হ'ব। সেইবাবে নানিলো।' "ভালেই কৰিলিদে ৰঘু। যাচোন এতিয়া চাহকে অকন বনাগৈ, বিমলেও খাব।"

"বৰদেউতা, কথা এটা সোধো, বেয়া নাপাইতো?"

"কি কথা অ' বিমল, সোধচোন।"

"মানে বৰদেউতা, বৰমা ঢুকুৱাও এবছৰ হৈ গ'ল, অথচ আপুনি এতিয়াও এই বয়সতো ইয়াত অকলে আছে, প্ৰেচাৰষ্টেৰে কেতিয়াবা দিগদাৰী কৰে। আপুনিছোন শ্যামল দাদাৰ ওচৰলৈ যাব পাৰে। অৱশ্যে সেইটো আপোনাৰ ইচ্ছা, তথাপিও কথাটোহে ক'লো।"

"তই ঠিকেই কৈছে অ' বিমল।' শ্যামলে মোক কৈয়ে থাকে, হ'লেও এই গাঁওখন ঘৰখন এৰিনো কোনসতে যাওঁ কচোন। এইঘৰখন মাধুৰী আৰু মই তিলতিলকৈ গঢ় দিছিলো। ইয়াৰ পৰাই শ্যামলে আৰু মিনাক্ষীক মানুহ কৰিলো। দুয়োটা এতিয়া বিদেশত। শ্যামলে তাৰ লগৰে ছোৱালী এজনী বিয়া কৰালে, এতিয়া ল'ৰাও এটা হৈছে হেনো। শ্যামলৰ সৰু কালৰে লগৰী লীনায়ো সি আহিব আহিব বুলি বাট চাই ৰ'ল। অথচ সি তাতেই বিদেশী মেমনী বিয়া কৰালে। আমাক এবাৰ জনোৱাৰো প্ৰয়োজনবোধ নকৰিলে। মাক জনীয়েও তাৰ চিন্তাত তিলতিলকৈ মৃত্যুৰ ক্ষণ গণিলে অথচ সি এদিনলৈ দেখা নিদিলে। মাকৰ মুখাগ্নি কৰিবলৈও সি আহি নাপালে, ই ৰঘুৱেই সকলো কাম সম্পন্ন কৰিলে। সেয়েহে বিমল কেতিয়াবা ভাৱ হয়, নিজে শিক্ষক হৈও মই ল'ৰা-ছোৱালীহালক সঠিক শিক্ষা দিব যেন নোৱাৰিলো। সিহঁত ৰাইজৰ দৃষ্টিত মানুহ হ'ল কিন্তু এজন শিক্ষক হিচাপে মোৰ দৃষ্টিত সিহঁত মানুহ নহ'ল। মই নিৰুপায় বিমল। সেয়েহে ভাবিছো মোৰ ঘৰ মাটি সকলোবোৰ ৰঘুৰ নামতে কৰি দি থৈ যাম। অন্তত তেতিয়া মোৰ আত্মাই শান্তি পাব, এজন সঠিক মানুহৰ হাতত মই ঘৰখন দি আহিলো বুলি। ইহঁতৰ নামত মই ইমান কষ্ট এনেই কৰিলো। উচ্চ শিক্ষা লৈ এতিয়া নিজকে চিনি নোপোৱা হ'ল। সেয়েহে ৰঘুৱেই হ'ব মোৰ প্ৰকৃত উত্তৰাধিকাৰী।"

***

গল্প

# নতুনৰ যাত্ৰা

অংকিতা তামুলী
প্ৰথম বৰ্ষ, ভূগোল বিভাগ

ৰেষ্টুৰা খনৰ সন্মুখত আহি তাই বহিলহি আৰু মুখেৰে বিৰবিৰকৈ কিবা কয়, লগতে হাত দুখনো কেঁচুৰা এটাক সাৰটি থকাৰ দৰে কৰি লৰাই থাকিল। সৰু ৰেষ্টুৰাখনৰ প্ৰথম টেবুলখনতে বহি থকাৰ বাবে মই তাইৰ কাৰ্যবোৰ সুন্দৰকৈ দেখা পাই আছিলো। মই ত্ৰিপৰ্ণা হাজৰিকা। এটি প্ৰকৃতি সুৰক্ষাৰ হকে কাম কৰা সংস্থাৰ মই এগৰাকী সহঃ গৱেষিকা। সেয়ে এটি যাযাবৰী জীৱন লৈ মই অভ্যস্ত। মোৰ কৰ্মসংস্থানৰ কামৰ বাবে এবিধ বিশেষ শেলুৱৈ প্ৰয়োজন আছিল যি প্ৰকৃতিৰ ৰম্যভূমি অসমৰ এই বিশেষ গাঁওখনত পোৱাৰ শুংসূত্ৰ উদ্ভাৱন হৈছিল। কিন্তু এন.জি.অ'ৰ কাম আৰু গৱেষণাৰ দুয়োটা কামতে মোৰ ছন্দ পতন হোৱা দেখি এন.জি.অ' প্ৰতিষ্ঠানটোক জনোৱাত তেওঁলোকে প্ৰতিষ্ঠানটোৰ এই গাঁওখনৰ শাখাত অস্থায়ী নিৰীক্ষক কৰি পঠাই দিলে মোৰ হেৰুৱা কৰ্মোন্নিতি আকৌ ঘূৰি আহিব বুলি পূৰ্ণ বিশ্বাস লৈ আজি প্ৰথম আহি ভৰি দিলো মইনাজুলি নামৰ এই শ্যামল পুৰীত।

চাবিমহীয়া মোৰ এই কাৰ্য্যসূচীৰ কথা অঞ্জনক কোৱাত সি প্ৰথমেই একেষাৰে না না কৰি উঠিছিল আৰু বিভিন্ন অজুহাত দেখুৱাইছিল যে বিবাহিত জীৱনৰ প্ৰাক্ক্ষণত ইমানকৈ ব্যস্ততাপূৰ্ণ জীৱন এটা বাছি ল'লে মাঁহতে কি ক'ব? কিন্তু মই সুদৃঢ় মাতেৰে তাৰ যুক্তি খণ্ডন কৰি তুমি কি বিচাৰা বুলি তাক সুধিলত তাৰ মুখখন পলকত আচৰিতভাৱে অকমাণি কেঁচুৰা এটাৰ দৰে ৰঙা হৈ পৰিল আৰু কৈ গ'ল- "মুন, আমি এনেয়ে ইমান ব্যস্ততাপূৰ্ণ জীৱন এটা লৈ জীয়াই আছো। দিনৰ ১২ ঘন্টা তুমি গৱেষণাগাৰত আৰু মই অফিচত কটাও। যি কি নহলেও দিনটোৰ শেষত ঘূৰি আহি তোমাৰ মুখখন দেখিলে জীয়াই যে আছো তাৰ উমান পাওঁ, সমগ্ৰ অৱসাদ হৰি নিয়ে তোমাৰ মুখখনে। তুমি বিহীন মই কেনেকৈ জীয়াই থাকিম ইয়াত, তুমিয়েই কোৱা?"

অঞ্জনে মাজে মাজে একেবাৰে সৰু ল'ৰাৰ দৰে আচৰণ কৰিব ধৰে আৰু একেটা কথাতে লাগি থাকে। আজিও সেই একেই হৈছিল। কিন্তু অলপ পাছতে আচৰিত ভাৱে কৈ উঠিল সিয়ে, "মই তোমাক ভাল পাও মুন। কিন্তু কেতিয়াও মই তোমাৰ সপোনক ধ্বংস হ'ব নিদিও কেৱল মোৰ কাৰণেই তুমি যাবা কাইলৈ" বুলি নেদেখাকৈ চকুপানী মচিব খুজিছিল কিন্তু মই ধৰা পেলোৱাত সি ইতস্ততঃ ভাৱে তলমূৰ কৰি থাকিল। মই দুহাতেৰে তাৰ মুখখন আলফুলকৈ ধৰি চকুৰে মনৰ ভাৱ প্ৰকাশ কৰিব চেষ্টা কৰোতেই ক'ব নোৱৰাকৈ মোৰ চকুৰ পৰা দুধাৰী লোতক বৈ আহিল। অঞ্জনে পটকৈ হাতখন মুঠি মাৰি এটি অতি গধুৰ মাতেৰে ক'লে, "তোমাৰ অনুপস্থিতিত তোমাৰ এই স্মৃতিয়ে মোক জীয়াই থকাত সহায় কৰিব।" মই আৰু এক চেকেণ্ডো নিজৰ আবেগবোৰক লুকুৱাই ৰাখিব নোৱাৰিলো।

অঞ্জনৰ বুকুত মুৰ গুজি কিমান মিনিট কটালো মই ক'ব নোৱাৰিলো। হয়তো এঘন্টা নহয় বা এটা প্ৰহৰ। মাথো এটাই মনত আছে যে মোক বুকুত সাৰটি অঞ্জনেও মৌনভাৱে ফেকুৰী ফেকুৰী মোৰ চুলিকোছা চুই থাকিল। কংক্ৰিটৰ জীৱন ধাৰণ কৰা দুয়ো নিৰুপায়। প্ৰেমিক-প্ৰেমিকাক যেন সময়ে দাঁত নিকতাই হাঁহি চাই ৰৈছিল কালিৰ সেই প্ৰহৰত।"

"বাইদেউ, আপুনি কেতিয়াৰ

পৰাই ৰৈ আছে নেকি?" ভাব গধুৰ স্মৃতিত বুৰ গৈ থকাত হঠাতে মাত শুনি মই থতমত খাই উঠিলো। সন্মুখলৈ চাই দেখো এখন মলিয়ন চুৰিয়া আৰু কামিজ পৰিহিত অলপ হটঙা মধ্যবয়স্ক ভদ্ৰলোকে হাতযোৰ কৰি আছে। মই প্ৰশ্নবোধক দৃষ্টিৰে তেওঁলৈ ৰৈ চোৱাত তেওঁৰে আকৌ কৈ উঠিল - "বাইদেউৱে মোক চিনি পোৱা নাই হ'বলা। মই হৰিচন্দ্ৰ চকিদাৰ।" মানুজনৰ কথা কোৱাৰ ধৰণটো অতি মনোৰঞ্জক আছিল সেয়ে অনিচ্ছা স্বত্বেও হাঁহি উঠি গ'ল কিন্তু সৌজন্যতাৰ খাতিৰত অকণমানতে য'তি পেলাই মই মাত লগালো- "অ মনত পৰিছে। ভাল নে আপোনাৰ? নাই নাই বেছি পলম হোৱা নাই। বহু দূৰ আহিলোতো। সেয়ে ইয়াতেই চাহ একাপ খাই লওঁ বুলি ভাবি" অকণমানকৈ হাঁহিৰে কথাখিনিৰ সামৰণি মাৰিলো।

কথাযাৰ শুনি তেওঁ হাতযোৰ কৰি বিনয়ৰ সুৰত ক'লে- "আইদেউ বেয়া নাপাবা। আমুকা থাকোতে আপুনি বজাৰত চাহকাপ খাব লগাত পৰিল। আহক আইদেউ আহক। বেগ দুটা মোক দিয়ক মই ৰিক্সা ৰখাই থৈছো আপোনাৰ কাৰণে।" এই বুলি চাহৰ ৰেষ্টুৰাৰ মালিকক চিঞৰি ক'লে- "ঐ হৰি, বাইদেউৰ পৰা পইচা নলবি। আমাৰ আলহী।" মোৰ অলপ ইতস্ততঃবোধ হ'ল। বেগৰ পৰা হৰিচন্দ্ৰই কোৱা স্বত্বেও চাহৰ খৰচ দিবলৈ পইচা উলিয়ালো। লগে লগে হৰি বুলি চিনাকী কৰাই দিয়া মালিকজনে হাতযোৰ কৰি ক'লে- "আইটি এই অধৰ্মীৰ আৰু পাপ নবঢ়াব। যি সংস্থাৰ বাবদ আজি এই যত কিঞ্চিত আৰ্জিছো সেই সংস্থাৰ মানুহৰপৰা কেনেকৈ টকা ল'ব পাৰো।" তেওঁৰ উত্তৰে যেন মোক গৰ্বিত কৰি তুলিলে। প্ৰকৃতি ৰক্ষাৰ হ'কে কাম কৰাৰ লগতে সংস্থাটোৱে যে মানুহক আত্মনিৰ্ভৰশীল হোৱাৰ পথো দেখাই দিছে তাক লৈ গৰ্ববোধ কৰিলো।

ৰেষ্টুৰাখনৰ পৰা নামি আহি সেই মানুহজনীয়ে আনন্দমনে ৰেষ্টুৰা এখনৰ ল'ৰা এজনে দি যোৱা ভাত খাই আছে। এজনী বিবৰ্ণ মুখ মলিয়ন বস্ত্ৰ পৰিহিতা নাৰী। বয়স হয়তো ত্ৰিশতকৈ উৰ্ধত নহ'ব। মোক তেনেকৈ চাই থকা দেখি হৰিচন্দ্ৰই মাত লগালে, "এইজনীৰ তেনেই ফুটা কঁপাল আইটি। আহিয়ে মাক-বাপেকক খালে তাৰ পাছত গিৰিয়েকক। এইবোৰ যাওঁক। আপুনি আহক ৰিক্সা ৰখি আছে। একো প্ৰশ্ন নকৰি মাথো আকৌ এবাৰ তাইৰ মুখলৈ চাই ৰিক্সাখনত উঠিলো। বিভিন্ন সুখ-দুখ, পোৱা নোপোৱাৰ মিশ্ৰণেৰে এটি নতুন ভাৱৰ উদয় হ'ল যি অষ্ফুট ভাৱে হৃদয়ৰ কোনো অজান কোণত খলকনি তুলি থাকিল। ৰিক্সাখনৰ আগে আগে হৰিচন্দ্ৰই বাট দেখুৱাই গৈ থাকিল।

প্ৰকৃতিয়ে সাজ সলাই বসন্তক আদৰিবলৈ সাজু হৈছে। পলাশৰ ৰঙা ফুলেৰে যেন গোটেই বাটটো বসন্তৰ বাবে দলিচা পাৰি থৈছে। দূৰ কোনো বিৰিখৰ পৰা চিনাকী চৰাইটিয়ে বিনাই যেন বাৰে বাৰে মোৰ মনটোক উগুল থুগুল লগাই থাকিল গোটেই বাটতো। ৰিক্সাখন এটা সময়ত এখন সুসজ্জিত ফুলনি থকা এটা বাংলাত ৰ'লহি। আমাৰ সংস্থাৰ নামৰ ফলক এখন গেটত আঁৰি থোৱা আছিল।

ৰিক্সাৰ পৰা নামি ঘৰটোলৈ সোমাই গ'লো আৰু হৰিচন্দ্ৰই কোৱা মতে মোলৈ থোৱা কোঠাটোলৈ সোমাই গ'লো। অলপমান ইফাল-সিফাল কৰি থাকোতে অঞ্জনলৈ মনত পৰি গ'ল। অন্যমনস্ক ভাবে এবাৰ ফোনটো উঠাই তাৰ নম্বৰটো ডায়েল কৰিলো কিন্তু আকৌ কিবা ভাবি কাটি দিলো। তাৰ এক মূহুৰ্তৰ পাছতেই অঞ্জনৰ নামটো মোৰ ফোনৰ স্ক্ৰীণত জিলিকি উঠিল। ফোনটো উঠাই হেল্লো বুলি কওঁতেই সিফালৰ পৰা প্ৰশ্নৰ বাণ একেধাৰে পূৰ্ণ গতিত আৰম্ভ কৰিলে, "হেল্ল পালানে গৈ? কষ্ট পাইছিলা নেকি? দুপৰীয়া কিবা খালানে? ইমান দেৰি কিয় ফোন কৰা নাই?...." কি ক'ম কি নক'ম ধৰিব নোৱাৰি মই সশব্দই হাঁহি উঠিলো। তাকে শুনি অঞ্জনে দবিয়াব ধৰিলে। এনেকুৱা পৰিস্থিতিত অঞ্জনে প্ৰায়ে ঠেহ পাতে আৰু তাৰ সুন্দৰ বগা মুখখন গুলপীয়া হৈ উঠে। আজি সেই গুলপীয়া মুখখন চাবলৈ নাপাই বুকুখন যেন কিহবাই

খুন্দিয়াই দিলে। অকণমান সময় তাৰ মাতটো শুনিয়ে যেন পাহৰি গৈছিলো মোৰ এই গাঁওখনলৈ অহাৰ লক্ষ্য। কিছুপৰ ৰৈ তাক নিচুকুৱাৰ সুৰত ক'লো- "ৰুণ মই সৰু ছোৱালী নেকি, তুমি যে ইমানকৈ চিন্তা কৰি আছা মই ভালে ভালে পালো। তুমি চিন্তা কৰি নাথাকিবা নহ'লে মোৰ ইয়াত মন নবহিব। নেটৱৰ্ক প্ৰব্লেম আছিল সেই কাৰণে ফোন লগা নাছিল মোৰ। তুমি কিবা খালানে?"

মোৰ প্ৰশ্নক আওঁকান কৰি অঞ্জনে অনুৰোধৰ সুৰত আচৰিত ভাৱে কৈ উঠিল। "মুন, সোণকালে ঘূৰি আহা। বহুত বেয়া লাগি আছে। তুমি যোৱা এদিনো হোৱাই নাই তথাপিও..." আৰু হয়তো কিবা কব খুজিছিল হঠাৎ ফোনটো কাট খাই গ'ল। মই পিছ মুহূৰ্ততে ফোন লগালো আকৌ কিন্তু বহুপৰ ৰিং কৰি আকৌ কাট খাই গ'ল ফোনটো। এটা মেছেজ ফোনৰ স্ক্ৰিণত জিলিকি উঠিল, "Please try to come soon, and take care of my heart" সুখ-দুখ মিশ্ৰিত এটি অনুভৱ নামি আহিল দুয়ো চকুৰ পৰা।

মইনাজুলি যিমানেই শ্যামল লাৱণ্যতাৰে ভৰপুৰ সিমানেই মুক্ততা বিচাৰি পোৱা যায় এই স্বৰ্গপুৰীত। দুহাত মেলি হৃদয়ৰ সমগ্ৰ দুখ সুৰুযলৈ চতিয়াই গোটাব পাৰি ইয়াত চিৰন্তণ শান্তি। এই মইনাজুলি বাসীয়ে দিয়া অফুৰন্ত মৰম দেখি কৃতজ্ঞতাত গদগদ হৈ পৰিলো। হৰিচন্দ্ৰৰ পৰা আদি কৰি গাঁৱৰ বুঢ়া মেঠাই কৰা সহায়ে মোৰ গৱেষণাতো ভাবিব নোৱাৰাকৈ প্ৰভাৱ পেলালে। সম্পূৰ্ণ চাৰি মাহত মই আৱিষ্কাৰ কৰিলো এখন যান্ত্ৰিকতাৰ পৰা মুক্ত মহামানৱতাৰ পৃথিৱী।

... আজি মোৰ মইনাজুলিত শেষ দিন। এফালে যদি অঞ্জনৰ বুকুলৈ ঘূৰি যোৱাৰ আনন্দত মনটো ভাল লাগিব ধৰে আনফালে কিছুমাহতে আদৰি লোৱা এই মানুহখিনিক এৰি যোৱাৰ দুখত মনটো আকৌ চিৰিংকৈ উঠে। মোৰ বিদায় মুহূৰ্তটো স্মৰণীয় কৰিবলৈ আমাৰ সংস্থাৰ মানুহবোৰৰ সৌজন্যতে এখন ভোজৰ আয়োজন কৰিছেৰাইজে। বিশেষ একো কৰিবলৈ নথকাত মই সময়তকৈ আগে আহি পালো ভোজৰ আয়োজন কৰা ঠাইত। সেয়ে সকলোৱে হয়তো অলপ অপ্ৰস্তুত হৈ পৰিল, কাৰণ তেতিয়ালৈ চকী মেজৰ একো ব্যৱস্থা কৰা হোৱা নাছিল। সকলোৱে কুণ্ঠাবোধ আঁতৰাবলৈ মই মাত লগালো, "দাইটি, অত দিনে আপোনালোকে মোক নিজৰ ছোৱালীৰ দৰে ৰাখিলে আৰু আজি এনে আনুষ্ঠানিকতা কেলেই। এই দিনটোত নিজৰ ছোৱালীৰ দৰে মোক থাকিব দিয়ক বুলি পীৰাখন বহিবলৈ বুলি পাৰি ল'লো। মোক দেখি মোৰ সহকৰ্মী সমীৰেও ঠিক একেই কামকে কৰিলে। সকলো ৰঙালীৰ উলাহত মচগুল হৈ ভোজ ভাত ৰন্ধাত ব্যস্ত আছিল। ঠিত তেনেতেই কঁৰবাৰ পৰা হুৰা-দুৰা লাগিল। গাঁৱৰ মহিলা সকলৰ চিঞৰত সকলোৱে অস্থায়ী ৰান্ধনি ঘৰত সোমাই গ'ল আৰু সকলোৱে বিচূৰ্ত্তি হৈ পৰিল। চকামকা এন্ধাৰত মই এটি নাৰী কায়াই ভোজলৈ থোৱা ভাতকে থপিয়াই থপিয়াই খোৱা দেখিলো। অলপ যত্ন কৰাৰ পিছত মই নাৰী গৰাকীৰ মুখখন দেখা পালো। লগে লগে মনত পৰি গ'ল ইয়ালৈ অহাৰ দিনটোতে দেখা পোৱা সেই মলিয়ন মুখখন।

ঃ এই পাগলী ইয়াতো পালেহি। হায় হায়। চব চুৱা কৰিলে পেলালে বুলি এজনী মাইকী মানুহে চিঞৰি উঠিল। পিছ মুহূৰ্ততে খেদ খেদকৈ এপাল গাঁৱৰ ল'ৰাই তাইক খেদিবলৈ যত্ন কৰিলে কিন্তু তাই অলৰ অচৰ হৈ বহি থাকিল।

ঃ অই গৰম তেল ঢালি দে, পলাব - বুলি ক'ৰবাৰ পৰা মাত দিওঁতেই পাহুৱাল ডেকা এজনে মগ এটাৰে পকিব ধৰা তেল ঢালিবলৈ ধৰিছিল। কথা বিষম দেখি মই প্ৰতিবাদ কৰি উঠিলো। "হেই কি কৰে, আঁতৰ হওঁক। একো নহয় ভোক লাগিছে তাইৰ। খাব দিয়ক।"

মানুহ জনে হয়তো নিজৰ পুৰুষালি দেখুৱাব নাপাই ভিতৰতে খঙত থানবান হৈ পৰিল কিন্তু নম্ৰভাৱে ভাল বাৰু বুলি কৈ পিছুৱাই গ'ল। এফালৰ পৰা মানুহজনীয়ে কৈ উঠিল. "আইদেউ, এই পাগলীজনী মহা খকুৱা। দেখিছানে তাইৰ কাপোৰৰে

গতি নাই কিন্তু চেহেৰা কি নোদোকা। কথাখিনি শুনাৰ লগে লগে তাইৰ বুকুৰ এটি অংশলৈ তাইৰ চকু গ'ল। কপোৰৰ আঁৰেৰে তাইৰ উদৰ বক্ষৰ এভাগ স্পষ্টকৈ জিলিকি আছিল, তাকেই চাই চাই নতুনকৈ দাড়ি-মোচ সজিৱ ধৰা এজাক ডেকাই বেচ তৃপ্তিৰে চাই আছিল। মোৰ যেন মূৰলৈ এজোলোকা গৰমৰ তেজ সোত বৈ গ'ল। লগে লগে তাইৰ ওচৰলৈ গৈ গাৰ গৰম কাপোৰখন তাইক মেৰিয়াই দি মৰম সনা মাতেৰে তাইক সুধিলো "আৰু লাগিব?" উত্তৰত তাই মূৰ জোকাৰি নালাগে বুলি কৈ আকৌ খাবলৈ ধৰিলে। পাছৰ সময়খিনি ভবাতকৈ ভালকৈয়ে গ'ল।

গেষ্ট হাউচলৈ ঘূৰি আহি কিছুসময় আগতে ঘটি যোৱা ঘটনাবোৰকে পাগুলি থাকিলো। এসময়ত হৰিচন্দ্ৰও আহি পালেহি আৰু মোৰ ওচৰলৈ আহি মাত লগালে। মই হৰিচন্দ্ৰক পোনপতীয়াকৈ সুধিলো, "দাইটি আপুনি মোক ক'বনে সেই ছোৱালীজনী কোন আছিল?" প্ৰশ্নটো শুনাৰ লগে লগেই ডবাপিটা বৰষুণ অহাৰ আগে আগে ক'লা হৈ উঠা আকাশৰ দৰে তেওঁৰ মুখখন এন্ধাৰ হৈ পৰিল। তাৰ পিছত মোৰ আগত তেওঁ যি চিত্ৰ দাঙি ধৰিলে সি হয়তো পাষাণ চিত্তৰ মানুহৰো অন্তৰ দহি পেলাব। তেওঁ কৈ গৈছিল তাইৰ শৈশৱত হেৰোৱা মাক-দেউতাকৰ কথা, মাহ-হালধিৰ গোন্ধ নাযাওঁতে হেৰুৱা স্বামীৰ কথা আৰু অন্তঃসত্বা হৈয়ো লাভ কৰা চৰম তাচ্ছিল্যৰ কথা যি সকলো সাধাৰণ মানুহক নিশ্চয়কৈ এবাৰ হ'লেও ভাবিবলৈ বাধ্য কৰাব এই সমাজৰ কিছু মুখা পিন্ধা ভদ্ৰলোকৰ কথা।

তাইৰ অন্তৰ দগ্ধ কৰি নিয়া জীৱনৰ কাহিনী কৈ হৰিচন্দ্ৰ উঠি গ'ল। তাৰ পাছতে মই শুবলৈ বুলি যত্ন কৰোতেই হঠাৎ দূৰত নাৰীস্বৰ এটা ঠেকা খাই আহিল। আহ ঐ.... আহ আহঙ্গ ... হৰিচন্দ্ৰই মোক কৈছিল তাই প্ৰায়ে এনেকৈ মৃত স্বামীক মাতি মাতি ৰাতি ৰাস্তাত ঘূৰি ফুৰে।

মনত যেন এজাক ধুমুহা ব'বলৈ ধৰিছিল। মোৰ সমগ্ৰ দেহাটোৱে যেন হাহাকাৰ কৰি উঠিছিল। কি কৰিম কি নকৰিম ভাবি নাপাই অঞ্জনলৈ ফোন লগালো। এবাৰ ৰিং হওঁতেই সিফালৰ পৰা অঞ্জনে মাত লগালে, "মুন! শোৱা নাই তুমি।" কিবা ক'ব খুজিও মই ৰৈ গ'লো। কিহবাই যেন মোৰ কণ্ঠ জঠৰ কৰি দিছিল। তাৰ পিছত ভাহি আহিছিল এটি অবুজন উচুপনি। লগে লগে সিফালৰ পৰা অঞ্জনে হাহাকাৰ কৰি উঠিছিল, "কি হৈছে তোমাৰ মুন? কিয় কান্দিছা। কি হ'ল কোৱা for god shake!" মই কিছু সময় তেনেকৈয়ে থাকিলো তাৰ পাছত কৈ উঠিলো- "অঞ্জন I miss you!"

অঞ্জনে হয়তো বুজি পাইছিল মোৰ মনৰ মাজত ঘটি থকা বিভিন্ন আৱেগৰ লুকাভাকুৰ কথা। সিওঁ কৈ উঠিল - "I miss you too and love you more"

ঃ মই জানো অঞ্জন তুমি মোৰ কাৰণে কিমান কষ্টত কটাব লগা হৈছে দিনবোৰ। মোক তুমি ক্ষমা কৰিব পাৰিবানে?

ঃ হেই পাগলী, কি কোৱা এইবোৰ। কোনোবাই নিজৰ আত্মাৰ পৰা কষ্ট পাব পাৰে নেকি? তুমি মাথো সোনকালে শোৱা এতিয়া। তেতিয়াহে কাইলৈ আহি পাবা। Can't wait to see you. এতিয়া শোৱা Good girl।

তাৰ নিচুকোৱা সুৰ শুনি মোৰ হাঁহি উঠি গ'ল। ফোনটো কাটি দিয়াৰ পাছত যেন মনটো আকৌ ফৰকাল হৈ পৰিল।

বিছনাৰ পৰা নামি গৈ লেপটপটো উঠাই আনিলো আৰু তাৰ পাছত এটা নিৰ্দিষ্ট মেইল পঠিয়াই দিলো।

ৰাতিপুৱাৰ পৰাই গেষ্ট হাউচলৈ মানুহৰ আহজাহ- চলি থাকিল। কোনোবাই যদি পিঠা পনা লৈ কোনোবাই আকৌ গামোছা ৰিহা লৈ। নিৰ্দিষ্ট সময়ত এখন গাড়ী আহি ৰ'লহি। ইতিমধ্যে মানুহেৰে ঠাই খাই পৰা বাগিছাৰ দুয়ো ফালৰ মানুহে গাড়ীখনৰ পৰা অহা যুৱক জনক চাই ৰ'ল। এনেতে ক'ৰবাৰ পৰা সেই মলিয়ন বস্ত্ৰ পৰিহিতা নন্দাও নাচিবাগি আহি মোৰ সন্মুখত ঠিয় দিলেহি আৰু মোক কিবা দিবলৈ যত্ন কৰিলে। মই

হাত পাতি লৈ দেখো এডাল কপৌফুল, তাই স্মৃতি হিচাপে দিছে। মই সকলোকে গাড়ীখনৰ গৰাকী যুৱক জনক চিনাকী কৰাই দিলো। "এখেত গুৱাহাটীৰ এজন ভাল মনোৰোগ বিশেষজ্ঞ।" লগতে গাঁৱৰ ৰাইজক জনালো যে তেওঁ ইয়াত নন্দাৰ চিকিৎসাৰ বাবে আহিছে। যদি সকলোৱে অনুমতি দিয়ে তেওঁ নন্দাক গুৱাহাটীলৈ নিয়াই চিকিৎসা কৰিব খোজে। সকলোৱে আনন্দেৰে সমৰ্থন জনালে। তাৰ পাছত মই নন্দালৈ চাই মাত লগালো, "নন্দা যাবানে আমাৰ লগত?" তাই খিলখিলাই হাঁহি হাত চাপৰি বজালে। তাইক দেখি সকলোৱে সন্তোষৰ নিশ্বাস এৰিলে।

তাৰ পাছত আৰম্ভ কৰিলো আমাৰ যাত্ৰা। এক নতুন যাত্ৰা। ঃঃ

***

গল্প

# শুধৰণী

ছৈয়দা নুৰি নাৰ্গিছ

বাইদেউ বিয়াৰ পৰা আহি পোৱা নাই। টিভিটোৰো কাৰ্ড শেষ হ'ল। ল'ৰা-ছোৱালী কেইটা আৰ্ট স্কুল, অংকৰ আৰু ইংৰাজী টিউচনলৈ গ'ল। ঘৰখন একেবাৰে শূন্য লাগিছে, কি কৰো এতিয়া। মাইনাৰ কলেজৰ আলোচনীখনৰ গল্প এটাকে পঢ়ো নেকি? নাই মন চন বেয়া, বতৰটো বৰ শুকান, মদাৰ, শিমলু ফুলি নীলা আকাশক ৰঙীণ কৰিবলৈ লৈছে, তথাপিও মোৰ মনটো ঘৰখনৰ শূন্যতাৰ বাবে নেকি ইমান বেয়া লাগিছে। মা-দেউতা থাকোতে ইমান শূন্যতা অনুভৱ কৰিব পৰা নাছিলো। তেতিয়া আলহী অতিথিবোৰো আহি আছিল বিশেষকৈ মা-দেউতাৰ ফালৰ অঙহী-বঙহীবোৰ কিন্তু তেওঁলোক যোৱাৰ পৰা তেওঁলোকৰ মানুহবোৰ আমাৰ ঘৰলৈ নহাই হ'ল। কি আচৰিত মানুহবোৰ। মা-দেউতাৰ মৰমতে আহি আছিল নেকি বাৰু? আমালৈ তেওঁলোকৰ মন নপৰেনে? নে আজিকালি মানুহবোৰৰ ব্যস্ততা বাঢ়িল ভাবিলে আচৰিত লাগে। মই এনেকৈ আকাশ-পাতাল ভাবি থাকোতে গেট খোলা শব্দ শুনি আগুৱাই গৈ দেখিলো বাইদেউ হাঁহিমুখে আহি আছে, লগত কিন্তু দাদা নাই। দাদাই বাহিৰে বাহিৰে অফিচৰ পৰা বিয়াত যোৱাৰ কথা আছিল। মোক দেখি বাইদেউৱে ক'লে, পৰী এটা বৰ ভাল খবৰ, মনটো বৰ ভাল লাগি আহিছে অ'।

কি খবৰ বাইদেউ? 'পৰী ভিতৰলৈ ব'লা, কম বাৰু'

কিন্তু বাউদেউ দাদা নগ'ল নেকি বিয়ালৈ?

অ', দাদাহঁতৰ অফিচৰ ইছলাম যে তেওঁৰ আব্বাকৰ অসুখ বেছি হৈ আছে কাৰণে অফিচৰ সহকৰ্মীৰ লগত দাদায়েৰা খবৰ ল'বলৈ যাবলগীয়া হোৱাত বিয়াত আহিব নোৱাৰো বুলি মোক ফোন কৰি জনালে। সেয়ে মই বিয়াত লগপোৱা মোৰ বান্ধৱী আনোৱাৰাৰ লগত অলপ সময় বহিলো। তাইহে মোক খবৰটো দিলে।

কি খবৰ বাইদেউ? অ' এই যে আনোৱাৰৰ ভনীয়েক মনোৱাৰ তাইক যে ফৰিদ বেপাৰীৰ পুতেক আলমে বিয়া কৰাম বুলি ভাবিও যৌতুকৰ বাবে বিয়াখন পিছুৱাই আছিল, সেই যৌতুকৰ বাবে বিয়াখন পিছুৱাই আছিল সেই যৌতুকৰ সমস্যা বাপেক ফৰিদেই সমাধা কৰি দিলে।

কেনেকৈ বাইদেউ? সেই ফৰিদেই কোৱা নাছিলনে? সোণৰ অলংকাৰ আৰু ভাল কাঠৰ বস্তু নিদিলে মোৰ ঘৰত ভিখাৰীৰ ছোৱালী বোৱাৰী হ'ব নোৱাৰে বুলি? পৰী, কিন্তু কওঁ শুনা...।

সিদিনা আছিল সোমবাৰৰ গধূলি। মনোৱাৰাৰ ভায়েক মইনুলে তপনৰ দোকানলৈ ৰেচন কাৰ্ডৰ চাউল নিবলৈ আহোতে তপনে মইনুলক

সুধিলে, কি হে মইনুল, বায়েৰাৰ বিয়াখন কি হ'ল? ঠিক সেই সময়তে আলমৰ দেউতাকে তপনৰ ওচৰলৈ পাবলগীয়া পইচা নিবলৈ আহিছিল, হয়তো তপনে মাতি পঠিয়াইছিল। সেই কথা মইনুলে নাজানে। তাক তপনে বায়েকৰ কথা সোধাত ফৰিদে দোকানৰ আগত থকা প্ৰকাণ্ড আম গছ জোপাৰ আঁৰ লৈ থাকিল। তপনৰ কথাৰ উত্তৰত মইনুলে কৈ গ'ল - তপন দা আপুনি কওঁকচোন আমি দুখীয়া মানুহ। আমাৰ ঘৰৰ ছোৱালী ফৰিদ খুড়াহঁতৰ দৰে ডাঙৰ মানুহে বিয়া কৰাব নেকি? আমাৰ যি দুই বিঘা খেতিৰ মাটি আছে সেইখিনি বিক্ৰী কৰি বাইদেউক বিয়া দিয়াৰ কথা মই আৰু মোৰ ভাইটি আইনুলে আব্বাক কৈছো। কাৰণ আমাৰ ঘৰ বান্ধা ঠাইখিনি আহল বহল, তাত আমাৰ দুয়ো ভাই-ককাইয়ে থাকিব পাৰিম। বাইদেউক বিয়া দিলে আমি অঘৰী নহওঁ আৰু দুইবিঘা মাটি কি হ'ব আজিৰ দিনত। তাৰোপৰি সেইখিনি মাটি অলপ ওখ। ৰাস্তাৰ ওচৰৰ মাটি কোনোবাই ভাল দাম দি ঘৰ বান্ধিবলৈকে কিনিব। অকনহঁতে ঘৰ বান্ধা মাটি বিচাৰি আছে কিন্তু বাইদেউৱে বিক্ৰী কৰিব নিদিয়ে। তেওঁ কৈছে মই ধনীৰ ঘৰলৈ বিয়া হৈ যাম আৰু মোৰ ভাই দুটাই হাজিৰা কৰি ভাত খাব! নাই, মই সেইটো হ'বলৈ নিদিওঁ। মইয়ো ঘৰত থাকি হাঁহ-কুকুৰা পুহি চৰকাৰৰ আঁচনিৰ কিবা কাম কৰি ভাইটিহঁতৰ দুখ ভগাই লৈ সিহঁতৰ লগত থাকিম। কেতিয়াও মোৰ পূৰ্বপুৰুষৰ সম্পত্তি বিক্ৰী কৰি বিয়া নহওঁ। মোক যদি সোণৰ অলংকাৰৰ বাবে আলমে এৰিব পাৰে তেনেহ'লে মইয়ো তেওঁক এৰিব পাৰিম। তথাপিও মই ঘৰখন মাৰি থৈ নাযাওঁ। যুগ যুগলৈ এই কথা পৰি ৰ'ব যে মই ঘৰখন উদং কৰি বিয়া হৈ গৈছো। পৃথিৱীৰ কোনো ছোৱালীয়ে নকৰক আজিৰ ছোৱালীয়ে ভূপেনদাৰ গীতৰ কথা মন কৰক "সোণতকৈ মানুহৰ দাম অলপ হ'লেও বেছি আছে।" এনেকৈ কৈ তাই বহুত কান্দিছিল।

মইনুলে কৈছিল কি কৰিম তপনদা বহুত বুজাইয়ো তেওঁক আমি বুজাব পৰা নাই। মামাহঁতেও বহুত বুজাইছে আৰু মামাহঁতৰো অৱস্থা আমাৰ দৰেই। টকা-পইছা দি সহায় কৰিব নোৱাৰে।

তপনে মইনুলক সুধিলে এই ক্ষেত্ৰত আলমে কি কয়? আলমে কি ক'ব, সি বাপেকৰ একমাত্ৰ বাধ্য ল'ৰা। আলমে আমাৰ ঘৰলৈ গৈ বাইদেউক কৈছিল মোৰ যৌতুকৰ বাবে কোনো লোভ নাই। কিন্তু মই আব্বাৰ একমাত্ৰ ল'ৰা। আমাৰ বহুত আছে আব্বাই তোমাক সোণ, হীৰাৰ অলংকাৰেৰে সজাই নিব পাৰে। আমাৰ ঘৰত বনচোম, তিতাচপা কাঠৰ প্ৰয়োজন পূৰাব পৰা আচবাববোৰ আছেই তথাপিও আব্বাই ইমান একেটা কথাকেই খামোচ মাৰি ধৰি আছে। গতিকে, ব'লা আমি ক'ৰবালৈ গুছি যাওঁ। চাওঁচোন আব্বাৰ সম্পত্তি কোনো খায়। কোনে আব্বাক মোৰ দৰে সন্মান কৰে। মোৰ মনটোক আব্বাই বুজিবলৈ চেষ্টা নকৰিলে। কোনোদিনে তেওঁৰ লগত মুখে মুখে তৰ্ক কৰা নাই। কোনোদিনে তেওঁৰ অবাধ্য হোৱা নাই। মোৰ আৰু তোমাৰ কথাবোৰ খুড়ী আৰু মামাহঁতৰ জৰিয়তে আব্বাক কোৱাইছো আৰু তুমিও উচ্চ শিক্ষিতা, ধুনীয়া ছোৱালী। মাত্ৰ আমাৰ চাৰিওফালে পকাৰ ঘৰ থকাৰ দৰে তোমালোকৰ নাই সেইখিনিহে অমিল। গতিকে আমি যাওঁ ব'লা বহু দূৰলৈ। তেখেতৰ ৰাজ প্ৰসাদত ধন-সোণ গিজগিজাই থাকক। ধন-সোণে তেখেতক আব্বা বুলি মাতক। কিন্তু তপনদা, মোৰ বাইদেউ আলম ককাইদেউৰ প্ৰস্তাৱত অমান্তি। বাইদেউৱে স্পষ্টকৈ কৈছে যে মই তেনেকুৱা নকৰো। মোৰ দৰে এজনী ছোৱালীক তোমাৰ পৰিয়ালে মৰম কৰি বিয়া কৰাব লাগিব। মই জানো আমাৰ আব্বাৰ টকা, সোণ নহ'লেও মোৰ শিক্ষা আৰু মোৰ পৰিয়ালৰ আত্মসন্মান আছে। সেই আত্মসন্মানক মই অকল তোমাৰ বাবে ভৰিৰে গছকি পেলাব নোৱাৰো। যিখন ঘৰে মোক মোৰ শিক্ষাক, মোৰ গুণ-গৰিমাক চিনি পোৱা নাই সেইখন ঘৰৰ মই বোৱাৰী নহওঁ। টকা-পইছাতকৈ মানুহে মানুহক বুজিবলৈ চেষ্টা কৰক। মই এগৰাকী শিক্ষাতত্ব বিভাগত সুখ্যাতিৰে বি.এ. পাছ কৰা ছোৱালী হৈ অকল মোৰ সুখৰ কাৰণে মোৰ ভাই দুটাক উদং কৰিব নোৱাৰো। গতিকে তুমি

তোমালোকৰ পৰিয়ালৰ লগত মিলাকৈ ছোৱালী এজনী চোৱা। আলম, তুমি মোক তোমাৰ মনৰ পৰা মছি পেলোৱা। তোমাৰ আব্বাক আমাক আৰু দুখীয়া, ভিকহু বুলি হাঁহিবলৈ সুযোগ নিদিবা। এনেকৈ কৈ বাইদেউৱে বহুত কান্দিছিল সেইদিনা, আমিও কান্দিছিলো। আব্বা বেপাৰী মানুহ, তেওঁ কান্দি কান্দি দূৰ্বল হৈ গৈছিল। বৰুৱা ডাক্তৰক দেখুৱাই চেলাইন দিয়াতহে আব্বা উঠি বহিছিল।

মইনুলৰ কথাখিনি শেষ হোৱাত ফৰিদ মহাজন গছডালৰ আঁৰৰ পৰা ওলাই আহি মইনুলক সাঁৱত মাৰি ধৰি গালে-মুখে চুমা খাই তাক ক'লে, বাবা মই বৰ ভুল কৰি আছো। মোৰ ভুল তুমি ভাঙি দিলা। মই আজি এতিয়াই তোমালোকৰ ঘৰলৈ গৈ বায়েৰাৰ আঙুঠিৰ জোখ লৈ আহিম আৰু এই ব'হাগতে বিয়াৰ দিন ঠিক কৰিম। সঁচাই সম্পত্তিতকৈ মানুহৰ দাম বহুত বেছি, মানুহেই আচল সম্পত্তি। মোৰ ভুলৰ আজিহে শুধৰণী হ'ল।

***

গল্প

# সময়ৰ নিষ্ঠুৰতা

অসীমজোতি শৰ্মা
চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান

সৰুৰে পৰাই প্ৰায় অকলশৰীয়াই সি। গাঁৱতো তাক সকলোৱে ভাল পায়। পঢ়া শুনাতো বহুত ভাল আছিল সি। কিন্তু তাৰ যেন এজন প্ৰকৃত বন্ধুৰ অভাৱ আছিল। সি ভাবে দুখীয়া বাবেই তাৰ কোনো প্ৰকৃত বন্ধু নাই। আমচোং গাঁৱৰ সৰু জুপুৰি এটাত সি আৰু তাৰ মাক দুয়ো জীৱন যাপন কৰিছিল। তাৰ নাম নয়ন, মাকে মৰমতে তাক 'পোণা' বুলি মাতে। পৰিয়াল বুলি কবলৈ সিহঁত দুটাই। নয়ন সৰু থাকোতেই বাপেকে সিহঁতক এৰি গুচি যায়। সি বাপেকৰ কথা ভালদৰে নাজানে, তাৰ বাপেক হেনো বাগানৰ মহৰী আছিল। ওচৰ চুবুৰীয়া মানুহে কোৱা শুনিছে। সি বাপেকৰ কথা মাকক সোধে যদিও মাকে তাকে সেই বিষয়ত কোনো উত্তৰ নিদিয়ে। বাপেকে এৰি যোৱাৰ পিছত নয়নক লৈ মাকে নিজাকৈ সৰু জুপুৰি এটা সাজি তাক ডাঙৰ দীঘল কৰিলে। মাকে দিন হাজিৰা কৰি কোনোমতে পেটে ভাতে চলি আছে আৰু নয়নকো পঢ়াই আছে। নয়নৰ পঢ়াৰ অত্যন্ত আগ্ৰহ হেপাহ অৰশ্যে মাকৰো ইচ্ছা যে নিজৰ ল'ৰাটোক ভালদৰে পঢ়াই শুনাই ডাঙৰ মানুহ কৰা। ওচৰ চুবুৰীয়াৰ আগতে পঢ়ি পাছ কৰি যোৱা ল'ৰা-ছোৱালীৰ পুৰণি কিতাপ সংগ্ৰহ কৰি, কাপোৰ সংগ্ৰহ কৰিয়েই সি হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পাছ কৰিলে। পৰীক্ষাতো বহুত ভাল নম্বৰ লাভ কৰিছে, ভালদৰে উত্তীৰ্ণ হ'ল সি। নয়নৰ বুকুত এটাই সপোন আছিল যে কলেজৰ ডিগ্ৰীটো লৈ এটা ভাল চাকৰি কৰি, নিজৰ মাকক সুখত ৰাখা। সিঁহতৰ সেই সৰু জুপুৰিটোৰ ঠাইত এটা ভাল ঘৰ সাজি মাক আৰু সি থাকিব। এনেবোৰ সপোন সি নিজৰ বুকুত ৰাখিছিল।

চাকিৰ পোহৰত পঢ়িয়েই নয়নে ইমানখিনি পালেহি, সিঁহতৰ গাঁৱত যদিও বিদ্যুৎ সংযোগ আছে, নয়নহঁতৰ ঘৰত নাই। কাৰণ বিদ্যুৎৰ যি মাচুল সেই মাচুল দিয়াৰ সামৰ্থও সিহঁতৰ ঘৰখনৰ নাছিল। হায়াৰ চেকেণ্ডাৰী উত্তীৰ্ণ হোৱাৰ পিছত নয়নক যেন চিন্তাই আৱৰি ধৰিছিল। ভাল কলেজ এখনত নামভৰ্ত্তি কৰিবৰ কাৰণে যি কলেজৰ মাচুল সেই পৰিমাণৰ ধন তাৰ হাতত নাছিল। মাককো সি সেই কথা ক'ব পৰা নাছিল, কাৰণ দিন হাজিৰা কৰি চলা মাকেও তাক ক'ৰ পৰা ইমান টকা দিব। সৰ্বশেষত সি ওচৰ চুবুৰীয়াৰপৰা অলপ অলপ টকা

ধাৰ কৰি কলেজত নামভৰ্ত্তি কৰিলে। ঘৰৰ ওচৰৰে ল'ৰা এজনৰ পৰা কলেজৰ কিতাপ সংগ্ৰহ কৰিলে। এনেদৰে সকলো প্ৰস্তুত কৰি সি কলেজলৈ যোৱা আৰম্ভ কৰিলে। কলেজলৈ কিছুদিন যোৱাৰ পিছত সি নিজকে অকলশৰীয়া অনুভৱ কৰিবলৈ ধৰিলে। আনতকৈ সি যেন সম্পূৰ্ণ পৃঠক। আন ল'ৰা ছোৱালীবোৰক লক্ষ্য কৰি দেখিলে যে হাতত দামী মোবাইল ফোন, ভাল ভাল কাপোৰ, বিভিন্ন বস্তু সিঁহতৰ হাতত কিন্তু তাৰ হাতত যেন কলেজৰ পুৰণি কিতাপবোৰৰ বাহিৰে আন একো নাই। কলেজৰ বকুল গছ জোপাৰ তলত নয়ন অকলশীয়া ভাবে বহি এইবোৰ চিন্তা কৰি দুঃখিত হৈ পৰে। তাৰ অনুভৱ, যদি এইবোৰ বস্তু তাৰ হাততো থাকিলেহেঁতেন কিজানিবা তাৰো বহুত বন্ধু বান্ধৱী থাকিল হেঁতেন।

এনেদৰে কিছুদিন অতিবাহিত হোৱাৰ পিছত কলেজৰ একে শ্ৰেণীৰে এজনী ছোৱালীৰ লগত নয়নৰ বন্ধুত্ব গঢ়ি উঠে। ছোৱালীজনীক দেখি নয়নে তাৰ দৰে ঘৰ এখনৰেই ছোৱালী বুলি ভাবিছিল, কিয়নো তায়ো শ্ৰেণীত অকলশৰীয়াভাবে থাকে আৰু আন আন ছোৱালীতকৈ পৃথক আছিল তাই। তাইৰ নাম স্নেহা। স্নেহাক লগ পোৱাৰ পিছৰে পৰা তাৰ যেন অকলশৰীয়া অনুভৱ নোহোৱা হৈছিল। এনেদৰে কিছুদিন যোৱাৰ পিছত দুয়ো নিজৰ নিজৰ কথা কৈছিল, নয়নে নিজৰ ঘৰৰ কথা কৈছিল আৰু তাৰ ঘৰৰ কথা শুনি স্নেহা বৰ মৰ্মান্তিক হৈ পৰিছিল। স্নেহাই নিজৰ ঘৰৰ কথা কোৱাত নয়নে গম পাইছিল যে তাই এখন সম্ভ্ৰান্ত ঘৰৰ ছোৱালী আছিল, কিন্তু তাই আন ছোৱালীতকৈ কিছু সুকীয়া আছিল। নয়নৰ এটা অনুভৱ আছিল যে সম্ভ্ৰান্ত ঘৰৰ ল'ৰা-ছোৱালীবোৰে নিজৰ গাত যেন আভিজাত্যৰ প্ৰতীক লগাই ফুৰিছিল কিন্তু যেতিয়াৰে পৰা সি স্নেহাক লগ পাইছিল তাৰ এইটো অনুভৱ নোহোৱা হৈছিল। নয়নৰ ঘৰৰ অৱস্থা গম পোৱাৰ পিছত পিছত স্নেহাই পঢ়াৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় নয়নক আগবঢ়াইছিল। এনেদৰে দুয়োৰে মাজত এক গভীৰ বন্ধুত্ব গঢ় লৈ উঠিছিল। এনেদৰে নয়নে কলেজৰ তিনিটা বছৰ কেনেদৰে পাৰ ৰৰিলে সি গমেই নাপালে। নয়ন আৰু স্নেহা দুয়ো কলেজৰ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হ'ল। নয়নৰ যেন জীৱনৰ এটা সপোন পূৰ্ণ হ'ল, আনফালে তাৰ মাকৰ আনন্দৰ সীমা নোহোৱা হ'ল।

কলেজৰ ডিগ্ৰী লোৱাৰ কিছুদিন পিছত নয়নে চাকৰিৰ বাবে আবেদন কৰিলে, কিছুদিনৰ পিছত তালৈ কল লেটাৰ আহিল। সেই অনুযায়ী নয়ন পৰীক্ষাত অৱতীৰ্ণ হ'ল। কিছুদিনৰ অপেক্ষাৰ অন্তত তালৈ খবৰ আহিল যে যি পৰীক্ষাত পাছ কৰিছে তাৰ আনন্দৰ সীমা নোহোৱা হ'ল। খবৰটো পাই মাকৰ আনন্দৰ সীমা নোহোৱা হ'ল। ইমানদিনে নয়নে চাকৰিটো পাব বুলিয়েই ওচৰৰ মানুহৰ ঘৰত বিভিন্ন কাম কৰি চাকৰিত যাবৰ বাবে টকাৰ যোগাৰ কৰি আছিল। নয়ন অলপ দুখিত হৈ পৰিল, কাৰণ সি গ'লে তাৰ মাকক কোনো চাব; আনফালে চাকৰিৰ খবৰটো তাৰ একমাত্ৰ বান্ধৱী স্নেহাক দিব খুজিছিল যদিও সময়ৰ অভাৱৰ বাবে খবৰটো দিব নোৱাৰিলে। চাকৰি সূত্ৰে সি দিল্লীলৈ যাব লগা হ'ল, দিল্লীত গৈ সি চাকৰিত যোগদান কৰিলে। মাজে সময়ে ওচৰ মানুহৰ ঘৰত ফোন কৰি নয়নে মাকৰ লগত কথা পাতে। নয়নে, স্নেহাক নিজৰ খবৰটো নিদিয়াৰ বাবে যেন সি নিজে এজন অপৰাধী যেন অনুভৱ কৰিলে, কিয়নো তাইৰ অবিহনে সি ডিগ্ৰী লোৱাটো অসম্ভৱ আছিল। তাৰ হাতত তাইৰ কোনো ফোন নাম্বাৰো নাছিল যে তাইক ফোন কৰি কথাটো ক'ব। এদিন, দুদিনকৈ তাৰ তিনিমাহ উকলিল, নিজৰ মাকৰ পৰা কোনো দিন দূৰত নথকা নয়নে এই তিনিমাহ কেনেদৰে পাৰ কৰিলে, সি যেন নিজেই নাজানে। এনেদৰে কিছুদিন পিছত এদিন হঠাতে নয়নলৈ এটা ফোন আহিল। ফোনটো ৰিচিভ কৰি দেখিলে যে সিহঁতৰ ঘৰৰ কাষৰ 'বিমল'ৰ ফোন। ফোনত তাক ক'লে যে তোৰ মাৰৰ অসুখ হৈছে, তই সোনকালে ঘৰলৈ আহ। মাকৰ অসুখৰ খবৰটো পাই নয়ন পিছদিনাৰ ট্ৰেইনৰে ঘৰলৈ ৰাওনা হ'ল। গোটেই যাত্ৰাটোত সি মাকৰ কথা চিন্তা কৰি কোন সময়ত

ট্ৰেইন আহি গুৱাহাটী পালেহি সি তলকিবই নোৱাৰিলে। ষ্টেচনৰ পৰা নয়ন হঁতৰ ঘৰলৈ আৰু ২০ কি.মিটাৰ যাব লাগে। সেয়ে ট্ৰেইনৰ পৰা নামি নয়ন বাছ ষ্টেচন অভিমুখে ৰাওনা হ'ল। বাছ ষ্টেচনৰ ফালে আগুৱাই গৈ সি দেখে এজনী ছোৱালীয়ে তাৰ ফালে লক্ষ্য কৰি আছে। ছোৱালীজনী তাৰ চিনাকী যেন লাগিল। এনেদৰে কিছুদূৰ আগুৱাই গৈ দেখে যে সেইজনী তাৰ বান্ধৱী স্নেহা। নয়ন আচৰিত হৈ ক'লে স্নেহা তুমি ইয়াত .... স্নেহায়ো 'নয়ন' বুলি কৈ যেন নিমাত হৈ পৰিল, দুয়োৰে চকু চলচলীয়া হৈ পৰিল। দুয়ো দুয়োকে সাৱটি ধৰি স্নেহাই কান্দি কান্দি কৈ উঠিল- তুমি ইমান দিন ক'ত আছিলা, মোৰো খবৰ এটা ল'ব পাৰা ! নয়নৰ হাতত যেন কোনো উত্তৰ নাই, সি যেন নিৰুপায়। তাইক কি বুলি বুজাব সি, যিজন বান্ধৱীয়ে তাক ইমান সহায় কৰিলে তাইক আজি সি এটা সৰু কথাৰ উত্তৰ দিব পৰা নাই।

কিছুসময় অতিবাহিত হোৱাৰ পিছত, নয়নে তাৰ চাকৰিৰ কথা স্নেহাক কলে, খবৰ দিব খুজিও যে সি খবৰ দিব নোৱাৰিলে সেই কথাও তাইক ক'লে। স্নেহায়ো যে কল চেন্টাৰত চাকৰি কৰে সেই বিষয়ে নয়নক ক'লে। আজি ঘৰলৈ যাওঁ সেয়ে ইয়াত গাড়ীৰ অপেক্ষাত।

নয়নে নিজৰ মাকৰ অসুখৰ কথা ক'লে সেয়ে সি ঘৰলৈ আহিছে বুলি স্নেহাক ক'লে।

স্নেহাই নয়নক ক'লে দুয়ো 'তেনেহ'লে একেলগে যাব পাৰিম।' কিছু সময়ৰ পিছত সিহঁতৰ গাঁৱলৈ যোৱা গাড়ীখন আহি পালে আৰু দুয়ো গাড়ীত উঠিল। দুয়ো যে দুয়োকে কলেজীয়া দিনতে ভাল পাইছিল সেই কথা যেন দুয়ো এতিয়াহে প্ৰকাশ কৰিলে। নয়নহঁতৰ ঘৰৰ পৰা আৰু ১০ কিলোমিটাৰ আগত স্নেহাহঁতৰ ঘৰ। মাকৰ অসুখৰ কথাটো স্নেহাই নয়নক সুধিলে আৰু নয়নেও ক'লে যে ফোন কৰি মাতিছে কিবা অসুখ সেয়ে হঠাৎ আহিলো, স্নেহায়ো নয়নৰ মাকৰ অসুখৰ খবৰটো ঘৰত সোমাই লৈ যাব বুলি ক'লে। কিছু সময়ৰ পিছত গাড়ীৰ পৰা নামি স্নেহা নয়নৰ ঘৰ অভিমুখে ৰাওনা হ'ল। ঘৰৰ আগত বহুত মানুহে ভিৰ কৰা দেখি নয়নে ভাবিলে বহুত দিনৰ মূৰত সি ঘৰত আহিব সেয়ে হয়তো বহুত মানুহ। সি ল'ৰালৰিকৈ ঘৰলৈ সোমাই গ'ল, স্নেহাও তাৰ পিছে পিছে ঘৰলৈ সোমাই গ'ল। গেটৰ পৰা ঘৰত সোমাই যাওঁতেই মাকক 'মা মা' বুলি চিঞৰি নয়ন ঘৰৰ চোতাল পালে। চোতাল পাই সি দেখে যে তাৰ মাকক মাটিত শুৱাই থোৱা আছে। মাকে এই সংসাৰৰ পৰা বিদায় লৈছে। তাৰ হাতৰ ফোনটো মাটিত সৰি পৰিল। সি যেন পাগল হোৱাৰ দৰে হ'ল আৰু তাত বহি পৰিল।

***

গল্প

# ৰূপান্তৰ

পৰিস্মিতা ভৰদ্বাজ
চতুৰ্থ ষাণ্মাসিক

ৰাহুল বৰ্মন সেই ৰূপালীপাম গাঁওখনত খুবেই পৰিচিত। সি ইঞ্জিনিয়াৰিঙ পাছ কৰি অহাৰ পাছত সি ওচৰৰে কাৰৈমাৰী চাব ডিভিজনত এজন জুনিয়ৰ ইঞ্জিনিয়াৰ হৈ যোগদান কৰিছে। এতিয়া সি যেন গাঁওখনৰ মধ্যমণিত পৰিণত হৈছে। বহুদিনেই হ'ল, ৰাহুলৰ মনটো এটা বিশেষ চিন্তাই খুলি খুলি খাইছে। সি উপায় বিচাৰি বিচাৰি হাবাথুৰি খাইছে, কিন্তু বিচাৰি পোৱা নাই কোনো উপায়। সি এইবোৰ আৰু সহ্য কৰিব নোৱাৰে। এই বৰবিহে গোটেই গাঁওখনকে গো-গ্ৰাসে গিলিব লাগিছে। প্ৰথমে সেই খগেন বৰুৱা আৰু তেওঁৰ ঘৰখনহে গাঁৱত এলাগী আছিল, কাৰণ তেওঁ আৰু তেওঁৰ চাৰিজন পুত্ৰই 'মদ' খায়। কিন্তু, এতিয়াতো প্ৰায় প্ৰত্যেক ঘৰতেই সেই একেই অৱস্থা। পাঁচ, ছয়খন ঘৰৰ বাহিৰে বাকী ঘৰত সন্ধিয়া হ'লেই সেই একেই চিঞৰ-বাখৰ, কান্দোনৰ ৰোল। ৰাহুলে আৰু সহি থাকিব নোৱাৰা হল, কোনো ঘৰত যদি গিৰিয়েকে ঘৈণীয়েকক মাৰিছে, আন এঘৰত আকৌ পুতেকে মাকক। যোৱাকালি ভীমকান্ত খুৰাৰ ঘটনাটোৰ পিছত সি আৰু অস্থিৰ হৈ পৰিছে।

তেতিয়া প্ৰায় সন্ধিয়া আঠ বাজিছে, ৰাহুলহঁতৰ ঘৰত সকলোৱে মিলি ভাত খাব বহিছে, তেনেতে শুনিলে যে ভীমকান্ত খুড়াৰ ল'ৰা পবনে 'মদ' খাই আহি ৰাতি হুলস্থুল কৰিছে, তাক এখন বাইক কিনিবলৈ পঞ্চল্লিশ হাজাৰ টকা লাগে আৰু নিদিলে সি তাৰ হাতত থকা ছুৰী খনেৰে নিজৰ হাত কাটিব। ভীমকান্ত খুড়াই কান্দি কাটি নিজৰ জীয়েক সোণালীৰ বিয়াৰ বাবে সাঁচি ৰখা টকাৰ পৰা পঞ্চল্লিশ হেজাৰ টকা দিবলৈ বাধ্য হ'ল। খুড়ী মুৰ্চ্ছা হোৱাৰ দৰে হ'ল।

ৰাহুলে ভাবিলে যে কিবা এটা কৰিবৰ হ'ল। নহলে যে তাৰ মৰমৰ গাঁওখন এখন জঘন্য দৈত্য, দানৱৰ ঠাইলৈ পৰিণত হ'ব। সেয়েহে সি ঠিক কৰিলে সি ইমানদিনে ভাবি থকা কামটোকে কৰিব। সি পকেটৰ পৰা তাৰ ফোনটো উলিয়ালে আৰু ক'লে - "অহা ৰবিবাৰে তই আহ। মই কোৱা কামটো কৰিবৰ হ'ল। লগত ডাঃ দুৱৰা, ডাঃ বৰুৱা আৰু শইকীয়া আৰু সেউতীক লৈ আহিবি। দিনৰ ১২ মান বজাত পোৱাকৈ আহ।" এতিয়া ৰাহুল নিশ্চিত যে তাৰ গাওঁখন ভাল পথলৈ আহিব।

ৰবিবাৰে দিনৰ ১২ বাজিছে, ৰাহুলে আগতে কোৱাৰ দৰে সকলো আহি মন্দিৰৰ সন্মুখৰ বৰ আঁহতৰ তলত গোট খালে। কাৰণ ৰাহুল মাতিছে। সকলোৱে জানে যে ৰাহুলে কোনো অনাহক কামত কাকো নামাতে, সেয়ে সকলো ৰৈ আছে। এনেতে এখন গাড়ীৰ পৰা কেইজনমান মানুহ নামিল, এটা পাঁচজনীয়া দল, লগত ওচৰৰ কাৰৈমাৰীৰ ভকতৰ ল'ৰা অমল। তেওঁলোক আহি প্ৰথমতে চকী কেইখনত বহি ল'লে তাৰ পাছতআৰম্ভ কৰিলে তেওঁলোকৰ বক্তব্য। প্ৰথমে ডাঃ দুৱৰাই আৰম্ভ কৰিলে- কিন্তু সকলোৰে উদ্দেশ্য একেটাই। অমলে কোৱাৰ দৰে "আমি লাইফ প্লাছ ৰিহেব চেন্টাৰৰ পৰা আহিছো। আমাৰ চেন্টাৰে এটা এন্টি ড্ৰাগ চেন্টাৰ হিচাপে কাম কৰে। অৰ্থাৎ 'মদ' 'ভাং' 'নিষিদ্ধ ড্ৰাগছ' আদি খোৱা মানুহক সুস্থ-সৱল কৰি এটি নতুন ভাল পথ লোৱাৰ। আপোনালোকৰ বেছিভাগ মানুহেই এতিয়া নিজৰ জীৱন ধ্বংস কৰিছে। কিন্তু কেতিয়াবা কল্পনা কৰিছেনে যে ই আপোনালোকৰ সন্তানৰ ওপৰত কি প্ৰভাৱ পেলাইছে। আপোনালোকে

নিজৰ লগতে নিজৰ সন্তানৰ জীৱনো ধ্বংস কৰি আছে। আপোনালোকে কেতিয়াবা আজিৰ পৰা পাঁচ বছৰ আগৰ গাঁওখন কল্পনা কৰিছেনে, যেতিয়া এই গাঁৱত কেৱল ৰং ধেমালি আছিল। আমি আপোনালোকক সেই পৰিৱেশ পুনৰ ঘূৰাই পোৱাত সহায় কৰিম। সেয়ে আমি ইয়াত আহিছো। এই কথাবোৰে যেতিয়া ৰাহুলেও ক'লে, সকলোৱে ভাবিবলৈ বাধ্য হ'ল। সকলোৱে একে মুখে ক'লে "হয় আমি পৰিৱৰ্তন বিচাৰো। গতিকে আপোনালোকে আমাক সহায় কৰক।"

ছয়মাহ পাছত সেই গাঁৱত এখন প্ৰীতিভোজ মেল অনুষ্ঠিত হ'ল য'ত সেই পাঁচজনীয়া দলটো লগতে ৰাহুল বৰ্মনকো তেওঁলোকে সম্বৰ্দ্ধনা জনালে। এতিয়া ৰূপালীপাম গাঁৱত সঁচাকৈয়ে সুখ-শান্তি বিৰাজ কৰিছে। আগতে মদৰ নিচাত বুৰ গৈ থকা ডেকা ল'ৰাবোৰেও এটা NGO খুলিছে আৰু বিভিন্ন সাংগঠনিক কামত আত্মনিয়োগ কৰিছে। আন কেইজনমানে মিলি এটা আত্মসহায়ক গোট খুলিছে য'ত গৰু আৰু গাহৰি পোহা হয়। সেই উপাৰ্জনেৰে তেওঁলোকে এতিয়া নিজৰ ঘৰ কেইখন ধুনীয়াকৈ চলাই আছে।

ৰাহুল বৰ্মনে আজি যুৱশক্তিৰ কথা অনুধাৱন কৰি হৰ্ষিত হ'ল। তেওঁ নিজচকুৰ আগতে প্ৰত্যক্ষ কৰিলে কিদৰে "যুৱচামে বিচাৰিলে সমাজখনক আচৰিত ধৰণে সলনি কৰিব পাৰে।"

***

গল্প

# জীৱনৰ ক্ষনিক নষ্টালজিয়া

লোপামুদ্ৰা দেৱী
স্নাতক দ্বিতীয় ষাণ্মাসিক

'লুটিয়াই চাঁও বহুৰঙী পৃষ্ঠাবোৰ
বেলি লহিওৱাৰ পৰত
এৰা, আৰু এটি দিন গ'ল
জীৱনৰ পৰা।'

জীৱন। নিৰ্মল প্ৰভা বৰদলৈৰ আত্মজীৱনী 'জীৱন জীৱন বৰ অনুপম' গ্ৰন্থতে দেখুৱাইছে জীৱনৰ পৰম সৌন্দৰ্য্য, জীৱনৰ পৰম অভিজ্ঞতা। 'জীৱনৰ মাধুৰি ক'ত কেনেধৰণে বিচাৰি ল'ব লগা হয়। নদীত নামি স্নান কৰিব নোৱাৰিলেও নদীৰ কুলুকুলু ধ্বনি শুনিবলৈ যে কি সুন্দৰ! জীৱনৰ সৌন্দৰ্য্য এইবোৰতে থাকে। এইবোৰ জীৱনৰ পৰম অভিজ্ঞতা।'

বৰ্তমানৰ কংক্ৰিতৰ অৰণ্যত পায় জানো এই অভিজ্ঞতাবোৰ। পায় জানো দেখা নিজৰ পাৰ হৈ অহা সেই শৈশৱবোৰ সন্তানৰ জীৱনত। দেখে জানো সন্তানৰ সেই গধুৰ বেগবোৰৰ মাজত সেই শৈশৱ.....? এইয়াওটো বিচিত্ৰ জীৱনতেই দেখা এটি অধ্যায়।

নিৰলে বহি কেতিয়াবা আকাশৰ ফালে চাই চাই ভাৱো আজিলৈ পাৰ হৈ অহা দিনবোৰ কেনেদৰে পাৰ কৰিলো। লগে লগে চকুৰ আগত ভাহি উঠে একো একোটি দৃশ্যপট। কিছুমান মধুৰ আৰু কিছুমান হৃদয়ত কঁপনি তোলা। বাস্তৱলৈ আহিলেই মনতে ভাৱো সেই দিনবোৰটো পাৰ কৰিলো। অনাগত দিনবোৰ এনেদৰে জীণ নিয়াব পাৰিমনে ? সাহস দিওঁ মনক - 'জীৱন মানেইটো এখন ৰেলগাড়ী। কেতিয়া এক্সিডেন্ট হয়, ক'ত ডবা বাগৰি পৰে, থাকি যায় ক'ব নোৱাৰি। আমি তৃতীয় শ্ৰেণীৰ যাত্ৰী।' *(চাহেব পুৰাৰ বৰষুণ)*

জীৱনৰ এই সৰ্পিল গতিত আগুৱাই গৈ থাকো। হঠাতে কেতিয়াবা মনলৈ অদ্ভুত আশা আহে। আশা আহে আকৌ এবাৰ নীড়মুখী পখীজাকক দেখি চিঞৰি চিঞৰি গাব - 'বগলী এটা ফোঁট দে।' কিন্তু সেই পখীজাক যে ক'ৰবাত লুকাল। এয়াও বিচিত্ৰ জীৱনৰেই এটা ৰূপ।

জীৱনত বুটলি লোৱা সপোন বাস্তৱ ৰূপ দিবলৈ দৌৰিব লাগে। কিন্তু সপোন আৰু দিঠকৰ মাজত তুমুল ৰণ। দিঠকৰ কঠিনতাত সপোনবোৰ ভাঙে। সেয়ে হয়তো সপোনবোৰ আলসুৱা। তথাপি সপোন কোচত লৈ বাস্তৱৰ আগে আগে দৌৰো। দৌৰো সুখৰ পিছত। 'দৌৰিছো
মাথো দৌৰিছো
সুখৰ পিছে পিছে
দৌৰিছো সপোনৰ দিশে
চৌদিশ চোৱাৰ সময় নাই
এটা বিন্দুত দৃষ্টি ৰাখি
কেৱল দৌৰিছো
যিমানেই দৌৰিছো
বিন্দুটি ক্ৰমে ক্ৰমে আঁতৰি গৈ
বিলীন হৈছে অসীমত।'

তথাপি গৈয়ো আছো। এয়াইটো জীৱন। গৈ থাকিম তেতিয়ালৈ যেতিয়ালৈ ভৰি থমকি নৰয়।

***

# নীলা খামৰ চিঠি

শ্ৰীমুকুট বৰ্মন
স্নাতক ষষ্ঠ ষাণ্মাসিক

মৰমৰ কৰিশ্মা,

বুকুত সযতনে ৰাখি থোৱা মৰমবোৰ গ্ৰহণ কৰিবা। সম্পূৰ্ণ দুবছৰৰ মূৰত তোমালৈ বুলি লিখিবলৈ বহিছো। বাহিৰত শীতৰ হাড় কঁপোৱা বতাহ আৰু ভিতৰত মোৰ হৃদয় কঁপোৱা তোমাৰ অনুভৱবোৰ। আজিৰ আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগত চিঠি লিখাৰ প্ৰয়োজনীয়তাই বা কিমান। হাতৰ টিলিকিতে পাব পাৰি মনৰ ঠিকনা। কিন্তু মই জানো, হৃদয়ৰ সেউজ আবেগ ঢালি লিখা চিঠিবোৰত আখৰৰ ভাজে ভাজে যিমান মৰম, আবেগ, অনুভূতি সোমাই থাকে, ফেচবুক বা হোৱাটছআপৰ ভাৰ্চুৱেল পৃথিৱীত সেইবোৰ সম্ভৱ নহয়।

তোমাক প্ৰথম দেখাৰ দিনটো মই ডায়েৰীৰ পাতত আজিও সাঁচি ৰাখিছো। কিমান গভীৰ আছিল তোমাৰ প্ৰসাধন বিহীন দুচকু। হাঁহিলে গালত পৰা ডিম্পলটোত হেৰাই গৈছিলো মই। কবিতা ভাল নোপোৱা মই হেন ল'ৰাটোৱে জোনাকত বহি আবৃত্তি কৰিবলৈ আৰম্ভ কৰিছিলো হীৰুদা, প্ৰণৱ কুমাৰ বৰ্মন অথবা নীলিম কুমাৰৰ কবিতা।

সঁচাকৈয়ে তোমাৰ প্ৰেমত পৰাটো যদি ভুল হয়, তেন্তে মই সেই ভুল বাৰে বাৰে কৰিবলৈ কুণ্ঠাবোধ নকৰিম। যিমানে দিনবোৰ অতীত হৈ গৈ আছে, সিমানে বেছিকৈ খোপনি পুতিছে তোমাৰ প্ৰতি থকা মোৰ ভালপোৱাবোৰে।

মই নাজানো তুমি মোক ভাল পোৱানে নাই, কিন্তু মই যে তোমাক নিস্বাৰ্থ ভাৱে ভালপাওঁ সেয়া নিশ্চিত। যেনেদৰে মই ভালপাওঁ সেউজীয়া, আকাশৰ জোনাক বা শৰতৰ দীঘল দীঘল কঁহুৱাৰ লানি। ভালপোৱাবোৰত কোনো স্বাৰ্থ নাথাকে, সেইবাবেই চাগে তোমাৰ প্ৰতি মোৰ এই আবেগ।

তুমি কুশলে থাকা। তোমাৰ প্ৰতি মোৰ শুভকামনা সদায় থাকিব। হৃদয়ত তোমাৰ ভালপোৱাৰ পাখি কলমে বাৰুকৈয়ে আঁকিছে মোক।

যোৱাকালি হৈ যোৱা সাংস্কৃতিক শোভাযাত্ৰাত তোমাক খুবেই ধুনীয়া লাগিছিল, ৰঙা কাপোৰ সাজেৰে।

-ইতি -
তোমাৰ অনুগামী
**'অনুভৱ'**

# নীলা খামৰ চিঠি

পূণম নিশি শিৰম
স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

প্ৰিয়তম,

আলফুল আবেলিৰ ধুনীয়া ৰ'দজাক পৰিছেহি মোৰ চোতালত। হাচনাহানাৰ সুবাসে ভৰাই ৰখা মোৰ কোঠাটো আজি তুমি দিয়া বহু উপহাৰেৰে ভৰি আছে। মাথো হৃদয়খনহে কিবা উকা উকা দেখোন। তুমি চাগে ভাবিছা, এইজনীয়ে এইবোৰ কি লিখিছে ... মইও ভাবিব পৰা নাই .... ক'ৰ পৰা আৰম্ভ কৰি কি লিখিম!

তোমাৰ সতে কটোৱা সেই নিবিড় মূহুৰ্তবোৰ নে জোনাক নিশা শেৱালি সুবাস লোৱা সেই দিনবোৰ অথবা আবেগেৰে তুমি ভৰাই ৰখা মোৰ হেঁপাহৰ গধূলিবোৰ ....

তোমাৰ মনত আছে .... জীৱন নদীত একেলগে গতি দিয়াৰ যে সপোন দেখিছিলো আমি ... মোৰ হৃদয়ৰ ৰুদ্ধদ্বাৰ খুলি গোপনে প্ৰৱেশ কৰিছিলা। সেই ঠাইত তুমি .... সযতনে সাঁচি ৰখা বহু মৰম মাথো তোমাক যাঁচি ৰিক্ত হৈ পৰিছিলো মই। সপোন সপোন ভাৱে অনবৰতে আৱৰি ৰাখিছিল মোক। তোমাৰ হাঁহি, তোমাৰ মৰম, তোমাৰ প্ৰেৰণাই মোৰ অন্তৰত জীয়াই থকাৰ ইন্ধন যোগাইছিল।

তুমি প্ৰায়ে কৈছিলা, "চুলিখিনি খুলি ৰাখিবাচোন তোমাৰ, মোৰ ভাল লাগে।" আজিও খুলি ৰাখো মই মোৰ চুলি.... তোমাৰ অপেক্ষাত কিজানিবা তুমি উভতি আহা .... কিজানিবা মোক আকৌ আকোৱালি লোৱা ....

নাজানিলো.... কি ভুলৰ বাবে ইমান শাস্তি দি আঁতৰি গ'লা তুমি.... কিহৰ তাড়নাত মোৰ মৰম নেওচি গুচি গ'লা..... নুবুজিলো....

মাথো আজিও মই অপেক্ষাৰতা .... তোমাৰ অপেক্ষাত .... তোমাক ঘূৰাই পোৱাৰ আশাত.....


আজিও বিচাৰো তোমাৰ সতে জোনাকী সপোন ৰচিবলে..... ঘূৰি আহা..... হাঁহি সিঁচি দিয়া ওঁঠত মোৰ.....

- প্ৰান্তত -
তোমাৰ
'আইজনী'

কবিতা

# নিৰৱতাৰ গভীৰতাত

পবিত্ৰ কুমাৰ নাথ
সহকাৰী অধ্যাপক, ভূগোল বিভাগ



কৃষ্ণ পক্ষৰ ফাগুণী নিশা
শেঁতা জোনাক একাঁজলি
পৰিলেহি মোৰ কেঁচা মাটিৰ পিৰালিত।
চৌপাশ নিৰৱ নিহপালী
তৰু তৃণ যেন ধ্যানমগ্ন মুনি।
মন আত্মাৰ দুৱাৰ খুলি
ওলাই আহিলো বাজলৈ।
নিশাচৰী চৰাই, জিলিৰ মাতত
নিৰৱতাৰ গভীৰতাত ডুব মাৰিলো।
সেয়া নৈৰ ঘাটলৈ পিছলি যোৱা বাট।
উজাই মেলিলো নাও
তাহানিতে এৰি অহা অতীতৰ ঘাটলৈ
সিপাৰে কোনো অধিৰ আকুলতা
"তোৰে সৈতে আমাকো লৈ যা বন্ধু
এই সময় দুঃ সময়,
এই সময় বৰ অস্থিৰ, অশান্ত,
এই সময় হাহাকাৰ কোলাহলময়"
পূৰে ঢলফাত
সংকেত "নিগনি দৌৰৰ ব্যস্ততা"
লাহেকৈ দুৱাৰখন
জপাই থলো।

***

# শব্দৰ স্তুতি, এজাক বৰষুণ আৰু এখন নেদেখা সাগৰ

ড° আঙ্গিৰস
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ

দূৰ দিগন্তত নিবদ্ধ দৃষ্টি
মৌনতাৰ মন্ত্ৰত আবিষ্ট উদাস কবি
উন্মনা এজাক শব্দ আহি
সানি দিলে গালে মুখে,
ছটিয়াই দিলে কেউফালে
গছে বিৰিখে আকাশে বতাহে ফাকুগুৰি
কাণে কাণে ক'লেহি
যাওঁ ব'লা এখন নতুন দেশলে
উদ্‌যাপিত হয় য'ত ৰঙৰ উছৱ নিৰন্তৰ
ঈশ্বৰৰ পৃথিৱী।
অজান মূলুক
চেতনাৰ সিখন দেশ
শব্দৰ ওপজা ঠাই
ধ্বনিৰে বৰ্ণেৰে বৰ্ণিল চোলা পিন্ধি
উমলি ডাঙৰ হয় শব্দবোৰ
শব্দবোৰ যুৱক-যুৱতী হয়
শব্দবোৰ প্ৰৌঢ় হয়, বৃদ্ধ হয়, মৃত্যু হয়
পুনৰ ওপজি শব্দবোৰ আকৌ ডাঙৰ হয়.......
হাতে হাত ধৰি শব্দবোৰে
অলং দলং খেলে
সাঁকো সাজে
দুৱাৰ গঢ়ে
মূৰ্ত বিমূৰ্ত দুখন পৃথিৱীৰ মাজত।
শব্দবোৰ যাত্ৰী হয়
ভ্ৰমি ফুৰে বিভিন্ন জগত,
শব্দত নিষিক্ত হয় জগতৰ
সমস্ত চৰাচৰ
কি জীৱ কি জড়
কি সৰৱ কি নিৰৱ
সৃষ্টি হয় জীৱনৰ পৰিচয়
পৰিচয়ৰ গৰাকী হৈ সকলো
মুখৰিত হয়।
শব্দবোৰ অনুভূতিৰ নাম হয়
অনুভূতিবোৰো শব্দত নিষিক্ত হয়
শব্দবোৰ চিন্তাৰ কঠিয়া হয়
শব্দবোৰে বহন কৰে গৰাকীৰ ছবি,
স্মৃতি আৰু জ্ঞান
শব্দৰ বোকোছাত উঠি ভ্ৰমি ফুৰে জগতৰ
ৰূপ, ৰস, গন্ধ, স্পৰ্শ
যেন বিজুলীবেগী এক অদৃশ্য যান
স্মৃতিৰ ছন্দুক
কল্পনাৰ একোখন বেগী ৰথঙ্গ
খবৰ অনা নিয়া কৰে সুখ দুখ মান অভিমানৰ
হৃদয়ৰ দুৱাৰে দুৱাৰে
যেন চিৰ পৰিচিত এজন ডাকোৱাল;
মন মস্তিষ্কত ভ্ৰমি ফুৰা এক
অদ্ভুত এছ.এম.এছ..........
কেতিয়াবা কেতিয়াবা শব্দবোৰ বৰষুণ হয়,
বৰষুণৰ টোপালত মনি মুকুতা।
কেতিয়াবা শব্দবোৰ ফুল হয়
কেতিয়াবা জুই
শব্দবোৰ সাহস হয়, প্ৰেম হয়, পোহৰ হয়
আপোন পাহৰা হৈ শব্দবোৰ
কেতিয়াবা কেতিয়াবা গান হৈ যায়

শব্দ আছে বাবেই চিন্তা আছে, জ্ঞান আছে, সংকল্প আছে
শব্দৰ প্ৰাণেৰে প্ৰাণবন্ত হয় হয় প্ৰকৃতি
সংকল্পত কঠিন হয় শিল
অচল অটল হয় পৰ্বত
গতিশীল হয় নদী
প্ৰজ্ঞাবান হৈ উঠে গছ।
শব্দ মানেই একোটা পৰিচয়
পৰিচয় মানেই একোটা জীৱন
শব্দ মানেই শক্তি, শব্দ মানেই গতি
শব্দ নাই মানে একো নাই
তুমি নাই, মই নাই, কোনো নাই
অৰ্থহীন হয় শব্দহীন পৃথিৱী
জড়তাৰে ভৰা চৌদিশ যেন মৰুভূমি
শব্দ আছে বাবেই সুন্দৰ হয় জগত
সৌন্দৰ্য আছে বাবেই সুন্দৰ ফুল, চৰাই, আকাশ আৰু পখিলা
বৈভৱময় আনন্দমুখৰ জগত
জোন বেলি তৰাৰে ভৰা নানাৰঙী আকাশ
আকাশী চালেৰে আৱৰা এক বিশাল কাৰেংঘৰ
শব্দেৰে ভৰা এখন পৃথিৱী
অফুৰন্ত বৈভৱ
জলমলীয়া মণি-মুকুতা
আপোন বুলিবলৈ এক পৃথিৱী মানুহ
অনুভৱশীল, এখন হৃদয়
জীয়াই থাকিবলৈ এটা জীৱন
আৰুনো কি লাগে কোৱা?
আহা এবাৰ তিতোঁ শব্দৰ বৰষুণ জাকত
সাঁতুৰি নাদুৰী বলিয়া হওঁ
শব্দৰ বন্যাত
বৈ যাও, বৈ বিলীন হৈ যাও
আনন্দৰ এক অনাবিল
নেদেখা সাগৰত
সুন্দৰ সাধনাত নিমগ্ন
কবিৰ স'তে....

***



# তুমি নাৰী


নীলাক্ষি শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ


তোমাৰ কপালৰ সূৰ্যোদয় দেখি
তোমাক প্ৰণামো,
তুমি নাৰী।।

সপোনৰ মুকুতা টোমত ভৰাই
হাতত হেতা লোৱা,
তুমি নাৰী।।

ধৈৰ্য্যৰ শিকলিৰে নিজকে বান্ধা,
সতী বিজয়িনী
তুমি নাৰী।।

সুবাস সনা সন্ধিয়াত, সপোনৰ
সৰাপাত সোঁৰৰি চাকি দিয়া,
তুমিয়েইতো নাৰী।।

***

# হৃদয়ৰ ভাষা

বন্দিতা কাকতি
স্নাতক দ্বিতীয় ষাণ্মাসিক
সংস্কৃত বিভাগ

মোৰ সুখ
তোমাৰ পোহৰেৰে উজলি উঠে,
মোৰ বুকুৰ দুখৰ বাটচ'ৰা।
অনুভূতিৰ ৰ'দত বাঢ়ে শব্দৰ তীব্ৰতা
শব্দফুলা উশাহবোৰত
সানি নিদিবা তোমাৰ ওঁঠৰ নিৰৱতা।
তোমাৰ সুগন্ধি আঙুলিৰে
মোৰ হৃদয়ৰ উপত্যকালৈ
নামি আহিছে নিগৰি নিগৰি
তেজৰ সোঁতে সোঁতে কবিতা উজাই
অনুভৱত ফুলি উঠে
প্ৰত্যাশাৰ ৰঙীণ খৰিকাজাঁই।

***



# মোৰ 'মা' তুমি

পূনম নিশি শিৰম
স্নাতক চতুৰ্থ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

অনন্যা তুমি
মহিমাময়ী,
তোমাৰ হাততে পৰশ পাই জীৱনে
তোমাৰ বাবেই এই ধুনীয়া ধৰণী
তুমিয়েই আঁকি দিয়া সপোন দুচকুত
তুমিয়েই দিয়া প্ৰেৰণা
সময়ৰ সৈতে খোজ মিলাই যোৱাৰ
আকাশৰ দৰে বিশাল মন তোমাৰ
ক্ষমা, মমতা, দয়া মৰমৰ অধিকাৰিণী
মোৰ 'মা' তুমি।

***

# নাৰী

বাৰবী চহৰীয়া
স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

নাৰী! তুমি সৃষ্টিৰ শক্তি
তুমি সৃষ্টিৰ মহীয়সী,
তুমিয়েই দিয়া প্ৰকৃতিৰ ৰূপ
তুমিয়েই গঢ় দিয়া জীৱনৰ ৰূপ।।
তোমাৰ হাততেই লালিত পালিত
কন কন শিশুটি,
বিকশিত হৈ পায়গৈ
জীৱনৰ দুৱাৰদলি।।
তুমি অনন্যা নাৰী
তুমি অনবদ্য সৃষ্টি।।
কি নোহোৱা তুমি
কাৰোবাৰ জননী
কাৰোবাৰ অৰ্ধাংগিনী
আৰু শক্তিও তুমিয়েই হোৱা।।
সৌ কুন্তী, দ্ৰৌপদী,
সতী, সাবিত্ৰী
এয়া জানো তুমিয়েই নহয়?
যিয়ে নিজৰ ত্যাগেৰে
কৰি থৈ গ'ল
যাউতি যুগমীয়া সৃষ্টি।।
মাদাৰ টেৰেচা, লক্ষ্মীবাই,
এয়া দেখোন তোমাৰেই কৃষ্টি।
তুমি নহ'লে এই ধৰা
পৰি ৰ'ব শুকান হৈ,
সৃষ্টি কৰিব নাথাকিব কোনো।।
সেয়েহে নাৰী!
তোমাক স্বগতম
তোমাৰ প্ৰণাম
তুমি থাকিবা সদায় পূজ্য হৈ।।

***



# Her Pain

*To all the mom's of the world .....,*

*never hurt her and keep her happy*

**Ninasmita Bania**
**TDC 4th semester**
**Geography Depatment**

A drop of tear
Leaving many reason behind
Flows down
From the ocean of pain,
Each drop spears
The pain in her heart
Her every drop
Make me feel,
Is a drop of blood
From her broken heart
Her pains are unknown
She keeps them,
In the box of secret
A sight of world
Through her droplets
The globe is covered,
With the cloud of hatred
Will fight with the world
To erase her pain
Till ......... I am alive.

***

# বুভুক্ষাৰ প্ৰচ্ছায়া

বিজয়লক্ষ্মী চহৰীয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক

তেজৰ সিৰাই সিৰাই
শিয়ঁৰি উঠে
দিবা নিশা
বুভুক্ষাৰ আৰ্তনাদ।
কলমটিয়াব ধৰা
শোতোৰা পৰা ছালত
শীতঘন ৰ'দৰ
জিলিকনিৰ প্ৰচ্ছায়া।
বাস্তৱতাৰ শানত
দুচকুত ঘোষিত হয়
দাৰিদ্ৰৰ ৰঙা বুৰঞ্জী
আৰু ক্ৰমশঃ
জীৰ্ণ-শীৰ্ণ
হাত-ভৰি গুঞ্জনত
সাৰ পায়.......
উফৰি পৰে
ঘূনে খোৰা শ্লোগান।

***



# মইতো নহওঁ কবি

ৰীতু মনি ডেকা
স্নাতক দ্বিতীয় ষাণ্মাসিক
বুৰঞ্জী বিভাগ

শব্দৰ বাগিচাত বাৰেবৰণীয়া
কত যে ৰঙীণ সপোন
মইতো নহওঁ কবি
নাই ছন্দ
নাই গীত,
নাই কোনো সুৰ........
কবি হোৱা হ'লে
কাপেৰে নিগৰালোহেঁতেন
মোৰ দুখৰ
বিস্তীৰ্ণ মৰুভূমি........।
ফুলিব খোজা ফুল পাহিয়েও
মেঘৰ গৰ্জনত
নিতাপ মাৰে;
উচুপি উঠে
নিশাৰ পথিক,
সপোনৰ আঁৰে আঁৰে
সময় বৈ যায় গুপুতে
অক্লান্ত পথিকহে মই........।

***


# The Mystery Continues for ever....

**Hriday Sagar Sarma**
**TDC 4th semester (Science)**

Troy was destroyed; Ramayana was created
because of you ........;
You are beautiful, you are pure
You are an angel I am sure
You are caring mother, fun-loving sister
You are inspiring lover;
and caring wife ...........
You are Kalpana Chawla;
You are brave immortal Nirbhaya
Donot lose hope; donot forget to smile
Because you know what;
When you smile, my little world......
steps for a while..........
I always pray for Rain;
So that you will not see my tears.......

in the rain.........

***



# অতুলনীয়


নীলাক্ষি শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

তুমি ধৰিত্ৰী,
তোমাৰ কোলাত মূৰ থৈ পাহৰিব পাৰি
জীৱনৰ দূৰ্যোগ।
দুখৰ ভাৰখনি পিৰালিত থৈ
তুমি সুখৰ মুকুতা বোটলা।
প্ৰতিদান কাহানিও নিবিচৰা।
তুমি এজাক বতাহৰ দৰে
উত্তপ্ত হৃদয়ত শীতল পৰশ যাব।
তুমি সুৰুযৰ কিৰণ,
উমাল হয় হৃদয় যাৰ পৰশত।
এজাক বৰষুণ হৈ বৰষা
খৰাং জীৱনৰ চিৰাল-ফটা মনৰ বাকৰিত,
সেউজ হৈ পৰে এই মহাবিশ্ব।

***

# সময়ৰ ঠিকনা

কবিতা কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক



আজিও একেদৰে বয় কলং কপিলী
সময় স্তব্ধ হৈ যায় মোৰ বাটত।
স্মৃতিবোৰে বাট আগচি ধৰে
ক'ৰবাত একেদৰে আছে
দুখৰ স্বৰলিপি।
অতীত হৈ যোৱা মনৰ বাটেৰে
আকৌ উভতনি যাত্ৰা।
পাৰাপাৰহীন নৈঃশব্দৰ মাজত
গৌৰৱোজ্জ্বল অতীতৰ ধ্বংসাৱশেষ।
আয়ে দি যোৱা বিশ্বাস বোৰে
আস্থা হেৰুৱায়
সংশয়ে আগচি ধৰে মোৰ পথ
পিতাইৰ আদৰ্শবোৰ
সময়ৰ লগত মিলিব নোৱাৰি
ওফৰি পৰে
এনে কিয় হয়
মই অসহায় হৈ পৰোঁ।
বহুদিন শুনা নাই
মোৰ দেশৰ চিফুং বাঁহীৰ সুৰ
ডেকা-গাভৰুৰ প্ৰাণভৰা লাইলা হিলালি গীত
গান আৰু কবিতাৰ মাজত আছে
জীৱন মুখীতাৰে ভৰপূৰ মোৰ
সপোনৰ দিকচৌ বাট।
আজিও একেদৰে বয় কলং কপিলী
খন্তেকৰ বাবে চিনাকী ঘাটত ৰয়
পালতৰা নাওঁ
পথৰুদ্ধ অচিনাকি পথিকৰ বাবে
সময়ৰ ঠিকনাত ভাহি আহে।
ঐনিতমৰ সুৰ।

***

# বতৰা পৰিস্থিতিৰ

যতীন চন্দ্ৰ ডেকা
স্নাতক (কলা)

সুখৰ লেফাফাত সোমাই আহিছিল
দুখৰ বতৰা,
নীলাকাশত যেন ক'লা ডাৱৰ।
উৰি ফুৰা মনটোৰ
হঠাৎ ভাগি পৰিছিল ডেউকা,
লেফাফা পায়েই নৃত্য কৰিছিল
দেৱদাসীবোৰে,
পিছে খুলি চাই, বতৰা পাই
নুমাই গৈছিল জ্বলি থকা
চাকিটো।
চৌদিশে মাথো গোমা
পৰিৱেশ,
মোলৈ চাই ঠাট্টা কৰিছিল
বালিমাহী জাকে,
নদীৰ গতিও যেন স্তব্ধ,
হৃদয়ে পাহৰি পেলাইছিল
আপোন সুৰ,
গাইছিল মাথো ব'ৰাগীৰ গীত,
সকলো সপোন যেন শূণ্য
নিৰৱতাইও চিঞৰি চিঞৰি
যন্ত্ৰণা দিছিল মোক।
তথাপিও যে উৰিছিল ধূলিকণা
বেৰৰ ফুটাৰে সৰকি অহা ৰ'দৰ
ৰেঙণিত।

***

# My Heart's Showcase

**Nabanil Chakravorty**
**TDC 2nd semester**
**Botany Depatment**

In my life, none can take your place
You and your memories,
Are what nobody can ever replace
Deep inside my heart's showcase.
When my emotions overflow,
My heart beats loudly race.
I peep through my heart's window
To see you inside my heart's showcase.
Life without you, I never dreamt of
And now when you are not with me
I feel like a bird, wings clipped....
To hide my tears is really tough
But all day long, I have to lough
And wait for night, when none is awake
Alone in my room I don't have to fake.
I can silently wipe the tears,
Running down my face,
Which trace the feelings
Inside my heart's showcase.

***

# অগ্ৰগামী

গায়ত্ৰী নাথ
স্নাতক চতুৰ্থ ষাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

তোমাৰ ধমনীৰ প্ৰতিটো স্পন্দনত
নিতে সৃষ্টি কৰিছা
নৱ নৱ চিন্তাৰ গতিশীল ধাৰা,
শত জ্ঞান-পিপাসুৰ হৃদয়ত তুমি
সিঁচি দিছা জ্ঞানৰ কঠিয়া,
এন্ধাৰ নাশি আলোক অভিমুখী হ'বলৈ
তুমিয়েই দিছা সাহস আৰু প্ৰেৰণা।

হে মহাবিদ্যালয়, তোমাক প্ৰণাম!
তোমাৰ বুকুৰ নিভৃত কোণত থকা
জ্ঞানৰ কণাবোৰ সিঁচি দিছা
শত ন-শিকাৰুৰ জ্ঞানৰ মণিকোঠাত,
স্বকীয় মহিমাৰে প্ৰাণ পাই উঠিছে
কত গৱেষক, লেখক, সমাজ-সংস্কাৰক
উকীল, ৰাজনীতিক তথা গায়ক তথা অভিনেতা।

হে জ্ঞান মন্দিৰ, তোমাৰ চৰণত আশ্ৰিত হৈ
নিতে কৰিছো প্ৰজ্ঞাৰ সাধনা,
সাফল্যৰ চৰম শীৰ্ষত উপনীত হ'বলৈ,
জীৱনৰ কাঁইটীয়া পথ সেন্দূৰীয়া ,কৰিবলৈ
মাগিছো তোমাৰ আশিস-বৰদান,
হে মহাবিদ্যালয়, তোমাক প্ৰণাম, তোমাক প্ৰণাম।

***

# স্নিগ্ধা - বসুন্ধৰা

ধনজিতা দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক

ফৰিং ফুটা জোনাকত
সপোনৰ জালি কটা দিনবোৰ
বসুন্ধৰা তাই
গাৰে শিপাই যায় সপোনবোৰ
নাঙলৰ সীৰলুয়ে
ফলা-চিৰা তাইৰ বিদীৰ্ণ দেহ
গঁজি উঠে সপোনৰ কঠিয়া
ঋতুয়ে ঋতুয়ে সলনি কৰে
তাই ৰেহ ৰূপ
তাই তিতে হেনো
বৰ্ষাৰ প্ৰথমজাক বৰষুণত
মই জীৱনৰ প্ৰেমিক অবাক,
তাই ৰূপ-ৰস, গুণ, যৌৱনত
কৃষ্ণচূড়া ৰঙৰ আবিৰ সনা
মেদিনী কঁপোৱা মাদলৰ সুৰত
বসুন্ধৰা
তাইৰ বুকুত গঁজি উঠে কহুৱা
শাৰদীয় জোনাকত বসুন্ধৰা
হৈ পৰে স্নিগ্ধা
শীততো বসুন্ধৰা
জিলিকি থাকে
সৰিয়হৰ ফুল লেখীয়া হাঁহি
মই পাওঁ অনাবিল প্ৰশান্তি।
মাথো বিষন্ন তাই
ফাগুণত
নিস্তেজ হৈ বহি যোৱা
নৈখনৰ পাৰৰ
শীমলুৰ তলত তাই
তন্ময় বিভোৰ
জীৱন প্ৰেমিক মই
বসন্তৰ...... বিৰহ ত
গম্ভীৰ।
বাসন্তী পূৰ্ণিমা
তাই হৈ পৰে
স্নিগ্ধা বসুন্ধৰা।

***



# সোণগুটি

নীলাক্ষি ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক

শ্যামলী ধাননিডৰা
সোণোৱালী হ'ব লৈছে
ধনবৰ কাইৰ গাত তত্ নাই
ধাননিডৰা চপোৱাৰ কথা ভাবি
এইবাৰ সোণগুটিৰ ভৰ অলপ বেছি,
নিয়ৰৰ মুকুতা সৰা
পুৱাৰ সোণালী কিৰণত
জিক্ মিক্ কৰা সেউজ-সোণালী
সোণগুটি ধনবৰৰ সপোন!
ইয়াতেই আছে আশাৰ ৰেঙণি, সুখ-দুখ!
চাই থাকোতেই চপাবৰ হ'লেইচোন
আঘোন আহি দুৱাৰ-দলিত
ছোৱালীজনীকো উলিয়াই দিব হ'ল,
এতিয়া পিছে তাই পথাৰত
মূৰৰ ঘাম মাটিত পেলাই
গঢ়ি তোলা দেউতাকৰ
সপোন বুটলাত ব্যস্ত!
তামোলৰ পিকেৰে বোলোৱা ওঠযুৰি
লিহিৰি আঙুলি,
কাচিৰ কেচ্-কেচ্,
দাৱনীৰ খিল্-খিল্ হাঁহি
আঘোনৰ কুঁৱলী তেতিয়া নোহোৱা হৈছিল,
আহিল মাথো সুৰুযৰ হেঙুলী আভা।

***

# আকৌ আহিম

ৰাকেশ বেজবৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক

আকৌ আহিম মই
আত্মবলিদানৰ তেজেৰে আইৰ চৰণ
পখালি
ৰণ-চণ্ডী হৈ
সেউজী কোলাৰপৰা কাঢ়ি
ৰক্তপাণ কৰা দুশাসনক বধিবলৈ
এইবাৰ তৰোৱাল লৈ নহয়,
আহিম ৰংমন হৈ,
আহিম বৰদৈচিলা হৈ,
আহিম লুইতৰ বলিয়া বান হৈ,
উটুৱাই লৈ যাম বিভেদৰ কঠীয়া
সিঁচি যাম পলস,
গজিব শান্তিৰ সোণগুটি,
সেয়ে মই আকৌ আহিম।
সাজু হ অসমীয়া ৰণুৱা
দে ৰণহুংকাৰ ৰক্ত পিপাসু দানৱক,
এৰি যাবলৈ শীতলী অসমীৰ বুকু;
বজোৱা ৰণশিঙা লুইতৰ দুয়ো পাৰে;
জনাই দে ছদ্মবেশী বিদেশীক,
লুইতৰ পাৰ এৰিবৰ হ'ল।
সাজু হ অসমীয়া বান্ধ টঙালি
আকৌ যুঁজিবৰ হ'ল
আকৌ যুঁজিবৰ হ'ল।

***

# ক্ষোভ

বিজু ফুকন ডেকা
প্ৰাণী বিজ্ঞান বিভাগ


ইদেশ, সিদেশ, বহুদেশ
স্বপ্ন ভংগৰ আখৰাত
এজাক মানুহ,
মানুহৰ শাৰীত নপৰা
ভোকাতুৰ প্ৰাণী।
লালসাৰ তেজ
মুখা পিন্ধাহঁতৰ গাত
কি লাগে?
কিমান লাগে?
কোনেও নেজানে??
আপোন জন কি?
কাক বোলে জনমভূমি
নুবুজে সিহঁতে।
খাটি-খোৱা মানুহৰ সুখ কাঢ়ি,
গুচাব খোজে সিহঁতে
মনৰ ভোক
এজাক খকুৱাৰ দল
মানুহৰূপী শিয়ালৰ হোৱাত
ওঠ শুকায় শিশুৰ,
চিচা হোৱা হাত ভৰি চাই
চিঞৰি উঠে আই
চকুলো চকুতে শুকায়,
হায়ঙ্গ হায়ঙ্গ
খাবলৈ দিবলৈ গাখীৰ কনো,
বুকুত যে নাই
লেৰেলি শুকায়।
বজাৰ বহিছে মানুহৰ
খাটি খোৱা মানুহৰ।
ক'ত আছে আধুনিকতাৰ পৰশ?
দেহতহে মনত নহয়।
এতিয়াও চলে তাহানিৰ মানুহৰ বজাৰ
বিক্ৰী হয় মানৱতা,
সাধাৰণ মানুহ যেন হাতৰ পুতলা।
সুখৰ ঘৰখন পৰি ৰ'ল
সুখৰ স্মৃতি হৈ,
ক'তেবা হেৰাল মানুহবোৰ, সময়বোৰ
সময়ে সেইবোৰ পাহৰালেও
জ্বলি থাকে বুকুত তুঁহজুই।
সুবিধা পালেই নামি আহে
বিষাদৰ চকুলো হৈ।

***

# আতুৰ কন্ঠৰ কবিতা

ডেইজী প্ৰিয়া মহন্ত
স্নাতক প্ৰথম বৰ্ষ
উদ্ভিদ বিজ্ঞান বিভাগ

পুৰাৰ ৰ'দৰ দৰে ৰঙা আছিল
তাইৰ কঁপালৰ ৰঙা ফোঁটটো,
হাবি কাটি নতুন সভ্যতাৰ
গজালি মেলিব পৰা
এসোতা ৰঙা তেজ
পূৰ্ণিমাৰ জোন যেন ঘূৰণীয়া
এতিয়া পিছে আগ চোতালৰ
শেৱালি জোপাত বহি উৰুলি দিয়া
ফেঁচাটোৰ দৰে চিৰিলা চিৰিলি হ'ল
তাইৰ কঁপালৰ ৰঙা ফোটটো
তাই এতিয়া নিস্তেজ আবেলিটোৰ দৰে
জিৰণি লৈছে,
বাগৰ সলাইছে তাই
ৰঙিয়াল হাঁহিটোৰ উচুপনিত
সোঁৰৰণিৰ এদম পৃষ্ঠাই লুকা-ভাকু খেলিছে
তাইৰ মৰহি যোৱা সপোনবোৰত,..........



***

# কবিতা

প্ৰিয়ংকা চহৰীয়া
স্নাতক তৃতীয় বৰ্ষ
ৰসায়ন বিজ্ঞান বিভাগ


এটি দুটি বৰ্ণ
এটি দুটি স্পষ্ট অস্ফুট শব্দ
আৰু বুজা নুবুজাৰ আলিংগণেৰে আৱৰা
এটা ভাৱৰ গভীৰতা ভৰা একোটা বাক্য
কেতিয়াবা আঁতৰ সনা মৰমৰ
কিছুমান আলফুলীয়া সপোন
আৰু কেতিয়াবা,
প্ৰতিটো চকুপানীৰ মায়াজালত থকা,
কিছুমান লোহিত ৰক্ত কণা
কোনোবা বোবা চৰিত্ৰৰ,
থোকা থোকি কিছুমান অস্পষ্ট ধ্বনি
কেনোবা ৰূপহী সুন্দৰীয়ে গুণ গুণোৱা
যেন কোনো ৰাগৰ বোল
এয়া কবিতা, মোৰ কবিতা,
আমাৰ কবিতা !
মনৰ আনন্দ বিষাদৰ হৰ্ষধ্বনিত মিশ্ৰিত
কিছুমান সূক্ষ্ম অনুভূতি।

***

# নিসংগতাৰ ঠিকনা

বনশ্ৰী ভট্টাচাৰ্য্য
স্নাতক দ্বিতীয় ষাণ্মাসিক
সংস্কৃত বিভাগ

চকুলোৰে সজা এটি জুপুৰি ঘৰ
নিসংগতা নামৰ
মনৰ মাজত হাহাকাৰ
ঘন ক'লা আন্ধাৰ
মাজে মাজে কোবাই যোৱা
বিচ্ছুৰিত বতাহজাকৰ ক্ৰন্দন
সংগীবিহীন জীৱনৰ
নিমাওমাও শেতেলিখনত
অসহ্যকৰ আৰ্তনাদ আৰু বেদনাৰ মাজতো
জীৱনৰ সোৱাদ
মনৰ মাজত তোলপাৰ
সীমাহীন প্ৰশ্নৰ
নিবিচাৰো তাৰ খতিয়ান
নিসংগতা নামৰ জুপুৰিটোত
সৰি থাকে মাথো
অমানিশাৰ বিদ্ৰূপ হাঁহিৰ টোপাল।



***

# আমি নতুনৰ জয়গান গাম

দিব্য নয়ন ভট্ট
স্নাতক দ্বিতীয় ষাণ্মাসিক
সংস্কৃত বিভাগ

অসমীয়া জীৱন্ত প্ৰাণ
সংস্কৃতিৰ মধুৰ গান,
সমন্বয়ৰ এক এনাজৰী
নপৰো আমি ভাগৰি।
যাত্ৰা পথত আমি অগ্ৰসৰ,
লক্ষ্য আমাৰ সদায় নিৰন্তৰ
গঢ়িম সোণৰ অসম
গঢ়িম নতুন জীৱন।
ব্ৰহ্মপুত্ৰ, সোৱণশিৰী আৰু দিছাং পাৰত
সকলো মিলি সিচিম নতুনৰ জয়গাণ
সংগ্ৰামৰ মাজেৰে যাত্ৰা কৰিছো আমি
জীৱন যুদ্ধত পৰিছো নামি,
সন্ত্ৰাসবাদ আৰু ভ্ৰষ্টাচাৰ কৰিম দূৰ
সভ্যতাৰ বিলাম ৰশ্মি।
জীৱনৰ এই ক্ষন্তেকীয়া পথত
আমি পাওঁ,
কিছুমান নিৰাশজনক বক্তব্য
তথাপি আমি আগুৱাই যাম
আমি নতুনৰ জয়গান গাম।।

***

# বেপৰুৱা আলিবাট

কুমাৰী লাভ্‌লিনা চহৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

এই বাটেৰে নাহে অনামিকা
নাহে আৰু দুনাই কোনোদিন
যি বাটেদি শৈশৱ পাৰ কৰি,
গাভৰু হৈছিল তাই
সেই বাট আজি অভিশপ্ত;
বাটৰ কাষেৰে ৰং মনে বজাই ফুৰা বাঁহীটিৰ,
আকাশ বতাহ মুখৰিত কৰা
সুৰ নৰহঁতে পাহৰিলে।
বাটৰ কাষত
নদাই ভদাইহঁতৰ
হাঁহিও নুশুনি,
এতিয়া নিতাল সকলো
বাটৰ কাষৰীয়া ঘৰবোৰত
আইতাৰ নিচুকনি গীতো নোলায়।
এতিয়া যদু-মধুহঁতে দিন দুপৰতে
তাছত বহে বাটটোত,
মদ খাইহে সিহঁত যায়
সন্ধিয়া জোনাকী পৰুৱাৰ জাকো নাহে
বেপৰুৱা আলিবাটৰ কাষত জিৰণি লববৈ,
কামিনী কাঞ্চন নাহৰৰ সুবাসো হেৰাল
বাৰুদৰ গোন্ধত কেতেকীজনীও গুছি গ'ল
অজান বনলৈ।
এই বাটেৰে নাহে আৰু ঘাটলৈ পদুমীহঁত
এতিয়া পিষ্টলধাৰী বেপৰুৱাহঁতৰ ৰাজত্ব
ৰঙা চকু দেখুৱাই সন্ধিয়াতে লুট কৰে
দিন দুপৰতে পদুমীক নৈৰ ঘাটত হাতত ধৰে
এই বাটেৰে নাহে অনামিকা
নাহে আৰু দুনাই কোনোদিন।

***

# এটি মুদ্ৰা

জয়শ্ৰী দেৱী
স্নাতক দ্বিতীয় ষাণ্মাসিক

ক'ৰবাত যেন শুনিবলৈ পালো
এটা আহত পক্ষীৰ ক্ৰন্দন,
সেমেকি উঠিল মনটো।
পিছদিনা বাতৰিখন হাতত লওতেই
দেখিবলৈ পালো
আকৌ এজনী নাৰীৰ মৃত্যু হ'ল।
এগৰাকী নাৰীক হত্যা কৰা হ'ল।

ৰাতিপুৱা শালিকী দুজনীয়ে
ছি ছিঞাই আছে।
যেন এটি সুমধুৰ গীত,
গীতৰ আমেজ লৈ থাকোঁতেই
শুনিবলৈ পালো
দেশলৈ সন্মান আনিলে
এগৰাকী নাৰীয়ে।

নাৰী...........
যেন এটি মুদ্ৰা।
এফালে নাৰী ধৰ্ষিতা, পতিতা।
আনফালে,
নাৰী গৰ্বিতা, পূজিতা।।

***

# তোমাৰেই অপেক্ষাত

হিমানী হাজৰিকা
স্নাতক দ্বিতীয় ষাণ্মাসিক
ভূগোল বিভাগ

নৈৰ পাৰৰ কহুৱাৰ আঁৰে আঁৰে
লুকাভাকু খেলে মোৰ অবুজ হৃদয়ৰ
নিভৃত কোনৰ মৰম, ভালপোৱাবোৰে
জীৱনজোৰা ভালপোৱাৰ স্মৃতিস্বৰূপে।
বৰ আঁহত জোপাৰ তলতে আছে
অতীতৰ আশা, ভৰষাবোৰ।
কহুৱাৰ আঁৰে আঁৰে
কপৌ চৰাইবোৰে ভূমুকি মাৰে
কুৰুৱা বতাহত চুলি মেলি সাঁতোৰে
চিলনীৰ জী.............।
তেতিয়া মোৰ হৃদয়ত স্মৃতিৰ পাপৰিবোৰে
ৰঙৰ পোহাৰ মেলে
অস্ত ৰবিৰ অন্তিম ক্ষণত
এক আবেগেৰে ভৰা আকাশৰ তলত
অকলশৰে মৰিচিকা খেদি ফুৰে
মোৰ অজান, অবুজ হৃদয়খনে।
এনে লাগে, মোক দেখি প্ৰকৃতিয়ে হাঁহিছে
অকল প্ৰকৃতিয়ে নহয়,
সকলোবোৰ যেন প্ৰীতিত আপ্লুত আছিল।
কিন্তু কি দুষ্কৃতি
সকলোবোৰ আছিল এক সুমধুৰ স্বপ্ন
মোৰ পৰা অতিকে নিলগত তুমি
অন্তৰৰ গভীৰতাত লৈ আছো
তোমাৰ সজীৱ স্মৃতি।
মোৰ বুকুৰ দুবৰিডৰা প্ৰেমৰ বৰষুণত তিতিছে
কিন্তু কি কৰিম তোমাৰ দুচকুত
কোনোবাই জোনাকৰ বৰষুণ সিঁচিছে,
তুমি আগবাঢ়িবা জোনাকৰ বাটত
মই অনুভৱ কৰিম তোমাৰ নিশ্বাস কামনাৰ
সমীৰণ
আৰু অতি সংগোপনে শুনিম তোমাৰ
ভালপোৱাৰ স্বৰলিপি.......।
এতিয়া মোৰ হৃদয়ত পছোৱাৰ চিটিকনি
ধ্বংসাৱশেষৰ নিৰ্জন সমাধি স্থানত
এতিয়া মই
তোমাৰেই অপেক্ষাত.........।

***

# শান্তিৰ শুভক্ষণ

কাকলি পৰাশৰ
দ্বিতীয় বাৰ্ষিক (কলা)

এন্ধাৰবোৰ নামিছে ধৰণীৰ বুকুলে।
গো-গ্ৰাসে গিলিব ধৰিছে এফালৰপৰা,
নদীবোৰ, সেউজবোৰ, পথবোৰ
ডাঙৰ ডাঙৰ অট্টালিকাবোৰ
আৰু সৰু মানুহৰ
সপোনৰ ঘৰবোৰ।
গভীৰ হৈ পৰিছে আকাশ, বতাহ,
এন্ধাৰৰ কবলত।
ৰহস্যময় হৈ পৰিছে সকলো,
ধাননি পথাৰবোৰ, স্কুলবোৰ, কলেজবোৰ,
মানুহেৰে গম গমাই থকা বজাৰবোৰ,
ব্যস্ত জীৱনৰ ঘাই পথবোৰ
আৰু
এন্ধাৰৰ সুবাস বিচৰা মনবোৰ।
ক্ৰমাৎ নিতাল মাৰিছে সকলো।
বৰ দুষ্প্ৰাপ্য, শান্তিৰ সুবাস নামিছে।
মনবোৰৰ আৱৰ্জনা পেলাই দিয়াৰ
এয়ে এটি শুভক্ষণ।

***

# ৰং

চয়নিকা ডেকা
স্নাতক ষষ্ঠ ষাণ্মাসিক
ভূগোল বিভাগ

ৰং এটি মিঠা অনুভৱ
যাৰ বিশালতাত ওলমি থাকে
জীৱনৰ চাকনৈয়া
কিছু পোৱাৰ হেপাঁহ, কিছু নোপোৱাৰ বেদনা
কিন্তু কিয় হেৰাই যায়
এই ৰংবোৰ........?
কিয় আমি বিচাৰি ফুৰো
বাহ্যিকতাৰ পৃথিৱীত,
জীৱনৰ বৰ্ণিল পথ
হৃদয়তে সৃষ্টি হয়
সহস্ৰ ৰং
ৰঙেই সৃষ্টি কৰে
জীৱনৰ সাঁথৰ
সুখে-দুখে ৰং
প্ৰেম এটি ৰং
বিশ্বাস এটি ৰং
হাঁহি এটি ৰং
এই ৰং পৃথিৱীৰ
ৰঙতে ৰঙীণ।
দেশৰ কাৰণে জীৱন
হিংসাৰ পংকিল মছি
সৎ কৰ্মৰে জীৱন যাত্ৰা
ৰঙেৰে ৰঙীন সুবাসিত
জীৱনৰ ৰঙৰ পয়োভৰে।

***

# মঙলদৈ মহাবিদ্যালয়ৰ অনুৰাধা মই


মিছ্ নাজৰিন ইয়াচমিন
স্নাতক দ্বিতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

মইঙ্গ মই মঙলদৈ মহাবিদ্যালয়ৰ
অনুৰাধা বৰুৱা
হেজাৰ সপোন দেখা,
আকুল মনৰ অনুৰাধা মই।
পদাৰ্থ বিজ্ঞান বিভাগৰ কোঠালিত
গুঞ্জৰিত হয় মোৰ
প্ৰাণোচ্ছল হাঁহিৰ শব্দ,
কেতিয়াবা বেসুৰা গীতৰ কলি
নতুবা, পাৰভঙা স্বৰৰ কথোপকথন।
হয়তো চঞ্চল মই !
কিন্তু লাষ্ট বেঞ্চত বহি
কোনোবা ৰাজকুমাৰৰ সপোন দেখা
পৰিকল্পনা মোৰ নাই।
মই উদ্‌যাপন কৰি যাব বিছাৰো
জীৱনৰ প্ৰতিটো মূহুৰ্ত
কিবা এটি পোৱাৰ আশাৰে।
মঙলদৈ মহাবিদ্যালয়ৰ প্ৰেমৰ প্ৰথমজাক
বৰষুণত তিতিবলৈ
মই অহা নাই,
আহিছো হেজাৰ ৰঙীণ সপোনক আকোৱালি
দিঠকত নৱ ৰূপ দিবলৈ।
'মঙলদৈ মহাবিদ্যালয়'
স্মৃতি হৈ ধৰা দিব এদিন
মোৰ মনৰ মাজত
যাৰ সাক্ষী হৈ ৰ'ব
'পদাৰ্থ বিজ্ঞান' বিভাগৰ
প্ৰতিখন দেৱাল।



মহাবিদ্যালয় এৰাৰ প্ৰাকক্ষণত
স্মৃতিৰ জোলোঙাখন আৰু অধিক
গধুৰ কৰিব বিছাৰো,
বন্ধু-বান্ধৱী আৰু শিক্ষা গুৰু সকলৰ
মৰম আশিষ লৈ
উদ্‌যাপন কৰিব বিছাৰো
প্ৰতিটো সময়,
মঙলদৈ মহাবিদ্যালয়ৰ
অনুৰাধা মই !

***



# ছাত্ৰ একতা সভাৰ বিভাগীয় বিষয়ববীয়াসকলৰ প্ৰতিবেদন

## সভাপতিৰ প্ৰতিবেদন
## (২০১৫-১৬ বৰ্ষ)



পোন প্ৰথমে যিসকল মহান ব্যক্তিৰ বিদ্যানুৰাগিতা, ত্যাগ আৰু পৰিশ্ৰমৰ ফলত দৰং জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয় গঢ়ি উঠিছিল তেওঁলোকলৈ সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ। মঙলদৈ মহাবিদ্যালয়ৰ শ্বহীদ ছাত্ৰসকলৰ লগতে যিসকল বুকুৰ কেঁচা তেজেৰে অসম আন্দোলনৰ সময়ত দেশমাতৃৰ সেৱা আগবঢ়াইছিল তেওঁলোকলৈও মোৰ সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত মেজৰ পাঠ্যক্ৰম লৈ পঢ়াৰ মোৰ যি হাবিয়াস আছিল সেয়া পূৰ হ'ল বিগত তিনিটা বৰ্ষৰ অধ্যয়নৰ যোগেদি। ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষাগুৰুসকলৰ সতে মোৰ বিদ্যায়তনিক সম্পৰ্কৰ উপৰিও আন্তৰিক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ সম্পৰ্ক মোৰ ব্যক্তিগত অভিজ্ঞতাৰ দৰেই সামগ্ৰিকভাৱে আন্তৰিক আৰু নিকট বুলি মই অনুভৱ কৰোঁ। ই এক প্ৰশংসনীয় দিশ। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ বাবে বহু উপকাৰী কথা আয়ত্ত কৰিব পাৰে।

ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে আমাৰ মহাবিদ্যালয়খন অৱস্থিত হোৱা বাবে আৰু বেচৰকাৰী বাছ আস্থানৰ ওচৰতে অৱস্থিত হোৱা বাবে সমগ্ৰ জিলাখনৰ দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীসকলে সহজতে উপস্থিত হ'ব পাৰে; পঢ়িব পাৰে। গছ-গছনিৰে পূৰ মঙলদৈ মহাবিদ্যালয়ৰ চৌহদৰ প্ৰাকৃতিক শোভা নৈসৰ্গিক। মহাবিদ্যালয়খনৰ মাটিকালিৰ পৰিমাণ বিশাল। সম্প্ৰতি, মহাবিদ্যালয়খনৰ পৰ্যাপ্ত শ্ৰেণীকোঠা, খেলপথাৰ, খোৱাপানীৰ সুবিধা, প্ৰতিটো শ্ৰেণীকোঠাত ফেন, বিজুলী বাঁতিৰ সুবিধা, বিজ্ঞানাগাৰ আদিৰে মহাবিদ্যালয়খনত এক সুস্থ শৈক্ষিক পৰিৱেশ বিৰাজমান। এই মহাবিদ্যালয়খন পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখি সুন্দৰ কৰি তোলাৰ দায়িত্ব আমাৰ সকলোৰে। এই মহাবিদ্যালয়খনত থকা সা-সুবিধাসমূহৰ উচিত ব্যৱহাৰৰ জৰিয়তেই অসমৰ শিক্ষা জগতৰ এক ভেঁটাতৰা হিচাপে গঢ়ি তুলিব পৰা যায়।

মঙ্গলদৈ মহাবিদ্যালয়ত প্ৰত্যেক বছৰে ছাত্ৰ একতা সভাৰ নিৰ্বাচন হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰত্যক্ষভাৱে এই নিৰ্বাচন অনুষ্ঠিত হয়। ভৱিষ্যৎ ৰাজনৈতিক জীৱনৰ বাবে মহাবিদ্যালয়ত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনেই ছাত্ৰ ৰাজনীতিৰ প্ৰথম গুৰুত্বপূৰ্ণ খোজ। ছাত্ৰ ৰাজনীতিৰ পৰাই ভৱিষ্যতলৈ সুদক্ষ নেতা হোৱাৰ যোগ্যতা আহৰণ কৰিব পাৰি। ৩০/৯/২০১৫ তাৰিখে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ সমস্যা সমাধানৰ উদ্দেশ্যে নিৰ্বাচন প্ৰাৰ্থীত্ব আগবঢ়ালো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ আশীৰ্বাদত মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ইতিহাসত প্ৰথম বাৰৰ বাবে এক বুজন সংখ্যক ভোটত জয়ী হোৱাৰ সৌভাগ্য হ'ল। প্ৰায় ১২৫০ টা মান ভোটৰ ভিতৰত ৯৫১ টা ভোট পাই জয় লাভ কৰিলো। এই বৃহৎ জয়ে মোক মঙলদৈ মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুযোগ প্ৰদান কৰে।

২০১৫-১৬ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈকে

মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়। যোৱা দুটা বছৰত মই প্ৰত্যক্ষ কৰিছিলো মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণকাৰীসকলৰ উপস্থিতি নিৰাশাজনক আছিল। এই দুটা বছৰত যিদৰে মহাবিদ্যালয় সপ্তাহ বুলিলে গোটেই কলেজখনত এটা উদুলী-মুদুলী পৰিবেশৰ সৃষ্টি হ'ব লাগে ঠিক তেনে পৰিৱেশ এই যোৱা বছৰবিলাকত দেখা নগ'ল। ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ হোৱাৰে পৰা এটাই মনত ঠিৰাং কৰিছিলো যে, মোৰ কাৰ্যকালত মহাবিদ্যালয়খনত সকলোবোৰ সমস্যা সমাধান কৰিব নোৱাৰিলেও কিছুমান সমস্যা সমাধান কৰাৰ প্ৰচেষ্টা চলাই যাম। প্ৰথম কৰ্ম হিচাপে শ্বহীদ বেদীটো পৰিষ্কাৰ কৰাৰ লগতে, তাত থকা দেশপ্ৰেমমূলক পংক্তিটো পুনৰ লিখি উলিয়ালো। দ্বিতীয়তে মহাবিদ্যালয় সপ্তাহত এইবাৰ প্ৰায় বহুবছৰৰ অন্তত ছাত্ৰ একতা সভা, শিক্ষাগুৰুসকলৰ অনুপ্ৰেৰণা আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণীৰ দিনা ২ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া কলা-সংস্কৃতি আৰু দৰঙী সংস্কৃতিৰ লগতে বিভিন্ন জনগোষ্ঠীয়ে সাজ-পাৰ পৰিধান কৰি, এটি বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ল। ছাত্ৰ একতা সভাৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান আছিল এই সাংস্কৃতিক শোভাযাত্ৰা। কাৰণ যোৱা প্ৰায় বহু বছৰমান সাংস্কৃতিক শোভাযাত্ৰা উলিওৱাত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ব্যৰ্থ হৈছিল। কিন্তু ২০১৫-১৬ ছাত্ৰ একতা সভাৰ আৰু মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতাৰ ফলত এটি সুন্দৰ সাংস্কৃতিক শোভাযাত্ৰা ৰাইজৰ মাজত প্ৰদৰ্শিত কৰিবলৈ সমৰ্থবান হ'লো। প্ৰায় ১২০০ মান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলক লৈ এই শোভাযাত্ৰা হৈছিল। শিক্ষাগুৰুসকলৰ পৰা জানিব পৰা মতে মঙলদৈ মহাবিদ্যালয়ৰ ইতিহাসত আগতে শোভাযাত্ৰা হৈছিল যদিও, এইবাৰৰ দৰে বৃহৎ শোভাযাত্ৰা পোন প্ৰথমবাৰৰ বাবে হৈছে। এয়াই সাফল্য। ইয়াৰ পৰা বুজা যায় যে এতিয়াও, মঙলদৈ মহাবিদ্যালয়ৰ নতুন প্ৰজন্ম নিজৰ সংস্কৃতিৰ প্ৰতি, নিজৰ জাতিৰ প্ৰতি, নিজৰ সমাজৰ প্ৰতি দায়বদ্ধ।

এই বাৰ মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। বিভিন্ন খেলত ল'ৰা-ছোৱালীৰ অংশ গ্ৰহণে মহাবিদ্যালয়ৰ উদুলী-মুদুলী পৰিৱেশৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীৰ সকলো প্ৰতিযোগিতাৰ অংশগ্ৰহণে নৱ প্ৰজন্ম যে শিক্ষাৰ বাহিৰেও বিভিন্ন প্ৰতিভাৰ দ্বাৰা প্ৰভাৱিত, সেয়া পৰিলক্ষিত হয়। ৬ ফেব্ৰুৱাৰীৰ দিনা বঁটা-বিতৰণী অনুষ্ঠান আৰু অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষুৰ সংগীতানুষ্ঠানেৰে মহাবিদ্যালয় সপ্তাহ সমাপ্ত হয়।

মহাবিদ্যালয় সপ্তাহৰ পিচত সৰস্বতী পূজাও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ সহযোগত উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

কাৰ্যকালৰ সকলো সময়তে দিহা পৰামৰ্শৰে আমাক উৎসাহিত কৰা আমাৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক নিৰঞ্জন শৰ্মা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড০ খগেন্দ্ৰ কুমাৰ নাথ ছাৰলৈ মোৰ কৃতজ্ঞতা যাচিলো। তদুপৰি মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ কৃতজ্ঞতা জনালোঁ। এওঁলোকক উৎসাহ আৰু পৰামৰ্শ অবিহনে মোৰ কাৰ্যকালৰ কৰ্মৰাজী আধৰুৱা হৈ ৰ'লহেঁতেন।

বিগত এটা বছৰত কাৰ্যকালত মহাবিদ্যালয়ৰ হকে কি কৰিব পাৰিলো, তাৰ বিশ্লেষণ মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হাতত তুলি দিলো। ষান্মাসিক পৰীক্ষাসমূহ তথা পঢ়া-শুনাৰ অন্য ব্যস্ততাৰ মাজতেই যিখিনি নগণ্য সেৱা মঙ্গলদৈ মহাবিদ্যালয়ৰ হেতুকে আগবঢ়ালো, তাত হয়তো বহুতো ভুল-ত্ৰুটি ৰৈ গ'ল। উক্ত ত্ৰুটিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় আই অসম।"

**হিমন্ত বিশ্ব হাজৰিকা**
**সভাপতি**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
# (২০১৫-১৬ বৰ্ষ)



১৯৫১ চনত প্ৰতিষ্ঠা হোৱা মঙলদৈ মহাবিদ্যালয়ে প্ৰায় পয়ষষ্ঠি বছৰ অতিক্ৰম কৰিলে। বিভিন্ন ধৰণৰ বাধা-বিঘিনি অসুবিধা অতিক্ৰম কৰি কেইগৰাকীমান বিদ্যানুৰাগী সমাজসেৱী লোকৰ অত্যুৎসাহ তথা নিৰলস প্ৰচেষ্টাৰ বাবে মহাবিদ্যালয়খন প্ৰতিষ্ঠা সম্ভৱ হৈছিল। পৰৱৰ্ত্তী সময়ছোৱাত কেবাগৰাকী অধ্যক্ষৰ দক্ষ নেতৃত্বৰ ফলত মহাবিদ্যালয়খনৰ বিদ্যায়তনিক তথা আন্তঃগাঠনিমূলক দিশৰ শ্ৰীবৃদ্ধি ঘটিছিল। চৌপাশৰ সমাজৰ বিভিন্ন গণ্য মান্য লোকপ্ৰমুখ্যে সৰ্বস্তৰৰ বিভিন্ন লোক, অভিভাৱক, শিক্ষক-কৰ্মচাৰী, ৰাজনীতিবিদ, প্ৰশাসক, ছাত্ৰ-ছাত্ৰীৰ উমৈহতীয়া সেৱা, বৰঙণি, অৱদানসমূহেও মহাবিদ্যালয়খনৰ বৰ্ত্তমান অৱস্থা উপলব্ধ হৈছে। এটা সময়ত এই মহাবিদ্যালয়খনেই দৰং জিলাৰ একমাত্ৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান আছিল। জিলাখনৰ সদৰ স্থানত অৱস্থিত হোৱা বাবে মহাবিদ্যালয়খনে এক বিশেষ গুৰুত্ব লাভ কৰিছে। সম্প্ৰতি মহাবিদ্যালয়খনত বিজ্ঞান আৰু কলা শাখাৰ মুঠ ১৭ টি বিষয়ত Major পাঠ্যক্ৰম আছে। অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী প্ৰবৰ্তন কৰা হৈছে। স্নাতক শ্ৰেণীৰ Computer শিক্ষা, B. VOC পাঠ্যক্ৰম, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু IDOL ৰ শিক্ষাকেন্দ্ৰ আদি পৰিবৰ্দ্ধিত অংগসমূহেও জিলাখনৰ উচ্চ শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ মাত্ৰা প্ৰদান কৰিছে। এনেদৰে পাঠ্যক্ৰম ভিত্তিক দিশৰ উপৰি সমগ্ৰ জিলাখনৰ বৌদ্ধিক, সাংস্কৃতিক নেতৃত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছে। বিভিন্ন দিশত আগবঢ়োৱা অৱদানৰ বাবে সমগ্ৰ অসমৰ ভিতৰত মহাবিদ্যালয়খনে এক বৌদ্ধিক খ্যাতি, গৰিমা লাভ কৰিবলৈ সক্ষম হৈছে।

এনে এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰিবলৈ পোৱাটো মোৰ বাবে এক গৌৰৱৰ কথা আছিল। মহাবিদ্যালয়খনৰ এজন ছাত্ৰ হিচাপে, সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ উন্নতিকল্পে বিভিন্ন সপোন দেখাতো স্বাভাৱিক। সমগ্ৰ বিশ্বত মানৱ সভ্যতাই প্ৰগতিৰ যিটো স্তৰত অৱতীৰ্ণ হৈছে, তাৰ লগত সামঞ্জস্য ৰাখি আমাৰ মহাবিদ্যায়খনৰ কিমান দূৰ আগবাঢ়িছে সেই কথা ভাবিলে দুখ লাগে। অৱশ্যে মহাবিদ্যালয়খনৰ এই কাংক্ষিত উন্নতিৰ দিশটো সমগ্ৰ দেশখন তথা অসমৰ বিদ্যায়তনিক পৰিবেশ, আৰ্থিক পৰিস্থিতি আদিৰ সতে সাঙোৰ খাই আছে। তৎস্বত্বেও মহাবিদ্যায়খনৰ এনে কেতবোৰ ইতিবাচক দিশ আছে যিবোৰৰ সৎব্যৱহাৰৰ জৰিয়তে উন্নতি ত্বৰান্বিত কৰিব পৰা যায়। মহাবিদ্যালয়খনৰ এক বৃহৎ পৰিমাণৰ ভূ সম্পত্তি আছে। এই ভূ-সম্পত্তিৰ এক বৃহৎ অংশত আমি একো নকৰিলেও অন্তত দক্ষিণ দিশত থকা চেগুন বাৰীখনৰ সম্প্ৰসাৰণ ঘটাই ভৱিষ্যতৰ বাবে এক সম্পদ সৃষ্টি কৰিব পাৰোঁহক। বিগত কেইবাবছৰ ধৰি Indoor Stadium আৰু Swimming Pool ৰ নিৰ্মাণত কাম এৰা ধৰাকৈ অতি লেহেমীয়া গতিত আগবাঢ়িছে; আৰু কেতিয়া সম্পূৰ্ণ হ'ব অনুমান কৰিব নোৱাৰি। বহুবছৰ আগতেই মহাবিদ্যালয়খনৰ একমাত্ৰ ছাত্ৰাবাসটো সুদক্ষ পৰিচালনাৰ অভাৱত পৰিত্যক্ত হৈ পৰিল, পৰৱৰ্ত্তী সময়ত সেইটো শ্ৰেণী কোঠা হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱা হ'ল। মহাবিদ্যালয় এখনত থকা ছাত্ৰাবাসে অনুষ্ঠানটোক নিৰন্তৰ প্ৰাণৱন্ত কৰি ৰাখে। বহু সংখ্যক ছাত্ৰ বাহিৰত বহু ধন ভাঙি ভাড়া ঘৰত থাকি থকা শুনা কৰে। উন্নত সা-সুবিধাৰে পৰ্যাপ্ত ছাত্ৰ থাকিব পৰা

ছাত্ৰাবাস এটা নিৰ্মিত হ'লে মহাবিদ্যালয়খনৰ বিদ্যায়তনিক দিশৰ লগতে সৰ্বাংগীন দিশত ইতিবাচক অৰিহণা সৃষ্টি হ'ব- সেয়া নিশ্চিত। মহাবিদ্যালয়খনৰ পুথিভঁড়ালটো পুথি সংৰক্ষণ, বিতৰণ, অধ্যয়ন কক্ষ আদি বিভিন্ন দিশত আকৰ্ষণীয় কৰি তোলা তথা উন্নত প্ৰযুক্তি প্ৰয়োগ কৰাৰ বহু সুযোগ আছে। বিভিন্ন বিভাগত শিক্ষকৰ পদ নিযুক্তি নোহোৱাকৈ খালী হৈ আছে আৰু পৰ্যাপ্ত শিক্ষকৰ অভাৱত বিভিন্ন বিভাগত প্ৰয়োজনীয় সংখ্যক পাঠদান সম্পন্ন হোৱা নাই। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী সকল কিমান ক্ষতিগ্ৰস্থ হৈছে সেয়া চৰকাৰ প্ৰমুখ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ সচেতন হোৱা প্ৰয়োজন। এটা সময়ত মঙলদৈ মহাবিদ্যালয়ৰ নাট্যকলাৰ ক্ষেত্ৰত, তৰ্ক প্ৰতিযোগিতাৰ ক্ষেত্ৰত, সাহিত্য ক্ষেত্ৰত, ক্ৰীড়া, গীত-মাত আদি বিভিন্ন ক্ষেত্ৰত সমগ্ৰ ৰাজ্যখনতে এক বিশেষ খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন বিগত চাৰিটা বৰ্ষত নিয়মীয়াকৈ প্ৰকাশ নহ'ল। মহাবিদ্যালয়ৰ এক বিশেষ গৌৰৱৰ অনুষ্ঠান শ্বহীদ মেম'ৰিলেত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠানটো কেইবা বছৰ ধৰি অনুষ্ঠিত হোৱা নাই। মন কৰিবলগীয়া বিশেষ কথা যে এই অনুষ্ঠানটো মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এই তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰা হৈছিল। এইদৰে আটাইবোৰ ক্ষেত্ৰকে এক অৱক্ষয় দেখা গৈছে। কাৰণবোৰ যিয়েই নহওঁক, এই অৱক্ষয়ৰ বাবে কিন্তু আমি সকলোৱে দোষৰ ভাগ স্বীকাৰ কৰিব লাগিব আৰু আঁৰত থকা কাৰকবোৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি নিৰাময় কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনৰ গতানুগতিক কৰ্মসূচী কেইটামান নিয়াৰিকৈ পালন কৰাৰ ক্ষেত্ৰতে মাথোন সন্তুষ্ট ৰাখিবলগীয়া হ'ল। ২/২/১৬ তাৰিখৰ পৰা ৬/২/১৬ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ; ৬/২/১৬ তাৰিখে বঁটাবিতৰণী সভা; ১৩/২/১৬ তাৰিখে সৰস্বতী পূজা; ০৩/৯/১৬ শঙ্কৰ দেৱৰ তিৰোভাৱ তিথি আৰু তাৰিখে ফাতেহা-ই-দোৱাজ-দহম; নৱাগত আদৰণি সভা আদি কাৰ্যসূচী বিভিন্ন বিভাগৰ সম্পাদকৰ পৰিচালনাত নিয়াৰিকৈ সম্পাদন কৰা হয়। এইবোৰৰ ভিতৰত বঁটা বিতৰণী অনুষ্ঠানৰ লগত আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াত ছাত্ৰ-ছাত্ৰীৰ বিপুল দাবী ৰক্ষা কৰি জনপ্ৰিয় শিল্পী দীক্ষুক গীত পৰিবেশন কৰিবলৈ আমন্ত্ৰণ জনোৱা হ'ল। মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণীটো কৰা হৈছিল মহাবিদ্যালয়ৰ সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত আয়োজন কৰা সাংস্কৃতিক শোভা যাত্ৰাৰে। এই শোভা যাত্ৰাত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন দলত বিভিন্ন সাংস্কৃতিক বিষয় বস্তুক আলম কৰি অংশগ্ৰহণ কৰিছিল আৰু বৰ্ণাঢ্য নান্দনিক পৰিবেশৰ সৃষ্টি কৰিছিল। আমি অনুভৱ কৰিছিলো নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব পাৰিলে উৎসাহিত কৰিব পাৰিলে তেওঁলোকৰ প্ৰতিভা প্ৰকাশ তথা বিকাশ ঘটাব পৰা যায়। মোৰ কাৰ্যকালৰ আৰম্ভণী অনুষ্ঠান আছিল ৫/১১/১৫ তাৰিখে উদ্‌যাপন কৰা প্ৰয়াত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ইয়াৰ উপৰি ৰাভা দিৱস আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম জয়ন্তী উদ্‌যাপন কৰা হৈছিল।

সদৌ শেষত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত নিৰ্বাচিত কৰি মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ দিলে, যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আদিয়ে মোৰ কৰ্ম সম্পাদনত সহায় আগবঢ়ালে আটাইলৈকে মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা প্ৰকাশ কৰিলো। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালত আৰু পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধিৰ যিসকল মহান ব্যক্তিয়ে বৰঙণি যোগাইছিল তেওঁলোকলৈ মই এই আপাহতে শ্ৰদ্ধা নিবেদন কৰিছো। ছাত্ৰ একতা সভাৰ সম্পাদক হিচাপে মোৰ সফলতা-বিফলতা, সীমাবদ্ধতা, ছাত্ৰ-ছাত্ৰী তথা সময়ে বিচাৰ কৰিব। কিন্তু মই আশা কৰিছো মোৰ সফলতা, বিফলতা আটাইবোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক সকলৰ বাবে শিক্ষাপ্ৰদ হওক। ধন্যবাদ।

জয়তু মঙলদৈ মহাবিদ্যালয়

**হৃদয়ানন্দ ডেকা**
**সাধাৰণ সম্পাদক**

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
# (২০১৫-১৬ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল নমস্য ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলো যিসকলে দেশ মাতৃৰ অস্তিত্বৰ কাৰণে বাবে প্ৰাণ আহুতি দিলে। মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে জ্ঞাত অজ্ঞাত আহোপুৰুষাৰ্থ চেষ্টা কষ্ট আৰু ত্যাগ কৰা ব্যক্তিসকললৈ মোৰ সহস্ৰ প্ৰণাম, যিসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হ'ল।

সম্পাদকীয় প্ৰতিবেদনৰ দ্বাৰা মই মোৰ সহপাঠীৰ লগত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনাওঁ যে তেওঁলোকে যেন জাতি-বৰ্ণ, বৈষম্য, ভাষা, কলাকৃষ্টি নিৰ্বিশেষে সকলোৱে ভেদাভেদ পৰিহাৰ কৰি সুস্থ সমাজ এখন গঢ়াৰ লগতে এজন সক্ৰিয় সদস্য হৈ নিজৰ জীৱন সৰ্বাঙ্গীন উন্নতি সাধন কৰিবলৈ আমি সকলোৱেই আগবাঢ়ি আহোহক।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৫-২০১৬ চনৰ নিৰ্বাচনত মোক সহঃ সাধাৰণ সম্পাদক পদত বিপুল ভোটত জয়ী কৰা বাবে মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ কাৰ্য্যকালৰ প্ৰথম পদক্ষেপ আছিল 'মহাবিদ্যালয় সপ্তাহ' ০২-০২-২০১৬ তাৰিখৰ পৰা ০৬-০২-২০১৬ তাৰিখলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ইয়াত বিশেষকৈ মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনটো সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ একতা সভাৰ সদস্যৰ সহযোগত এটা সাংস্কৃতিক শোভাযাত্ৰা উলহ মালহেৰে কৰা হয় য'ত বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৱে এটা ঐতিহাসিক শোভাযাত্ৰা ৰূপে পৰিগণিত হয়।

মহাবিদ্যালয় সপ্তাহো অতি সুচাৰুৰূপে পালন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থকা আমাৰ জনপ্ৰিয় কণ্ঠশিল্পী দিক্ষুৰ গীতত ছাত্ৰ-ছাত্ৰীসকলে আনন্দ লভিবলৈ সক্ষম হৈছিল।

আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকাল যিহেতু বৰ্তমান মহাবিদ্যালয়ত চলি আছে সেয়ে মোৰ ভাগত বিশেষ দায়িত্ব আহি পৰা নাই তথাপিও এজন সহকাৰী সাধাৰণ সম্পাদক হিচাপে সকলোকে পাৰ্য্যমানে সহায় কৰি গৈছো আৰু সহায় কৰাটো মোৰ দায়িত্ব আৰু কৰ্ত্তব্য আৰু আগলৈও কৰি যাম। অনাগত দিন কেইটাত যেন আমি সকলোৱে মৰম আৰু সহায়-সহযোগিতা পাওঁ, যাতে আমাৰ মহাবিদ্যালয়ৰ কৰণীয় কামবোৰ সুচাৰুৰূপে পালন কৰিব পাৰো তাৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

শেষত মোৰ তত্ত্বাৱধায়ক মহোদয়ক আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। বিগত চাৰি বছৰ (৪ বছৰ) ধৰি মহাবিদ্যালয়ত আলোচনী নিয়মিত ভাৱে প্ৰকাশ হোৱা নাই সেইবাবে সৰহ ছাত্ৰ-ছাত্ৰী এই বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ অনুৰোধ জনাইছো আৰু আলোচনী, সাহিত্য, চাৰুকলা বিভাগৰ সম্পাদক শ্ৰীলক্ষ্য জ্যোতি দাসলৈ মোৰ আন্তৰিক শুভেচ্ছা প্ৰদান কৰিলো। আলোচনীখন সাফল্যমণ্ডিত কৰা বাবে।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

**অৰিন্দম ভৰদ্বাজ**
**সহঃ সাধাৰণ সম্পাদক**

# সাহিত্য, আলোচনী আৰু চাৰুকলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



বাজক ডবা, বাজক শংখ
বাজক মৃদংগ খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল

— লক্ষ্মীনাথ বেজবৰুৱা

যোৱা ৩০/৯/২০১৫ তাৰিখে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন তথা ভোটগ্ৰহণ সম্পন্ন কৰা হয়। এই নিৰ্বাচনত মই সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক পদৰ বাবে নিৰ্বাচিত হৈছিলো। মোক এই পদত নিৰ্বাচিত কৰি সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ দৰে এক গুৰু দায়িত্ব পালন কৰাৰ সুযোগ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছো।

৬/১০/২০১৫ তাৰিখে শপত গ্ৰহণ অনুষ্ঠানত অধ্যক্ষ মহোদয়ে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰোৱায় আৰু সেই সময়ৰ পৰাই মোৰ দায়িত্বৰ অনুষ্ঠানিক আৰম্ভণী হ'ল। বিশেষ পৰিস্থিতি সাপেক্ষে মহাবিদ্যালয় সপ্তাহৰ সময়ত চাৰুকলা বিভাগৰ দায়িত্বও সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক পদৰ লগত সংযোজিত কৰি দিয়া হ'ল।

এইবাৰ মহাবিদ্যালয় সপ্তাহৰ এক বিশেষ মন কৰিবলগীয়া দিশ আছিল সকলো ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ উৎসাহ পূৰ্বক অংশগ্ৰহণ। সাহিত্য আলোচনী আৰু চাৰুকলা বিভাগতো অংশগ্ৰহণকাৰীৰ সংখ্যা বৃদ্ধি কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিলো ফলত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ অধীনত (১) থিতাতে লিখা গল্প প্ৰতিযোগিতা, (২) থিতাতে লিখা কবিতা প্ৰতিযোগিতা, (৩) নীলা খামৰ চিঠি, (৪) নিৰ্বাচিত কবিতা আবৃত্তি (ইংৰাজী আৰু অসমীয়া), (৫) স্বৰচিত কবিতা আবৃত্তি (ইংৰাজী আৰু অসমীয়া), (৬) কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সেইদৰে চাৰুকলা বিভাগৰ অধীনত (১) বেটুপাত অংকন, (২) পোষ্টাৰ অংকন, (৩) ক্লে ম'ডেলিং, (৪) পেঞ্চিল আৰ্ট, (৫) কলাজ আৰু কাৰ্টুন অংকন, (৬) ৱাটাৰ কালাৰ পেইণ্টিং, (৭) চিত্ৰ প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰা হৈছিল।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ এটা স্থায়ী নাম ৰখাটো বিভিন্ন সময়ত অনুভৱ কৰি অহা হৈছে। মহাবিদ্যালয়খন বিদ্যায়তনিক তথা বৌদ্ধিক লক্ষ্য, দৰং জিলাৰ বৌদ্ধিক সাংস্কৃতিক ঐতিহ্য আদি দিশৰ প্ৰতিফলন ঘটাকৈ এটা নামৰ প্ৰয়োজনীয়তা অনুভৱ কৰি বিষয়টি মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ বিভিন্ন সভা তথা শিক্ষক মণ্ডলী তথা অধ্যক্ষ মহোদয়ৰ আগত বিষয়টো বিভিন্ন সময়ত উত্থাপন কৰি অহা হৈছিল। কথাটো সকলোৱে সমৰ্থন কৰিছিল যদিও আলোচনীখনৰ লগত অতীত তথা বৰ্ত্তমানৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আবেগ জড়িত হৈ থকা বাবে এটি নাম ৰখা আৰু নামটো ঠিৰাং কৰাৰ ক্ষেত্ৰত আলুমণি এছ'চিয়েচন, শিক্ষক পৰিষদ, ছাত্ৰ-ছাত্ৰীৰ এখন সাধাৰণ সভাক জড়িত কৰিব বিচৰা হৈছিল। কিন্তু এই তিনিওটা গোটৰ সিদ্ধান্ত আহৰণৰ আনুষ্ঠানিকতা তথা অন্য জটিলতাৰ বাবে বিষয়টি বিলম্ব হ'ল। পৰৱৰ্তী সময়ত এই প্ৰচেষ্টা সফল হ'ব বুলি আশা ৰাখিলো।

ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী (আৰু চাৰুকলা) বিভাগটোৰ এটি সুকীয়া গুৰুত্ব আছে। এই

বিভাগটোৰ লগত মহাবিদ্যালয়খনৰ শৈক্ষিক, বৌদ্ধিক বাতাবৰণৰ প্ৰতিফলনৰ কথা জড়িত হৈ থাকে। এই দায়বদ্ধতাৰ প্ৰতি মই আৰম্ভণীৰে পৰা সচেতন আছিলো। মহাবিদ্যালয় সপ্তাহৰ সময়ৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সময়ত মহাবিদ্যালয়ৰ কেবাগৰাকী অধ্যাপক-অধ্যাপিকাই বিচাৰকৰ দায়িত্বও পালন কৰি সহায় কৰি দিছিল। আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত যোৱা বছৰৰ (২০১৪-১৫) সম্পাদক হীৰক জ্যোতি শইকীয়া, এইবাৰ নিৰ্বাচনত এই পদত মোৰ লগতে প্ৰাৰ্থীত্ব আগবঢ়োৱা সংস্কৃত বিভাগৰ জিতুমণি কাশ্যপ আৰু ছাত্ৰ একতা সভাৰ কেবাগৰাকী বিষয়ববীয়াই বিশেষভাৱে সহায় আগবঢ়াইছিল। তেওঁলোক আটাইলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে এই বিভাগৰ অধীনত বিভিন্ন কাৰ্যকলাপ তথা অন্য পদক্ষেপত হোৱা মোৰ অজানিত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলো। মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ মঙ্গল কামনা কৰিছো। ধন্যবাদ

**লক্ষ্যজ্যোতি দাস**
**সম্পাদক**
**সাহিত্য, আলোচনী আৰু চাৰুকলা বিভাগ**

# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ চহৰত বৌদ্ধিক বিকাশ চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। মঙলদৈ মহাবিদ্যালয়ৰ স্থাপনত আগভাগ লোৱা সেই সকল মহান আত্মালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাছিলোঁ। সুযোগ বুজি ২০১৫-১৬ বৰ্ষৰ হৈ যোৱা নিৰ্বাচনত মোক সাংস্কৃতিক বিভাগত জয়ী কৰাই কাম কৰাৰ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে সাংস্কৃতিক কাৰ্যসূচীবোৰৰ ৰূপায়ণত উৎসাহিত কৰি আমাক আনন্দ যোগোৱা নমস্য শিক্ষক-শিক্ষয়িত্ৰীবৃন্দলৈ শ্ৰদ্ধা অৰ্পণ কৰিলো।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী যেনে সুধাকণ্ঠ ড০ ভুপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত সোঁৱৰণ, অন্যান্য বৰেণ্য ব্যক্তিৰ জন্ম তিথি পালন আদিৰ লগতে ২০১৫-১৬ বৰ্ষৰ বাবে অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ প্ৰাৰম্ভণিতে সাংস্কৃতিক শোভাযাত্ৰা আৰু মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰধানকৈ ভজন, বৰগীত, লোকগীত, বিহুগীত, আধুনিক গীত, ভূপেন সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত, বিহু নৃত্য, আধুনিক নৃত্য, অন্তাক্ষৰী, একক অভিনয় আৰু বিশেষভাৱে আকৰ্ষণীয় একাংক নাট প্ৰতিযোগিতা উল্লেখযোগ্য। মই অতিশয় গৌৰৱান্বিত যে এইবেলি প্ৰতিটো প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰীৰ সংখ্যা খুবেই উৎসাহজনক আছিল। সাংস্কৃতিক প্ৰতিযোগিতাসমূহ চলি থকা অৱস্থাত অনুষ্ঠানৰ অনুভৱৰ বিষয়ে বিভিন্ন ছাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰীয়ে দুআষাৰ লিখি যায়। সংগীত প্ৰতিযোগিতাৰ বিচাৰক মণ্ডলীয়ে অনুষ্ঠান চলি থকা অৱস্থাতে প্ৰতিযোগীসকলক ভূৰি ভূৰি প্ৰশংসা কৰি যায়। বিশেষকৈ আব্দুল মালিক ছাৰে ব্যক্ত কৰা অনুভৱ প্ৰতিযোগী সকলৰ বাবে খুবেই উৎসাহজনক আছিল। এইবাৰ মহাবিদ্যালয়ৰ সপ্তাহৰ আন এটি গৌৰৱউজ্জ্বল কাৰ্যসূচী আছিল বঁটা বিতৰণী সভা, য'ত অসমৰ জনপ্ৰিয় গায়ক দীক্ষুৱে অনুষ্ঠান পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

সংস্কৃতিয়ে এটা জাতিৰ পৰিচয় দাঙি ধৰে। ইয়াৰ বিকাশৰ মূলতে সুস্থ চিন্তাধাৰা, নিত্য চৰ্চাৰ প্ৰয়োজন।

মঙলদৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ লগতে সাংস্কৃতিক বাতাৱৰণ এটি সুন্দৰভাৱে ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ্তাই ৰাখিছে। পৰিৱৰ্তিত সময়ৰ লগত খোজ মিলাবলৈ সু-সাংস্কৃতিকভাৱে আগবাঢ়িবলৈ আমাৰ আৰু যথেষ্ট কৰণীয় আছে। আশা ৰাখো অনাগত দিনবোৰত আমাৰ সপোনবোৰে দিঠকৰ ৰূপ ল'ব।

এই প্ৰতিবেদনখনৰ জৰিয়তে মই সাংস্কৃতিক বিভাগটি চলাই নিয়াত প্ৰতিটো ক্ষণতে লগত থাকি পৰামৰ্শ তথা সহায় আগবঢ়োৱা তত্বাৱধায়ক শ্ৰীঅনুপম ঠাকুৰীয়া ছাৰদেৱৰ লগতে অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ ছাৰ বাইদেউ তথা কৰ্মচাৰী বৃন্দলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন প্ৰতিযোগিতাৰ সন্মানীয় বিচাৰকসকললৈ তথা বাদ্যযন্ত্ৰী শিল্পীসকলক ধন্যবাদ জনালো। তদুপৰি ছাত্ৰ একতা সভাৰ উপ-সভাপতি শ্ৰীহিমন্ত বিশ্ব হাজৰিকা আৰু সাধাৰণ সম্পাদক শ্ৰীহৃদয় ডেকাৰ লগতে সমূহ সদস্যলৈ আৰু মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। মই এই সকল বন্ধু-বান্ধৱীৰ নাম নল'লে চিৰঋণী হৈ ৰ'ম যাৰ অফুৰন্ত উৎসাহৰ বলত এইবেলি বিভাগটোৰ বিভিন্ন কাৰ্যসূচী প্ৰাণৱন্ত হৈ উঠিল, তেওঁলোক হ'ল বিজু ফুকন ডেকা, মণিকা, ধনজিতা। তেওঁলোককে সামৰি মোৰ সমূহ বন্ধু-বান্ধৱীলৈ হিয়া ভৰা মৰম যাচিলোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি আৰু অজ্ঞান দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালো।

জয়তু মংগলদৈ মহাবিদ্যালয়।

**পৰাণজ্যোতি ডেকা**

**সম্পাদক**

**সাংস্কৃতিক বিভাগ**

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



প্ৰতিবেদনৰ বাট চ'ৰাতে যিসকল মহান ব্যক্তিয়ে দেশ মাতৃৰ বৃহৎ স্বাৰ্থৰ হকে নিজৰ জীৱনকো তুচ্ছ কৰি মৃত্যুবৰণ কৰিলে সেইসকল নমস্য ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে যিসকল মহান ব্যক্তিৰ মহৎ চিন্তা আৰু প্ৰচেষ্টাৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থান মঙ্গলদৈ মহাবিদ্যালয়খন গঢ়ি উঠিল সেই সকল মহান ব্যক্তিক জনাইছো মোৰ সশ্ৰদ্ধ প্ৰণাম।

মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক পদত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সঠিক চিন্তা আৰু শুদ্ধ ভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি সেয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, বৌদ্ধিক তথা সাহিত্যৰ উৎকৰ্ষ সাধন কৰাৰ উদ্দেশ্যে তৰ্ক আৰু বক্তৃতা বিভাগটো ৰখা হৈছে।

বিগত বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। কাৰ্যভাৰ গ্ৰহণৰ পিচতে প্ৰথম কাৰ্যসূচীৰূপে মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত

তৰ্ক আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হয় মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত দুয়োখন প্ৰতিযোগিতা শৃংখলাবদ্ধভাৱে অনুষ্ঠিত হয়।

মোৰ কাৰ্যকালৰ সকলো দিশতে উপযুক্ত পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱা তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড০ বৰ্ণালী ডেকা বাইদেউ লগতে অধ্যাপক ড০ কংকন শৰ্মা ছাৰ, অধ্যাপিকা ঊষা ৰাণী ডেকা বাইদেউ, অধ্যাপক নৱজ্যোতি দলৈ ছাৰ, অধ্যাপিকা ড০ ৰুণজুন দেৱী বাইদেউ, অধ্যাপক ড০ মৃদুল ডেকা ছাৰ, অধ্যাপক পৰেশ কুমাৰ শৰ্মা ছাৰ, অধ্যাপক ড০ আঙ্গিৰস ছাৰ আটাইলৈ মোৰ অকৃত্ৰিম শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ দাদা ৰঞ্জন ডেকা, ৰূপজ্যোতি হাজৰিকা, মস্কোৰ আলম, লক্ষ্যজ্যোতি দাস আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ শলাগৰ শৰাই আগবঢ়াইছো।

শেষত, তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সম্পাদকৰ দায়িত্ব পালনত জ্ঞাত-অজ্ঞাতভাৱে হোৱা ভুল-ক্ৰটিৰ বাবে সমূহ ছাৰ-বাইদেউ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো। মন্দিৰ সদৃশ আমাৰ এই মহাবিদ্যালয়খনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়
জয়তু মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰদ্ধাৰে,
**ৰূপাঞ্জলী ডেকা**
**সম্পাদিকা, তৰ্ক আৰু বক্তৃতা বিভাগ।**

# ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



জয় জয়তে যিসকল শ্বহীদে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিলে তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা নিবেদন জনাইছো; লগতে মংগলদৈ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী তথা দাদা-বাইদেউ সকললৈ মৰম আৰু শ্ৰদ্ধা যাচিলোঁ। মংগলদৈ মহাবিদ্যালয়ৰ দৰে এখন দৰঙৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আৰু মংগলদৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ (২০১৫-১৬ বৰ্ষৰ) ক্ৰীড়া বিভাগৰ সম্পাদক পদত প্ৰতিদ্বন্দিতা কৰি বিজয়ী হোৱাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগ আগবঢ়াইছিল তেওঁলোকলৈ অশেষ কৃতজ্ঞতা থাকিল।

মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰ কিছু মাহ পিচত আমি "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত কৰিছিলো। এই মহাবিদ্যালয় সপ্তাহ ২ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰা হৈছিল। ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক তথা মানসিক বিকাশত কিমান দূৰ সফল হ'লো সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়। মই আশা কৰো যে আগন্তুক দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ

কৰি সুনাম কঢ়িয়াই আনিব। মোৰ কাৰ্যকালত বিভিন্ন দায়িত্ব পালনত শিক্ষাগুৰু তথা সতীৰ্থ অনুজসকলে সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। বিশেষকৈ মোৰ তত্বাৱধায়ক শ্ৰীপ্ৰণৱ দাস ছাৰে যথেষ্ট সহায় কৰিছিল।

ইয়াৰ উপৰিও বিভিন্ন খেল সমূহ নিয়াৰিকৈ চলাই নিয়াৰ মানস প্ৰতীম ডেকা আৰু শ্ৰীবিজু ফুকন ডেকা দাদাই মোক প্ৰতিটো মুহূৰ্ত্ততে দিহা পৰামৰ্শ, উৎসাহ-উদ্দীপনা দি মোৰ কাৰ্যকাল সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিছিল।

মোৰ প্ৰতিটো মুহূৰ্ত্তত ছাঁৰ দৰে থাকি মোক সহায় কৰা মৰমৰ বন্ধু জিণ্টুমণি ডেকালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

মোৰ বিভাগত থকা প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ যোগদানে সঁচাকৈ উৎসাহিত কৰিছিল। কবিৰ কবিতা যেন লগা এই সন্ধিয়াতে আমি পাহৰি গৈছিলো নিজৰ ঘৰ তথা বাহ্যিক দিশবোৰ।

সদৌ শেষত কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাই মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে প্ৰতিবেদন সামৰিলো।

**অলকেশ শৰ্মা**
**সম্পাদক**
**ক্ৰীড়া বিভাগৰ**

# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। শপত গ্ৰহণ কৰাৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ"ৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্যাই নিজৰ নিজৰ বিভাগৰ প্ৰতিযোগিতাসমূহৰ প্ৰস্তুতি আৰম্ভ কৰিছিল লগতে মইয়ো ছাত্ৰ জিৰণি কোঠাৰ তৰফৰ পৰা কাবাডী, কেৰম, দবা, বেডমিণ্টন আদি খেলবোৰ অনুষ্ঠিত কৰি উক্ত প্ৰতিযোতিৰ বিজয়ী প্ৰতিযোগীক প্ৰমাণ পত্ৰ আৰু মেডেল দিয়াৰ ব্যৱস্থা কৰিছিলো।

বৰ্তমানে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ জিৰণি কোঠা এটাৰ খুবেই অভাৱ অনুভৱ কৰিছিলো যদিও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে ঘোষণা কৰিছিল B.H. ৰ কাষৰ নিৰ্মাণৰত অট্টালিকাৰ ২য় মহলাত ছাত্ৰ জিৰণি কোঠাটো হ'ব। ই মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে সুখৰ খবৰ যদিও মোৰ কাৰ্যকালত ইয়াৰ কাম সম্পূৰ্ণ নহয়। তথাপিও মহাবিদ্যালয়ৰ অভাৱ এটি পূৰণ হ'ব।

সৰ্বশেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মোৰ প্ৰতিটো কামত দিহা পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক ড০ মৃদুল ডেকা ছাৰলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মোৰ কাৰ্যসূচীসমূহ সফল কৰাত যিসকল ছাত্ৰ ছাত্ৰীয়ে সহায় সহযোগ আগবঢ়ালে

তেওঁলোককো মই ধন্যবাদ জ্ঞাপন কৰিলো। অজানিতে হৈ যোৱা ভুল ত্ৰুটি সমূহ মাৰ্জনা কৰে যেন।

জয়তু মঙলদৈ মহাবিদ্যালয়

সুজিত ডেকা
সম্পাদক
ছাত্ৰ জিৰণি কোঠা

# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী লগতে মহাবিদ্যালয়ৰ লগত জড়িত সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো, যিসকলৰ মৰম আৰু শুভ কামনাই মোক ঐতিহ্যমণ্ডিত মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত নিৰ্বাচিত কৰি উক্ত বিভাগটোৰ উন্নতিৰ হকে কাম কৰাৰ সুযোগ দিলে।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত ছাত্ৰীসকলে কেৰম, দবা, বেডমিন্টন, আল্পনা আদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰকাশ কৰিলে সেয়া সঁচাই প্ৰশংসনীয় আশা কৰিছো ভৱিষ্যতেও তেওঁলোকে ৰাষ্ট্ৰীয়, আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই সামৰ্থ অনুসৰি যি সম্ভৱ সেইখিনি সুবিধা ছাত্ৰীসকলক দিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলো; এই খিনিতে উল্লেখ কৰিব বিচাৰো যে মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি কোঠাত Wall Clock, দৰ্জা-খিৰিকীত পৰ্দা লগোৱাৰ লগতে প্ৰস্ৰাৱগাৰত ব্যৱহৃত বাল্টি-মগৰো যোগান ধৰিছিলো আৰু কেৰম খেলিবলৈ দুটা Frame ৰো যোগান ধৰি বহুদিনীয়া অভাৱ এটা পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। ইয়াৰ উপৰি আন বিভাগৰ সম্পাদকসকলে অনুষ্ঠিত কৰা কাৰ্যসূচীতো যিখিনি পাৰি সহায় আগবঢ়াবলৈ চেষ্টা কৰিছিলো।

এই প্ৰতিবেদনৰ লগতে মোৰ সকলো কাম সুচাৰুৰূপে পালন কৰি নিয়াত সম্পূৰ্ণ সহায় আগবঢ়োৱা মাননীয়া সীমাজ্যোতি বাইদেউক সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কৰ্মত প্ৰেৰণা যোগোৱা সকলোলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি সকলো ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু মঙ্গলদৈ মহাবিদ্যালয়"

জয়তু ছাত্ৰ একতা সভা মঙ্গলদৈ মহাবিদ্যালয়

**দীপাঞ্জলী কোঁৱৰ**
**সম্পাদিকা**
**ছাত্ৰী জিৰণি কোঠা**

# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন
# (২০১৫-১৬ বৰ্ষ)



জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল শ্বহীদলৈ যিসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি স্বৰ্গাভিমুখী হ'ল আৰু নিজৰ তেজৰ বিনিময়ত আমাক পৰাধীনতাৰ শিকলিৰ পৰা মুকলি কৰি স্বাধীনতাৰ সোৱাদ দি গ'ল। লগতে যিসকল মহান ব্যক্তিৰ মহৎ চিন্তা, প্ৰচেষ্টা আৰু কপালৰ ঘামৰ বিনিময়ত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙ্গলদৈ মহাবিদ্যালয়খন গঢ়ি উঠিছিল সেইসকল মহান ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা কণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

০৬/১০/২০১৫ তাৰিখে শপত গ্ৰহণ কৰাৰ পিচত মোৰ কাৰ্যকাল আৰম্ভ হয়। কাৰ্যভাৰ গ্ৰহণৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। দৰং জিলাত থকা বিভিন্ন সাংস্কৃতিক দল যেনে— খুলীয়া ভাওনা, মহোহো দল, নামৰ দল, ঢেপা ঢুলীয়া, সত্ৰীয়া নৃত্য, বড়ো সংস্কৃতি, ওজাপালি, দেওধনী নৃত্য, বিহু ইত্যাদিৰে ২০১৬ বৰ্ষৰ ২ ফেব্ৰুৱাৰী তাৰিখে উলিওৱা বৰ্ণাঢ্য শোভা যাত্ৰাৰ ফটো আমাৰ কাৰ্যকালৰ এক স্মৰণীয় ঘটনা আছিল।

মানৱ জীৱনৰ কৰ্মৰ প্ৰণালী, সাহিত্য, ধৰ্ম-দৰ্শন আদিৰ লগতে সমাজক সেৱা কৰা এই আটাইবোৰেই মানুহৰ এক গুৰুত্বপূৰ্ণ কৰ্তব্য আৰু মানৱ জীৱনৰ এই সমস্ত উৎসৰ পৰা আহৰিত হোৱা ধ্যান-ধাৰণাই নিজৰ লগতে সমাজক এক বৰ ভেটি গঢ় দিয়াত সহায় কৰে।

মোৰ কাৰ্যকালৰ দিশতে উপযুক্ত পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱা তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড০ সৰযু প্ৰিয়া দেৱী বাউদেউৰ লগতে ড০ বিজয় কুমাৰ শৰ্মা ছাৰ, প্ৰবক্তা পৰেশ শৰ্মা ছাৰ, আৰু N.C.C. বিভাগৰ কেপ্তেইন হৰিমন ডেকা আৰু ড০ লীনা শইকীয়া বাইদেউৰ লগতে সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ দাদা আৰু সকলো ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ শলাগৰ শৰাই আগবঢ়াইছো।

সদৌ শেষত মই মোৰ দায়িত্ব আৰু কৰ্তব্য পালনত অজানিতে হোৱা ভুল-ক্ৰুটিৰ ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক, সামাজিক, খেল-ধেমালি আৰু সকলো দিশৰে পৰা সফল হয় তাৰে কামনাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয় আই অসম

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**যতীন্দ্ৰ চন্দ্ৰ ডেকা**

**সম্পাদক, সমাজ সেৱা বিভাগ**

# (১০)ব্যায়ামশালা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন (২০১৫-১৬ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক ব্যায়ামশালাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি তেওঁলোকৰ হকে কাম কৰিবলৈ সুবিধাকণ দিয়াৰ বাবে।

স্বাস্থ্যই পৰম ধন। শৰীৰ সুস্থ থাকিলেহে মানসিক সুস্থিৰতা বজাই ৰাখিব পাৰি। এই কথাৰ ওপৰত লক্ষ্য ৰাখি মঙ্গলদৈ মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ"ত শৰীৰ চৰ্চাৰ ওপৰত ভিত্তি কৰি শৰীৰ প্ৰদৰ্শনৰ খেল অনুষ্ঠিত কৰা হয়। বহু ছাত্ৰই এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। তাৰে মাজত মহাবিদ্যালয় ৫ম ষান্মাসিকৰ আকিউৰ হুছেইনে মিঃ মঙ্গলদৈয়ান খিতাপ অৰ্জন কৰে। সকলো অংশগ্ৰহণকাৰীক ধন্যবাদ জনালো আৰু আকিউৰ হুছেইন প্ৰমুখ্যে অন্য বিজয়ী প্ৰাৰ্থীসকলক অভিনন্দন জনালো।

মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা ক্ষেত্ৰত বিভিন্ন পদক্ষেপ লোৱা হৈছে যদিও আজিৰ যুৱ-প্ৰজন্মৰ মাজত শৰীৰ চৰ্চাৰ ক্ষেত্ৰত দেখা দিয়া অনীহা যুৱ প্ৰজন্মৰ বাবে এক নেতিবাচক পৰিস্থিতি বুলি ক'ব লাগিব। যুৱ প্ৰজন্মৰ মাজত শৰীৰ চৰ্চা তথা ক্ৰীড়াৰ চৰ্চাৰ জৰিয়তে যুৱ প্ৰজন্মৰ মাজত দেখা দিয়া বিভিন্ন অসামাজিক কাৰ্যৰ প্ৰতি বাঢ়ি অহা প্ৰৱণতা হ্ৰাস কৰিব পৰা যায়। প্ৰতিবেদনৰ সামৰণিত যুৱ সমাজলৈ এটাই অনুৰোধ কৰিছো স্বাস্থ্য ৰক্ষাৰ ওপৰত গুৰুত্ব দি সামাজিক পৰিবেশৰ সুস্থিৰতা বজাই ৰাখে যেন।

ধন্যবাদ

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

প্ৰাণজিৎ ডেকা
সম্পাদক
ব্যায়ামশালা বিভাগ

# ২০১৪-১৫ বৰ্ষৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুঁৱৰিছো প্ৰাক্তন মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু সহঃ সম্পাদক-সম্পাদিকা সকললৈ আৰু প্ৰাক্তন শিক্ষা গুৰুসকললৈ। যাৰ প্ৰচেষ্টাৰ মহাবিদ্যালয় খন উন্নয়নৰ দিশে আগবাঢ়ি আছে।

কাৰ্যকাল প্ৰেক্ষাপট মঙলদৈ মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। সেয়েহে মোক নিৰ্বাচিত কৰাৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই দায়িত্বভাৰ গ্ৰহণ কৰি ২০১৫ বৰ্ষত জানুৱাৰী মাহত মঙলদৈ মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰো আৰু ২৮ জানুৱাৰী ২০১৫ তাৰিখৰ পৰা ৩১ জানুৱাৰী ২০১৫ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মোৰ প্ৰচেষ্টাত মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাখন অনুষ্ঠিত কৰা হয়।

কৃতজ্ঞতা কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ তত্বাৱধায়ক শ্ৰীভৱেশ নাৰায়ণ চৌধুৰী মহোদয়লৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

মোৰ বন্ধুবৰ্গ শ্ৰীহীৰকজ্যোতি চহৰীয়া (আলোচনী সম্পাদক), শ্ৰীহীৰকজ্যোতি বেজবৰুৱা (ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক), শ্ৰীহিমাংশু চহৰীয়া (সাংস্কৃতিক সম্পাদক), শ্ৰীদিগবলয় শৰ্মা (সমাজ সেৱা সম্পাদক), মঃ লাকী হুচেইন (ব্যায়াম শালা সম্পাদক) আদি সকলোলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। এই সকলোলোকৰ অবিহনে হয়তো মোৰ কাৰ্যকাল পৰিচালনাত যথেষ্ট অসুবিধা হ'লহেঁতেন।

মোৰ কাৰ্যকালত বৈ যোৱা ভুলৰ বাবে মই সকলোলৈ ক্ষমা বিচাৰিছো আৰু লগতে মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশৰ উন্নয়ন কামনা কৰিছোঁ। লগতে প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে
বিশ্বজ্যোতি ডেকা
সাধাৰণ সম্পাদক

# ২০১৪-১৫ বৰ্ষৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুঁৱৰিছো প্ৰাক্তন মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক সম্পাদক সকললৈ আৰু সেইসকল মহান ব্যক্তিলৈ যাৰ প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ মাজ-মজিয়াত সগৰ্বে থিয় হৈ আছে।

কাৰ্যকালৰ প্ৰেক্ষাপট ঃ মঙলদৈ মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰিলো। প্ৰতি বছৰৰ দৰে দায়িত্ব ভাৰ গ্ৰহণৰ পাচতেই মহাবিদ্যালয় সপ্তাহৰ কাৰ্যভাৰ মোৰ হাতত আহি পৰে। ২৮ জানুৱাৰী, ২০১৫ তাৰিখৰ পৰা ৩১ জানুৱাৰী ২০১৫ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহত মই জ্যোতি সংগীত, ৰাভা সংগীত, লোক গীত, বৰগীত, বিহুগীত, ভজন, ভূপেন্দ্ৰ সংগীত, আধুনিক গীত আদিৰ লগতে ভেশচন, আন্তাক্ষৰী মুকাভিনয়, একাংক নাট, একক আধুনিক নৃত্য আৰু বিহু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা সকলো প্ৰতিযোগিতাতে ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাব সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগে মোক যথেষ্ট প্ৰেৰণা দিছে।

কৃতজ্ঞতা ঃ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক ড০ অনুপম ঠাকুৰীয়া মহোদয়লৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ বন্ধু বৰ্গ বিশ্বজ্যোতি ডেকা (সাধাৰণ সম্পাদক), হীৰজজ্যোতি চহৰীয়া (আলোচনী, সাহিত্য, চাৰুকলা সম্পাদক), হীৰকজ্যোতি বেজবৰুৱা (ছাত্ৰ-জিৰণী কোঠা সম্পাদক), দিগবলয় শৰ্মা (সমাজ সেৱা সম্পাদক) আদি সকলোলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ধন্যবাদ জ্ঞাপন কৰিছো মোক মহাবিদ্যালয় সপ্তাহত সহায়-সহযোগ কৰাৰ বাবে সংগীতা ডেকা, হিমন্ত বিশ্ব হাজৰিকা, মুনিন গৌতম, জিতু, কংকন মহন্ত এইসকল লোকৰ অবিহনে হয়তো মোৰ কাৰ্যকাল পৰিচালনাত জটিলতা আহিলহেঁতেন। সেয়েহে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

মোৰ কাৰ্যকালত সাংস্কৃতিক দিশত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই ক্ষমা বিচাৰিছো আৰু লগতে মঙলদৈ মহাবিদ্যালয়ৰ সকলো দিশৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে

**হিমাংশু চহৰীয়া**

সম্পাদক

সংগীত আৰু সাংস্কৃতিক বিভাগ

# Principals of Mangaldai College

**Estd. 1951**

| Sl. No. | Name | From | To |
|---|---|---|---|
| 1. | Sri Purandar Sarma, MA, Bl, | 20.09.1951 | 11.09.1966 |
| 2. | Sri Prabodh Ch. Goswami, MA, BT. | 12.09.1966 | 30.06.1977 |
| 3. | MD. Abdul Mazid, MA, LLB | 01.07.1977 | 17.08.1983 |
| 4. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 18.08.1983 | 18.03.1988 |
| 5. | MD. Abdul Mazid, MA, LLB | 19.03.1988 | 28.02. 1990 |
| 6. | Dr. Purna Ch. Bora, MA, Ph.D. (in Charge) | 01.03.1990 | 31.03.1992 |
| 7. | Sri Gopi Nath Sarma, MA (in Charge) | 01.04.1992 | 30.06.1992 |
| 8. | Sri Siba Kanta Sarma, MA, LLB | 01.07.1992 | 31.05.1996 |
| 9. | Dr. L Nath, MSc, BT, M. Phil, Ph.D. | 01.06.1996 | 31.03.1999 |
| 10. | Dr. (Mrs.) Amiya Devi, MA, Ph.D. (in Charge) | 01.04.1999 | 31.07.2000 |
| 11. | Dr. G.C. Goswami, MSc., BT, M. Phil, Ph.D. | 01.05.2001 | 31.05.2004 |
| 12. | Dr. H.K. Goswami, MA, Ph.D. (in Charge) | 01.05.2001 | 31.05.2004 |
| 13. | Dr. R.K. Roy, MA, Ph.D. (in Charge) | 01.06.2004 | 30.11.2004 |
| 14. | Dr. J.C. Nath, MA, Ph.D. | 01.12.2004 | 31.08.2007 |
| 15. | Mr. S. Rahman, MSc., LLB (in Charge) | 01.09.2007 | 16.01.2009 |
| 16. | Mr. B.K. Medhi, MSc. (in Charge) | 17.01.2009 | 31.10.2010 |
| 17. | Mr. N. Mudai, MSc. LLB (in Charge) | 01.11.2010 | 06.06.2011 |
| 18. | Mrs. B. Goswami, MSc. (in Charge) | 07.06.2011 | 20.01.2012 |
| 19. | Dr. K.K. Nath, MSc., Ph.D. | 20.01.2012- | |

| ২০১৫-১৬ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ | |
|---|---|
| সভাপতি | ঃ হিমন্ত বিশ্ব হাজৰিকা |
| সাধাৰণ সম্পাদক | ঃ হৃদয়ানন্দ ডেকা |
| সহঃ সাধাৰণ সম্পাদক | ঃ অৰিন্দম ভৰদ্বাজ |
| সাহিত্য, চাৰু-কলা আৰু আলোচনী সম্পাদক | ঃ লক্ষ্যজ্যোতি দাস |
| খেল সম্পাদক | ঃ অলকেশ শৰ্মা |
| সাংস্কৃতিক সম্পাদক | ঃ পৰাণজ্যোতি ডেকা |
| ছাত্ৰ জিৰণি কোঠা সম্পাদক | ঃ সুজিত ডেকা |
| ছাত্ৰী জিৰণি কোঠা সম্পাদিকা | ঃ দীপাঞ্জলী কোঁৱৰ |
| তৰ্ক সম্পাদক | ঃ ৰূপাঞ্জলী ডেকা |
| সমাজ সেৱা সম্পাদক | ঃ যতীন চন্দ্ৰ ডেকা |
| ব্যায়ামশালা সম্পাদক | ঃ প্ৰাণজিৎ ডেকা |

| ২০১৪-১৫ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ | |
|---|---|
| সাধাৰণ সম্পাদক | ঃ বিশ্বজ্যোতি ডেকা |
| সাহিত্য, চাৰু-কলা আৰু আলোচনী সম্পাদক | ঃ হীৰকজ্যোতি চহৰীয়া |
| খেল সম্পাদক | ঃ মানসজ্যোতি বৰা |
| সাংস্কৃতিক সম্পাদক | ঃ হিমাংশু চহৰীয়া |
| ছাত্ৰ জিৰণি কোঠা সম্পাদক | ঃ হীৰকজ্যোতি বেজবৰুৱা |
| সমাজ সেৱা সম্পাদক | ঃ দিগবলয় শৰ্মা |
| ব্যায়ামশালা সম্পাদক | ঃ লাকী হুছেইন |

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল


(১৯৫৮-১৯৫৯ বৰ্ষৰ পৰা ২০১৫-২০১৬ বৰ্ষলৈকে)

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-১৯৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-১৯৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-১৯৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-১৯৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-১৯৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-১৯৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-১৯৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-১৯৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-১৯৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-১৯৬৯ | শ্ৰীনৰেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-১৯৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-১৯৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-১৯৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভুপেন নাথ কাকতি |
| ১৪শ | ১৯৭২-১৯৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভুপেন নাথ কাকতি |
| ১৫শ | ১৯৭৩-১৯৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভুপেন নাথ কাকতি |

| | | | |
|---|---|---|---|
| ১৬শ | ১৯৭৪-১৯৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন নাথ কাকতি |
| ১৭শ | ১৯৭৫-১৯৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন নাথ কাকতি |
| ১৮শ | ১৯৭৬-১৯৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | শ্ৰীভূপেন নাথ কাকতি |
| ১৯শ | ১৯৭৭-১৯৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-১৯৭৯ | শ্ৰীশৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-১৯৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-১৯৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-১৯৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-১৯৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-১৯৮৬ | শ্ৰীশিৱ প্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-১৯৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-১৯৮৮ | শ্ৰীভবেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-১৯৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ আলি |
| ২৯ম | ১৯৮৯-১৯৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-১৯৯২ | শ্ৰীববিতা কুমাৰ মাজুডেকা | ইদ্ৰিছ আলি |
| ৩১ম | ১৯৯১-১৯৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ আলি |
| ৩২ম | ১৯৯৩-১৯৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-১৯৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৪ম | ১৯৯৫-১৯৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |
| ৩৫ম | ১৯৯৬-১৯৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-১৯৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-১৯৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড০ বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০১-২০০১ | শ্ৰীপ্ৰবীন বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-২০০২ | শ্ৰীসম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-২০০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-২০০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-২০০৮ | শ্ৰীজয়ন্ত ডেকা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-২০০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড০ বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-২০১০ | শ্ৰীমানৱজ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-২০১১ | মঃ হামিদুৰ ৰহমান | ড০ সৰযুপ্ৰিয়া দেৱী |
| ৪৭ম | ২০১১-২০১২ | শ্ৰীঅবিনাশ বৰুৱা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | ২০১২-২০১৩ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ সৰযুপ্ৰিয়া দেৱী |
| | ২০১৩-২০১৪ | শ্ৰীভাস্কৰজ্যোতি ডেকা | |
| ৪৮ম | ২০১৪-২০১৫ | শ্ৰীহীৰকজ্যোতি চহৰীয়া | ড০ আঙ্গিৰস |
| | ২০১৫-২০১৬ | শ্ৰীলক্ষ্যজ্যোতি দাস | |

◆◆◆

# মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত শোভাযাত্ৰাৰ কেইটামান দৃশ্য













# মহাবিদ্যালয় সপ্তাহৰ কেইটামান দৃশ্য




অধ্যাপক-ছাত্ৰৰ প্রীতি ক্রিকেট খেলৰ 'অপেনিং চট'



ভেশচন প্রতিযোগিতাৰ এটা দল-বিষয় [illegible]ী [illegible]তন



কাবাডী খেলৰ ছাত্রী প্রতিযোগী দল



কাবাডী খেলৰ ছাত্র প্রতিযোগী দল



এটা নৃত্য দলৰ সতে আমন্ত্রিত জনপ্রিয় শিল্পী দীক্ষু



ফেচন শ্ব'



মঃ আকিউৰ জামান (মিষ্টাৰ মঙলদৈয়ান)



নাট প্রতিযোগিতাৰ এটা নাট্য মুহূর্ত



Mangaldai College Team
North East NSS Youth Festival- 2015
Mizoram University



২০১৬ ৰাষ্ট্ৰীয় যুব দিৱসত (২১ জানুৱাৰী) অংশ-গ্ৰহণকাৰী মঙলদৈ মহাবিদ্যালয়ৰ এন.চি.চি. ৰ দলটো




জিলা প্ৰশাসনৰ সহযোগিতাত আয়োজিত ভোট সচেতনতা কাৰ্যসূচীৰ বাবে ইতিহাস বিভাগৰ দ্বাৰা ১৩-০২-২০১৬ তাৰিখে অনুষ্ঠিত বাটৰ নাট- 'গণতন্ত্ৰৰ বাবে এখন্তেক'ৰ এটি মুহূৰ্ত



মঙলদৈ জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত স্বাধীনতা দিৱস ২০১৬ চনৰ মাৰ্চ্-পাছত বঁটা প্ৰাপ্ত মঙলদৈ মহাবিদ্যালয়ৰ এন. চি. চি. দল



২১ জুন, ২০১৬ তাৰিখে মঙলদৈ মহাবিদ্যালয়ত আয়োজিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ এটি মুহূৰ্ত

## মঙলদৈ মহাবিদ্যালয়ৰ কেইগৰাকীমান খ্যাতিমান ছাত্ৰ-ছাত্ৰী



শ্ৰীডৰথী ডেকা
প্ৰথম শ্ৰেণী প্ৰথম স্থান
ৰাজনীতি বিজ্ঞান বিভাগ
২০১৫-১৬ বৰ্ষ



মিচ মেহ জুবিন চুলতানা
প্ৰথম শ্ৰেণী দ্বিতীয় স্থান
ৰাজনীতি বিজ্ঞান বিভাগ
২০১৫-১৬ বৰ্ষ



শ্ৰীলীনাশ্ৰী কাশ্যপ
প্ৰথম শ্ৰেণী তৃতীয় স্থান
দৰ্শন বিভাগ,
২০১৫-১৬ বৰ্ষ



মিছ ৰুবিশ্মা আমিন হাজৰিকা
ষ্টাৰ কলেজপুৰস্কাৰ বিজেতা
প্ৰাণী বিজ্ঞান বিভাগ
২০১৪-১৫ বৰ্ষ



...মা চ... য়া
ষ্টাৰ ক... পু... বিজেতা
প্ৰ... বিজ্ঞা... ভাগ
...১৫-... বৰ্ষ

## ২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ কেইগৰাকীমান বিজয়ী প্ৰতিযোগী



শ্ৰীজিতুমণি কাশ্যপ
শ্ৰেষ্ঠ অভিনেতা




শ্ৰীবিদুৎ দেব নাথ
শ্ৰেষ্ঠ চাৰু কলা শিল্পী



শ্ৰীপৰিস্মিতা বৰ্মণ
শ্ৰেষ্ঠ চাৰু কলা শিল্পী



শ্ৰীবৰ্ষা ভাৰতী
শ্ৰেষ্ঠ গায়িকা



শ্ৰীমানসজ্যোতি বড়া
শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীবিশ্বজিৎ বৰুৱা
শ্ৰেষ্ঠ গ'লৰক্ষক তথা
ফুটবল খেলুৱৈ



মিছ নাজৰিণ য়াচমিন
শ্ৰেষ্ঠ তাৰ্কিক



শ্ৰীবিজু ফুকন ডেকা
শ্ৰেষ্ঠ গায়ক
২০১৩-১৪ বৰ্ষ




শ্ৰীকৃপালিণী দেৱী
শ্ৰেষ্ঠ গায়িকা
২০১৪-১৫ বৰ্ষ




**A Moment of U.G.C. Sponsored National Seminar Organized by Department of History, on Traditional Knowledge System of The People of North-East India : Antiquity and Evolution**
**Dated : 3 & 4 February, 2012**



**Dr. Hari Prasad Sarma, Department of Environment Science GU is lighting up the Inaugural Lamp in The National Seminar on "Women Empowerment : Issues and Challenges" Organized by The Department of Economics in association with WSRC on 11-9-15 &12-9-15**



পথৰুঘাট কৃষক শ্বহীদ স্তম্ভ